# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ১২/০২/২০১৮ সোমবাৰ

---

**মাননীয় অধ্যক্ষ ঃ আজি ইংৰাজী ১২-০২-২০১৮ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী মহোদয়ৰ অধ্যক্ষতাত দিনটোৰ বাবে সদনৰ কাম আৰম্ভ হয়।**

**<u>প্ৰশ্ন কালীন ঘণ্টা</u>**

**মাননীয় অধ্যক্ষ ঃ** Question No. 61. মাননীয় সদস্য শ্ৰী অশোক শৰ্মা।

**শ্ৰী পল্লৱলোচন দাস ( মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী অশোক শৰ্মা ( নলবাৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে মই সোধা তিনিটা প্ৰশ্নৰ উত্তৰ দিছে, কিন্তু এই উত্তৰখিনিৰে মই যি কথাটো বুজাব গৈছিলো তাৰ প্ৰতিফলন হোৱাতো মই ইয়াত সম্পূৰ্ণ ভাৱে দেখা নাই। মোৰ প্ৰথম প্ৰশ্নটো মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়লৈ প্ৰশ্ন কৰিব খুজিছো যে আমি ক্ষতিগ্ৰস্থ পৰিয়ালক বা ব্যক্তি সকলক ধন দিয়াৰ কাৰণে যি আমাৰ নিয়ম আছিলে, সেই নিয়মৰ আধাৰত মোৰ সমষ্টিত ২০১৬ চনৰ মে আৰু জুন দুটা মাহতে তিনি গৰাকী ব্যক্তিৰ মৃত্যু হৈছিল নিজ-বৰহেৰীয়াল গাওঁত বিষ্ণু বৈশ্য দুই নম্বৰ বালিতৰাৰ ৰাজেন্দ্ৰ প্ৰসাদ সৰকাৰ আৰু পুলেন কলিতা এই তিনিগৰাকীৰ মৃত্যু হৈছিল, বজ্ৰপাত পৰি, সেই তিনিগৰাকী ব্যক্তিৰ আজিলৈ মই বহু প্ৰচেষ্টা কৰি থকাৰ পিছতো সেই তিনি গৰাকী ব্যক্তিক এতিয়ালৈকে আৰ্থিক সাহায্য দিব পৰা নাই, মই সেই কাৰণে এই প্ৰশ্নটো সুধিছিলো যে এনেকুৱা কৰিব নোৱাৰি নেকি ? যে সেই ক্ষতিগ্ৰস্থৰ পৰিয়াল সকলে অতি সোনকালে সাহায্য পায়, পুলেন কলিতা আছিল ঠেলা চালক, ৰাজেন্দ্ৰ সৰকাৰ আছিল এজন সাধৰণ কৃষক,আৰু বিষ্ণু বৈশ্য আছিল এগৰাকী শিক্ষিত নিবনুৱা যুৱক।

**মাননীয় অধ্যক্ষ ঃ** কোন চনত মৃত্যু হৈছিল ।

**শ্ৰী অশোক শৰ্মা (নলবাৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০১৬ চনৰ জুন মাহত।

**মাননীয় অধ্যক্ষ ঃ** এতিয়ালৈ পোৱা নাই, মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পল্লৱলোচন দাস ( মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা ইতিমধ্যে এইটো পদক্ষেপ গ্ৰহণ কৰা হৈছিলে, যে মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে আমি প্ৰতি গৰাকী উপায়ুক্তলৈ আগতীয়াকৈ ধন মোকলাই দিছিলো আৰু সেই যি ধন আমি দিছিলো সেই Gratuitous Relief ৰ ধন তাৰ পৰা যদি কোনোবা ব্যক্তি কিবা প্ৰাকৃতিক দুৰ্যোগত যদি তেওঁ মৃত্যু বৰণ কৰে তেওঁ যাতে ৪৮ঘণ্টাৰ ভিতৰত ক্ষতিপূৰণ পাব পাৰে, তাৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰা হৈছিলে আৰু সেইমতে আমি সেই পদক্ষেপ গ্ৰহণ কৰিলো আৰু আপুনি যি তিনিগৰাকীৰ নাম কৈছে, আমাক অৱগত কৰিলে, সেই বিষয়ে Specific ক ভাৱে আমি চাম, কি কাৰণে এইটো হোৱা নাই। আমি ইতিমধ্যে সকলো উপায়ুক্তলৈ ধন মোকলাই দিবলৈ নিৰ্দেশ দিছো। যোৱা বানপানীত যদি

চাই আপুনি চাৰ তেতিয়া হ'লে দেখিব প্ৰত্যক ঠাইতে পুঁজিখিনি পোৰাটো আমাৰ বিধায়ক সকল অৱগত। সেইহে আমি সেই পদক্ষেপ গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কৈছিলে, ১সপ্তাহৰ ভিতৰত পাব লাগে কিন্তু তেখেতে দুদিনৰ ভিতৰত পোৰা কথা কৈছে। কিবা যদি আছে , Specific ক দিব।

**শ্ৰী অশোক শৰ্মা (নলবাৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আনটো প্ৰশ্ন হ'ল বানপানীৰ কথা মাননীয় মন্ত্ৰী মহোদয়ে কৈছে, মোৰ এটা অনুৰোধ আছে, আপোনাৰ জৰিয়তে বানপানী হোৱাৰ পিছত আমাৰ চৰকাৰে বহু টকা সাহায্য দিয়ে, তাত বহুত বদনাম ও হয়। কিন্তু সেই বানপানী হোৱাৰ আগত যদি মথাউৰি বিলাক মেৰামতি ভালদৰে কৰে তেনেহলে আমি কিছু ৰক্ষা কৰিব পাৰিম। প্ৰশ্নটো হল মোৰ সমষ্টিত ছটাইবাৰী আৰু মাজিখিয়াল দুখন গাওঁ আছে, যত পাগলাদিয়া নদীৰ সেইখিনিত মথাউৰি নাই আৰু পানী বাঢ়িলে লগে লগে গুচি আহে আৰু ধুই লৈ যায়, কিন্তু ২৪ ঘণ্টা নোহোৱাৰ ফলত চৰকাৰী নিয়ম অনুসৰি তাত আজিলৈকে ক্ষতি পূৰণ দিব পৰা হোৱা নাই। গতিকে তেনেকুৱা নিয়ম যদি মথাউৰি নিৰ্মাণ কৰাত চৰকাৰে তৎপৰতা লয় তেনেহলে সেই মানুহখিনিকি উপকৃত কৰা হব এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী পল্লৱলোচন দাস ( মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যদি মথাউৰি নিৰ্মাণৰ কিবা বিষয় থাকে, সেইটো জলসম্পদ বিভাগে চাই। আমাৰ বিভাগৰ ফালৰ পৰা কেৱল মাত্ৰ প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে কোনটো বিভাগৰ নিৰ্দিষ্ট কৰি আমি তেওঁলোকৰ কাৰণে ধন আৱণ্টন কৰি দিওঁ। জলসম্পদ বিভাগক আমি ২৫০ কোটি টকা আৱন্টন দিয়া হৈছে আৰু সেই ২৫০ কোটি টকাৰ কোনখিনি আঁচনি গ্ৰহণ কৰিব লাগে, কোনখিনি মথাউৰি নিৰ্মাণ কৰিব লাগে, সেইয়া জলসম্পদ বিভাগে নিজে নিৰ্ধাৰণ কৰে। সেইয়েহে আমাৰ ফালৰ পৰা দিয়া যায় আৰু আমাৰ মুখ্য সচিবৰ নেতৃত্বত যিখন সমিতি আছে, সেই সমিতিয়ে সেই গোটেই কামখিনিৰ অনুমোদন জনায়। সেইহে মই আপোনাৰ যদি Specific আছে, আপুনি জলসম্পদ মন্ত্ৰীৰ লগত যদি এবাৰ যোগাযোগ কৰে, আৰু আমিও যিখিনি পাৰো আমি সহায় কৰিম, এইখিনি কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** তেখেতৰ প্ৰশ্নটো আছিল যে Flash Flood মানে হঠাত আহে পানীটো গাওঁখন উটুৱাই লৈ যায় আৰু লগতে বস্তু বাহিনীবোৰ উটুৱাই লৈ যায় আৰু পিছদিনাৰ পৰা পানীটো শুকাই যায়, তেনেকুৱা ক্ষতিগ্ৰস্থ মানুহক কিবা সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিব পাৰি নেকি?

**শ্ৰী পল্লৱলোচন দাস (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যদি তেনেকুৱা কিবা ক্ষতিগ্ৰস্থ হয়, আমি নিশ্চিত ভাৱে ভাৱে এইটো চাই কি কৰিব পাৰো, সেইটো আমি চিন্তা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কথা পাতিব। Supplementary ৰ বাবে বহুতে হাত দাঙিছে এতিয়া মাননীয় সদস্য শ্ৰী দেৱানন্দ হাজৰিকা।

**শ্ৰী দেৱানন্দ হাজৰিকা (মাননীয় সদস্য, বিহপুৰীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো প্ৰশ্ন উৎথাপন কৰা হল তাৰলগত সংগতি ৰাখি দুটা কথা সুধিব বিচাৰিছো, মোৰ লক্ষিমপুৰ জিলাৰ ৩ঘৰ মানুহৰ ঘৰ ২০১৬ চনতে দুৰপাং নদীয়ে খহাই নিলে, Deputy Commissoner ক বাৰে বাৰে কোৱা স্বত্বেও তেওঁলোকৰ নামত এটকা পইচাও নিদিলে। ঘৰ জ্বলা কেছও Deputy Commissoner ক দিছিলো, নিদিলে। ইয়াৰ লগতে যিবিলাক ৰাস্তা পদুলি ইতিমধ্যে বানপানীত ধংস হ'ল। সেই বিলাকৰ কাৰণে DDM এ পাছ কৰি পঠিওৱা হল।

আজিলৈকে এই কামবিলাক আৰম্ভ হোৱা নাই। গতিকে আকৌ বানপানী আহিবৰ হৈছে, গতিকে এই কামবিলাক কেতিয়া কৰিব আমি সমষ্টিলৈ যাব নোৱাৰো হলো। গতিকে এই বিষয়ত কি ধৰণৰ

আমি উত্তৰ পাম তাকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, ধন্যবাদ।

**শ্ৰী পল্লৱলোচন দাস (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেই প্ৰক্ৰিয়াটো এনেকুৱা ধৰণৰ যে আমাৰ জিলা উপায়ুক্তৰ নেতৃত্বত তাত DDM যিখন সমিতি আছে, সেই সমিতি গোটেইখিনি তাত প্ৰাকৃতিক দুৰ্যোগৰ ভিতৰত ক্ষতিগ্ৰস্থ যিখিনি থাকে, গোটেইখিনি তেওঁলোকে তথ্য তাত গ্ৰহণ কৰি সেইখিনি আমাৰ ইয়ালৈ পঠিয়াই। পঠিৱাৰ পিছত আমি কেৱল মাত্ৰ সমিতিখনৰ সভাখন আয়োজন কৰে আৰু মুখ্য সচিবে সেই সমিতিখনৰ সভাৰ সভাপতিত্বত কৰে আৰু বিভাগ সমূহে তাৰ তথ্য অনুসৰি তেওঁলোকে এখন Priority তালিকা তৈয়াৰ কৰে। যে কোন কেইটা কাম কৰিব লাগিব আৰু কোনকেইটাক Priority দিয়া যাব। আমি যিখিনি ধন আৱণ্টন কৰো, সেই ধনৰ পৰা সেই Priority তালিকাখন বিভাগ সমূহে গঠন কৰে আৰু সমিতিখনে সেইখিনি ফাইনেল অনুমোদন জনায়। সেয়েহে জলসম্পদ বিভাগ, গড়কপ্তানী বিভাগৰ যিখিনি কাম ৰৈ গৈছে, জলসম্পদ বিভাগ আৰু গড়কপ্তানী বিভাগে এইখিনি ব্যৱস্থা গ্ৰহণ কৰি আছে এখন সভা হৈ গল সেইখন সভাত আঁচনি অনুমোদন জনোৱা হল আৰু এই মাহতে আৰু এখন সভা আয়োজন কৰাৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেইখন সবাত হয়তো বাকী যিখিনি আঁচনি ৰৈ গৈছে, সেইখিনি অনুমোদন জনোৱা হব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্যা শ্ৰীমতী নন্দিতা দাস

**শ্ৰীমতী নন্দিতা দাস (মাননীয় সদস্যা, বকো)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বানপানীৰ সময়ত বহু মানুহ পানীত পৰি মৃত্যু বৰণ কৰে। ডাঙৰ মানুহ মৰে, বেছি ভাগ সৰু সৰু লৰা ছোৱালী পানীত পৰি মৰে। কে তিয়াবা আকৌ কোলাত লৈ থকা কেচুৱাটো হঠাত পানীত পৰি গল সেইটো মৰি থাকে। এনেকুৱা ক্ষেত্ৰত কি হয়, যে সৰু সৰু লৰা ছোৱালী বিলাকৰ বিশেষ ভাৱে দেউতাক মাক বিলাকে Post-mortem কৰিব তান পায়। যাৰ ফলত SDRF Norms ত Post-mortem নাথাকিলে, Ex-gratia নাপাই। সেই কাৰণে বহুতো মৃত্যু বৰণ কৰা লৰা -ছোৱালি বিলাকে ক্ষতি পূৰণ নাপায়। মই মন্ত্ৰী মহাশয়ৰ, বিশেষকৈ এইটো কব বিচাৰিছো যে সৰু সৰু লৰা -ছোৱালীৰ ক্ষেত্ৰত যিটো Norms আছে, Post-mortem কৰা সেইটো শিথিল কৰিব পৰা যাব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** থিক আছে।

**শ্ৰী পল্লৱলোচন দাস ( মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ে গোটেই ব্যৱস্থাটো চাই, তাৰ Eligibility Criteria ৰ ভিতৰত কোন কোন হব আৰু কাক কিমান ধন দিব পৰা যায়, গোটেই ব্যৱস্থাটো তেখেত সকলে তাত কৰে। সেয়হে আমি আপুনি যিহেতু বিষয়টো কৈছে, এই বিষয়টো বিবেচনা কৰিম আৰু আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি কিবা যদি কৰিব পৰা যায় আমি চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (মাননীয় সদস্য, গুৱাহাটী পশ্চিম)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে, শুনি ভাল লাগিছে, ভাল কথা কৈছে, নীতি নিয়মৰ কথা কৈছে, কিন্তু আমি বাস্তৱত কি পাইছো। বাস্তৱত আমাৰ বানবিধস্ত যিখিনি ক্ষতিগ্ৰস্থ পৰিয়াল আছে, বা অগ্নিকান্দত যিবিলাক ক্ষতিগ্ৰস্থ পৰিয়াল আছে, সেইটো ২/৩ বছৰলৈকে নাপায় ছাৰ, ২/৩ বছৰ নপোৱা উদাহৰণ মোৰ হাতত আছে। গতিকে মই বিশেষ ভাৱে এইটো এইখন চৰকাৰৰ দিনতে নহয়, আগৰ পৰা এইটো এটা পৰমপৰা হৈছে। গতিকে মই ভাৱো যিখিনি নীতি নিয়মৰ কথা কৈছে,

সেই নীতি নিয়ম অনুসৰি আপোনালোকে আমাৰ চৰকাৰ খনে বিশেষকৈ মন্ত্ৰীয়ে আমাৰ উপায়ুক্ত সকলক নিৰ্দিষ্ট সময়ৰ ভিতৰত এই যিটো ক্ষতিগ্ৰস্থ তাৰ সাহাৰ্য্য এই সাহাৰ্য্য দিয়াৰ ব্যৱস্থা লব লাগে আৰু কোনোৱা উপায়ুক্তই যদি গাফিলতি কৰে তেনেহলে এটা যদি বিহীত ব্যৱস্থা লোৱা হয়, তেনেহলে মই ভাবো যে আমাৰ নিৰ্দিষ্ট সময়ত ক্ষতিগ্ৰস্থ পৰিয়াল সমূহে এই যিটো সুবিধা এই সুবিধাটো লাভ কৰিব পাৰিব। মই ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আজিৰ কথাটো অলপ গুৰুত্বপূৰ্ণ। মই নিময় মতে তিনিটা দিলোহয়, তথাপি দুজনে কৈ আছে সেইবাবে দুটা Supplementary হ'ল, আপোনাৰটো যিহেতু general question, Specific নহয়, এতিয়া নুৰুল হুদা আপুনি চমুকৈ কওঁক।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাটঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৭ চনত মোৰ সমষ্টিত বিধংসী ধুমুহাই বহু মানুহৰ ঘৰ ভাঙিলে বহু মানুহৰ ক্ষতি কৰিলে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কওঁক।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, চক্ৰ বিষয়া ডাঙৰীয়াই প্ৰদিবেদন প্ৰস্তুত কৰি White paper ত দিলে, মইওঁ ব্যক্তিগত ভাৱে উপায়ুক্ত ডাঙৰীয়ক লগ পাই অনুৰোধ কৰিছিলো কিন্তু আজিলৈকে কোনো এজন মানুহে সাহায্য নাপালে। প্ৰায় ৫০ টা মান ঘৰ-দোকান জ্বলিলে সেইখিনি মানুহেও কোনো সঁহায় নাপালে, সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে আমাৰ এই ক্ষতিগ্ৰস্থ সকলক সহায় কৰে, কৰিলে বহুত উপকাৰ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই সকলোৰে হৈ Widely কথাটো কৈছে। সেইবাবে মই সুধিব বিচাৰো যে এইটোৰ লগতে নে বেলেগ ?

**শ্ৰী কমলেক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰটো বেলেগ, বেলেগ।

**মাননীয় অধ্যক্ষ ঃ** বেলেগ যদি অলপ ৰ'ব।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, পূৱ গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সাধৰণতে আমাৰ এটা impression আছে যে বানপানী কেৱল গ্ৰাম্যাঞ্চলতহে হয় বা দূৰ্গত অঞ্চলবোৰত হয়। কিন্তু, গুৱাহাটীতো Flash Flood হয় আৰু গুৱাহাটীত কিন্তু আজিলৈকে তেনেকুৱা ধৰণৰ কোনোবা ক্ষতিগ্ৰস্থ মানুহক কোনো সাহাৰ্য্য দিয়া হোৱা নাই, অকল যে ধনী মানুহৰ ঘৰতে বানপানী উঠে সেইটো নহয়, বহুতো দুখীয়া মানুহৰ ঘৰতো বানপানী উঠে, বহুতো মানুহৰ প্ৰাণও যায়, আপুনি জানে কেইবাজনো বিদ্যুৎস্পৃষ্ট হৈ প্ৰাণ গৈছে, এই ক্ষেত্ৰত চৰকাৰৰ নগৰাঞ্চলত হোৱা যিটো Flash Flood তাৰ বাবে চৰকাৰৰ কিবা নীতি আছে নেকি ? যদি আছে তেতিয়াহলে এই নীতিৰ অধীনত কিমান মানুহক এতিয়ালৈকে ক্ষতি পূৰণ দিয়া হৈছে?

**মাননীয় অধ্যক্ষ ঃ** সময় এক মিনিট আছে, আপোনাৰটো কওঁক, আৰু নহ'ব, আজি নহ'ব This is the first question, he must understand.

**শ্ৰী কমলেক্ষ দে পুৰকায়স্থ ,উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু অনুস্থানৰ কথা আছে, সেইবাবে মই কৈ আছো যে আমাৰ কৰিমগঞ্জত wholesalel co-operative 1974 ত স্থাপন হৈছিল। কেইদিন মান আগতে জুই লাগিলে যিহেতু অনুস্থানৰ কথা, জুই লাগি ভষ্মিভূত হৈ গৈছে, সেই অনুস্থান আগতে ল'ষ্টত আছিলে, এতিয়া লাভত আহিছে, গতিকে তেনেকুৱা অনুস্থান যদি অসমত জুই লাগে বা ভষ্মিভূত হৈ যায় তাৰ বাবে কিবা Special ব্যৱস্থা লব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মই বাকী সকলকো দিম আৰু প্ৰশ্ন আহিব, মই দিম সকলোকে দিম

এতিয়া আজি আৰু নহ'ব। কওঁক।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো যিহেতু সকলো বিধায়কে যথেষ্ট গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে, আমি এই কথা উপলব্ধি কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো এনেকুৱা যে আমাৰ যিটো জি আৰ ফাণ্ড, জি আৰ ফাণ্ডটো ইতিমধ্যে আমি উপায়ুক্ত সকলক দি ৰিলিফ দিব লগীয়া হয়, তেওঁলোকে তাত খুব সোনকালে ৰিলিফ দিব পাৰে আৰু সেইটো চিলিং মুক্ত কৰা আছে। দ্বিতীয়তে তাত যদি কৰবাত Ex-gratia কিবা ক্ষতিপূৰণ দিব লাগে সেইটোও আমি ৪৮ ঘন্টাত দিবৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিৰ্দেশ দিছে। সেই অনুসৰি ৪৮ ঘন্টাত দিব পৰা যায়। কিন্তু, যিটো Rehabiliation Grant বুলি কোৱা যায়, সেই Rehabiliation Grant টোৰ ক্ষেত্ৰত DDM ৰ সভাত চক্ৰ বিষয়া, গাওঁবুঢ়া আৰু লাট মণ্ডল তেওঁলোকে ক্ষতিগ্ৰস্থ লোকসকলৰ এখন তালিকা প্ৰস্তুত কৰে। সেই তালিকাত জিলা উপায়ুক্তই Sanction কৰে, Sanction কৰাৰ পিছত আমাৰ বিভাগলৈ পঠিয়াই, আমাৰ বিভাগৰ পৰা আমি বিত্ত বিভাগলৈ পঠিয়াও তাৰ পিছত বিত্ত বিভাগৰ পৰা যেতিয়া অনুমোদন হয় তেতিয়া আমি আকৌ সেই কনৰ্চান উপায়ুক্তলৈ পঠিয়াব লাগে। সেই কাৰণে আমি এটা নতুন চিন্তা কৰিছো। এই বিষয়ত এটা ব্যৱস্থা লবলৈ মাননীয় মুখ্য মন্ত্ৰীৰ লগত এখন সভা আয়োজন কৰাৰ কথা চিন্তা কৰিছো যে আমি যিটো Rehabiliation Grant সেই Rehabiliation Grant টোক আমি চিলিং মুক্ত কৰিব পৰা যায় নেকি, সেইটোৰ কাৰণে আমি মাননীয় মুখ্যমন্ত্ৰীৰ জৰিয়তে বিত্তমন্ত্ৰীৰ লগত আলোচনা কৰিম। যাতে সেইটো চিলিং মুক্ত কৰিলে খুব সোনকালে আপোনালোকক সুবিধাখিনি দিব পৰা যায়। তাৰোপৰি আমি এটা নতুন চিন্তা কৰিছো যিহেতু চাৰ্কোল পৰ্যায়ত গোটেই কামখিনি হয়, সেই কাৰণে আমি চক্ৰবিষয়াৰ পৰ্য্যায়তে এখন Disaster Management কমিটি আমি বনাব পাৰো নেকি য'ত Disaster Management কমিটিখনত আমি জনপ্ৰতিনীধি সকলকো যদি লব পাৰো তেতিয়াহলে তেখেত সকলে তাৰ যিটো Assessment সেই Assessment টো শুদ্ধভাৱে কৰি খুব সোনকালে বিষয়টো মণিটৰ কৰিব পাৰিব। সেই কাৰণে সেই কামটো আমি এই মাহৰ ভিতৰত কৰিবৰ কাৰণে আমাৰ বিভাগৰ ফালৰ পৰা যি আছে আমি মাননীয় মুখ্যমন্ত্ৰীৰ জৰিয়তে এইটো অনুমোদন কৰি বাকীখিনি কাম কৰাৰ চিন্তা কৰিছো। লগতে আমি যিখিনি নগৰ অঞ্চলৰ কথা কৈছো, নগৰ অঞ্চলই হওঁক বা গাওঁ অঞ্চলে হওঁক আমি দুয়োটা অঞ্চলকে সমানে সামৰি গোটেইখিনি সুবিধা প্ৰধান কৰিবলৈ চেষ্টা কৰিছো। সেয়েহে আমি জনপ্ৰতিনীধি সকলক ইয়াত অৰ্ন্ত ভূক্ত কৰিম এতিয়া যাতে গোটেই বিষয়খিনি আপোনালোকে দৃষ্টিগোচৰ কৰি ৰাখিব পাৰে আৰু কিবা বিষয় থাকিলে আপোনালোকে আমাক অৱগত কৰিব পাৰে, সেই পদক্ষেপটো আমি গ্ৰহণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৬২, শ্ৰীঋতুপৰ্ণ বৰুৱা। তেখেত অনুপস্থিত। প্ৰশ্ন নং ৬৩, শ্ৰী তপন কুমাৰ গগৈ।

**শ্ৰীনৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী তপন কুমাৰ গগৈ, সোণাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মাহোদয়ৰ পৰা জানিব বিচাৰিম, মোৰ প্ৰশ্নটো আছিল যে আমাৰ জিলা খন যিহেতু নতুনকৈ গঠন হৈছে, এই নতুনকৈ গঠন হোৱা জিলা খনত কোনো ধৰণৰ জিলা সমাজ কল্যাণ বিষয়া নাই, আৰু নথকাৰ কাৰণে আমাৰ জিলা খনত যিমান অঙ্গনবাড়ী কেন্দ্ৰ আছে তাত যিসকল কন কন ছাত্ৰ-ছাত্ৰী আৰু ল'ৰা-ছোৱালী আহে এই ছাত্ৰ-ছাত্ৰী অহাৰ পিছত তাত যি ঘৰ আছে সেই অঙ্গনবাড়ী কেন্দ্ৰবোৰ একেবাৰে জৰাজীৰ্ণ হৈ গৈছে, সেইবোৰ এতিয়ালৈ মেৰামেতিৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা

হোৱা নাই। আগৰ চৰকাৰৰ দিনতে সেইখিনি বনোৱা হৈছিল কিন্তু ইমান বেয়াকে বনাইছিল যাৰ কাৰণে যিকোনো মুহূৰ্তত তেনেকুৱা ঘৰ বিলাক ভাঙি পৰাৰ সম্ভৱনা আছে। লগতে জিলা বিষয়া জিলা উপায়ুক্তই তেওঁক মাতিলে কিন্তু তেওঁ তালৈ নাহে। ১০ টা ঘৰ তাত বনাই থকা হৈছে, ১০ ঘৰৰে এনকুৱাৰী দিয়া হৈছিল, আজিলৈকে বনোৱা সম্পূৰ্ণ হোৱা নাই। জিলা বিষয়া গৰাকীক নিমন্ত্ৰণ জনাইছিল কিন্তু তেওঁ নাহিলে আৰু কলে যে মই বেলেগ এখন জিলাৰ উপায়ুক্তৰ অধীনত কাম কৰি আছো। সেই বাবে তেওঁ কাষৰ জিলাত নাযায়। আমি যেতিয়া মিটিং পাটো তেতিয়া তেওঁক মাতিলে মিটিঙটো নাহে। তেনেধৰণে আমাৰ জিলা খনত গোটেই অঙ্গনবাড়ী কেন্দ্ৰবোৰ চলি আছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে উত্তৰ দিছে, কিন্তু মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এইটো কেতিয়া হ'ব? জিলা বিষয়া গৰাকী কেতিয়া নিযুক্তি দিব? আৰু অঙ্গনবাড়ী কেন্দ্ৰবোৰ নিৰ্মাণৰ কাৰণে পইচাখিনি কেতিয়াৰ পৰা মুকলি কৰি দিব? যি আধৰুৱা কাম আছে, যি ঠিকাদাৰে কাম কৰি আছে সেই ঠিকাদাৰ কেইজনক যিহেতু বেলেগ এখন জিলাৰ পৰা কাম বিলাক দিছিল সেই কাৰণে চৰাইদেউ জিলাৰ উপায়ুক্তই মাতিলেও তেওঁলোকে নাযায় আৰু ঠিকাদাৰ খিনিয়ে কোনোধৰণৰ কাম কৰিব যোৱা নাই। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ নতুনকৈ ৬ খন জিলা গঠিত কৰাৰ লগতে চৰাইদেউ জিলাতো ইতিমধ্যে সমাজ কল্যাণ কাৰ্য্যলয় আৰু সমাজ কল্যাণ বিষয়া নিযুক্তিৰ বাবে উপায়ুক্ত সকলৰ লগত কিছুমান তথ্যৰ বাবে যোগাযোগ কৰিছো। ইতিমধ্যে কিছু তথ্য আহিছে আৰু কিছু তথ্য আহিব বাকী আছে আৰু কিছুদিন আগতে উপায়ুক্ত ডাঙৰীয়ালৈ এখন পত্ৰ প্ৰেৰণ কৰিছো। তাৰ পৰা যিখিনি Specific নীতি নিয়ম ৰ তথ্য আহিব আহি পোৱাৰ লগে লগে আমি চৰাইদেউ জিলাৰ কাৰ্যালয়ৰ বাবে সমাজ কল্যাণ বিভাগৰ বিষয়া নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰিম। দ্বিতীয়তে যিখিনি জৰাজীৰ্ণ ঘৰৰ মেৰামতিৰ বিষয় টো আহিছে এই বিত্ত বৰ্ষত আমি ২৪ কোটি টকা সমগ্ৰ অসমৰ জৰাজীৰ্ণ অঙ্গনবাড়ী কেন্দ্ৰৰ মেৰামতিৰ অনুমোদন পাইছিলো আৰু সকলো সমষ্টিতে ইতিমধ্যে ১৫ লাখ টকাকে মেৰামেতিৰ বাবে দিয়াৰ কাৰণে এখন তালিকা প্ৰস্তুত কৰিছো আৰু মেৰামেতিৰ বাবে এখন কমিটি ইতিমধ্যে গঠন কৰি দিছো। উপায়ুক্তৰ সমূহৰ নেতৃত্বত District Vigilance কমিটি এখন আৰু প্ৰজেক্ট লেভেলত চি ডি পিউ, চাৰ্কোল অফিচাৰ, বি ডি ও, জে ই, মাননীয় বিধায়ক সকলক আৰু সদস্য সকলকলৈ এখন কমিটি গঠন কৰি দিছো। ইতিমধ্যে বিত্ত বিভাগৰ অনুমোদনৰ বাবে আমি প্ৰেৰণ কৰিছো আৰু এই সপ্তাহৰ ভিতৰতে বিত্ত অনুমোদন পোৱাৰ লগে লগে আমি সমষ্টি সমূহলৈ মেৰামতিৰ ব্যৱস্থাৰ ধনখিনি দিয়াৰ ব্যৱস্থা কৰিম আৰু যাতে মাননীয় সদস্য গৰাকীয়ে সমষ্টিত থকা জৰাজীৰ্ণ অঙ্গনবাড়ী কেন্দ্ৰবোৰ পুনৰ নিমাৰ্ণৰ ব্যৱস্থা কৰিবলৈ এই কমিটি খনক তদাৰক কৰি উচিত ভাৱে আপুনিও পৰামৰ্শ আগবঢ়াব বুলি আশা কৰিলো আৰু দ্বিতীয়তে যি গৃহ অৰ্দ্ধনিৰ্মিত হৈ আছে সেই বিষয়টো আমি প্ৰাৰম্ভিক ভাৱে যাতে সমাপ্ত কৰে তাৰবাবে নিৰ্দেশ দিয়াৰ ব্যৱস্থা কৰিম।

**শ্ৰী তপন কুমাৰ গগৈ,(সোণাৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইটোৰেই জানিব বিচাৰিছোঁ যে, এতিয়া যিখিনি জৰাজীৰ্ণ ঘৰ আছে, তাৰ কাৰণে যি পইচা দিয়াৰ ব্যৱস্থা কৰিছে, সেই পইচাখিনিৰ ব্যৱহাৰ শিৱসাগৰ জিলাই কৰিব নে চৰাইদেউ জিলাই কৰিব? কাৰণ শিৱসাগৰ জিলাৰ পৰা কৰাৰ লগে লগে চৰাইদেউ জিলাৰ কোনেও গম নাপায় যে, শিৱসাগৰ জিলাৰ পৰা কোনে কামটো কৰিবলৈ গৈ আছে? কাম কৰাৰ পিছত তেওঁলোকে তাত যিগৰাকী C D P O আছে তেওঁক কয় যে

কামটো চমজি লওঁক। কামটো সম্পূৰ্ণ হৈছে নে নাই,সেইটো নাচায়। পি ডব্লিউ ডি বিভাগৰ পৰা কয় যে, কামটো চমজি লওঁক, ঠিকাদাৰে কয় যে কামটো চমজি লওঁক এই ক্ষেত্ৰত চৰাইদেউ জিলাৰ উপায়ুক্তই একো কৰিব নোৱাৰে। সেইকাৰণে এতিয়া যিখিনি কাম হ'ব, এতিয়া কামখিনি কোন জিলাৰ অধীনত হ'ব সেইটো জানিব বিচাৰিছোঁ।

**শ্ৰী নব কুমাৰ দলে, মন্ত্ৰী ঃ** যিহেতু আমি জিলা সমাজ কল্যাণ বিষয়া আৰু কাৰ্য্যালয়ে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰি আছো যে চৰাইদেউ জিলাত সমাজ কল্যাণৰ কাৰ্য্যালয় বা বিষয়া নিযুক্তি হোৱা নাই। গতিকে এইটো পৰ্য্যয়ত শিৱসাগৰ জিলাৰ পৰাই কামবোৰ কৰা হ'ব। পৰৱৰ্তী সময়ত যিখিনি কাম হ'ব সেইবোৰ আমাৰ উপায়ুক্ত সকলৰ পৰা তথ্য অহাৰ লগে লগেই জিলা সমাজ কল্যাণ বিষয়া আৰু কাৰ্য্যলিয় হ'ব তেতিয়া আমি চৰাইদেউ জিলাৰ পৰাই কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, মই ভাৱো যে, শিৱসাগৰ জিলাৰ উপায়ুক্তক আপুনি এটা চোকা নিৰ্দেশ দিয়ক। মেম্বাৰজনে কথাটো কেইবাবাৰো কৈছে। Please do that.এতিয়া এই কামটো চৰাইদেউ specific আছিল। এই কথাটোত বহুতে হাত দাঙিছে। মই সকলোকে ক'ব দিব নোৱাৰিম। বড়ো ডাঙৰীয়া, ইমদাদুল ডাঙৰীয়া আপোনালোক সকলোৱে হাত দাঙিছে। But this is related to only Charaidew District.গতিকে আগলৈ যাব লাগিব। শ্ৰী যোগেন মোহন, আপুনি কওঁক।

**শ্ৰী যোগেন মোহন, মাহমৰা ঃ** অধ্যক্ষ মহোদয়, মই এটা সৰু প্ৰশ্ন কৰিছো। অঙ্গনবাড়ী সহায়িকাৰ বহুত post খালী হৈ আছিল। আজি আঠ মাহ মান হৈ গ'ল। ষ্টেটলৈ পঠোৱা হৈছে recommendation ৰ কাৰণে, approval ৰ কাৰণে। কিন্তু আজিলৈকে যোৱা নাই। তাত এইবিলাক অসুবিধা হৈ আছে। জিলা পৰ্যায়তে এইবিলাক চিলেকচন কৰিব পৰা ব্যৱস্থা নাই নেকি চৰকাৰৰ? ষ্টেট লেভেল লৈকে আহোতে প্ৰক্ৰিয়াটো বহুত দীঘলীয়া হৈ যায়। দ্বিতীয়তে কথাটো হ'লকিছুমান অঙ্গনবাড়ীত শিশুৰ সংখ্যা একেবাৰে কম। যাৰ ফলস্বৰূপে তেওঁলোকৰ নামত ব্যৱহৃত হৈ থকা চাউল অথবা ভাড়া ঘৰৰ নামত চৰকাৰী টকা বহু অপচয় হৈ আছে। এইবিলাক অলপ নিয়মীয়া হ'ব লাগে আৰু চাব লাগে যে সঠিকভাৱে চলিছে নে নাই।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী নব কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়কজনে অঙ্গনবাড়ী নিযুক্তিৰ ক্ষেত্ৰত যিটো কথা কৈছে সেইটো আমি চাম আৰু কম দিনৰ ভিতৰতে যাতে নিযুক্তি প্ৰক্ৰিয়াটো কৰিব পাৰে তাৰ বাবে ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মহেশ্বৰ বড়ো। আপোনাৰ প্ৰশ্নটো General নে related to your constituency?

**শ্ৰী মহেশ্বৰ বড়ো ঃ** চাৰ General.

**মাননীয় অধ্যক্ষ** ঃ General হলেও মই আপোনাক দিছোঁ।

**শ্ৰী মহেশ্বৰ বড়ো, কলাইগাঁওঃ** অধ্যক্ষ মহোদয়, আমাৰ বিশেষকৈ চি ডি পি ৰ কাৰ্য্যলিয় Social welfare ডিপাৰ্টমেণ্ট ,বি টি চি লৈ হস্তান্তৰ ,ট্ৰেন্সফাৰ চাবজেক্ট ইয়াতে ৪২ টা কাৰ্য্যলিয় আছে। তাৰ ভিতৰত B T A D ও চাব লাগে। Non B T A Dও চাব লাগে। ২৪ খন পুৰ্ণাঙ্গ ৰূপত চি ডি পি ও অফিচে বি টি এ ডি পাৰ্টটো চাব পাৰে আৰু বাকীথকাখিনি Non B T A D এ চাব লাগে। reorganize ব্যৱস্থাটো এই Social welfare ডিপাৰ্টমেণ্টত নহ'ল। যাৰ ফলত এতিয়া ৰিপেয়াৰিঙৰ কাৰণে যিখিনি টকা পঠাইছে দুটা দুটা ডিষ্ট্ৰক্ট হৈছে ????। মোৰ

সমষ্টিতে ওদালগুৰি district ও পৰে আৰু দৰং district ও পৰে। অফিচাৰ দুজনকৈ আৰু ডি চি দুজন কৈ আছে। টেকনিকেলি বহুতো অসুবিধা হৈছে। বেলেগ ডিপাৰ্টমেণ্টবোৰ ৰিকগনাইজ হ'ল বি টি এ ডি আৰু Non B T A D ত। গতিকে Social welfare ডিপাৰ্টমেণ্টো বৰ্তমানলৈ recognize হোৱা নাই। এইটো recognize কৰি ভাল কাৰ্য্যালয় বা প্ৰশাসনিক দিশটো ভালকৈ চলাবলৈ ব্যৱস্থা কৰিব পাৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী মহোদয়ৰ পৰা ৰিপ্লাই বিচাৰিছো। ১৫ লাখটো দিওঁতে তেখেতৰ অসুবিধা হৈছে।

**শ্ৰী নব কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বি টি এ ডি ৰ বিষয় সমাজ কল্যাণ বিভাগৰ recognization ৰ কাৰণে ইতিমধ্যে আমি বি টি চি ৰ কাৰ্য্যবাহী বিষয়া আৰু মাননীয় বিধায়ক শ্ৰী ৰবিৰাম নাৰ্জাৰী লগতে কেইবাজনো বিধায়কৰ উপস্থিতিত আমি দুই তিনিবাৰকৈ আলোচনা কৰিছো। খুব কম দিনৰ ভিতৰতে বি টি চিৰ recognizationৰ মেপ এখনৰ ব্যৱস্থা কৰাৰ কথা আমি কৈছিলো। এই বিষয়ত তেওঁলোকে সন্মতি প্ৰকাশ কৰিছে। আশা কৰিছো অতি কম দিনৰ ভিতৰতে recognizationৰ ব্যৱস্থা হ'ব আৰু সমস্যাটোৰ সমাধান হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। পিছৰ প্ৰশ্ন নং ৬৪। শ্ৰী ভাস্কৰ শৰ্মা। মিনিষ্টাৰ প্লিজ।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়,উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ভাস্কৰ শৰ্মা, মাৰ্ঘেৰিটাঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিলে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়লৈ। তেওঁ উত্তৰ দিছে কিন্তু মই আশ্বস্ত হোৱা নাই। প্ৰশ্নটো আছিলে দীনদয়াল উপাধ্যায় আচঁনি । মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰো। তেওঁ উত্তৰত কৈছে যে, সকলো কাম হৈ গৈছে। কিন্তু মোৰ সমষ্টি মাৰ্ঘেৰিটাত মই জনাত আজিলৈকে বহুত কাম বাকী আছে আৰু যিটো কোম্পানীয়ে কাম কৰিছে বুলি ইয়াত দিছে ইতিয়ালৈকে কানেকচন পোৱা নাই। মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিম এইখিনি কাম কেতিয়ালৈকে কৰিব আৰু কেতিয়া শেষ হ'ব ?

শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনাৰ জৰিয়তে যিসমূহ গাওঁ এতিয়াও বিজুলী সংযোগ হোৱা নাই তাত বিজুলী সংযোগৰ আমি ব্যৱস্থা কৰিছো। কিন্তু অধ্যক্ষ মহোদয়, বহু এনেকুৱা ঘৰ থাকি গৈছে যিসমূহ দৰিদ্ৰ শ্ৰেণীৰ লোক হলেও তেওঁলোকে বিজুলী যোগান পাব লাগে কিন্তু পোৱা নাই,সেইটো সত্য। সেয়েহে যোৱাবাৰ মাৰ্ঘেৰিটা বিধানসভা সমষ্টিত কাম কৰা গ'ল তাত distributionৰ যিটো নেটৱৰ্ক সেই গোটেইখিনি কৰা হৈ গ'ল কিন্তু বি পি এল কানেকচনৰ ব্যৱস্থাটো তাত নহ'ল। কাৰণ বি পি এল ৰ যিটো ডাটা বেচ তাত আছিল সেইখিনি ইতিমধ্যে তাত দিয়া গৈছে। এতিয়া প্ৰায় ২০ হাজাৰমান তাত নতুনকৈ সংযোজন দিবৰ কাৰণে বাকী আছে। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, আমি যিহেতু কেন্দ্ৰীয় চৰকাৰৰ 'সৌভাগ্য' বুলি এটা আচঁনি নতুনকৈ ইয়াত launch কৰিলো তাৰ জৰিয়তে আমি মাৰ্ঘেৰিটাত গাওঁসমূহত সকলোখিনি distribution নেটৱৰ্কৰ কাম কৰা হৈ গৈছে কিন্তু চাৰ্ভিচ কানেকচন পোৱা নাই। প্ৰথম পৰ্য্যয়ত প্ৰায়ৰিটি হিচাপে লৈ আপোনালোকক সেইখিনি গাওঁত বিজুলী সংযোগৰ ব্যৱস্থা আমি কৰি দিম। মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনালোঁ মোৰ সমষ্টিত এইখিনি কাম সম্পূৰ্ণ কৰি দিম বুলি কোৱা কাৰণে। মোৰ আৰু এটা প্ৰশ্ন আছিলে যিখিনি কাম হৈছে সেইখিনিৰ ট্ৰেন্সফৰ্মাৰ বিলাক চাৰ্জ দিব পৰা হৈ আছে। কিন্তু কিছুমান মেটেৰিয়েল নথকাৰ কাৰণে এতিয়ালৈকে চাৰ্জ দিব পৰা হোৱা নাই। সেইটো বিষয়ে মন্ত্ৰী মহোদয়ে কেনেকুৱা ধৰণৰ চিন্তা কৰিছে জনালে ভাল পাম।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি কিবা সৰু অসুবিধা আছে যাৰ কাৰণে চাৰ্জ কৰিব পৰা হোৱা নাই সেইখিনি তদন্ত কৰি অতি সোনকালে চাৰ্জ কৰাৰ ব্যৱস্থা কৰি দিম। বহু এনেকুৱা মানুহ আছে যাৰ কাৰণে আমি সকলোখিনি কৰিছো কিন্তু মানুহে service connectionখিনি লোৱা নাই। service connection আজি লবলৈ হলে ৩৫০০ টকামান টকা আমি খৰচ কৰিব লগা হয়। meter, energy meter বাকী চাৰ্ভিচ কানেকচনৰ wire সেইখিনি সকলো মিলাই ৩৫ শ টকা হয়। এতিয়া সৌভাগ্য আচঁনিৰ দ্বাৰা সম্পূৰ্ণ বিনামুলীয়াকৈ যিসকল দৰিদ্ৰ পৰিয়ালৰ লোক তেওঁলোকক আমি service connection দিম আৰু যিসকল এ পি এল হয় তেওঁলোকৰ কাৰণে আমি চাৰ্ভিচ কানেকচন দিম ৫০০ টকাত। ৫০০ টকাকৈ তেওঁলোকৰ এনাৰ্জি বিলত ৫০ টকাকৈ লৈ ১০ টা ইনচ্টলমেণ্টত ৫০০ টকাটো লৈ service connection টো দিয়াৰ ব্যৱস্থা কৰিম। যিহেতু distribution network ৰ কাম ইতিমধ্যে যথেষ্ঠ আগবাঢ়ি আছে। অতি কম দিনৰ ভিতৰতে এইটো প্ৰথম পৰ্য্যায়তে মাৰ্ঘেৰিটা জিলালৈ আমি কামখিনি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী তেৰচ গোৱালা।

**শ্ৰী তেৰচ গোৱালা, দুলীয়াজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, দীনদয়াল উপাধ্যায় গ্ৰাম্য বিদ্যুতিকৰণ আচঁনিৰ ইতিমধ্যে সমগ্ৰ অসমৰ প্ৰতিটো জিলাত কাম চলি আছে বুলি মাননীয় মন্ত্ৰী ডাঙৰীয়াই জনাইছে। দুলীয়াজান সমষ্টিত এই কাম কেতিয়া আৰম্ভ হ'ব জনাব নেকি ?

**শ্ৰী প্ৰণৱ কলিতা, (পলাশবাৰী )ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ জনসাধাৰণৰ মাজত দীনদয়াল গ্ৰাম্য বৈদ্যুতিকৰণ আচঁনিত ২০২১ চনত বিনামূলীয়াকৈ বিদ্যুৎ বিতৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰৰ target নিৰ্ধাৰণ কৰা আছে। এতিয়া বহুত ঠাইত ৬ মাহ আগতে tender হৈ গৈছে কিন্তু কাম আৰম্ভ হোৱা নাই। এই যিটো uniform network ৰ কথা ক'লে, সেইটোত মই একমত নহয়। দ্বিতীয়তে, বিদ্যুৎ বিভাগত বহু কোটি টকা অনাদায় হৈ আছে। এই অনাদায় সমূহ পুৰণ কৰিবলৈ আকৌ বিদ্যুৎ মাচুল বৰ্ধিত কৰাৰ দুই-এটা আশংকা আমি প্ৰকাশ কৰিছো। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে আমাক এটা স্পষ্টীকৰণ দিব নেকি? মাজে মাজে আমি বাতৰি কাকত, বিভিন্ন mediaত পাই থাকো যে বহু আমোলা বিষয়াই বিদ্যুৎ বিভাগৰ বিল পৰিশোধ নকৰাকৈ আছে, গতিকে তেওঁলোকৰ বিল সমূহ পৰিশোধ কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**মাননীয় অধ্যক্ষঃ** These are different issues. You give separate notice. Minister please.

**শ্ৰী পল্লৱ লোচন দাস, স্বতন্ত্ৰ ৰজ্যিক মন্ত্ৰী শক্তি, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, আমি সকলোকে কথাটো জনাই দিম । প্ৰথম পৰ্যায়ত যিখিনি কাম আছিল তাৰ ওপৰত আমি কৈছিলো যে যিসমূহ গাঁৱত এতিয়াও বিদ্যুৎ সংযোগ হোৱা নাই সেইখিনিক আমি অগ্ৰাধিকাৰ দি তেওঁলোকৰ কাম খিনি কৰিছোঁ। তাৰ নিয়মটো আছিল যে, যদি 10% of the total population ক আমি বিজুলী সংযোগ দিছো সেইখন গাওঁক আমি electrified village বুলি ক'ব পাৰো। কিন্তু তাত কিছু সংখ্যক অঞ্চল আছে য'ত মানুহৰ ঘৰত বিজুলী সংযোগ নাই। সেইকাৰণে এই পৰ্য্যায়ত partial elictrification আৰু intensified electrification ৰ কামৰ tender হৈ গৈছে আৰু সেইখিনি আমি কৰিম। তাৰ লগতে, আমি 'সৌভাগ্য আঁচনি' ৰ জৰিয়তে একেলগে এই কামখিনিও কৰিম যাতে গোটেইখিনি মানুহক সামৰি ২০১৯ চনৰ ভিতৰত সকলোকে electricity con-

nection দিব পৰা যায়। তাৰ বাবে এই মাহৰ ভিতৰত আমাৰ বিভাগত registration কৰাৰ ব্যৱস্থা কৰা হ'ব। আমাৰ বিভাগীয় বিষয়াসকলে Mobile Application এটা প্ৰস্তুত কৰিছে। সেই Applicationৰ জৰিয়তে আপোনালোকৰ সমষ্টিৰ যিখিনি মানুহৰ electricity connection নাই, তেওঁলোকৰ মাজত awareness আনি আমি এই মাহৰ ভিতৰতে তেওঁলোকৰ registration কৰাম। মই মাত্ৰ বিধায়ক সকলক এটা অনুৰোধ জনাম যে যিহেতু block পৰ্য্যায়ত আমি আপোনালোকক সভাপতিত্ব দি Committee গঠন কৰি দিছিলো আৰু জিলা পৰ্যায়ত District Electricity Committee গঠন কৰি দিছিলো। আপোনালোকে যদি নিজৰ সমষ্টিত এই দুইখন সমিতিৰ এখনকৈ সভা আয়োজন কৰি কাম খিনিৰ কিমান অগ্ৰগতি হৈছে, সেই সকলোখিনি চাবলৈ এবাৰকৈ review কৰে আৰু সেই বিষয়ে আমাক যদি পোনপটীয়াকৈ জনায়, তেনেহ'লে পৰৱৰ্তী পৰ্যায়ত সেইখিনি কাম আমি শেষ কৰিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া, তেখেতে কামখিনি allotment নোহোৱাৰ কথাটো কৈছিল। এইটো কি হ'ব?

**শ্ৰী পল্লৱ লোচন দাস, স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী শক্তি, ইত্যাদিঃ** Allotment ৰ সকলোখিনি পৰ্য্যায় আমি ইতিমধ্যে কৰিছো। কথাটো এনেধৰণৰ হয় যে, আমাৰ যেতিয়া tender হয়, তেতিয়া তেখেত সকলে গৈ survey কৰে।

**মাননীয় অধ্যক্ষঃ** How long does it take?

**শ্ৰী পল্লৱ লোচন দাস, স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী শক্তি, ইত্যাদিঃ** তাৰ কাৰণে আমি ফেব্ৰুৱাৰী আৰু মাৰ্চৰ ভিতৰত কাম আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষঃ** Thank you. Next, Mr. Sahab Uddin Ahmed.

**শ্ৰী চাহাব উদ্দিন আহমেদ, জলেশ্বৰঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো আঁচনিৰ কথা চলি আছে, সেইটো আমাৰ গোৱালপাৰা জিলাৰ Diamond Company ক দিয়া হৈছে। কিন্তু এই কোম্পানী আগতে black listed আছিল, আইনৰ আদালতত তেওঁলোক restored হোৱাৰ পিছত গোৱালপাৰা জিলাত গ্ৰাম্য বিদ্যুৎ আঁচনি ৰূপায়ণ কৰাৰ বাবে allotment দিয়া হৈছিল। এই কোম্পানীয়ে প্ৰথম পৰ্যায়ত ১০% আৰু দ্বিতীয় পৰ্যায়ত ৩০% কামৰ বাবে allotment লৈছিল। কিন্তু সেই প্ৰথম ১০% কাম এতিয়ালৈ এই কোম্পানীয়ে কৰা নাই। গতিকে মন্ত্ৰী মহোদয় আৰু বিধায়কৰ জৰিয়তে জানিব বিচাৰিছো যে তাত Transformer দিয়াৰ ব্যৱস্থা আছে নেকি? যদি আছে, তাত Transformer দিলে সুবিধা হ'ব কাৰণ ৰাইজে এই ক্ষেত্ৰত আপত্তি কৰি আছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী পল্লৱ লোচন দাস, স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী শক্তি, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, যি সকল contractor এ ইতিমধ্যে DDUGJY ৰ কাম কৰি আছে তেখেত সকলৰ লগত আমি এখন সভা কৰিছো আৰু যি সকল contractor এ কাম কৰা নাই তেওঁলোকক আঁতৰাই নতুন contractor দিয়াৰ বাবে ব্যৱস্থা কৰিছো। কিন্তু এই গোটেই প্ৰক্ৰিয়াটো কৰিবলৈ বহুত সময়ৰ প্ৰয়োজন হয়। যিহেতু আমাৰ working season তো কম গতিকে আমাৰ বহুতো অসুবিধাৰ সৃষ্টি হয়। যোৱাবাৰ আপুনি Diamond Company ৰ বিষয়টো কওঁতে গম পায় যে এই বিষয়টো Court ত গৈছিল যাৰ ফলত সেই সময়ত গোটেই অসমৰ কামখিনি pending হৈ গৈছিল। এনেধৰণৰ ঘটনাৰ ফলত আমি কামত suffer কৰিব লগীয়া হয়। সেইকাৰণে আমি contrac-

tor ৰ জৰিয়তে কামখিনি কৰিবলৈ চেষ্টা কৰি আছো। দ্বিতীয় কথা আপুনি যিটো কৈছে, তাৰ বাবে আমি ইতিমধ্যে ৩১ টাকৈ Transformer বিধায়ক সকলৰ কাৰণে দিছিলো। তাৰ পিছতো যদি আৰু Transformer ৰ প্ৰয়োজন হয় আপোনালোকে আমাক জনাব। আমাৰ ইতিমধ্যে ইয়াৰ ওপৰত যিখিনি টকা ধাৰ্য কৰা আছে সেইখিনিৰে আমি আপোনালোকক দিয়াৰ বাবে ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া, মই মাত্ৰ এটা কথা ক'ব খুজিছো যে মানুহে বহুত suffer কৰে। আজিৰ যুগত Power is the petrol of our life. সেইকাৰণে কামবোৰ আগবাঢ়ি আছে যদিও implementationৰ ক্ষেত্ৰত যিবিলাক technical problem ৰ কথা আপুনি কৈছে, সেইবোৰ যিমান পাৰে sort out কৰিলে, ২০২১ চনৰ ভিতৰত কামখিনি সম্পূৰ্ণ কৰিবলৈ সম্ভৱ হ'ব। সেই বিষয়ে আপুনি চালে আমি ভাল পাম। এনে কৰিলে সকলোৰে বাবে সুবিধা হ'ব।

Next Question No. 65.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ফণী ভূষণ চৌধুৰী, বঙাইগাওঁঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, যোৱা ২০১৬ চনৰ ২৪ মে' তাৰিখৰ পৰা এতিয়ালৈকে দুৰ্নীতিৰ অভিযোগত ১৮৪ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে এই ১৮৪ জন লোকক যে গ্ৰেপ্তাৰ কৰিছে, কিমানটা গোচৰত এওঁলোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু বৰ্তমান এই ১৮৪ জন গ্ৰেপ্তাৰ হোৱা লোকৰ কিমানজন এতিয়ালৈকে জেইলত আছে আৰু কিমানজনৰ জামিন হৈছে?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, এই case টোত মুঠ গোচৰ আছে ৪০৩ টা। এই ৪০৩ টা গোচৰত গ্ৰেপ্তাৰ হোৱা বিভিন্ন ব্যক্তি সকল জেইলত আছে আৰু তেওঁলোকৰ কিছুমানৰ বিৰুদ্ধে চৰকাৰে যি গোচৰ তৰিছিল, যেনে APSC ৰ Chairman, তেখেতৰ post টো Constituional post গতিকে ভাৰতবৰ্ষৰ মহামান্য ৰাষ্ট্ৰপতিয়েও এই বিষয়ত অনুমোদন জনাইছে আৰু এনে ধৰণে বেছি ভাগ ব্যক্তি এতিয়াও জেইলতে আছে। জেইলত থকাৰ বাবে, যিহেতু অনুমোদন জনাইছে গতিকে ইয়াৰ ওপৰত চৰকাৰে উচিত তদন্ত কৰি Charge sheet ৰ ব্যৱস্থা কৰিব।

**শ্ৰী ফণী ভূষণ চৌধুৰী, বঙাইগাওঁঃ** মাননীয় অধ্যক্ষ মহোদয়, দৰাচলতে মোৰ প্ৰশ্নৰ উত্তৰটো মন্ত্ৰী মহোদয়ে সঠিক ভাৱে দিয়া নাই। সি যি কি নহওঁক, এতিয়া কথাটো হৈছে যে, বিভিন্ন দুৰ্নীতি সম্পৰ্কত চৰকাৰে ৪০৩ টা গোচৰ ৰুজু কৰিছে। গতিকে ৪০৩ টা গোচৰত কেৱল ১৮৪ জন লোক গ্ৰেপ্তাৰ নহয়, আৰু গোচৰ আছে যিবোৰ গোচৰত এতিয়ালৈকে দোষীক গ্ৰেপ্তাৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। প্ৰথমে, মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছোঁ যে যি বিলাক গোচৰ ৰুজু হৈছে কিন্তু এতিয়ালৈকে কোনো দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰী বা তেনেধৰণৰ কোনো লোক গ্ৰেপ্তাৰ হোৱা নাই, সেই সকলৰ ক্ষেত্ৰত তৎকালীন ভাৱে গ্ৰেপ্তাৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি? দ্বিতীয়তে, যি কেইটা গোচৰ ৰুজু কৰি ইতিমধ্যে ঠিকাদাৰ, কৰ্মচাৰী বা পঞ্চায়ত সদস্যক গ্ৰেপ্তাৰ কৰিছে তেওঁলোকৰ কিমান জনৰ বিৰুদ্ধে এতিয়ালৈকে Charge sheet প্ৰদান কৰিছে? তৃতীয়তে, এই যি ৫ জন অভিযুক্ত পলাতকৰ কথা কৈছে, সেই সকলৰ নামৰ তালিকা মই পোৱা নাই। সেইটো যদি মাননীয় মন্ত্ৰী মহোদয়ৰ হাতত এতিয়া নাই, পিছত দিলেও হ'ব। গতিকে এই তিনিটা প্ৰশ্নৰ উত্তৰ দিলে মই ভাল পাম।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পাচঁজন পলাতক আচামীক বিচাৰি আছে আৰু ৪৪৩ গোচৰত যিসকল ব্যক্তি জড়িত হৈ আছে তেওঁলোকক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। এই পাচঁজনৰ বাহিৰে আৰু যিটো chargesheet ৰ কথা দিছে, তাৰ ওপৰত প্ৰথমতে তদন্ত হ'ব লাগিব, জেৰা হ'ব লাগিব। interrogation হ'ব লাগিব আৰু interrogation হৈ তেওঁলোকৰ বিৰুদ্ধে তথ্য প্ৰমাণ পোৱাৰ পিছতহে chargesheet দিয়াৰ ব্যৱস্থা কৰা হয়। মই ইতিমধ্যে কৈছো যে APSC ৰ ক্ষেত্ৰত chargesheet দিবলৈ হ'লে মহামান্য ৰাষ্ট্ৰপতিৰ অনুমোদন লাগে। আমি অনুমোদন পাইছো আৰু এই জেৰা প্ৰায় সম্পূৰ্ণ হৈছে। যিহেতু অনুমোদন পোৱা হৈছে, চৰকাৰে chargesheet ৰ ব্যৱস্থা কৰিব। আপুনি কিছু ব্যক্তি এতিয়ালৈকে গ্ৰেপ্তাৰ হোৱা নাই বুলি অভিযোগ কৰিছে। সেই সকলক অনতিপলমে গ্ৰেপ্তাৰ কৰা হ'ব। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি চাৰিটা বিন্দু তাৰ ভিতৰত অন্যতম এটা হৈছে দুৰ্নীতি মুক্ত অসম। গতিকে এইটোৰ ক্ষেত্ৰত আমি কেতিয়াও কম্প্ৰমাইজ নকৰো। এই কথাটো মই মাননীয় সদস্য গৰাকীক স্পষ্ট কৰি দিছো যে তেওঁলোকক গ্ৰেপ্তাৰ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Shri Debabrata Saikia.

**শ্ৰী দেবব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখিনি তথ্য দিছে তাৰ ভিতৰত chargesheet ৰ কথাটো অতি সোনকালে হোৱাটো প্ৰয়োজন। কাৰণ দেৰি হৈ গ'লে(Court ৰ আইন আছে বোধকৰো) বা framing of charge সোনকালে নহ'লে তেওঁলোক ওলাই আহিব পাৰে। যিসকল অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে তেখেত সকলৰ যি statement আছিল তাত তেতিয়া এজন excise ৰ বিষয়াই কৈছিল যে মই উপায়ুক্তৰ হৈ ধন সংগ্ৰহ কৰিছিলোঁ। কুজেন্দ্ৰ দলেই কৈছিল মই মন্ত্ৰীৰ হৈ ধন সংগ্ৰহ কৰিছিলো। এনেকুৱা ধৰণৰ কথাত যিসকলৰ নাম উল্লেখ কৰা হৈছিল তেওঁলোকক তদন্তৰ খাতিৰত, নিৰপেক্ষতাৰে জেৰা কৰা হ'ব নেকি এইটো মই জানিব বিচাৰো। দ্বিতীয়তে নতুনকৈ যি চিণ্ডিকেটৰ ধন দাবীৰ অভিযোগ সমূহ আহিছে এই সমূহ গোচৰত তদন্তৰ ব্যৱস্থা লৈছে নেকি এইখিনিৰ বিষয়ে অৱগত কৰিলে ভাল হ'ব। শিৱসাগৰ জিলাতো case register হৈছে আৰু অন্যান্য জিলাটো হৈছে এইবিলাকৰ বিষয়ে। মাৰ্ঘেৰিটা, ডিগবৈৰ কথাও ওলাই আছে। এই ক্ষেত্ৰত কি পদক্ষেপ লৈছে জানিব বিচাৰোঁ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী দলপতিয়ে সদনত যিটো কথা উত্থাপন কৰিছে এই ক্ষেত্ৰত এটা কথা স্পষ্ট যে আমি এই বিষয়ত কোনো ধৰণৰ কম্প্ৰমাইজ নকৰো। কো্নোবা এজন ব্যক্তিয়ে গ্ৰেপ্তাৰ হোৱাৰ পিছত কাৰোবাৰ নাম ক'ব পাৰে। নাম কোৱাৰ ক্ষেত্ৰত যিজন মানুহৰ বিষয়ে ক'লে সেই বিষয়ত তথ্য আছেনে নাই সেইটো চাব লাগিব। যদি তথ্য আছে, যিজন মানুহক গ্ৰেপ্তাৰ কৰিলে গ্ৰেপ্তাৰ কৰাৰ পিছত পুলিছে যেতিয়া তেওঁক সোধপোচ কৰিব তেতিয়া তেওঁ কাৰোবাৰ নাম ক'ব পাৰে। কাৰোবাৰ নাম কোৱাৰ পিছত তেওঁক যদি পুলিচে পুনৰ জেৰা কৰি কয় যে তুমি যিজনৰ নাম কৈছা তেওঁৰ তথ্য খিনি আমাক দিয়া। যদি তেওঁ তথ্য দি প্ৰমাণ কৰিব পাৰে যে সেই মানুহজনক পইচা দিয়াটো হয়, তেতিয়া সেই মানুহজনকো জেৰাৰ আওতালৈকে অনা হ'ব। কিন্তু কোনোবা এজন মানুহ গ্ৰেপ্তাৰ হৈ আনজন মানুহৰ নাম ক'লেই সেই মানুহজন গোচৰত জড়িত নহ'বও পাৰে। তথ্য সহকাৰে জনালেহে তেওঁক জেৰা কৰিব পাৰে।

**শ্ৰী আব্দুল খালেক ঃ** হাৱালাত ডায়েৰীত নাম অহাৰ বাবে আদৱানী ডাঙৰীয়াই পদত্যাগ কৰিছিল। এগৰাকী উচ্চ পদস্থ মন্ত্ৰী বিষয়াৰ নাম কৈছে কিন্তু তাৰপিছত তেওঁক জেৰা নকৰাটো অতি দুৰ্ভাগ্যজনক কথা। Atleast আদৱানী ডাঙৰীয়াক follow কৰক।

**মাননীয় অধ্যক্ষ ঃ** You are not allowed to ask this type of question. This is question hour. You can raise all these issues in Governors debate, in the budget debate or elsewhere, but now it is question hour.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুৰ্নীতিৰ ক্ষেত্ৰত এই চৰকাৰে কম্প্ৰমাইজ নকৰে। এই কথাটো মই আকৌ কম।

**মাননীয় অধ্যক্ষ ঃ** This is not the way. I cannot run the session like this. This is question hour.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়,

.............গণ্ডগোল........

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিজন investigating officer থাকিব তেওঁক যেতিয়া কোনোবা.........................

..........গণ্ডগোল..........

এইক্ষেত্ৰত চৰকাৰে কেতিয়াও কৃপনালী নকৰে। এইক্ষেত্ৰত যিজন investigating officer থাকিব, সেই investigating officer ক যদি কোনোবাই কাৰোবাৰ নাম কয়, যদি তথ্য সহকাৰে জনাব পাৰে তেতিয়া কোনোবা এম এল এ হওঁক বা মন্ত্ৰীয়েই হওঁক বা যিকোনো বিষয়াই নহওঁক তেওঁৰ বিষয়ে আমি ব্যৱস্থা লম।

......................গণ্ডগোল..................

**মাননীয় অধ্যক্ষ ঃ** Mr. Khaleque, this is not the way. Iwill not allow.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** আমি তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা ল'ম। কোনোবাই ডায়েৰীত নাম লিখা কথাটো কৈছে। ডায়েৰীত যদি কাৰোবাৰ নাম লিখা থাকে কি কাৰণত লিখা আছে এই কথাটো এটা যুক্তিসংগত পইণ্ট হ'ব নোৱাৰে।

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** এই ক্ষেত্ৰত উদাহৰণ আছে। সেইকাৰণে কৈছো চাৰ যে ডায়েৰীৰ কথাটো লব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ যদি ৰাজনৈতিক ইতিহাস চোৱা যায়, এই হাৱালাত নামাত ডায়েৰীত কাৰ কিমান নাম লিখা আছে.........

......................গণ্ডগোল..................

**মাননীয় অধ্যক্ষ ঃ** তেখেতে এটা কথা স্পষ্ট ভাৱে কৈছে। হাউচে এই মেছেজটো লোৱা ভাল। যদি তেনেকুৱা কিবা থাকে whoever he may be, he will be interrogated. Investing officer এ যেতিয়া কথাটো ক'ব তেওঁ যিমানেই উচ্চ পদস্থ নহওঁক তেওঁ ল'ব বুলি কোৱাৰ পিছত আপোনালোকে আশ্বস্ত হওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** গতিকে অধ্যক্ষ মহোদয়, আমি এইটো কথাত স্পষ্ট যে কোনোবা বিষয়াই কাৰোবাৰ নাম তথ্য সহকাৰে ক'লে তেওঁ যিয়েই নহওঁক তেওঁৰ বিৰুদ্ধে বিচাৰ কৰা হ'বই আৰু তৃতীয় কথাটো কৈছে যে কয়লা বা অন্যান্য ক্ষেত্ৰত তেওঁলোকে এটা কথা উত্থাপন কৰিছে। গতিকে অধ্যক্ষ ডাঙৰীয়া মই কথাখিনি সদনক জনাই দিওঁ যিটো কথা বিগত দিনত চৰকাৰে কৰিব পৰা নাই সেইটো আমি কৰিম আৰু কয়লাৰ বিষয়টো enquiry ৰ বাবে CID ক দিয়াৰ বাবে ব্যৱস্থা কৰিম।

**Speaker :** Thank you, Shri Ranjeet Dass.

**माननीय अध्यक्ष ঃ** Thank you. শ্ৰী ৰণজিৎ কুমাৰ দাস ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আমি এই সদনৰ মজিয়াত যিবোৰ আমি বিফলতা বা ব্যৰ্থতাৰ কথা যেতিয়া থাকে, তেতিয়া আমি সমালোচনা কৰো আৰু য'ত সফলতা থাকে, য'ত ভাল কাম থাকে তাত আচলতে আমি কৃতজ্ঞতা স্বীকাৰ কৰা উচিত। তেতিয়াহ'লে মানুহে কাম কৰা উৎসাহ পাব। ভাৰতৰ স্বাধীনতাৰ পাছত অসমত দুৰ্নীতি প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত আৰু আমাৰ এই মিত্ৰদলৰ চৰকাৰখনৰ নেতৃত্বৰ সহযোগত আৰু বিষয়াসকলৰ সহযোগত যি দুৰ্নীতিৰ প্ৰতিৰোধ কৰাৰ কাৰণে সফল হৈছে, তাৰ কাৰণে আমাৰ অসম বিধান সভাই এটা ধন্যবাদসূচক প্ৰস্তাৱ লোৱাটো উচিত বুলি মই ভাবো।

**माननीय अध्यक्ष ঃ** Next question.

**শ্ৰী আব্দুল খালেক, (জনীয়া) ঃ** এইটো ধন্যবাদ থাকিল যে চাৰ, মন্ত্ৰীক জেৰা নকৰিব। তাৰ কাৰণে ধন্যবাদ থাকিল, চাৰ।

**माननीय अध्यक्ष ঃ** He has given his suggession. Minister Please.Question no. 66. শ্ৰী ৰাজেদ আলি চৌধুৰী কাৰণ আৰু পাচঁ দহ মিনিট সময় আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী ) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰাজেদ আলি চৌধুৰী, (দক্ষিন শালমাৰা) ঃ** অনাৰেব'ল স্পিকাৰ চাৰ, আজিৰ এই কুৱেশ্যনটো চাৰ মই বিধান সভাৰ প্ৰত্যেকটো অধিবেশনতে এই কুৱেশ্যনটো ৰেইজ কৰিছো। কাৰণ খুব ইমপোৰটেণ্ট চাৰ, মানে আমাৰ ধুবুৰী জিলাৰ প্ৰায় ৩২ টা পঞ্চায়ত, এই পঞ্চায়তৰ মানুহখিনি ডি চিক লগ কৰিবলৈ ধুবুৰীলৈ যাব লাগে, আৰু এচ পিক লগ কৰিবলৈ শিঙিমাৰী যাব লাগে। এই প্ৰব্লেমটোৰ কাৰণেই মই ৰিপিটেডলি প্ৰত্যেকটো বিধান স ভাতে কুৱেশ্যনটো ৰেইজ কৰিছো। কিন্তু ইয়াত আজিৰ যিটো উত্তৰ দিছে যে, এখন কমিতি গঠন কৰি দিয়া হব। এতিয়াওঁ হোৱা নাই। কুৱেশ্যনটো কিন্তু মোৰ প্ৰায় ডেৰ বছৰৰ পৰাই এই কুৱেশ্যনটো দি আহিছো, আৰু দুবাৰ মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই মেম'ৰেণ্ডাম দিছো আৰু সেই সিদিনাখনো দিছো।। গতিকে অহা পঞ্চায়ত নিৰ্বাচন মই শুনামতে, এই ৩২খন গাওঁ পঞ্চায়তৰ নিৰ্বাচন চাউথ শালমৰা মানকাছাৰ জিলাই অনুষ্ঠিত কৰিব। অথচ, এই ৩২খন গাওঁ পঞ্চায়ত ধুবুৰী জিলাৰ। ইয়াত জলেশ্বৰ সমষ্টিত কেইবাখনো পঞ্চায়ত আছে আৰু মোৰ সমষ্টিত ২৫ খন পঞ্চায়ত আছে। গতিকে অতি সোনকালে এই সীমা নিৰ্ধাৰণ কৰি অসামৰিক জিলাৰ লগত আৰক্ষী জিলাৰ একোটা সীমা নিৰ্ধাৰণ কৰি অতি সোনকালে অহা পঞ্চায়ত নিৰ্বাচ ন ধুবুৰী জিলাৰ দ্বাৰা এই অঞ্চলবোৰত নিৰ্বাচন কৰাৰ ব্যৱস্থা কৰিব নেকি? মাননীয় মন্ত্ৰী মহোদয়ক শুধিছো আপোনাৰে জৰিয়তে।

**माननीय अध्यक्ष ঃ** ঠিক আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী ) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে ডি চি আৰু এচ পি ৰ পৰা এই সম্পৰ্কত ৰিপোৰ্ট লোৱা হৈছে আৰু ডি চি - এচ পি ৰ ৰিপোৰ্ট আমি পাইছো । আজি তিনি-চাৰি দিনমানৰ আগতে ডি চি- এচ পি ৰ পৰা ফৰমেল ৰিপোৰ্ট আমি পাইছো। আৰু ফৰমেল ৰিপোৰ্টটো পোৱাৰ পাছত এই গোটেই বিষয়টো আচলতে গোটেই বাউণ্ডেৰী নটিফিকেশ্যনটো কৰিব জি এ ডি এ ডিপাৰ্টমেণ্টে। গতিকে জি এ ডি ডিপাৰ্ডমেণ্টে বাউণ্ডেৰী নিৰ্বাচন কৰিলে । গতিকে জি এ ডি এ কমিশ্যিনাৰৰ সভাপতিত্বত এ খন আমি কমিটি ক ৰি দিছো। এই কাৰণেই যে , বাউণ্ডেৰীটো আলটিমেটলি যিটোৰেই হওঁক, আপুনি বিচৰাটোৰে হওঁক বা এচ পি বা ডি চি য়ে বিচৰাটোৰে

হওঁক। যিটো. Boundary, in the interest of the public কৰা হ'ব । এইটো জি এ ডি এ কৰিব। গতিকে এইটো জি এ ডি, কমিটি অফ চেয়াৰমেন। আৰু ইয়াত কেইবাখনো পঞ্চায়ত আৰু জিলা পৰিষদও ইয়াত আছে. এই মানকাছাৰ এৰিয়াটোত। গতিকে এই পঞ্চায়তৰ কাৰণে পঞ্চায়ত বিভাগটোকো ইয়াত ৰখা হৈছে। আৰু তাৰোপৰি এটা সমাজকল্যাণ বিভাগকো ইয়াত ৰখা হৈছে, পুলিচ আৰু ডি আই জি ৰেঞ্জ, তেওঁকো ৰখা হৈছে। ইয়াত আৰু আমাৰ ল'ৰাৰ আসাম কমিশ্যন তেওঁকো ইয়াত ৰখা হ'ব। গতিকে এই গোটেইখিনি সামৰি ললে এটা চল্যুশ্যন ইয়াত ওলাব। নহ'লে জিলা প্ৰশাসনৰ বা পুলিচে এটা ৰিপোৰ্ট দিছে । এচ পি য়ে এটা ৰিপোৰ্ট আকৌ ডি চি য়ে এটা দিছে। গতিকে আপোনাৰ যিটো কনচাৰ্ণ, সেই কনচাৰ্ণটোৰ আমি প্ৰায়ৰিটি দি আনি এই কমিটিখনে গোটেই কথাখিনি আলোচনা কৰিব। আলোচনা কৰিলে, গোটেই কথাখিনি ভাল হ'ব। কাৰণ কিয় গোটেই থানা সমূহৰ ভিতৰত যে বান্দীহাট বুলি এখন থানা আছে, যিখন হয়তো ধুবুৰীৰ লগত লাগি আছে, বা দুখনমান কৰিমগঞ্জৰ থানা আছে যিবিলাক হয়তো মানকাছাৰৰ লগত হয়তো ক্লোজলি আছে। গতিকে এই ব্যৱস্থাটো কৰিবলৈ হলে এই কমিটিখনে ভালকে আলোচনা কৰিব। ডি চি, এচ পি ও থাকিব তাত। আৰু এইবাৰহে আপোনাৰ এই বিষয়টো এটা চলুশ্যনৰ ফালে গৈছে যে এই কমিটিখন গঠন হোৱাৰ কাৰণে। এই শান্তনা মই আপোনাক দিলো। গতিকে সেইটোৰ কাৰণে ইউ হোপ ফৰ দা বেষ্ট এইখি নিকে কলো।

**মাননীয় অধ্যক্ষ ঃ** Thank you. ভালকে কৈছে। আগবাঢ়িছে বুলি কৈছে।

**শ্ৰী ৰাজেদ আলি চৌধুৰী ঃ** উত্তৰ ভালকে দিছে।

**মাননীয় অধ্যক্ষ ঃ** আৰু এটা কুৱেশ্যন পাৰিলে লৈ লওঁ।

**শ্ৰী ৰাজেদ আলি চৌধুৰী ঃ** মই দুটা পাওতো ।

**মাননীয় অধ্যক্ষ ঃ**- এইবাৰ হ'ব আপোনাৰ।

**শ্ৰী ৰাজেদ আলি চৌধুৰী ঃ** কামটো হ'লে সন্তুষ্ট হম। অকল পঞ্চায়ত নিৰ্বাচনে নহয় চাৰ, এই দৈনন্দিন কাম। এখন মিটিংৰ পাৰমিশ্যনৰ কাৰণে ধুবুৰী জিলাৰ উপায়ুক্তক দৰ্খাস্থ দিব লাগিব। সেইখন আকৌ পুলিচ ৰিপোৰ্টৰ কাৰণে দক্ষিণ শালমৰা জিলালৈ যাব লাগিব। এই দৈনন্দিন কামৰ বাবে মানুহখিনিৰ ইম্যন অসুবিধা হৈছে, সেই অসুবিধাৰ কাৰণে মই কিন্তু প্ৰত্যেকটো এচেম্বলীতে ৰেইজ কৰিছো।আৰু ইয়াত ৰিপোৰ্ট কোনে কি দিছে, নাজানো। কিন্তু এটা অসামৰিক জিলাৰ লগত এটা আৰক্ষী জিলা এটাৰ মিল থাকিব লাগে নে নাই?

**মাননীয় অধ্যক্ষ ঃ**- সেইটো কৰা হ'ব এতিয়া।

**শ্ৰী ৰাজেদ আলি চৌধুৰী, (দক্ষিন শালমাৰা) ঃ** গতিকে এইখিনিয়েটো এইটোৱে গতানুগতিক। অসামৰিক জিলাৰ লগত আৰক্ষীজিলা একেটা হ'ব লাগে।কিন্তু আমাৰ এই সমস্যাটো হৈছে চাব-ডিভিজন থাকোতে। মহকুমা থাকোতে।

**মাননীয় অধ্যক্ষ ঃ**- ৰাজেদ আলি ডাঙৰীয়া , আপুনি যিটো ৰাইটলি কৈছে, প্ৰত্যেক বাৰে ময়ো চাই আছো। প্ৰত্যেকবাৰে এইবোৰ পজিটিভ যেন দেখি। Atleast wait for another three foue months.

**শ্ৰী ৰাজেদ আলি চৌধুৰী ঃ** গতিকে মই ভাবো, আমাৰ বিশেষকৈ পঞ্চায়ত নিৰ্বাচনটো এপ্ৰিল, মে'ত কৰক। কৰিব আপোনালোকে। গতিকে এই পঞ্চায়ত নিৰ্বাচনখনত যাতে আমাৰ এই মানুহখিনি দক্ষিণ শালমৰা মানকাছাৰ জিলালৈ যাব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Suggestion টো দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী ) ঃ** অধ্যক্ষ মহোদয়, মানে আচলতে মই অলপ হিংচ দিছোৰেই যে এইখন হোৱা মানে এটা আশাৰ ৰেঙণি। ৰে এফ হোপ। আৰু যেতিয়া জিলাখন গঠন হৈছিল, তেতিয়া শ্ৰী সৰ্বানন্দ সোনোৱালদেৱৰ চৰকাৰ নাছিলেয়েই ইয়াতে।

**শ্ৰী ৰাজেদ আলি চৌধুৰী ঃ** চাৰ, মই ক্লিয়াৰ কৰি দিছো। একচুৰেলী মহকুমা গঠন হওঁতে এই সমস্যা সৃষ্টি হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক দুয়োজন বহিব। আজিয়েই বহিব দুয়োজন আৰু মই ভাবো কিবা নহ'লে মোক জনাব। হব দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী ) ঃ** বহিবলগীয়া নাই। তেখেতক মই কৈছো এটা ৰে অফ হোপ আছে। এটা আশা কৰি থকাটো ভাল। আশাটো কৰক। কি লোকচান আছে?

**শ্ৰী ৰাজেদ আলি চৌধুৰী ঃ** চাৰ, ভাল এচুৰেঞ্চ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী ) ঃ** প্ৰথমবাৰৰ বাবে কমিটি হৈছে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। নেক্সট কুৱেশ্যন নং -৬৭. মিনিষ্টাৰ প্লিজ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী ) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষ ঃ** আবুল কালাম ৰচিদ আলম।

**শ্ৰী আবুল কালাম ৰচিদ আলম, (পূব গোৱালপাৰা) ঃ অধ্যক্ষ মহোদয়,** মোৰ আউট পোষ্টৰ প্ৰশ্ন আছিল। মাটিয়া থানাৰ অন্তৰ্গত নৰগত চিমলিতোলা আৰু মৰনৈ থানাত অন্তৰ্গত ধুপতলা ৰাক্ষসনী এৰিয়াত আৰু আগিয়া থানাৰ অন্তৰ্গত গেন্দাবাৰীত এই আউট পোষ্টবিলাক কেতিয়া দিব আৰু অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিব নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী ) ঃ** অধ্যক্ষ মহোদয়, এই গোটেই কথাটো আচলতে বিবেচনাধীন হৈ আছে। কাৰণ বিবেচনাধীন হৈয়ে আছে এই কাৰণেই যে, আমাৰ ডি জি পি ক চেয়াৰমেন মুকেশ চাহাই ডাঙৰীয়াক চেয়াৰমেন হিচাপে লৈ এখন কমিটি হৈছে। আৰু এই কমিটিখনে ক'ত থানা হ'ব, আউট পোষ্ট হ'ব লাগে, এই ফেচিবিলিটি ৰিপোৰ্ট এটা তেখেতসকলে এইটো পৰীক্ষা কৰিছে আৰু পৰীক্ষা কৰি সেইমতে তেওঁলোকে এটা ৰিপোৰ্ট চাবমিট কৰিব। এইখন কমিটি হৈছে আগতেই আমাৰ মুকেশ চাহাই ডাঙৰীয়াৰ সভাপতিত্বত হৈছে এখন কমিটি। গতিকে এতিয়ালৈকে এই গোটেই কথাবিলাক বিবেচনাধীন হৈ আছে। আউটপোষ্ট বহুত বিলাক লাগে জলেশ্বৰৰ এম এল এ বহি আছে। তেখেতৰ তাতো থানা এখন লাগে। সেইখনৰো কথা চৰকাৰে বিবেচনা কৰি আছে। গতিকে এনেকুৱা ধৰণৰ বিভিন্ন আমাৰ যিবিলাক থানা আউট পোষ্ট আছে, আজিয়ে আপোনাক কৈ দিব নোৱাৰো যে এইটো হবই, আৰু এনেকৈয়ো কৈ দিব নোৱাৰো যে সেইটো নহ'বই। সেইবিলাক বিবেচনাধীন হৈছে।

**শ্ৰী আবুল কালাম ৰচিদ আলমঃ** অধ্যক্ষ মহোদয়,আমাৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিয়াৰ কাৰণে প্ৰস্তুত হৈ অহা নাই। অলৰেডি গেন্দাবাৰীত চেংচন হৈছে, কিন্তু তেওঁ কয় যে বিবেচনাধীন হৈ আছে। চেংশ্যন হৈছে, কিন্তু এটা চক্ৰই এই গেন্দাবাৰী আউট পোষ্টটো হাতীগাওঁত অনাৰ কাৰণে চেষ্টা কৰি আছে। গেন্দাবাৰী, মেঘালয় বোৰ্ডাৰ এৰিয়া। তাতে মেঘালয়ৰ পৰা সন্দেহযুক্ত উগ্ৰপন্থী আহি কেইবছৰমান আগতে সাতজনমান মানুহক গুলীয়াই মাৰিছে। সেই কাৰণে তাতে আউট পোষ্টৰ ব্যৱস্তা কৰা হৈছে কিন্তু সেইটো স্থানান্তৰৰ কাৰণে হাতীগাওঁত অনাৰ কাৰণে এটা চক্ৰই লাগি আছে। গতিকে সেই গেন্দাবাৰী আউট পোষ্টটো গেন্দাবাৰীতে হ'ব লাগে। আপুনি বোধকৰো প্ৰস্তুত হৈ অহা নাই উত্তৰ দিয়াৰ কাৰণে। আপুনি কৈ আছে বিবেচনাধীন হৈ আছে। সেইটো অলৰেডি

চেংশ্যন হৈছে।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে। এতিয়া সময় প্ৰায় শেষ হৈছে।

**শ্ৰী আবুল কালাম ৰশিদ আলম, গোৱালপাৰা পূৱ ঃ**-গেণ্ডাবাৰীতে সেইটো হ'ব লাগে বুলি আমাৰ এটা দাবী, সেইটো কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ**- চাজেশ্যনটো লৈ লওঁক।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰঃ**- চাৰ, পইণ্ট অৱ অৰ্ডাৰ।

**মাননীয় অধ্যক্ষ ঃ**- ওৱান বাই ওৱান,ওৱান বাই ওৱান।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰঃ**- চাৰ, ষ্টাৰ কুৱেশ্যন ৭৭ ত মোৰ এটা প্ৰশ্ন আছিল। আমাৰ বাঘবৰ সমষ্টিৰ ৯খন আৰু চেঙা সমষ্টিৰ ৩খন মুঠ ১২খন গাওঁ চৰৰ electrification কেতিয়া কমপ্লিট হ'ব? আৰু ৩৩ বাই ১১ কে বি চাব ষ্টেচন এটা বাঘমৰা, ছয়শিমলা, মোহনবাৰী কেতিয়া কমপ্লিট হ'ব? মন্ত্ৰী মহোদয়ে উত্তৰ দিলে চাব ষ্টেচন কমপ্লিট। Answer A ত আছে। Sub station in the Char Areas of Bagbar L A C was completed under RGGBI 11 plan. Hon'ble Speaker sir, this is a white light, no work of sub station has been even under taken or started in char Areas how could hon'ble minister mislead the house? I would request you hon'ble Sir, either you take a breach of privilege motion against the hon'ble minister or the hon'ble minister should give an assurance in this house for giving false information, for giving wrong information the officer shall be punished. No.1.

No.2.Hon'ble Speaker Sir, চাওঁক, ইয়াতে আছে এই ৯ খন চৰ গাওঁ সম্পৰ্কে ২০১৬ চনৰ আগষ্টৰ । এইটো উত্তৰ, সদনত দিয়া উত্তৰ, ইয়াত কৈছিল, A topographical survey and geotechnical investigation at Joljoli river has been completed. এই ৯খন গাৰৰ electrification এবছৰৰ ভিতৰত সম্পূৰ্ণ কৰিব বুলি ২০১৬ চনৰ আগষ্টত কৈছিল। ২০১৭ চনৰ আগষ্ট পাৰ হৈ গ'ল। আজিও মাননীয় অধ্যক্ষ মহোদয়, Sub soil testing is under process. how? after one and half year before one year they said that topographical survey and geotechnical investigation complete বুলি কলে, তেওঁ কেনেকৈ কি উত্তৰ দিলে যে Sub Soil testing is under process.This is another anomaly, Sir, another anomaly. Unstarrned question no 148 ইয়াত দিছিল 5 M B Transformer Mondia কেতিয়া complete হ'ব? কেতিয়া কমপ্লিকেশ্যন ডেট? তেওঁ দিলে ১৯-০৮-২০১৭, আজি ৫ মাহ পাৰ হৈ গ'ল। এতিয়ালৈকে সেইটো চাৰ্জিং ??? হোৱা নাই কৈছে Oil ফিল্টাৰেশ্যন,What is Oil Filteration? it is a matter of one day only how this house can be mislead like this? So, Hon'ble Speaker Sir, I...

Hon'ble Speaker... yes, I am taking your point

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰ**-ঃ- আপুনি ইয়াৰ custodian, এই সদনৰ পৱিত্ৰ মৰ্য্যদা এই ধৰণে যাতে বিষয়া সকলে, বা মন্ত্ৰী সকলে লাঘব কৰিব নোৱাৰে তাৰ কাৰণে উপযুক্ত ব্যৱস্থা লবলৈ মই অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে। সন্মানীয় সদস্য জনক মই এটাই কৈছো যে, মই পৰহিও এনেকুৱা কেইবাটাও পাইছিলো, I am enquiring all this, today I will give him one answer, one by one I will do it আপুনি যি কেইটা কথা ক'লে আপুনি এক্সটেম্প' কৈছে যদিও মোৰ ৰেকৰ্ড আছে । মই চাব পাৰিম। কিন্তু আপুনি যদি পইণ্ট কেইটা চৰ্টকৈ মোলৈ পঠিয়াই দিয়ে ডেফিনেটলি, ইমিডিয়েটলি মই যিমান পাৰো সোনকালে কৰিম।

Next point of order.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ্য, কৰিমগঞ্জ ঃ**-কুৰেশ্যন আৱাৰৰ পিছত আমাৰ সদনৰ গুৰুত্বটো কমি যায়।

**মাননীয় অধ্যক্ষ ঃ**- সেইটো বেলেগ বস্তু। what is your point of order?

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ্য, সদস্যঃ**-লগতে কৈ আছো অধ্যক্ষ মহোদয়,, কথাটো হৈছে, আমাৰ বিষয়া যি সকল থাকে, সিহতে গুছি যায়।

**মাননীয় অধ্যক্ষঃ**-Your leader can, We will discues today, after this Session is over, I will invite all the leaders to have a discussoin with me, on this also we will discuss. What is question, point of order?

**শ্ৰী ৰূপজ্যোতি কুৰ্ম্মী, সদস্যঃ**-চাৰ, মই জিৰ'আৱাৰচত, জাতি-জনগোষ্ঠী আগুৱাই গলেহে অসম আগুৱাই যাব, শীৰ্ষক বাতৰিটো দুবাৰকৈ আনিলো, কিন্তু এতিয়া লৈকে-----

**মাননীয় অধ্যক্ষ -ঃ**-you can not question this in the of order you come to my chamber.....

**শ্ৰী ৰূপজ্যোতি কুৰ্ম্মী, মৰিয়নীঃ**-চাৰ, সেইটো অনুৰোধ জনালোঁ।

**মাননীয় অধ্যক্ষ ঃ**- তেনেকৈ নহয়, জিৰ' আৱাৰ বহুতে দিয়ে। I have the perogatic to select I will see the importance, আপোনাৰটো importance নাই বুলি কোৱা নাই আজি কিন্তু কিয় দিয়া নাই you come to my chamber I will tell you. Next.... point of order

**শ্ৰী আজিজ আহমেদ খান, সদস্যঃ**- অধ্যক্ষ মহোদয়, আমাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী আমাৰ কৰিমগঞ্জত গৈছিল। ডি চি অফিচত এখন মিটিং হৈছিল, মিটিংত

**মাননীয় অধ্যক্ষ ঃ**- এইটো পইণ্ট অব অৰ্ডাৰ নেকি? Just a minute, tomorrow you give a notice under 301. I rely you, please sit down .This is not point of order. শ্ৰী ৰূপক শৰ্ম্মা

**শ্ৰী ৰূপক শৰ্ম্মা, সদস্য ঃ**-মাননীয় অধ্যক্ষ মহোদয়, আজি এটা প্ৰশ্ন আছিল শিশু গৃহৰ ওপৰত। যিটো আমাৰ সতীৰ্থ বিধায়ক ঋতুপৰ্ণ বৰুৱাই কৈ আছিল। ৪ টা শিশু গৃহৰ ভিতৰত এটা নগাওটো আছিল, কিন্তু যোৱা ১৪ চনৰ ২০ জুন তাৰিখে সেই সময়ৰ---

**মাননীয় অধ্যক্ষ ঃ**-Please, Again, Question hour turned out, Question hour ত হোৱা হ'লে এইটো পৰিপূৰক হ'ল হেতেন। এতিয়া পৰিপূৰক হব নোৱাৰে

**শ্ৰী ৰূপক শৰ্ম্মা, সদস্য ঃ**- এটা কথা চাওঁক।

**মাননীয় অধ্যক্ষ ঃ**- নহয় নহয় I am telling you, you must study your books, tomorrow, under 301 you give a notice I rely you to speak, please, 301 notice.

**শ্ৰী তপন কুমাৰ গগৈ, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মোৰ আনষ্টাৰ্ট কুৰেশ্যন এটা প্ৰশ্ন আছিল। সেইটো আছিল ১৫৯। তাত আছিল যে ইণ্টাৰ ষ্টেট বৰ্ডত সৰ্বমুঠ ৮২ টা সীমান্ত আৰক্ষী চকী নিৰ্মান কৰা হৈছে আৰু আটাইবোৰ ফৰেষ্ট এৰিয়াৰ মাজত অৱস্থিত। ফৰেষ্ট এৰিয়াত পকীঘৰ নিৰ্মান কৰাত বাধা থকা হেতুকে স্থায়ী পকীঘৰ আদি নিৰ্মান কৰাটো অসম্ভৱ। উক্ত ঠাইত নিয়োজিত অসম আৰক্ষীৰ জোৱান সকলৰ নিৰাপত্তাৰ বাবে বাংকাৰ,নিৰ্মান কৰি নিৰাপত্তাৰ ব্যৱস্থা লোৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ**-বস্তুটো কি কব খুজিছে?

**শ্ৰী তপন কুমাৰ গগৈ, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নটো কৰিছিলো, যে আমাৰ তাত যিবোৰ সীমান্ত এৰিয়া বিয়পি আছে, সেইখিনি গোটেইখিনি কিন্তু ফৰেষ্ট এৰিয়াত নহয়।। বিষেশকৈ এতিয়া চৰাইপুং থানাখন ফৰেষ্ট এৰিয়াৰ ভিতৰত নহয়।

**মাননীয় অধ্যক্ষ ঃ**- তথ্যটো, উত্তৰটো শুদ্ধকৈ অহা নাই। আপুনি মোলৈ, যিটো মই শ্বেৰমান আলি ডাঙৰীয়াক কৈছো, you just give a small brief I will verify.

**শ্ৰী তপন কুমাৰ গগৈ, সদস্য ঃ**- এই কেইদিন আলফাৰ লগত গুলিয়া-গুলি হৈ আছে। যি কোনো মুহুৰ্তত আক্ৰমণ হ'ব পাৰে।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে, মই সদস্য সকলক এটা কথা অনুৰোধ কৰিম। এক মিনিট, আপোনাৰ আছে পইণ্ট অৰ অৰ্ডাৰ? কওঁক।

**শ্ৰী প্ৰশান্ত ফুকন, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই এটা জানিব খুজিছো, যে আমাৰ অজন্তা বইদেউৰে ৫৪ ত এটা আনিছে ২০১৭ চনৰ।

**মাননীয় অধ্যক্ষ ঃ**-সেইটো আহিব দিয়ক। আহিলে কথা পাতিম।

**শ্ৰী প্ৰশান্ত ফুকন, সদস্য ঃ**-২০১৭ চনৰ ২৯ অক্টোবৰ। মানে ইমান পুৰনা আনিব পাৰে নেকি? মই নাজানো কথাটো। সেই কাৰণে আপোনাৰ পৰা এইটো জানিব খুজিছো।

**মাননীয় অধ্যক্ষ ঃ**- বহক, সেইটো মই কম। মই সদস্য সকলক এটা অনুৰোধ কৰিব পাৰো নে? আপোনালোকে Don't take it otherwise, মই অলপ পুৰণা সদস্য কাৰণে মই কথাবিলাক অলপ চকু ৰাখো। আমাৰ বহুত মাননীয় সদস্যক, কোনোবা বাহিৰৰ হয়তো তেওঁলোক ভাল মানুহ যি সকলে, কুৰেশ্যনবিলাক লিখি দিয়ে। আপোনালোকে চহী কৰি মোলৈ পঠিয়াই দিয়ে, মোৰ অফিচলৈ কুৰেশ্যনৰ সময়ত। যোৱা কালি কুৰেশ্যনটো আমাৰ নুৰুল হুদা ডাঙৰীয়াই কৈছিল নেকি? নুৰুল হুদা ডাঙৰীয়াই আপোনাৰ কুৰেশ্যন সম্পৰ্কে এটা প্ৰশ্ন কৰিছিল, যে দুজন মানুহৰ নামত একে লগে কুৰেশ্যনটো কেনেকৈ আহিল? আপোনাৰ কুৰেশ্যনটো আছিল বেলেগ। হয়নে? মই বাকী কেইটা চাই আছো। মেম্বাৰ সকলে জনা উচিত কাৰণে মই কব বিচাৰিছো।

**শ্ৰী নুৰুল হুদা, সদস্য ঃ**-চাওঁক মোৰ নামটো আহিছিল কিন্তু মোৰ প্ৰশ্নটো অহা নাই।

**মাননীয় অধ্যক্ষ ঃ**- আপোনাৰ নামো আহিছে। প্ৰশ্নও আহিছে, সেই কাৰণেই কৈছো যে আপোনালোকে কাইণ্ডলি এনেকৈ হাউচত, হাউচত কথা কোৱাৰ আগতে অলপ সাৱধান হব। মই আপোনাক একো বেয়া পোৱা নাই। This is all learning, We are also learning and you must also learn. আপোনাৰ কুৰেশ্যনটো যোৱা আহিছিল, কোন তাৰিখ আছিল? পৰহি বোধ কৰো। ৯ ফেব্ৰুৱাৰীত। কুৰেশ্যন নং ৫৪ ত কমল সিং নাৰ্জাৰী আৰু নুৰুল হুদা , একেলগে নামটো দিয়া হৈছিল। আপুনি কৈছে যে আপোনাৰ কুৰেশ্যনটো অহা নাই। হয়নে? ১ মিনিট কমল সিং নাৰ্জাৰী আৰু নুৰুল হুদাৰ কুৰেশ্যন দুটা মই লৈ আহিছো। দুয়োটা একেটা কুৰেশ্যন। একেধৰণৰ টাইপ। আপোনালোক যিজন মেম্বাৰে, আপোনাক দিছে, একেখিনি কথা কমলসিং নাৰ্জাৰীকো দিছে, আৰু

দুয়োজনে চহী কৰি, এই দুয়োটা কুৱেশ্যন একেটাই । মই আপোনাক দি দিম। আপুনি অলপ বহক। অকনমান বহক। আপোনাক কবলৈ দিয়া হব। মই কাকো বেয়া পোৱা নাই, কৈ আছো। আপোনালোকৰ দোষ নাই। মইও এম এল এ আছিলো। মোকো তেনেকুৱা কৰে। এই কুৱেশ্যনটো টাইপত আছে। আপুনি যিটো কুৱেশ্যন কৰিছে কালি। তাৰে ৩ টা পাৰ্ট কৰিবলগীয়া হৈছে। কাৰণ আপোনালোকে প্ৰথমে সুধিছে, বগীবিল দলং, তাৰ পাচত ঢকুৱাখানা, গোগামুখ চাৰিআলি ফ্লাইঅভাৰ। তাৰ পাচত নাৰায়ণপুৰ তিনিআলি, মাজুলী জিলাৰ বশিষ্ঠ্য চাৰিআলি, দামোদৰ নগৰ, দিশপুৰ ফ্লাইঅভাৰ। এটা কুৱেশ্যন যেতিয়া শোধে স্পেচিফিক হব লাগে, এটা পাৰটিকুলাৰ বিষয়ত। অসমৰ ফ্লাইঅভাৰ ক'ত ক'ত হব এই কুৱেশ্যন দুটা একেধৰণৰ। মই দেখিলো, দুজন অনাৰেবোল মেম্বাৰে চহী যেতিয়া কৰিলে, মই এইটো ৰিজেক্ট নকৰি দুয়োটা একেলগে ক্লাব কৰি দিছো। এতিয়া নালাগে কব। কিবা ভুল থাকে মোক দিব। এক মিনিট শুনি লওক। মই কাকো দোষাৰোপ কৰা নাই। মই থাকোতেও মোক এনেকৈ প্ৰশ্ন কৰিছিল। বিষয়টো গুৰুত্বপূৰ্ণই, আপুনি কামখিনি কৰি দিলে ভাল হয়। আমাৰ ওচৰলৈ প্ৰায়েই আহে, কিন্তু কেতিয়াবা বৰ লৰা-লৰি হয়, গতিকে এই দুয়োটা প্ৰশ্নত্বেই দুয়োজনৰে নাম আছে আৰু আপোনাৰ প্ৰশ্নৰ বাকী পাৰ্ট খিনি আনষ্টাৰ্ড পাৰ্টত চাওক তাত কমল সিং নাৰ্জাৰী ডাঙৰীয়াৰ নামটোওঁ আছিল। প্ৰশ্ন নং- ১২১ শুক্ৰবাৰৰ আনৰ্ষ্টডত চাব। আপোনালোকৰ এই গোটেই প্ৰশ্নটো আছে, বাকী দুটা পাৰ্ট পাৰ্ট কৈ আছে । তাত আছে - নুৰুল হুদা আৰু কমল সিং নাৰ্জাৰী, মই দুয়োজনৰে নাম দিছো। খালি মই এটায়ে অনুৰোধ কৰিছো প্ৰশ্ন বিলাক আপোনালোকৰ দুই এটাহে কৰিবলৈ দিয়া যায়, কিন্তু সময় আজি অলপ আছে কাৰণে এই কথাখিনি কলো, আপোনালোককো দিছো, আপোনালোকেওঁ চাব। কুৱেচন বিলাক ডিপাৰ্টমেণ্টত দিবলৈ হলে গোগামূখৰ এটা কথাৰ লগত যদি দিশপূৰৰ ফ্লাই অভাৰৰ কথা দিয়ে, কেনেকৈ ১৫ দিনৰ ভিতৰত গোটাব? তাতকৈ দুটা দিব। দিশপুৰটো দিব এটা বেলেগকৈ যাতে তেওঁ বিলাকে বিভাগলৈ পঠাব পাৰে। সেই গতিকে মই আপোনাক এই দুখন দি দিছো, চাই লব আৰু কুৱেচন দুটাও লিখি লওক আপুনি। কালি আপোনাৰ কুৱেচন অহা নাই বুলি কৈছে। দুভাগ কৰি দিয়া হৈছে । কাৰণ একে জেগাত দিলে কুৱেশ্যনৰ বাবে উত্তৰ নাহিলহেঁতেন । এটা আছে আনষ্টাৰ্ড কুৱেশ্যন ১২০ । **কথাটো এইটো** । মই কৈছো যোৰহাট জিলাৰ মই এটা প্ৰশ্ন সুধিছো । সেইটো যোৰহাটৰ অফিচাৰৰ পৰা আহিব । মই লগতে এটা সুধিছো শিলচৰৰ পৰা, তাৰ পৰা সেইটো আহিব । দুয়োটা এ্কেলগে নহালৈকে উত্তৰ দিব নোৱাৰে । বিধান সভাৰ সদস্য হিচাপে বিষয়া সকলৰ ভুল আজি আপোনালোকে দেখুৱাইছে।আমি এই কথাখিনি তদন্ত কৰিম । গতিকে এই গোটেই কথাখিনি মই কৈছো । বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াই পৰহি এটা প্ৰশ্ন দিছিল । আৰু এজন সদস্যই দিছিল মই সেই কেইটাও চাই আছো । কালি-পৰহিৰ ভিতৰত মই এইখিনি ক্লিয়াৰ কৰি দিম । কিন্তু এইটো ক্ষেত্ৰত মই কোনো বিধায়কক দোষাৰোপ কৰিবলৈ যোৱা নাই। But we are responsible representative গতিকে কওঁক এতিয়া কি কব খুজিছে।

**শ্ৰী নুৰুল হুদা, সদস্য** ঃ অধ্যক্ষ মহোদয়, মোৰ আনষ্টাৰ্ড কুৱেশ্বন সম্পৰ্কত কোৱা নাই, সেইটো মোৰ ঠিকেই আছে, কিন্তু মোৰ ষ্টাৰ্ড কুৱেচন যিটো আছে সেইটো মোৰ নাৰ্জাৰী ডাঙৰীয়াৰ প্ৰশ্নটোৰ লগত মিল নাই। মোৰ কুৱেচনটো সম্পূৰ্ণ বেলেগ, সেইটো আজি মই লৈ অহা নাই।

**মাননীয় অধ্যক্ষ** ঃ আপোনাক মই দি দিছো।

**শ্ৰী নুৰুল হুদা, সদস্য** ঃ অধ্যক্ষ মহোদয়, সেইদিনা মই প্ৰশ্নটো আনিছিলো, আজি লৈ অনা নাই। সেই প্ৰশ্নৰ ফটোকপি মোৰ হাতত আছে। পিচবেলা মই আপোনাক দি দিম।

**মাননীয় অধ্যক্ষ** ঃ মোৰ তাত আহিব নালাগে, আপোনাৰ প্ৰশ্ন এই দুটা, আপুনি চাই ললেই হ'ব। মই এতিয়া 'Zero Hour' লৈ যাব বিচাৰিছোঁ । মাননীয় সদস্য শ্ৰী সত্যব্ৰত কলিতা,আপোনাৰ 'Zero Hour' ৰৰ Notice ইংৰাজী ০৯-০২-২০১৮ তাৰিখত অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত - **"নাহৰকটীয়াত শ্ৰমিক নেতা কাৰ্তিক তাঁতিৰ মন্তব্য - টাটাই অসমৰ বাগিচাৰ অংশীদাৰিত্ব বিক্ৰীৰহে যো-জা চলাইছে"** শিৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলোঁ।

**শ্ৰী নুৰুল হুদা, বিধায়ক** ঃ অধ্যক্ষ মহোদয়, মই কাট কৰি দিয়া নাছিলো, মই কাট কৰি দিয়া নাছিলো-

**মাননীয় অধ্যক্ষ্য** ঃPlease come to my Office I am telling you on record. This is your signature. Please come to my Office and মই এইটোত দ্বিমত নহয়, দেৱব্ৰত শইকীয়া, আপুনি তেখেতক কৈ দিয়ক, আপুনিও লাগে প্ৰয়োজন হ'লে তেখেতৰ লগত আহিব।

**শ্ৰী সত্যব্ৰত কলিতা, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয় মই আপোনাৰ যোগেদি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ, অসমীয়া প্ৰতিদিন কাকতত যোৱা ৯ ফেব্ৰুৱাৰী তাৰিখে প্ৰকাশিত আৰু লগতে কেইবাখনো ই-মিডিয়াত এই কথাটো প্ৰকাশ পাইছে। আমাৰ যি সময়ত অসমত "Advantage Asssm" ৰ যোগেদি investment ৰ কথা আহিল আৰু সেই সময়তে Tata Tea য়ে তেওঁলোকৰ investment withdraw কৰিবৰ কাৰণে যো-জা চলাইছে আৰু মই এই বাতৰিটো আপোনাৰ জ্ঞাতাৰ্থে পাঠ কৰি দিব বিচাৰিছোঁ - "Advantage Asssm" ত বিনিয়োজনৰ প্ৰতিশ্ৰুতি লৈ অহা দেশৰ প্ৰখ্যাত corporate গোষ্ঠী Tata ই ৰাজ্যখনত বিনিয়োজনৰ বাবে নহয়, বৰঞ্চ নিৰ্বিনিয়োজনৰ বাবেহে আগ্ৰহী। অসমৰ চাহ উদ্যোগত দীৰ্ঘকাল ধৰি আধিপত্য বিস্তাৰ কৰা Tata company য়ে ক্ৰমশঃ এৰিব বিচাৰিছে ৰাজ্যৰ চাহ উদ্যোগ ।

**মাননীয় অধ্যক্ষ** ঃ কলিতা, আপুনি থুল-মূলকৈ কওঁক, পেপাৰ পঢ়িলে বহুত সময় লাগে। পেপাৰ পঢ়াটো সাধাৰণতে allow নহয়।

**শ্ৰী সত্যব্ৰত কলিতা, কমলপুৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, ঠিক আছে সময়ৰ প্ৰতি লক্ষ্য ৰাখি মই থুল-মূলকৈ কথাখিনি কব বিচাৰিছো - Tata Tea 65% য়ে amalgamated Tea Plantation ৰ যোগেদি যি ধৰণে investment কৰিছিল সেই investment তেওঁলোকে withdraw কৰিব বিচাৰিছে। তেওঁলোকৰ investment আছিল 65% (শতাংশ), Tata Work House ৰ আছিল 25% (শতাংশ) আৰু world Bank আছিল 50% (শতাংশ)। যি সময়ত বিনিয়োজনৰ কাৰণে অসমত এক পৰিবেশ হৈছে, "Advantage Asssm" ৰ যোগেদি এক ৰেঙনি দেখিছে, Tata Tea ৰ এই কাৰ্য্যই সমগ্ৰ প্ৰক্ৰিয়াটোত এক বাধা দিয়াৰ নিচিনা হৈছে আৰু গোটেই কথাটো এক প্ৰতিৰোধ ব্যৱস্থাৰে গতিৰোধ কৰিবলৈ বিচৰা কথাটো আমি লক্ষ্য কৰিছো । গতিকে এই বিষয়ে চৰকাৰ অতি সচেতন হ'ব লাগিব । Tata Tea য়ে কি কাৰণত ধনশিৰি Tea company ক প্ৰায় ১৩০০ কোটি টকাত এইটো বিক্ৰী কৰিবলৈ লৈছে, ইয়াৰ লগতে Tata Tea ৰ যি ৩১,০০০ কৰ্মচাৰী আছে, তেওঁলোকৰ যি 20% শ্বেয়াৰ সেইটো এটা অনিশ্চয়তাৰ দিশলৈ গতি কৰিলে । এই গোটেই বিষয়টো গুৰুত্বপূৰ্ণ বিষয় । যি সময়ত যোৱা ৩, ৪ তাৰিখে সমগ্ৰ অসমৰ মানুহে ভাবিছিল অসমত এক নতুন পৰিৱৰ্তন হ'ব । সমগ্ৰ অসমত বিনিয়োজনৰ এক পৰিৱেশ হ'ব। সেই সময়ত Tata Tea য়ে "Advantage Asssm" ত বিনিয়োগকাৰী

কাৰ্যক্ষেত্ৰত অনুপস্থিত থকাৰ উপৰিও তেওঁলোকে গোটেই প্ৰক্ৰিয়াটো গোপনে ৰাখি এতিয়া বিক্ৰি কৰিবলৈ ওলাইছে । এই কথাটো মই আপোনাৰ জড়িয়তে অসমৰ উদ্যোগ মন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যোগেদি এটা তদন্ত হোৱাটো বিচাৰিছোঁ । গোটেই বিষয়টোত চৰকাৰৰ যিটো সদিচ্ছা, চৰকাৰৰ যিটো প্ৰচেষ্টা আৰু প্ৰয়াস তাত যাতে কোনো আঘাত -ন্দপৰে বা বাধাপ্ৰাপ্ত নহয় তাৰ কাৰণে অসম চৰকাৰে নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিব। আজি তেওঁলোকে ধনশিৰি Tea Industry Limited ত Mr. C. K. Dhanuka নামৰ মানুহজনৰ ওচৰত ১৩০০ কোটি টকাত বিক্ৰি কৰিবলৈ ওলাইছে, যিটো e-media ত প্ৰকাশ পাইছে। ইয়াত টাটাৰ মুঠ বাগান আছে ২৫ খন। এই বাগানৰ ভিতৰত অসমত আছে ২১ খন আৰু বাকী ৪ খন পশ্চিম বংগত আছে । Tata Tea বুলি যিটো packaging কৰা হয়, সেই ব্যৱসায় তেওঁলোকে অব্যাহত ৰাখিছে। কিন্তু ইয়াত যিটো Plantation, ইয়াত যিবিলাক তেওঁলোকৰ বাগান আছিল, এই সেই বাগান সমুহ বিক্ৰি কৰি ৩১০০০ কৰ্মচাৰীক অনিশ্চয়তাৰ দিশলৈ তেওঁলোকে ঠেলি দিছে । আটাইতকৈ ডাঙৰ কথা হ'ল টাটা এটা ব্ৰেণ্ড, যিসকল কৰ্মচাৰীয়ে তাত 20% (শতাংশ) invest কৰিছিল, সেই investment টো কি হ'ব ? আজি টাটাই শ্বেয়াৰ মাৰ্কেটত যিটো মৰ্য্যাদা পাব, এই ধনশিৰি Tea company য়ে পাবনে! অধ্যক্ষ মহোদয়, ধনশিৰি Tea company ৰ যোগেদি এই কৰ্মচাৰী সকলৰ ভবিষ্যত সুনিশ্চিত হ'বনে? তেওঁলোকৰ শ্বেয়াৰটো নিশ্চিত হৈ থাকিবনে ই এটা বৰ serious বিষয় । মই উদ্যোগ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ যে ইয়াৰ এটা সুনিশ্চিত ব্যৱস্থা কৰক যাতে ৩১,০০০ কৰ্মচাৰীৰ ভবিষ্যত অন্ধকাৰলৈ ঠেলি নিদিও। ইয়াত আজি প্ৰায় ১৩০০০ কোটি টকাৰ যিটো বিনিয়োগ, এই কথাটো যাতে বন্ধ হৈ নাযায়। টাটাই তেওঁলোকৰ Plantation বন্ধ কৰিছে, কিন্তু তেওঁলোকে বেলেগ কোম্পানীৰ পৰা চাহ কিনি তেওঁলোক ৰ যিটো packaging business সেইটো কিন্তু অব্যাহত ৰাখিব বিচাৰিছে অৰ্থাৎ যিখিনি অসমত তেওঁলোকৰ বিনিয়োগ, অসমৰ কৰ্মচাৰী, অসমৰ মানুহৰ প্ৰতি যিটো দায়বদ্ধতা, এই দায়বদ্ধতা তেওঁলোকে নস্যাৎ কৰি তেওঁলোকে কেৱল packaging business হে অব্যাহত Tata Tea ৰাখিব বিচাৰিছে, য'ত তেওঁলোকৰ ৪১শতাংশ হে investment আছিল । Tata Tea ৰ packaging ত Tata salt ৰ 24%, ৱৰ্ক হাউচৰ আছিল ২১শতাংশ আৰু আটাইতকৈ ইন্টাৰেষ্টিং কথাটো হ'ল ৱৰ্ল্ড বেংকে তাত শতকৰা ১৫ শতাংশ ইনভেষ্ট কৰিছিল । ৱৰ্ল্ড বেংকৰ ইনভেষ্টমেন্টটো কিন্তু তেওঁলোকে লাহে লাহে Tata Tea ৰ লগত বুজা-বুজি কৰি উইদ্ৰ' কৰিব । মুঠতে গোটেই কথাটো এটা অনিশ্চয়তাৰ মাজলৈ ঠেলি দিয়া হৈছে । অধ্যক্ষ মহোদয় , উদ্যোগ মন্ত্ৰীয়ে এই বিষয়টো গুৰুত্বসহকাৰে ল'ব আৰু আমি ইয়াৰ এটা সদুত্তৰ পাম বুলি আশা কৰিছোঁ ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, মই মাননীয় মন্ত্ৰী মহোদয়ক উত্তৰ দিবলৈ অনুৰোধ কৰিলোঁ ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোয়, আমাৰ সত্যব্ৰত কলিতা ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে, সেই বিষয়টো আমাৰ দৃষ্টি গোচৰ হৈছে । অসমীয়া "প্ৰতিদিন কাকত" ৰ শিৰোনামা "নাহৰকটীয়াত শ্ৰমিক নেতা কাৰ্তিক তাঁতিৰ মন্তব্য - টাটাই অসমৰ বাগিচাৰ অংশীদাৰিত্ব বিক্ৰিৰহে যো-জা চলাইছে। এই কথাটোৰ ক্ষেত্ৰত আমাৰ উগ্যোগ বিভাগৰ ওচৰত কোনো ইনফৰমেচন নাই যদিও টি চেক্টৰটো উদ্যোগ বিভাগ আৰু ভাৰতৰ কমাৰ্চ মিনিষ্ট্ৰিৰ অধীনত গতিকে এইটোৰ ক্ষেত্ৰত এতিয়ালৈকে চৰকাৰৰ ওচৰত কোনো তথ্য নাই। "Advantage Asssm" ত টাটাৰ অংশগ্ৰহণ কৰা বিষয়টো যি উত্থাপন হৈছে (টাটা আচলতে ৰতন টাটা) অধ্যক্ষ ডাঙৰীয়া তেখেতে নিজে ইয়াত উপস্থিত থকা ৰ কথা আছিলে কিন্তু হঠাৎ অসুস্থ হোৱাৰ বাবে তেখেতে আমাক আহিব

নোৱাৰে বুলি জনাইছে আৰু টাটা কোম্পানীৰ যিজন চেয়াৰমেন চন্দ্ৰশেখৰণ, তেখেতে উপস্থিত থাকি বক্তব্য ৰাখিছে। নিশ্চয় আপুনি জানে আৰু এই সম্পৰ্কত যিটো কথা কোনোবা এজন শ্ৰমিক নেতাই কৈছে, মই ভাবো তেওঁৰ কথাটো সত্য নহয়। বাগান বিক্ৰী বা অংশীদাৰীত্ব বিক্ৰী কৰাৰ কথাটো উদ্যোগ বিভাগৰ হাতত নাই। যিহেতুকে বিষয়টো তেখেতে কৈছে, মই টাটা কোম্পানীৰ লগত কথাটো পাতিম কিন্তু এনেকুৱা কোনো কথা নাই। কাৰণ টাটাই ইয়াত নতুনকৈ ইনভেষ্ট কৰিব বিচাৰিছে। টি চেক্টৰত মই কোৱা নাই, অন্যান্য চেক্টৰত তেওঁলোকে ইনভেষ্ট কৰাত আগ্ৰহ প্ৰকাশ কৰিছে। গতিকে তেনেকুৱা এটা ক্ষেত্ৰত তেওঁলোকৰ বাগিচাৰ অংশীদাৰীত্ব বিক্ৰি কৰা তেনেকুৱা কথা নাই। যিহেতুকে কথাটো উত্থাপন কৰিছে আমাৰ হাতত কোনো তথ্য নাই। গতিকে মই টাটা কোম্পানীৰ লগত আজিয়েই কথাখিনি পাতি লম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ ।

**শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী (দেৰগাঁও)** ঃ অধ্যক্ষ মহোদয়, এইটো এটা Serious matter।

**মাননীয় অধ্যক্ষ ঃ** Serious matter কাৰণে মই Zero Hourত দিছো। Zero Hourত কোনো ডিবেট নহয়। দৰকাৰ হ'লে ইয়াৰ ওপৰত আকৌ discussion আগলৈ কৰিম।

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই যিটো কথা ক'লে, তেওঁলোকে এইটো বিক্ৰী কৰিব খোজা নাই। কিন্তু তেওঁলোকে ইতিমধ্যে বিক্ৰী কৰিবলৈ যো-জা কৰিছে। কিন্তু "Advantage Assam"ৰ এই পৰিৱেশটো অহাৰ কাৰণে তেওঁলোকৰ গোটেই কথাটো গোপনীয় ৰাখিলে। এতিয়া তেওঁলোকে ২১ খন আৰু বেংগলে ৪ খন বাগান ইতিমধ্যে বিক্ৰী কৰিবলৈ যিখিনি যো-জা সম্পূৰ্ণ কৰিলে আৰু ১৩০০ কোটি টকাত বিক্ৰী কৰিবলৈ ওলাইছে আৰু এইটো লাইট মেন বুলি ই-মিডিয়াত সবিশেষ প্ৰকাশ পাইছে। আৰু প্ৰয়োজন হ'লে এই কপিটো অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মই প্ৰদান কৰিম। গোটেই কথাটোতে প্ৰস্তুতি চলাইছে। গতিকে তেওঁলোকৰ চন্দ্ৰশেখৰ মহোদয় ইয়াত উপস্থিত থাকি কি ক'লে সেইটো গুৰুত্বপূৰ্ণ নহয়। কিন্তু তেওঁলোকে ভিতৰি ভিতৰি যিটো কাম কৰিছে সেইটো অসমৰ বিনিয়োগৰ ক্ষেত্ৰত এক প্ৰতিৰোধ ব্যৱস্থাৰ নিচিনা হৈ পৰিছে আৰু সেইটো মই এটা গুৰুত্বপূৰ্ণ কথা বুলি ভাবোঁ। যাতে টাটা টিৰ এই কাৰ্য্যৰ যোগেদি বাকী invest কৰিব খোজা ব্যক্তি সকল যাতে নিৰাশ নহয়, সেইটোৰেই আমি দৃষ্টি আকৰ্ষণ কৰিব খোজোঁ।

**মাননীয় অধ্যক্ষ ঃ** Thank you. ইয়াৰ পিছত Next Zero hour notice Abdul Khaleque. আপুনি উত্থাপন কৰক।

**শ্ৰী আব্দুল খালেক (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দৈনিক গণ অধিকাৰ" বাতৰি কাকতত প্ৰকাশিত 'মোদীৰ প্ৰতিশ্ৰুতি আমাৰ পুনৰুজ্জীৱিত নহ'ল যোগীঘোপাৰ অশোক কাগজ কল' শীৰ্ষক বাতৰিটো সদনৰ শূন্য কালত আপুনি মোক উত্থাপন কৰিবলৈ দিয়া বাবে ধন্যবাদ জনাইছোঁ। অধ্যক্ষ মহোদয়, অশোক কাগজ কলৰ বিষয়টো সম্পৰ্কে আপুনি নিজে অৱগত। অধ্যক্ষ মহোদয়, ১৯৭০ চনত তেতিয়াৰ প্ৰধান মন্ত্ৰী শ্ৰী মতী ইন্দিৰা গান্ধীয়ে অশোক কাগজ কলৰ আধাৰ শিলা স্থাপন কৰিছিল আৰু ১৯৭৬ চনত এই অশোক কাগজ কলৰ বাণিজ্যিক উৎপাদন আৰম্ভ হৈছিল। পৰৱৰ্ত্তী কালত পৰিচালনাৰ ভুলেই হওঁক বা আন কোনো কাৰণেই হওঁক এই কাগজ কলটো সম্পূৰ্ণ বন্ধ হৈ পৰে। অধ্যক্ষ মহোদয়, সদৌ অসম ছাত্ৰ সন্থা , ভৰত চৰকাৰ আৰু অসম চৰকাৰে যেতিয়া অসম চুক্তি স্বাক্ষৰ কৰিছিল সেই অসম চুক্তিতো এই কাগজ কলটো পুনৰুজ্জীৱিত কৰণৰ বিষয়টো উল্লেখিত আছিল। আৰু আজিৰ উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই সেই আন্দোলনৰ অংশীদাৰ আছিল আৰু

আন্দোলনকাৰী দল অসম গণ পৰিষদে দুবাৰকৈ চৰকাৰ চলালে । অধ্যক্ষ মহোদয়, কিন্তু কাগজ কলটো পুনৰুজ্জীৱিত হৈ নুঠিল। আমাৰ চৰকাৰৰ দিনতো হৈ নুঠিল। মই কাকো দোষাৰোপ কৰিব খোজা নাই। এবাৰ Sanghvi Group ক দিলে, নহ'লগৈ। তাৰ পিছত Cheleka Group ক দিলে নহ'লগৈ। তেওঁলোকে বহুত যন্ত্ৰ-পাতি লৈ যোৱা বুলি অভিযোগ উত্থাপন হ'ল। তাৰ পাচত অধ্যক্ষ মহোদয়, কানাডাৰ Sandeu বুলি Company এটাক প্ৰতিবেদন দিবলৈ ক'লে। আৰু Sandeu Group ৰ প্ৰতিবেদনত কোৱা হ'ল যে কাগজ কলটোৰ যন্ত্ৰ-পাতি এতিয়াও উৎপাদনক্ষম হৈ আছে। অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে, ২০১৭ চনৰ ৬ চেপ্তেম্বৰ তাৰিখে মাননীয় সদস্য অশ্বিনী কুমাৰ ৰয় চৰকাৰে এটা প্ৰশ্নৰ উত্তৰত জনাইছে যে এই কাগজ কলটো ১৯৮৩ চনৰ পৰাই বন্ধ হৈ আছে। কিন্তু চৰকাৰী ভাৱে বন্ধ ঘোষণা কৰা হোৱা নাই। আকৌ জনাইছে অধ্যক্ষ মহোদয়, এই কাগজ কলৰ সকলো কৰ্মচাৰীক ইতিমধ্যে অব্যাহতি দিয়া হৈছে। এতিয়া প্ৰশ্নটো হৈছে, অধ্যক্ষ মহোদয়, বেলেগ প্ৰশ্নৰ উত্তৰত তেখেতে কৈছে যে কাগজ কলটো পুনৰুজ্জীৱিত কৰা হ'ব। কেতিয়াবা কৈছে তাত বেলেগ উদ্যোগ কৰা হ'ব আৰু সেই কাগজ কলৰ নামত ২২১৩ বিঘা মাটি আছে। এটা বৃহৎ এলেকা ইয়াত যদি একো কৰা নহয় অধ্যক্ষ মহোদয়, এই মাটিখিনিও বেদখলৰ সম্ভাৱনা আছে আৰু যন্ত্ৰ-পাতি খিনিও নষ্ট হ'ব। অধ্যক্ষ মহোদয়, আপুনি ভালদৰে জানে যে অশোক কাগজ কল অকল বঙাইগাওঁ জিলাতে আছে। অকল বঙ্গাইগাওঁ জিলাই নহয়, গুৱাহটীৰ পৰা ভাটি অঞ্চলটো সমগ্ৰ নামনি অসম এলেকাটোত উদ্যোগ নাই বুলিয়েই ক'ব পাৰি। বঙ্গাইগাওঁ জিলাৰ মানিকপুৰত এটা সূতাৰ কল আছিল, বন্ধ হৈ গ'ল। বৈটামাৰীত এটা সূতাৰ কল আছিল, সেইটোও বন্ধ হ'ল। অধ্যক্ষ মহোদয়, উদ্যোগ মন্ত্ৰী ডাঙৰীয়াৰ নিজৰ জিলা নলবাৰীত নাথকুছিত মিল বন্ধ হৈ গ'ল। সেই কাৰণে চৰকাৰে যিহেতু বিশ্ব বিনিয়োগ সন্মিলন পাতিছে, Advantage Assam পাতিছে, গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই চৰকাৰক অনুৰোধ কৰিছো অশোক কাগজ কলটোক যদি চৰকাৰে পাৰে পুনৰুজ্জীৱিত কৰক, নোৱাৰিলে তাত নতুনকৈ এটা উদ্যোগ স্থাপন কৰক। যিহেতু কেচাঁমালৰ অভাৱ নাই যথেষ্ট পৰিমাণে বাঁহ উৎপাদন হয় আৰু অশোক কাগজ কলৰ ওচৰে-পাজৰে বাঁহ উৎপাদন উদ্যোগ লোৱা হৈছিল, সেইটোৰে যদি নোৱাৰে বৃহৎ এলেকা সামৰি চৰকাৰে এটা নতুন উদ্যোগ স্থাপন কৰিবলৈ আপোনাৰ জৰিয়তে অনুৰোধ কৰিলোঁ। মই এই প্ৰসংগত কাছাৰ কাগজ কলৰ বিষয়টো মোৰ সতীৰ্থ কমলাক্ষ দে পুৰকায়স্থই বাৰে বাৰে উত্থাপন কৰি আহিছে, মাহৰ পাছত মাহ দৰমহা পোৱা নাই। অশোক কাগজ কলৰ অৱস্থাও যাতে কাছাৰ কাগজ কলৰ দৰে নহয়, সেইটোৰেই মন্ত্ৰী মহোদয়ক মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছোঁ। হিন্দুস্থান পেপাৰ মিলক লৈ কিছু অসুবিধা আছে। সেই সমস্যাসমূহ চৰকাৰে চাব লাগে। অধ্যক্ষ মহোদয়, আমি বিনিয়োগৰ কথা কৈ আছোঁ। । কিন্তু আমাৰ পুৰণি মিল সমূহ যাতে বন্ধ নহয়। আজি এখন বাতৰি কাকতত দেখিছো এটা নোটিছ দিছে। বাৰে বাৰে নোটিছ দিবলৈ যোৱাত প্ৰায়২৭ টা ৰাজহুৱা খণ্ডৰ উদ্যোগ বন্ধ হ'বলৈ ওলাইছে।

**মাননীয় অধ্যক্ষ ঃ** It is not a generel discussion.আপুনি কাগজ কল বুলি সকলো কথালৈ নাযাব। মইয়ো কালি এটা কথা পঢ়িছোঁ যে মাননীয় ৰাষ্ট্ৰপতি ডাঙৰীয়াও কাগজ কলক লৈ উদ্বেগ প্ৰকাশ কৰিছে। গতিকে It will be taken care off. মই ভাৱো আপুনি ক্লজ কৰক।

**শ্ৰী আব্দুল খালেক(জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ দক্ষতাৰ ওপৰত মোৰ সন্দেহ নাই আৰু অশোক কাগজ কল যাতে পুনৰুজীৱিত হয় আৰু নোৱাৰিলে নতুন এটা কল ইয়াত স্থাপন কৰিবলৈ আৰু সমগ্ৰ নামনি অসম এলেকাত যাতে ঠায়ে ঠায়ে উদ্যোগ স্থাপন হয়,

আপোনাৰ জৰিয়তে অনুৰোধ কৰিছোঁ।

মাননীয় অধ্যক্ষ ঃ ঠিক আছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক আব্দুল খালেক ডাঙৰীয়াই যিটো গণ অধিকাৰ বাতৰিৰ উদ্ধৃতি দি "অশোক কাগজ কল পুনৰুজ্জীৱিত নহ'ল," শীৰ্ষক বাতৰিটো আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। সেই সম্পৰ্কত এটা চমু ষ্টেটমেণ্ট দিবলৈ ওলাইছো। ৯ ফেব্ৰুৱাৰী, ২০১৮ তাৰিখত 'দৈনিক গণ অধিকাৰ ' বাতৰি কাকতত প্ৰকাশিত ' পুনৰুজ্জীৱিত নহ'ল যোগীঘোপাৰ অশোক কাগজ কল ' বাতৰিটোৰ ওপৰত মননীয় বিধায়ক আব্দুল খালেকদেৱে শূন্য কালীন ঘণ্টাত উত্থাপন কৰা বিষয়টো সন্দৰ্ভত বিতং প্ৰতিবেদ ঃ

চৰকাৰে অশোক কাগজ কলটো পুনৰুজ্জীৱিত কৰাৰ বাবে সময়ে সময়ে ব্যৱস্থা লৈ আছে। ইতিমধ্যে চৰকাৰে তিনি বাৰ এই কলটো কাৰ্য্যক্ষম কৰাৰ প্ৰচেষ্টা হাতত লৈছিল।

প্ৰথমবাৰ ১৯৯৫ চনত M/S Sanghvi Textile Limited, Hyderabad ক ২৫ বছৰৰ বাবে কলটো পুনৰ জীৱিত কৰি চলাবলৈ লীজত দিছিল। কিন্তু তেওঁলোকে বিভিন্ন কাৰণত কাৰ্য্যক্ষম কৰিবলৈ ব্যৰ্থ হয় আৰু ০৭-০৪-১৯৯৬ চনত পৰিত্যাগ কৰে।

দ্বিতীয় বাৰ ২০০৪ চনত M/S North East Paper Industries Limited,(NEPIL) মিলটো পুনৰুজ্জীৱিত কৰিবলৈ লীজত দিছিল। সেইবাৰো তেওঁলোকে ব্যৰ্থ হোৱাত ২০০৮ চনত চৰকাৰে ইয়াৰ দায়িত্ব চমজি লয়।

পৰৱৰ্ত্তী সময়ত উক্ত মিলটো ২১-১-২০১১ চনৰ কেবিনেট সিদ্ধান্ত মৰ্ম্মে হিন্দুস্থান কাগজ নিগমৰ জৰিয়তে পুনৰুজীৱিত কৰাৰ ব্যৱস্থা লোৱা হৈছিল। ভ্ৰৰত চৰকাৰৰ লগত এই সন্দৰ্ভ ত কেইবালানি আলোচনা বিশ্লেষণৰ অন্তত দেখা গ'ল যে, বিশেষজ্ঞৰ মতামত অনুসৰি অশোক কাগজ কলটো পুনৰজ্জীৱিত কৰাতো Techno Economically Viable নহয়। ইতিমধ্যে অশোক কাগজ কলৰ সমূহ কৰ্মচাৰীক কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহায্যৰে One Time Settlementৰ জৰিয়তে বকেয়া, দা-দৰমহা ও অন্যান্য পাবলগীয়া সমূহ আদায় দি অব্যহতি দিয়া হৈছে। কাগজ কলটো সা-সম্পত্তিবিলাক ৰক্ষণা-বেক্ষণৰ অৰ্থে গৃহৰক্ষী নিয়োজিত হৈ আছে। শেহতীয়াকৈ চৰকাৰে অশোক কাগজ কলৰ চৌহদত কেন্দ্ৰীয় চৰকাৰৰসহযোগত "APM Integrated Economic Zone and Cluster Package" অধীনত নিম্নলিখিত প্ৰকল্প স্থাপন কৰা বিষয় বিৱেচনা কৰি আছে।

চৰকাৰ আৰু ব্যক্তিগত খণ্ডৰ যৌথ প্ৰচেষ্টাত উক্ত স্থানতে এটা কাগজ কল স্থাপন।

লজিষ্টিক / অট'মোবাইল হাব স্থাপন।

এখন ঔদ্যোগিক পাম স্থাপন।

তথ্য প্ৰযুক্তি হাব স্থাপন।

গতিকে চৰকাৰে অশোক কাগজ কলৰ ক্ষেত্ৰত আভুৱা ভৰা প্ৰতিশ্ৰুতি দিয়াৰ কথাই নুঠে। সমান্তৰাল ভাৱে বৈটামাৰীস্থিত বন্ধ হৈ থকা সূতা কলটোৰ মাটিখিনিত অসম চৰকাৰে অসম pet-rochemical Limited ৰ এটা গোট স্থাপনৰ যো-জা কৰিছে। একেলগে মানিকপুৰৰ নোৱাপাৰাত বন্ধ হৈ থকা সুতাকলটোৰ মাটিখিনিও অসম চৰকাৰৰ উদ্যোগ আৰু বানিজ্য বিভাগক দিবলৈ থিৰাং কৰিছে যাতে মাটিখিনি প্ৰস্তাৱিত লেণ্ড বেংকৰ অন্তৰ্ভূক্ত কৰি উদ্যোগ আৰু বানিজ্য তাত স্থাপন কৰিব পাৰি। Advantage Assam ৰ যোগেদি উদ্যোগ আৰু বাণিজ্য ক্ষেত্ৰত আমূল পৰিৱৰ্ত্তন সাধন কৰিবৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। নিৰ্দ্দিষ্ট একোখন জিলা বুলিয়ে

নহয় সামগ্ৰিক ভাবে সমগ্ৰ অসমৰ উদ্যোগ ক্ষেত্ৰত সৰ্বত্ৰ বিকাশ সাধনৰ বাবে চৰকাৰ আগ্ৰহী। অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো এনেকুৱাধৰনৰ আপোনালোকে এই ষ্টেটমেন্টত দেখিছে যে যিটো কোম্পানী বা অৰ্গেনাইজেছ্নক দিয়া হৈছে তেওঁলোকে এইটো চলাব নোৱাৰে বুলি কৈ গুছি গৈছে। ভাৰত চৰকাৰৰ Heavy industry বিভাগৰ অধীনত আমাৰ অসমতো দুটা কাগজ কল আছে। নাগালেণ্ডৰ টুলিত এটা আছে আৰু কেৰেলাতো এটা আছে। কেৰেলাৰ মিলটো ইতিমধ্যে ডিচ eliminate হৈ গ'ল। কিন্তু , নাগালেণ্ড, কাছাৰ আৰু জাগিৰোডৰ মিল দুটা এতিয়াও ভাৰত চৰকাৰৰ Heavy industry ৰ অধীনত আছে। ২০১১ চনত তেতিয়াৰ ভাৰত চৰকাৰক এই কথাখিনি অনুৰোধ কৰিছিল যাতে অশোক পেপাৰ মিল, জাগিৰোড পেপাৰ মিল আৰু পাঁচগ্ৰাম পেপাৰ মিলৰ নিচিনাকৈ আমাৰ Heavy industry ministry য়ে চলায়, তেতিয়া কেন্দ্ৰত বা ৰাজ্যত থকা চৰকাৰ লগত কেইবালানিও আলোচনা হৈছিল। কিন্তু আলোচনাৰ অন্তত তেওঁলোকে technically আৰু economically এইটো feasible নহয় বুলি ক'লে । তাৰ পৰৱৰ্ত্তী দিনত আমাৰ চৰকাৰ অহাৰ পিচত আমি এতিয়া এটা ব্যৱস্থা কৰিবলৈ লৈছো- আমাৰ এই গোটেই মাটিখিনি ব্যাক্তিগত আৰু পি পি পি মোডত আমি কেইটামান ব্যৱস্থা ল'ব বিচাৰিছো যে, পেপাৰ মিলও থাকক, এখন লজিষ্টিক হাবও থাকক, পোৰ্টৰ ব্যৱস্থাও থাকক, আই টি পাৰ্ক এখনো থাকক যাতে সেই গোটেই অঞ্চলটোৰ যাতে উন্নয়ন হয়। তাৰ বাবে আমি বিচাৰ বিবেচনা কৰি আছোঁ। অসম চুক্তিৰ অন্যতম গোট অসম চৰকাৰ, ভাৰত চৰকাৰ আৰু আছু। আমি আছুৰ লগতো মাজতে এলানি আলোচনা কৰিছিলোঁ। চীফ চেক্ৰেটেৰী ডাঙৰীয়া আলোচনাত উপস্থিত আছিল। গতিকে আমি এইটো এটা ব্যৱস্থা কৰিবলৈ লৈছো। মই আজি ১০০ পাৰ্চেন্ট বুলি নকওঁ কিন্তু এটা কথা মই মাননীয় খালেক ডাঙৰীয়াক কওঁ হয় , আজি সেই অঞ্চলটোত কোনো উদ্যোগ নাই। বঙাইগাওঁ ৰিফেইনেৰীৰ বাহিৰে গোটেই অঞ্চলটোত শ্ৰীৰামপুৰ গেটলৈকে কোনো উদ্যোগ নাই। সেই কাৰণে এইবাৰ আমিন গাওঁৰ পৰা টিহুলৈকে ইণ্ডাষ্ট্ৰিয়েল কৰিড'ৰ কৰি দিয়া হৈছে। ইতিমধ্যে গোৱালপাৰাৰ মাটিয়াত থকা যিটো আমাৰ ইণ্ডাষ্ট্ৰিয়েল ইষ্টেট আছে আমাৰ গ্ৰোথ চেন্টাৰ আছে তাত ইতিমধ্যে এভাৰেডীকে আৰম্ভ কৰি কেইবাটাও কোম্পানীয়ে তেওঁলোকৰ কাম আৰম্ভ কৰিছে আৰু কিছু কোম্পানীক তাত আমি মাটি দিয়াৰ ব্যৱস্থা কৰিছো। সেই কোম্পানীবিলাকে সোনকালে তাত কাম আৰম্ভ কৰিব। আৰু অশোক পেপাৰ মিল যিটো আছে তাত অলপ এনকোৰ্ছমেন্ট আছে। তাত এতিয়া প্ৰায় ২২০০ বিঘা মাটি আছে। তাত এটি আশা ৰাখিছোঁ, মই স্পষ্টভাৱে আজিৰ তাৰিখত নকও, ইতিমধ্যে আমি ভাৰতৰ কেইটামান ডাঙৰ গ্ৰুপৰ লগত কথা পাতিছোঁ যাতে এই মিলটো ৰিভাইভ কৰিব পৰা যায়। গতিকে তাতে আমাৰ মাল্টি মডেল যিটো লজিষ্টিক হাব, আই টি পাৰ্ক, আই টি হাব হ'ব, তেনেকৈ পোৰ্ট চিটিও ডেভল'প হ'ব ,কাগজ কলো তাত থাকিব। কিন্তু গোটেই কেইটা কমপ্লে'কচ্ অশোক কাগজ বুলিয়ে নামাকৰণ হ'ব। তাতইণ্ডিপেণ্ডেন্ট আইডেন্টডিটি কাগজ কলৰো নাথাকে, আই টি হাবৰ নাথাকে, পোৰ্ট চিটিৰো নাথাকে , লজিষ্টিক হাবৰো নাথাকে কিন্তু তাত গোটেই কমপ্লেক্চটো আশোক কাগজ কল কমপ্লেক্চ বুলিয়ে থাকিব। তেনেকুৱাধৰণৰ কথা এটা আলোচনা কৰি থকা গৈছে। আমি অলপতে এজন বিনিয়োগকাৰীৰ লগত কথা পাতিছিলোঁ তেওঁলোকে এষ্টিমেট কৰি পৰহি মোক জনাইছে যে তাত তেওঁলোকৰ ৬৫০০ কোটি তেনেধৰনে সকলো ব্যৱস্থা আমি গ্ৰহণ কৰিবলৈ লৈছোঁ। গতিকে এই ক্ষেত্ৰত সকলো মাননীয় সদস্যৰে সহায় সহযোগ আমি বিচাৰিছো। গতিকে আমি ভাবো সাংবিধানিকভাৱে আৰু নৈতিকভাবে এই মিল খোলাটো শাসক হওক বা বিৰোধী হওঁক আমাৰ সকলোৰে কৰ্ত্তব্য। কাৰণ এইটো আসাম একৰ্ডত

সন্নিবিষ্ট এটা বিষয়। গতিকে এইটো ক্ষেত্রত চৰকাৰে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই সন্মানীয় সদস্য শ্ৰীকমল সিং নাজাৰী ডাঙৰীয়াক Zero hour question notice উত্থাপন কৰিবলৈ অনুৰোধ কৰিছোঁ।

**শ্ৰীকমল সিং নাজাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৮ ফেব্ৰুৱাৰী ২০১৮ তাৰিখে "দৈনিক গণ অধিকাৰ "বাতৰি কাকতত উল্লেখিত শিক্ষা-সংস্কৃতি বিভাগৰ ঠেলা-হেঁচাৰ কৰুণ পৰিণতিত মৃত্যুমুখলৈ বি টি এ ডিত একমাত্ৰ সংগীত আৰু সুকুমাৰ কলা মহাবিদ্যালয়, সম্পৰ্কে মই মন্ত্ৰী মহোদয়ৰ জৰিয়তে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। অধ্যক্ষ মহোদয়, যোৱা ১৯৯৬ চনত কোকৰাঝাৰ, বৰ্ত্তমান বি টি এ ডিত এখন সংগীত আৰু সুকুমাৰ কলাৰ এখন মহাবিদ্যালয় স্থাপন কৰা হৈছে। সেই মহাবিদ্যালয়খন স্থাপন কৰা আজি ২১ বছৰ হৈ গ'ল। ২১ বছৰ হৈ যোৱা এই মহাবিদ্যালয়খনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বিভাগীয় স্বীকৃতি পাবৰ বাবে যিখিনি ব্যৱস্থা কৰিব লগা হৈছিল, সেই ব্যৱস্থা অনুসৰি গুৱাহাটী বিশ্ববিদ্যালয়ে অনুমোদন দিয়াৰ পিচত্তে, গোটেইখিনি ব্যৱস্থা কৰাৰ পিচতো, আজিলৈকে সেই মহাবিদ্যালয়খনে আজি ২১ বছৰ ধৰি চৰকাৰী ভাৱে সাহায্য পোৱাৰ পৰা বঞ্চিত হৈ আছে। আৰু এই মহাবিদ্যালয়খনৰ পৰাই আমি দেখিবলৈ পাইছো বহু কৃতিত্ববান ছাত্ৰ ওলাইছে। ইয়াত অধ্যায়ন কৰা যিসকল ছাত্ৰ-ছাত্ৰী আছিল তেওঁলোকৰ কিছুমানে আজি দেশ বিদেশৰ মহাবিদ্যালয়ত অধ্যাপনা কৰিছে। উদাহৰন স্বৰূপে প্ৰমোদ বৰুৱা সম্প্ৰতি উত্তৰ প্ৰদেশৰ লক্ষ্ণৌস্থিত লক্ষ্ণৌ ললিত কলা মাণ্ডলিক কেন্দ্ৰত পৰ্য্যবেক্ষক হিচাপে নিযুক্ত হৈ আছে। একেদৰে ৰাষ্ট্ৰীয় ৰাজধানীত' দিল্লী কলেজ অৱ আৰ্টৰ ' অতিথি অধ্যাপক হিচাপে দায়িত্ব নিৰ্ব্বাহ কৰি আছে, এইখন মহাবিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ প্ৰিয়ম তালুকদাৰ। এনেধৰনৰ দেশ বিদেশৰ বহুকেইখন বিশ্ববিদ্যালয় বা মহাবিদ্যালয়ত এইখন মহাবিদ্যালয়ত অধ্যয়ণ কৰি পেলাই বহু ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পাৰদৰ্শিতা দেখুৱাব পাৰিছে। তাৰ পিচতো কিন্তু এই মহাবিদ্যালযত আজি কাম কৰা যিসকল অধ্যাপকসকল আছে তেওঁলোকে নিম্নতম মজুৰিও পাবলৈ সক্ষম হোৱা নাই। চৰকাৰী ভাবে তেওঁলোকক কোনোধৰনৰ মজুৰি নিদিয়াৰ ফলত তেওঁলোকে কেতিয়াবা লঘোনে থাকি শিক্ষাদানত ব্ৰতী হ'ব লগা হৈছে। গতিকে মই দীঘলীয়া কৰিব বিচৰা নাই। যাতে আমাৰ মিত্ৰ জোঁটৰ চৰকাৰে ২১ বছৰ ধৰি কোনো চৰকাৰী সাহায্য নোপোৱা যিসকল অধ্যাপকে পেটত গামোছা বান্ধি কৰ্মৰত অৱস্থাত আছে সেই সকলক সকাহ দিবৰ নিমিত্তে আমাৰ মিত্ৰ জোঁটৰ চৰকাৰ সেই সংগীত মহাবিদ্যালয়খন যাতে চৰকাৰীকৰণ বা প্ৰাদেশীকৰণ কৰিবলৈ ব্যৱস্থা লয় তাৰ বাবে মই অনুৰোধ কৰিছো। এই সংক্ৰান্তত অধ্যক্ষ মহোদয়, মই আপোনাৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যোৱা ২০ জুলাই ২০১৬ তাৰিখে আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াৰ উপস্থিতিত যিখন সভা অনুষ্ঠিত হৈছিল সেই সভাত এটি প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। এই প্ৰস্তাৱটি মই আপোনাৰ জ্ঞাতাৰ্থে পঢ়ি দিব বিচাৰিছো। **Provincialization of the Kokrajhar Music and Fine Art College, it was submitted that said college may be provicialized in line with the Government Fine Arts and College, Guwahati. It was decided that the Cultural Affairs Department will consider the matter.** মুখ্যমন্ত্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াৰ উপস্থিতিত এই প্ৰস্তাৱটো **২০১৬** চনত লোৱা হৈছে। এবছৰৰ বেছি হ'ল গ'ল। গতিকে অতি সোনকালে যাতে **provincialization** কৰা হয়। ইয়াত শিক্ষাগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীয়ে দেশ-বিদেশত নানান ঠাইত আমাৰ অসমৰ যিটো গৌৰৱ, সেই গৌৰৱটো আনিবলৈ সক্ষম হৈছে। গতিকে সেই

ক্ষেত্রত মই আজি মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে অনুৰোধ কৰো যে এইখন অতি সোনকালে **provincialization** কৰি ইয়াত যিসকল অধ্যাপক আছে, ছাত্ৰ-ছাত্ৰীসকল আছে তেওঁলোকক সকাহ দিবৰ কাৰণে মহৎ ব্যৱস্থা যাতে হাতত লয়।

**মাননীয় অধ্যক্ষঃ Thank you. Minister, Cultural Affairs Department.**

**শ্ৰী নৱ কুমাৰ দলে, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য কমল সিং নাৰ্জাৰী ডাঙৰীয়াই দৈনিক গণঅধিকাৰ কাকতত বি টি এ ডি একমাত্ৰ সংগীত আৰু সুকুমাৰ ক'লা মহাবিদ্যালয়ৰ ওপৰত প্ৰকাশিত বাতৰি এটা দৃষ্টি গোচৰ কৰিছে। এই বিষয়টো আমাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ দৃষ্টি গোচৰ হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনত কোনো শিক্ষা অনুষ্ঠান প্ৰাদেশীকীকৰণৰ ব্যৱস্থা নাই । প্ৰাদেশীকীকৰণৰ বিষয়টো শিক্ষা বিভাগৰহে অধীনস্থ। সাংস্কৃতিক পৰিক্ৰমা বিভাগত **৩** খন চৰকাৰী শিক্ষা অনুষ্ঠান আছে, সেই কেইখন হৈছে।

**১.** চৰকাৰী চাৰু-কাৰু কলা মহাবিদ্যালয়।

**২.** লুইতকোঁৱৰ ৰুদ্ৰ বৰুৱা ৰাজ্যিক সংগীত মহাবিদ্যালয়।

**৩.** ডঃ ভূপেন হাজৰিকা আঞ্চলিক ফিল্ম এণ্ড টেলিভেচন ইনষ্টিটিউট।

ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুচ্ছেদ মৰ্মে সাংস্কৃতিক পৰিক্ৰমা, যাদুঘৰ, পুথিভঁৰাল বিষয় কেইটা বি টি চি লৈ ইস্তান্তৰিত বিষয়। এই বিষয়ত বি টি চি এ নিজে আচঁনি গ্ৰহণ কৰিব পাৰে। যদি বি টি চি এ প্ৰয়োজন বোধ কৰে, তেখেতসকলে নীতিগত ভাৱে সিদ্ধান্ত লৈ আৱন্টিত পুজিসহ অসম চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিব পাৰো, তেতিয়া অসম চৰকাৰে বিষয়টো বিবেচনা কৰিব। যিহেতু সাংস্কৃতিক পৰিক্ৰমা বিভাগত প্ৰাদেশীকীকৰণৰ কোনো ব্যৱস্থা নাই, সেয়েহে আন তিনিখন অনুষ্ঠানৰ দৰে বি টি এ ডি ৰ সংগ্ৰীত আৰু সুকুমাৰ কলা মহাবিদ্যালয়খনহে চৰকাৰীকৰণ কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং **২**। মই মাননীয়া সদস্যা অজন্তা নেওঁগক, তেখেতৰ যিটো উত্থাপিত বিষয় আমাৰ নিয়মাৱলীৰ **৫৪** নং ৰ অধীনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰীমতী অজন্তা নেওঁগ, গোলাঘাটঃ** মাননীয় অধ্যক্ষ মহোদয়, মই **'অসমীয়া প্ৰতিদিন'** কাকতত প্ৰকাশিত **"নাগালিমত সোমাৰ অসমৰ 'বিবদমান' ভূমি "** শিৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো।

প্ৰথমে অধ্যক্ষ মহোদয় এটা গুৰুত্বপূৰ্ণ বিষয় সদনত উত্থাপন কৰিব দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো।

অসম, অৰুণাচন আৰু মণিপুৰ এই বৃহত্তৰ এলেকা সামৰি প্ৰায় **১** লাখ **২০** হাজাৰ বৰ্গ কিলো মিটাৰ বৃহত্তম নাগালিম গঠনৰ যি দাবী। এই দাবীত কেন্দ্ৰীয় চৰকাৰে **২০১৫** চনৰ **৩** আগষ্টত সম্পাদিত **Frame Work Agreement** ৰ জৰিয়তে ভাৰত চৰকাৰে স্বীকৃতী দিয়া বুলি **NSCN** মূৰবী মুইভাই প্ৰকাশ কৰিলে। তেখেতৰ বক্তব্যৰ পিছত গোটেই উত্তৰ-পূৰৰ তিনি ৰাজ্যৰ মাজত সৃষ্টি হৈছে ভয় আৰু আশংকা। এতিয়া অধ্যক্ষ মহোদয় এই চুক্তি ইতিমধ্যে প্ৰায় দুবছৰ পাৰ হৈ গৈছে। এই দুবছৰ পাৰ হৈ যোৱাৰ পিছত কেন্দ্ৰীয় চৰকাৰে এই চুক্তি সন্দৰ্ভত কোনো ধৰণৰ মন্তব্য প্ৰকাশ কৰা নাই আৰু ৰাজ্য চৰকাৰেও কোনো ধৰণৰ মন্তব্য প্ৰকাশ কৰা নাই। কিন্তু ভাৰত চৰকাৰৰ এই **agreement** ৰ সবিশেষ আমাৰ জনসাধাৰণৰ পৰা সম্পৰ্ণ গোপনে ৰাখিলেও,

যোৱা ২১ মাৰ্চত **NSCN** বাৰ্ষিক কাউন্সিলত মুইভাই এই চুক্তি সম্পৰ্কত কিছু মন্তব্য কৰিছে। সেই মন্তব্য হৈছে - "**We are closer to our Sovereign right and clear about without intigration, there will be no solution** । মুইভাইৰ মতে **"The Frame Work Agreement recognises the Naga unique history, the identity, the sovereignty, the territories of Nagas it also recognises the legitimate rights of the Nagas to intigration of all Nagas territories"** গতিকে ইয়াৰ পৰা স্পষ্টভাৱে প্ৰকাশ পাইছে যে এই চুক্তিত এই তিনি ৰাজ্যৰ ভূমি অন্তৰ্ভূক্ত হব। এতিয়া অধ্যক্ষ মহোদয়, এই নগা চুক্তি সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ যদি সৰ্তক নহয়, তাৰ কি ভয়াবহ পৰিনতি হয় ই আমি প্ৰমাণ পাইছো, মাইবং ৰ ঘটনাত। কেন্দ্ৰীয় চৰকাৰে সৰ্তক নোহোৱাৰ পৰিনতিতে এই ঘটনা সংঘটিত হৈছে। আৰু এই ঘটনাৰ গুৰিতে আছে **RSS** ৰ এজন প্ৰভাৱশালী ব্যক্তি। তেখেতে স্পষ্টভাৱে কৈছিল যে ডিমাহাছও খন নগালেণ্ডৰ এৰিয়াত অন্তৰ্ভূক্ত হ'ব। তাৰ ফলস্বৰূপে এই গোটেই পৰিস্থিতি উৎভৱ হৈছিল আৰু দুজনকৈ নিৰিহ লোক পুলিচৰ গুলিত প্ৰাণ হেৰুৱা লগা হৈছিল। এতিয়া অধ্যক্ষ মহোদয়, গোটেই অসমতে এই সমস্যাটোৰ বিষয়ে আজি ৰাইজ ৰাজপথলৈ ওলাই আহিছে। বিভিন্ন দল সংগঠনে প্ৰতিবাদমুলক কাৰ্য্যসূচী গ্ৰহণ কৰিছে আৰু আমি সকলোৱে শংকা প্ৰকাশ কৰিছো এই কাৰণে যে এই চুক্তি এতিয়াওঁ সদৰি হোৱা নাই। এই চুক্তিখনৰ কি আছে, আমি কোনেও নাজানো, সম্পূৰ্ণ অন্ধকাৰত আছে। এতিয়া সততে কেন্দ্ৰীয় চৰকাৰে এটা কথা কৈ থাকে যে **Federal Structure of Govt.** আমাৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ যি সু-সমন্বয় । যেতিয়া আমাৰ চৰকাৰ আছিল, সেই সময়ত কেন্দ্ৰীয় চৰকাৰ লগত বিভিন্ন সভা বিলাকত যেতিয়া অংশগ্ৰহণ কৰিছিলো, তেতিয়াও তেখেত সকলে এই কথাখিনি বাৰে বাৰে দোহাৰিছিল যে ৰাজ্যচৰকাৰৰ, যদি ৰাজ্যখনত কিবা সমস্যাৰ উৎভৱ হয় , সেই সমস্যা বিলাক কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে আলোচনা বিলোচনা কৰি সমাধান কৰিব লাগে। এতিয়া কথা হ'ল অধ্যক্ষ মহোদয় যে ইমান ডাঙৰ এটা সমস্যা। এই তিনিখন ৰাজ্যৰ ভূমি সমস্যা ইয়াত জৰিত হৈ আছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে **Frame Work Agreement** ত **sign** কৰিছিল ২০১৫ চনত ৩ আগষ্টত। **sign** কৰা সময়ত কিন্তু ৰাজ্য চৰকাৰ বিলাকক বিশ্বাসত লোৱা নাছিল। এতিয়া অধ্যক্ষ মহোদয়, আমি মুখেৰে কৈ আছো যে **Federal Structure of Govt.** কেন্দ্ৰীয় আৰু ৰাজ্যৰ মাজত আমাৰ সু-সমন্বয় হ'ব লাগে। কিন্তু তেওঁলোকে **Agreement** খন **sign** কৰিছিল । **Sign** কৰাৰ আগতে ৰাজ্যচৰকাৰ বিলাকৰ পৰা কিন্তু কোনো ধৰণৰ পৰামৰ্শ গ্ৰহণ কৰা নাছিল। এতিয়া আমি দেখিলো যিটো মধ্যস্থতা কাৰি নাগালেণ্ডলৈ আহিছিল, তেখেতে বিভিন্ন দল-সংগঠনৰ লগত আলোচনা কৰিছিল। আৰু তেখেতে এইটো কথাও কৈছিল যে আমি ৰাজ্য চৰকাৰলৈ লিখিছো ইয়াত সহযোগীতা কৰিবৰ কাৰণে। মই এইটো কথা জানিব বিচাৰিছো যে ৰাজ্য চৰকাৰৰ কেন্দ্ৰীয় চৰকাৰৰ লগত কিবা যোগাযোগ আছে নেকি ? যাৰ জৰিয়তে এই কথাখিনি ৰাজ্য চৰকাৰক অৱগত কৰিছে। গতিকে আমি অধ্যক্ষ মহোদয় এই সমস্যাৰ লগত জৰিত , মই নিজে এনেকুৱা এটা সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰিছো। অসম নাগালেণ্ডৰ সীমান্তবৰ্তী অঞ্চল। অকল মোৰ সমষ্টিৰে নহয়, গোটেই সীমান্তৱৰ্তী যিমান এলেকা আছে, গোটেই ৰাইজ শংকিত হৈছে। অসমৰ ৰাইজ আজি চিন্তিত। গতিকে আমি এই সমস্যা সমাধান কৰিব লাগে, আজি ওচৰীয়া নাগালেণ্ডৰ তেখেত সকলৰ শান্তি চুক্তি সম্পন্ন হওঁক, আমি তাত বেয়া নাপাও। কিন্তু কথাটো হ'ল যে অসমৰ স্বাৰ্থত যাতে ব্যাঘাত নজন্মে। আজি মাইবঙৰ

ঘটনা সংঘটিত হোৱাৰ পিছত চৰকাৰৰ ফালৰ পৰা বক্তব্য আগবঢ়োৱা হৈছে যে অসমৰ মাটি এক ইঞ্চিও তাত অন্তৰ্ভূক্ত নহয়। কিন্তু ৰাইজ পতিয়ন যোৱা নাই, আমি পতিয়ন যোৱা নাই, এই কাৰণে যোৱা নাই যে দুয়ো পক্ষই জানে, ৰাইজক অন্ধকাৰত ৰখা হৈছে । আমি কেনেধৰণে পতিয়ন যাম। যিহেতু চুক্তিখনত কি আছে সেইখিনি আমি নাজানো। গতিকে এই চুক্তি ৰাজহুৱা কৰিব লাগে। আজি অসমৰ ৰাইজে এটা কথা বিচাৰিছে যে এই **Frame Work Agreement** ত কি আছে। এইখিনি তথ্য ৰাজহুৱা কৰিব লাগে। কাৰণ মুইভাই তেওঁলোকৰ সংগঠনৰ ফালৰ পৰা ইয়াৰ এক মেপও প্ৰস্তুত কৰি দেখুৱাইছে। তাত মেপত দেখুৱাইছে যে বিস্তৰ অসম নাগালেণ্ড সীমান্তৰ পৰা **৬৬** হাজাৰ বৰ্গ কিলোমিটাৰ এৰিয়া ইয়াত অন্তৰ্ভক্ত হৈছে। গতিকে সেইকাৰণে আমি সকলোৰে শংকিত হৈছো, যিহেতু চুক্তি অন্ধকাৰত আছে। গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে জনাব বিচাৰিছো। আমি দাবী কৰিছো যে এই চুক্তি সম্পৰ্কত ৰজহুৱা হব লাগে। আমি বিৰোধী পক্ষৰ ফালৰ পৰা আপোনাক এটা অনুৰোধ জাইছিলো যে এটা সৰ্ব্বদলীয় প্ৰতিনিধি দল কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ যাব লাগে। তাত গৈ এই সমস্যা সমাধানৰ, আমাৰ ৰাইজৰ যিটো আকাঙ্খা, সেইটো ব্যক্ত কৰিব লাগে। আজি মণিপুৰৰ মূখ্যমন্ত্ৰী ডাঙৰীয়াই স্পষ্ট ভাৱে কৈছে যে মোৰ ৰাজনৈতিক লাভতকৈ কিন্তু ৰাজ্যখনৰ স্বাৰ্থ আগত। সেই কাৰণে আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো অধ্যক্ষ মহোদয়, এটা সৰ্ব্বদলীয় প্ৰতিনিধি দল কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ যাব লাগে, এই চুক্তিত কি আছে ৰাজহুৱা কৰিব লাগে। চৰকাৰৰ ফালৰ পৰা যিটো স্পষ্ট যুক্তি দিব যাতে আমি অসমৰ ৰাইজ আশ্বস্ত হও। মই ইয়াত সকলো সদস্যকে অনুৰোধ জনাইছো, এইটো অকল বিৰোধী পক্ষৰ আশংকা নহয়, আমাৰ সকলোৰে আশংকা। গতিকে আমি সকলোৱে একগোট হব লাগে। এইটো অসমৰ স্বাৰ্থৰ সুৰক্ষাৰ কাৰণে। গতিকে সেই কাৰণে অনুৰোধ জনাইছো যাতে এই চুক্তিখন ৰাজহুৱা হব লাগে। এটা সৰ্ব্বাদলীয় প্ৰতিনিধি দল দিল্লীলৈ গৈ আমি এই কথাখিনি কব লাগে। এইখিনি কথা কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** আধ্যক্ষ মহোদয়, যোৱা ২৯/১০/২০১৭ তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশ হোৱা 'নাগালিমত সোমাব অসমৰ বিবাদমান ভূমি' শিৰোনামেৰে প্ৰকাশিত বাতৰি সন্দৰ্ভত মাননীয় বিধায়িকা শ্ৰীমতী অজন্তা নেওঁগে ৰুল ৫৪ ৰ অধীনত উপস্থাপন কৰা জাননীৰ সংক্ৰান্তত সদনৰ জ্ঞাতাৰ্থে অৱগত কৰিব বিচাৰিছো যে - বিগত কেইবামাহ ধৰি বিভিন্ন বাতৰি কাকতত প্ৰস্তাৱিত নাগালিমত অসমৰ ভূমি অন্তৰ্ভূক্তিকৰণৰ সম্ভাৱনীয়তা সম্পৰ্কে বাতৰি প্ৰকাশিত হৈ আছে আৰু বিভিন্ন দল-সংগঠনেও এই সংক্ৰান্তত উদ্বিগ্নতা প্ৰকাশ কৰাটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। উল্লেখ কৰিব পৰা যায় যে কেন্দ্ৰীয় চৰকাৰ আৰু এন.এছ.চি.এনৰ(আই.এম) মাজত ২০১৫ চনত ফ্ৰেমৱৰ্ক চুক্তি স্বাক্ষৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা আনুষ্ঠাকিভাবে কোনো ধৰণৰ জাননী বা পত্ৰ বৰ্তমানলৈকে অসম চৰকাৰে লাভ কৰা নাই। কিন্তু অসম চৰকাৰ অনানুষ্ঠানিকভাবে এই বিষয়ে অৱগত। আনহাতে বিগত ১৫/১১/২০১৭ তাৰিখে নাগালেণ্ডৰ দ্বাৰা বি চেক্টৰত এখন মহকুমা গঠন আৰু জালাল বস্তি, অকাই গাৰত দুটা এমহলীয়া পকী ঘৰ নিৰ্মাণ কৰাৰ খৱৰ পোৱাৰ পিছত অনতিপলমে অসমৰ সংশ্লিষ্ট বিষয়াসকলে উক্ত স্থান পৰ্য্যবেক্ষণ কৰে আৰু মহকুমা স্থাপনৰ প্ৰচেষ্টা ৰোধ কৰা হয়। এই সন্দৰ্ভত নাগালেণ্ড চৰকাৰৰ ওচৰত তীব্ৰ প্ৰতিবাদ জনোৱা হৈছে আৰু নিমাৰ্ণ কৰা গৃহসমূহ ভাঙি দিয়াৰ বাবে তথা স্থিতাৱস্থা বাহাল ৰখাৰ বাবে কোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰকো হস্তক্ষেপ কৰাৰ বাবে অনুৰোধ জনোৱা হৈছে। আনকি ২০১৬ চনতো

কাৰ্বি আংলং জিলাৰ অন্তৰ্গত দলদলি সংৰক্ষিত বনাঞ্চলত বেদখলৰ প্ৰয়াস সক্ৰিয়ভাবে ৰোধ কৰা হৈছিল। বৰ্তমান অসম আৰু নাগালেণ্ডৰ সীমাৰ দৈৰ্ঘ্য ৫১২.১ কিলোমিটাৰ আৰু এই সীমা অসমৰ শিৱসাগৰৰ চৰাইদেউ সৈতে যোৰহাট, গোলাঘাট, কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ সীমাৰে গৈছে। ১৯৭৯ চনৰ ২৮ জানুৱাৰীত অসম আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী দুয়োৰ মাজত বিবাদমান ভূমিত শান্তি-সম্প্ৰীতি আৰু স্থিতাৱস্থা বাহাল ৰখাৰ বাবে চুক্তি সম্পাদন কৰাৰ পিছত এখন এছ.অ'.পি প্ৰস্তুত কৰা হয়। এছ. অ'.পি খনৰ মতে অসমৰ বৰ্তমান সীমান্ত শাখাৰ সঞ্চালক প্ৰধান অ'পাৰেশ্যনেল কামাণ্ডাৰৰ দায়িত্বত আছে। উক্ত এছ.অ'.পিৰ নিয়মসমূহ বৰ্তমানেও কাৰ্যকৰী হৈ আছে। কিন্তু নাগালেণ্ডৰ ফালৰ পৰা সহায়-সহযোগ পোৱা হোৱা নাই। উল্লেখযোগ্য যে অসম চৰকাৰ অসমৰ ভৌগলিক সীমাৰ অখণ্ডতা ৰক্ষাৰ বাবে বদ্ধপৰিকৰ আৰু এই ক্ষেত্ৰত প্ৰয়োজনীয় সকলো ব্যৱস্থা হাতত লৈ থকা হৈছে। নগালোকৰ আগ্ৰাসন ৰোধ কৰাৰ উদ্দেশ্যে তথা সীমান্তত বসবাস কৰা অসমীয়া লোকসকলৰ সুৰক্ষাৰ স্বাৰ্থত মুঠ ৫৫ টা বি.অ'.পি আৰু ১৮ টা ফিক্সড পিকেট আৰু নতুনকৈ ১৬ টা বি.অ'.পি স্থাপনৰ ব্যৱস্থা কৰা হৈছে। উক্ত অঞ্চলত পৰ্য্যাপ্ত কেন্দ্ৰীয় সংৰক্ষীত আৰক্ষী বাহিনী (চি.আৰ.পি.এফ), সশস্ত্ৰ সীমাৰল (এছ.এছ.বি) আৰু সশস্ত্ৰ অসম আৰক্ষী বাহিনী মোতায়েন কৰি ৰখা হৈছে। বৰ্তমান সৰ্বমূঠ ৩২ টা কোম্পানী অৰ্দ্ধসামৰিক বাহিনী আৰু অসম আৰক্ষী বাহিনী নিৰাপত্তাৰ খাতিৰত মোতায়েন আছে। তদুপৰি এ. বি. আৰু চি চেক্টৰৰ প্ৰতি চেক্টৰতে একোখনকৈ শান্তি কমিটি গঠন কৰা হৈছে। উভয় পক্ষৰ মাজত সৌহাৰ্দ্যপূৰ্ণ পৰিবেশ বজাই ৰাখিবৰ বাবে ব'ৰ্ডাৰ আউটৰিচ্ প্ৰ'গ্ৰেম অনুষ্ঠিত কৰি অহা হৈছে। যোৱা ২০১৬ চনৰ অক্টোবৰ মাহত অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ উদ্যোগত অসম আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী দুগৰাকীৰ মাজত সৌহাৰ্দ্যপূৰ্ণ পৰিবেশত এখন সভা অসমৰ কাজিৰঙাত অনুষ্ঠিত হয়। সেই সভাৰ সিদ্ধান্ত মৰ্মে দুইখন ৰাজ্যৰ মাজত সাংস্কৃতিক কাৰ্য্যসূচী আৰু বিভিন্ন ধৰণৰ খেল ধেমালি অনুষ্ঠিত কৰি অহা হৈছে। অসম আৰু নাগালেণ্ডৰ সীমা বিবাদ দীৰ্ঘদিনীয়া আৰু দুয়োখন ৰাজ্যৰ সীমা বিবাদ লৈ মহামান্য উচ্চতম ন্যায়ালয়ত গোচৰ চলি আছে। যদিও মহামান্য উচ্চতম ন্যায়ালয়ে এই সীমা বিদাব নিষ্পত্তিকৰণৰ বাবে ল'কেল কমিশ্যন গঠন কৰি দিছিল, কিন্তু আশানুৰূপ ফল লাভ নকৰাৰ বাবে গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। উক্ত গোচৰটোত অসম চৰকাৰৰ সাক্ষ্যদান ইতিমধ্যে সমাপ্ত হৈছে আৰু নাগালেণ্ড পক্ষৰ সাক্ষ্যদান অতি সোনকালে আৰম্ভ হ'ব। বিবাদমান এলেকাত যাতে কোনো বেদখল হ'ব নোৱাৰে তাৰ বাবে পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰখা হৈছে। অসম চৰকাৰে অসমৰ ভূমি প্ৰস্তাৱিত নাগালিমত অন্তৰ্ভূক্ত কৰাটো কোনো পধ্যেই মানি নলয় আৰু আগন্তুক সময়ত এনেকুৱা অন্তৰ্ভূক্তিকৰণৰ বাবে লোৱা যিকোনা পদক্ষেপ ৰোধ কৰিবলৈ সকলো ব্যৱস্থা হাতত ল'ব। অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদ্যসা বিধায়িকা শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীয়ে কোৱাৰ নিচিনাকৈ বিষয়টো সম্পৰ্কত ৰাজ্য চৰকাৰে স্পষ্টকৈ কোৱা নাই বুলি কোৱা কথাযাৰ সত্য নহয়। কাৰণ ইতিমধ্যে আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে ৰাজহুৱা ভাবে স্পষ্টকৈ কৈছে যে, অসমৰ এক ইঞ্চি মাটিও নাগালেণ্ডক এৰি দিয়া নহ'ব আৰু এই কথাত কোনো দ্বিমত নাই। তাতকৈ ডাঙৰ কথা হৈছে যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী আৰু মনিপুৰ মাননীয় মুখ্যমন্ত্ৰীয়ে, ভাৰত মাননীয় গৃহমন্ত্ৰী শ্ৰীযুত ৰাজনাথ সিং ডাঙৰীয়াৰ লগত বিষয়টো সম্পৰ্কত আলোচনা কৰিছিল আৰু সেই আলোচনাত গৃহমন্ত্ৰী ডাঙৰীয়াক স্পষ্ট কৰি দিয়া হৈছিল যে বৃহত্তৰ নাগালিমক অসমৰ এক ইঞ্চি মাটিও এৰি দিয়া নহ'ব। নাগালিম ফ্ৰেমৱৰ্ক চুক্তি সম্পৰ্কত গৃহমন্ত্ৰালয়ে আলোচনা-বিলোচনা কৰি আছে আৰু ইতিমধ্যে ভাৰতৰ মাননীয় গৃহমন্ত্ৰী শ্ৰীযুত ৰাজনাথ সিং ডাঙৰীয়াই সদনত স্পষ্টকৈ কৈছে যে অসমৰ বিবাদমান

ভূমি কেতিয়াও নাগালেণ্ডলৈ নাযায়। অধ্যক্ষ মহোদয়, ৰাজ্য চৰকাৰৰ তৰফৰ পৰা মই এই কথাখিনি স্পষ্ট কৰি দিছোঁ। কিন্তু কোনো কাৰণ নোহোৱাকৈ আন্দোলন কৰিব নালাগে। যদিহে চৰকাৰে বিষয়টো সম্পৰ্কত ব্যৱস্থা গ্ৰহণ নকৰিলে হেতেন, তেতিয়া আন্দোলন কৰিলে কৰক। এন.চি.হিলচ্ত যিটো আন্দোলন হ'ল সেইটো বিনা কাৰণত হ'ল আৰু তাত যিটো ঘটিল সেইটো দুৰ্ভাগ্যজনক। গতিকে আমি সকলোকে এটা কথা অনুৰোধ কৰো যে ৰাজ্যখনৰ মুৰব্বী হৈছে মুখ্যমন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰাজহুৱা ভাৱে কৈছে যে অসমৰ এক ইঞ্চি মাটিও এৰি নিদিও, সেই কথাষাৰ তেখেতে দায়িত্ব সহকাৰে কৈছে, এনেয়ে কোৱা নাই। এই বিষয়টো সম্পৰ্কত ৰাজ্য চৰকাৰে লিখিত ভাবেও ভাৰত চৰকাক জনাইছে। গতিকে এই কথাটো লৈ বিবাদ বা দ্বিমত হ'বলগীয়া কোনো কথা নাই।

(সদনত মাননীয় সদস্য শ্ৰীৰূপজ্যোতি কুৰ্মী, শ্ৰীকমলাক্ষ দে পুৰকায়স্থ প্ৰমুখ্যে ভালেকেইজন সদস্য একেলগে ঠিয় হয় আৰু সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** ................. (The Chair has expunge.)

**মাননীয় অধ্যক্ষ ঃ** এই কথাষাৰ সদনৰ কাৰ্য্যবিৱৰণীৰ পৰা বাদ দিয়া হ'ব আৰু সকলোৰে পক্ষত কৈছো যে কথাটো সদনৰ বাহিৰতো প্ৰকাশ পাব নালাগে। আমাৰ এটা নিয়ম আছে, কোনোবা মানুহে যদি আত্মপক্ষক সমৰ্থন কৰিব নোৱাৰে তেখেতৰ নাম সদনত উল্লেখ কৰিব নোৱাৰি। কোনো ব্যক্তিৰ নাম নোলোৱাকৈও সদনত বক্তব্য ৰাখিব পাৰে। মানুহে বুজি পাবই। You are a senior Member. As per law we cannot take the name. মন্ত্ৰীক উত্তৰটো দি শেষ কৰিব দিয়ক। আপোনালোকে ৰাজ্যপালৰ ভাষণ বিতৰ্কত অংশগ্ৰহণ কৰিছে, বাজেট আলোচনাও হ'ব, গৃহ বিভাগৰ আলোচনাও আহিব। You will have ample oppertunity to say all this things. আজি বিষয়টো মই ৰুল ৫৪ অধীনত এই কাৰণেই দিছো যে মাননীয় বিধায়ক শ্ৰীপ্ৰশান্ত ফুকনেও আহি কৈছে আৰু শ্ৰীমতী অজন্তা নেওঁগৰ জাননীখন প্ৰথমতে পাই ভাবিলো বিষয়টো ৰাজ্যখনৰ বাবে গুৰুত্বপূৰ্ণ, সেয়ে আলোচনা হওঁক আৰু এই আলোচনাৰ মাধ্যমেৰে ৰাজ্য চৰকাৰৰ স্থিতিটো ইতিমধ্যে স্পষ্ট হৈ গৈছে। আপোনালেকে জানে এইটো এটা স্পৰ্শকাতৰ বিষয় আৰু চৰকাৰৰ স্থিতিও স্পষ্ট হ'ল।

(সদনত মাননীয় সদস্য শ্ৰীৰূপজ্যোতি কুৰ্মী, শ্ৰীকমলাক্ষ দে পুৰকায়স্থ প্ৰমুখ্যে ভালেকেইজন সদস্য একেলগে ঠিয় হয় আৰু সদনত হুলস্থুলীয়া পৰিবেশষৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষ ঃ** This is not the way. মই সকলোকে ক'ব দিম। আপোনালোকে বহক। এতিয়া মাননীয় মন্ত্ৰী, আপোনাৰ বক্তব্য শেষ কৰক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ কথাটো স্পষ্ট কৰাৰ পিছত কোনো সন্দেহৰ কথা নাই, আমাৰ শাসকীয় আৰু বিৰোধী পক্ষই সকলো মাননীয় সদস্যক আমি এটা কথা কওঁ যে আমাৰ অসম ৰাজ্যখনৰ এনেকুৱা ধৰণৰ সমস্যা এই সমস্যা বিলাক আমি সকলোৰে ৰাজনীতিৰ উৰ্ধত থাকি সমস্যা সমাধানৰ কাৰণে চেষ্টা কৰিবলৈ আমি অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** কুৰ্মী ডাঙৰীয়া, ৫৪ আপোনালোকে পঢ়িব, তাত Actually Specific পঢ়িব লাগে আৰু উত্তৰ দিব লাগে, মই তথাপি অলপ allow কৰিছো। কাৰণ আগৰ পৰা তেনেকৈ চলি আছে, কিন্তু তাৰ ওপৰত কোনো further discussion ৰ কোনো Scope নাথাকে। মই আপোনাক বাৰে বাবে কৈছো এই বিলাক Sensitive matter আৰু এই বিলাক কথা সদনত

অহাটো মইও বিচাৰো। নহলে মই নিদিলো হেতেন। এতিয়া কথা হৈছে, যে What we are worring আমাৰ মাটিখিনি গুচি যাব নেকি ? This is the main question, মন্ত্ৰীয়ে এইখিনি কোৱাৰ পিছত তাত বেলেগ Issue ৰ কথা আনিব নালাগে। কোনোবাই কিবা কৰিলে তাৰ কাৰণে Enquiry হব লাগিব, এইখিনি আমি বুজো গতিকে মই ভাবো এই বিষয়টোত আমি সকলোৱে মিলি যি ভাৱিছো তেখেতে যিহেতু কৈছে, We should be happy কি আছিল আপোনাৰ, এইটোৰ ওপৰত নহয়।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মাননীয় বিধায়ক, মৰিয়নী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ নেতৃত্বত এই অসম নাগালেণ্ড সিমা সমস্যাটো লৈ All Party Team এটা পঠোৱাটো আমি বিচাৰিছো, আমি কংগ্ৰেছ বিধায়িনী দলৰ পৰা।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, I will consider it and I will talk with you latter. এতিয়া কাৰ্য্যসূচী নং ৩। ৩০১ ত Special Mention আছে, মই এতিয়া ৰূপজ্যোতি কুৰ্মীকে কবলৈ কৈছো, আপোনাৰ নোটিচ এটা আছে ৩০১ ত ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মাননীয় বিধায়ক, মৰিয়নী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৩০১ ৰ অধীনত “দৈনিক জনমভূমি” বাতৰি কাকতত যোৱা ৭ ফেব্ৰুৱাৰীত তেজপুৰত ভূমিপট্টা প্ৰদানৰ দাবিত প্ৰতিবাদ। এই শীৰ্ষক বাতৰিটো মোক বিধান সভাত উত্থাপন কৰিবলৈ দিয়াৰ বাবে আপোনাক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, ৩০১ত যিহেতু সীমিত সময় থাকে, মই দীঘলীয়া কৰিব বিচৰা নাই। এতিয়া কথাটো হল আজি প্ৰায় বি জে পি নেতৃত্বাধীন মিত্ৰ যোটৰ চৰকাৰৰ কাৰ্য্যকাল আজি প্ৰায় ২ বছৰ পাৰ হও হও অহা মে মাহত ২বছৰ সম্পূৰ্ণ হব আৰু এনেকৈ চাওতে চাওতে ৫বছৰ পাৰ হবগৈ। বিজেপি ৰ নেতৃত্বত মিত্ৰযোটৰ চৰকাৰ অহাৰ লগে লগে কেবিনেট বৈঠক নোহোৱাকৈ পতঞ্জলি গোষ্ঠীক বহু বিঘা মাটি দি দিলে । SDLAC মানে Sub-Divisional Land Advisory Committee ৰ মিটিং ডি চি অফিচৰ মিটিং , এই মিটিং বিলাকত কিমান মাটি দিলে আমি নাজানো, মাটি দি দিলে পতঞ্জলিক। এইখন চৰকাৰে ভূমি নীতি বনায় আছে, ১বছৰ পাৰ হল ২বছৰ ও পাৰ হবৰ হ’ল আৰু লাহে লাহে ৩বছৰ পাৰ হ’ব। এতিয়া ৰাজহ মন্ত্ৰী হ’ল শ্ৰী পল্লৱ লোচন দাস ডাঙৰীয়া শোণিতপুৰ জিলাৰ কিন্তু এতিয়া তেজপুৰতে প্ৰতিবাদ ভূমি পট্টা প্ৰদানৰ দাবীত, মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াৰ গৃহ জিলাতে প্ৰতিবাদ। এতিয়া অসমৰ আমি বেলেগ জিলাবোৰৰ মানুহবোৰে কি আশা কৰিম যে ৰাজহ মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমি পট্টা পাম আৰু এইফালে চৰকাৰে কৈ আছে, জাতি,মাটি আৰু ভেটি ৰক্ষা কৰিব। এতিয়া কথা হ’ল মই প্ৰত্যক বছৰে ১৫ আগষ্ট, ২৬ জানুৱাৰীত যদিও মই বিধায়কে আছিলো কিন্তু মাটিৰ পট্টা বিতৰণ কৰিছিলো। এই মানুহবোৰে পট্টা পালে তেখেত সকলৰ লগতে মোৰ ও বহুত ভাল লাগে। কিন্তু এই ২বছৰত ১৫ আগষ্ট আৰু ২৬ জানুৱাৰী উকা, কাৰণ মাটিৰ পট্টা মই বিতৰণ কৰিব পৰা নাই কাৰণ Sub-Divisional Land Advisory Committee ৰ মিটিং হোৱা নাই। আমি চাগে Team Assam ত নপৰো এইবোৰে এ Discrimination । যদি কেতিয়াবা ADC (Revenue), Circle Officer সোধো কিয় SDLAC পতা নাই, তেতিয়া তেওঁলোকে কয় যে Classification of Land আমাক কৰিব কৈ আছে, সেই বাবে কেইদিন মান ৰব লাগিব। কিন্তু এতিয়া প্ৰশ্ন আহি গ’ল যে দুদিন মান ৰবলৈ কয় এতিয়া ২বছৰ পাৰ হ’বৰ হ’ল। মই পবিত্ৰ বিধান সভাৰ বিশেষ সময় লব বিচৰা নাই কিন্তু এই পতঞ্জলি গোষ্ঠীক যে মাটি দি দিলে কোনো SDLAC, কোনো সভা নকৰাকৈ কোনো কেবিনেট বৈঠক নপাতাকৈ দিলে,

কেনেকৈ দিলে নাজানো কিন্তু এতিয়াও নিশ্চয় মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই জানে যে আজি বহু মানুহে পাহাৰ-ভৈয়ামত ভূমি পুত্ৰই মাটি পট্টা পোৱা নাই। এতিয়া আপোনালোকে কব পাৰে যে আপোনালোকৰ চৰকাৰ থাকোতে কি কৰিছিল, আমাৰ চৰকাৰ থাকোতে আমি বেছি দিব নোৱাৰিলেও, মই গোটেই অসমৰ কথা নকওঁ মোৰ নিজৰ সমষ্টিত ১৫আগষ্ট/ ২৬জানুৱাৰীত সদায় ১০০/১৫০ মানুহক মই মাটিৰ পট্টা দিছিলো মোৰ কাৰ্য্যকাল ১০ বছৰত ৪হাজাৰ/৫হাজাৰ ৰ ওপৰত মানুহক পট্টা দিছিলো। কিন্তু এই ২বছৰ উকা গল বিজেপি নেতৃত্বাধীন মিত্ৰ যোটৰ চৰকাৰত, মই ১৫আগষ্ট/ ২৬জানুৱাৰীত মই দিব পৰা নাই ছাৰ, বেয়া লাগে । মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মানননীয় মন্ত্ৰী মহোদয়ৰ পৰা অকল পবিত্ৰ বিধান সভায়ে নহয়, সমগ্ৰ অসমে এটা সুউত্তৰ বিচাৰিছে যে এনেকৈ ২বছৰ পাৰ হৈ গ'ল ৩বছৰ ও পাৰ হৈ যাব নেকি? নে তেখেতে পাৰ হব নিদিয়ে, যত তেখেতৰ গৃহ জিলাতে প্ৰতিবাদ আৰম্ভ হৈছে, এনেকুৱা প্ৰতিবাদ আৰু বেলেগ ঠাইত নহওঁক আমি সেইটো বিচাৰিছো আৰু গৃহহীন লোকে হওঁক বা দুখীয়া লোকে হওঁক কেতিয়া মাটিৰ পট্টা পাব আৰু এই পট্টা প্ৰদানৰ ক্ষেত্ৰত কেনে ব্যৱস্থা গ্ৰহণ কৰিব আমাক আজি জনাব লাগে । ধন্যবাদ

**শ্ৰী পল্লৱলোচন দাস ( মাননীয় মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই মাটিৰ পট্টা সম্পৰ্কে খুব সুন্দৰ ভাৱে বাখ্যা দাঙি ধৰিছে। মাননীয় সদস্য জনৰ বক্তব্য শুনিলে মাননীয় উপাধ্যক্ষ মহোদয়, এনেকুৱা লাগে যে প্ৰাক্তন মুখ্যমন্ত্ৰী মহোদয় ডাঙৰীয়া ইয়াত আছে আৰু বাকী সন্মানীয় সদস্য সকলো আছে যেন মহাশয়, গোটেইখিনি মাটিৰ পট্টা বিগত দিনত খুব সুন্দৰ ভাৱে দিয়া হৈছিল কেৱল মাত্ৰ এই দুই বছৰতে মাটিৰ পট্টা দিয়াটো বন্ধ হ'ল। পৰিৱেশটো তেনেকুৱা লাগে তেখেতৰ ব্যক্তব্যৰ পৰা। মাননীয় উপাধ্যক্ষ মহোদয়, আমি যি সময়ত উত্তৰাধীকাৰি হিচাপে দায়িত্ব পাইছিলো, অসমৰ ভূমি বেদখলকৃত অৱস্থাত পাইছিলো, ৩৮লাখ মাটি বেদখলকৃত অৱস্থাত পাইছিলো। বনাঞ্চল ধংস হৈ আছিলে, গোটেই যিখিনি আমাৰ Wetland encroached হৈ আছিলে। গোটেই গুৱাহাটীত বেছি ভাগ encroach আছিল, আজি তেওঁ নিজে চাহ বাগিছা অঞ্চলৰ পৰা আহিছে, অসমত ক'ত কিমান চাহ শ্ৰমিকৰ ঘৰত মাটিৰ পট্টা দিয়া হ'ল বিগত ১৫বছৰৰ কালত আৰু তেখেতৰ মাক ও মন্ত্ৰী আছিলে, সেই সময়তো কিমান দিয়া হ'ল আজি যদি মৰিয়নী সমষ্টিৰ কথা কোৱা যায় মৰিয়নী সমষ্টিৰ কিমান ইমান মানুহ আছে যি সকলক মাটিৰ পট্টা দিয়া হৈছে, কথাখিনি এনেকৈ উপস্থাপন কৰা হল যে আমাৰ চৰকাৰৰ মাত্ৰ এই ২বছৰ কালতে হোৱা নাই আগৰ সময়ত খুব সুন্দৰ ভাৱে মাটিৰ পট্টা দিয়া কাম হৈছিল। আজি ৰাজহ বিভাগৰ যিটো অৱস্থা, যি জৰাজীৰ্ণ অৱস্থা এই অৱস্থাটো কাৰ দিনত হ'ল গোটেই ব্যৱস্থাটো, গোটেই গাইড লাইনৰ ব্যৱস্থাটো তাত কোনো কাগজ-পত্ৰ নাই। এই যিটো বিশৃংখল অৱস্থা, ইয়াত যে ভূ মাফিয়া সকল ইমান ওপৰত উঠিলে এইটো কাৰ দিনত হ'ল এই অৱস্থাটো? আজি গাইড লাইনৰ এটা জৰাজীৰ্ণ অৱস্থা আমাৰ পৰ্য্যায়ত আহিলে। আজি আমি ইয়াত কেনেকৈ Discipline ৰ ব্যৱস্থা আনিব পৰা যায়, ছাৰ Land Bank হ'ল, ক'ত কি মাটি আছিলে, চৰকাৰী ভূমি কিমান আছিলে ইয়াৰ কোনো তথ্য নাই মহাশয়। কোনো ধৰণৰ তথ্য নাই, ক'ৰ মাটি কোনে ক'ত দখল কৰিছে। আজি পতঞ্জলিৰ কথা কৈছে ছাৰ এই মাটিখিনি যিখিনিৰ কথা কোৱা হৈছে, এই মাটিখিনি AIDC ক দি থোৱা আছিলে যেতিয়া তৰুণ গগৈ ডাঙৰীয়া মুখ্যমন্ত্ৰী আছিল। এইখিনি ভূমি নাছিলে, এইখিনি ভূমি চাহ বাগিছাৰ আছিলে সেয়হে এই চাহ বাগিছাৰ ভূমিখিনি AIDC ক দিয়া আছিল আৰু AIDC ৰ পৰা ছাৰ এইখিনি ভূমি দিয়া হৈছে, এইখিনি কনো ৰাজহ বিভাগৰ

ভূমি নহয়। এইখিনি AIDC কAlready দিয়া আছিলে সেয়েহে AIDCৰ যিখিনি Boundary wall ৰ ভিতৰত আছিল, সেই Boundary wall ৰ ভিতৰত থকা ভূমি হে দিয়া হৈছে। সেইখিনি AIDC ৰ Boundary wall ৰ Barricade ৰ ভিতৰত ৰখা হৈছিলে যে এইখিনি উদ্যোগী কৰণ কৰা যাব। কিন্তু এইখিনিত কোনো উদ্যোগ নাহিলে ছাৰ, কোনো ধৰণৰ ব্যৱস্থা নহল কিন্তু আমি যেতিয়া চৰকাৰ পালো তাত উদ্যোগ আহিল আৰু সেইখিনি Boundary Barricade ৰ ভিতৰৰ ভূমিখিনি আমি পতঞ্জলিক দিলো যাতে আপোনালোকে ব্যৱসায় কৰিব পাৰে, ইয়াত কি ভূল হল ছাৰ আপোনালোকেতো ভূমি ৰাখি থৈছিল সেই সময়ত কিয় ৰাখিছিল। সেই কাৰণে এই কথাখিনি তেখেতে তথ্য সহকাৰে জানি লয় বিধান সভাত কলে ভাল হয়। ছাৰ আজি আমি Land Bank বনাইছো যে অসমৰ কিমান চৰকাৰী ভূমি আছে। বাউণ্ডাৰী ৱালৰ ভিতৰত থকা ভূমিখিনিহে দিয়া হৈছিলে। সেই খিনি এ আই ডি চি ৰ নামত আগতে বাউণ্ডাৰী ওৱালৰ barricode ৰ ভিতৰত ৰখা হৈছিলে। যে এইখিনি Industrialist কৰা যাব। কিন্তু সেইখিনিতে Industry নাহিলে, কোনো ধৰণৰ ব্যৱস্থা নহ'ল কিন্তু, আমি যেতিয়া চৰকাৰ পালো তাত Industry আহিলে আৰু সেইখিনি বাউণ্ডাৰী বেৰিকেটৰ ভিতৰত ভূমিখিনি আমি তেখেত সকলক দিলো যাতে ব্যৱসায় কৰিব পাৰে। ইয়াত কি ভুল হ'ল চাৰ? আপোনালোকেতো ভূমি ৰাখি থৈছিলে সেই সময়ত, কিয় ৰাখি থৈছিলে? বাউণ্ডেৰী ওৱালৰ ভিতৰত সেইখিনি ভূমি? সেই কাৰণে এই কথাখিনি তথ্য সহকাৰে তেখেতে জানি লৈ বিধান সভাত কলে ভাল হয়। সেই কাৰণে আমি কব বিচাৰিছো যে আজি আমি কি ব্যৱস্থা কৰিছো চাওঁক আজি আমি লেণ্ড বেঙ্ক বনাইছো যে আজি অসমৰ কিমান চৰকাৰী ভূমি আছে আমি যাতে এটা ঠাইতে চাব পাৰো। আমি গাইড লাইন বনাইছো আজি ইয়াত পঠিয়াম আ পোনালোকলৈ যে এচ ডি এল এ চি ৰ গাইড লাইন কি কি? আমি এইবাৰ এচ ডি এল এ চি বনাইছো, ইয়াৰ গাইড লাইনত কেনেকৈ কি কি কাম কৰা যাব আৰু প্ৰত্যেক মাহে এচ ডি এল এ চি বহিবৰ কাৰণে আমি নিৰ্দেশ জাৰি কৰি ছো। আমি এভেক্সন প্লেন কৰিছো, আমি গোটেইখিনি ব্যৱস্থা কৰিছো যাতে ইয়াত এটা Discipline আহক গোটেই ব্যৱস্থা হওক, ২০১১ চনৰ আগত কোনো পিজিআৰ ভিজিআৰ ভূমি কোনো অসুবিধা নাছিলে। ২০১১ চনৰ আগত হয়তো পিজিআৰ ভিজিআৰ ভূমিখিনি বহু দিব পৰা গ'ল হেতেন সেই ব্যৱস্থাও নহ'ল। কিন্তু ২০১১ চনৰ পিছত এতিয়া চুপ্ৰিম কোৰ্টৰ Bindition আহি গ'ল এতিয়া পিজিআৰ ভূমিখিনি সংৰক্ষণ কৰিব লাগিব। সেইখিনি আমি দিব নোৱাৰো। তাৰ আগত বহুত এনে মানুহ আছে যে তেওঁলোকৰ থাকি গ'ল। যিখিনি মানুহক আমি অফিচিয়েলি ৰেগুলাইচ কৰিব নোৱাৰো সেইখিনি কাৰ দোষৰ বলত হ'ল, সেই বাবে মাননীয় উপাধ্যক্ষ মহোদয়, আমি গোটেই ব্যৱস্থাখিনি কৰিছো আপোনালোকক এই বিধান সভাতে আমি গাইড লাইন প্ৰেৰণ কৰিম যে কোনখিনি ভূমি মানুহক দিব পৰা যাব, এচ ডি এল এ চি ত কেনেকৈ আপোনালোকে মিটিং কৰিব কোন কোন মাহত মিটিং কৰিব গোটেইখিনি আমি ব্যৱস্থা কৰিম। লগতে আমি এইটো কথাও কব বিচাৰিছো যে আমাৰ যিটো ভূমি দিয়াৰ ব্যৱস্থা এই ব্যৱস্থাটো এচ ডি এল এ চি ৰ পৰা প্ৰপোজেল আহিব আৰু কৃষিভূমিখিনি যাতে ডি চি ৰ পৰা ডিচপোজ হৈ যাব পাৰে, চাহ বাগিচাৰ কাৰণে আমি এটা সুকীয়া এখন কমিটি বনাইছো তাতো বিধায়ক সকলক সদস্য হিচাপে লৈছো যাতে বিধায়ক সকলে গোটেই কামখিনি কৰিব পাৰে। সেই কাৰণে আমি পবিত্ৰ সদনক জনাব বিচাৰিছো এই মাহতে আপোনালোকক গাইডলাইনৰ সৈতে চিঠি দি দিম, যে কেনেকৈ আপোনালোকে ভূমিখিনিৰ সভা পাতিব কেনেকৈ মাটিৰ পট্টাৰ ব্যৱস্থা কৰিব সকলো যাতে আপোনালোকে কৰিব পাৰে। কেৱল মাত্ৰ গুৱাহাটী টাউনৰ ভূমিৰ অলপ অসুবিধা

আছে। সেই ভূমিখিনিৰ কাৰণেও আমি এটা নতুন পদক্ষেপ লব বিচাৰিছো যাতে আমি এইখিনি ব্যৱস্থা কেনেকৈ সহজে কৰিব পৰা যায়। সেইখিনি কামও কৰিম। সেয়েহে মই আশা কৰিছো যে আমি পৰবৰ্তী সময়ত সকলোৰে সহায় সহাযোগিতাত যিখিনি মানুহে এতিয়াও পট্টা পোৱা নাই সেই খিনি মানুহক ন্যায্য প্ৰাপ্য পট্টা দিয়াৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিব লগিয়া থাকিব আমাৰ চৰকাৰৰ ফালৰ পৰা সেইখিনি পদক্ষেপ আমি গ্ৰহণ কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়া, এতিয়া প্ৰথম Notice খন আহিছিলে শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়া, আপোনাৰ বিষয় আছিলে 'বিচৰামতে হোৱা নাই উন্নয়নৰ কাম'।

**শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সময় কম যিহেতু মই ৰাজ্যখনৰ জনসাধৰণে সন্মুখীন হোৱা ৰাজহুৱা স্বাৰ্থ জড়িত বিষয় এটা, যিটো বিষয় যোৱা ইং ০৫-০২-২০১৮ তাৰিখে "দৈনিক জনমভূমি" কাকতত প্ৰকাশ হৈছিল সেই বিষয়টো আমাৰ নিয়মাৱলী ৩০১ ত উত্থাপন কৰিব বিচাৰিছো। কেৱল বিষয়টো উত্থাপন কৰি বিষয়টো চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো।

'বিচৰা মতে হোৱা নাই উন্নয়নৰ কাম 'চলিত বিত্তীয় বৰ্ষত বৰ্ত্তমানলৈ ৬০ শতাংশ ধনো কেন্দ্ৰৰ পৰা পোৱা নাই অসমে' আগন্তুক বৰ্ষত অধিক পূঁজি পোৱাৰ আশা। ২০১৮-১৯ বিত্তীয় বৰ্ষত কেন্দ্ৰৰ পৰা বিভিন্ন উন্নয়নমূলক আঁচনিৰ অধীনত অসমে ১৩,৭০৪ কোটি টকা লাভ কৰাৰ আশা কৰিছে ৰাজ্য চৰকাৰে। অহা বিত্তীয় বৰ্ষৰ বাবে বাজেট প্ৰস্তুত কৰাৰ ক্ষেত্ৰত বিত্ত বিভাগে বিভিন্ন বিভাগলৈ পুঁজি আবন্টনৰ ক্ষেত্ৰত প্ৰস্তুত কৰা সাম্ভাব্য পৰিকল্পনাৰ অধীনত ১৩,৭০৪ কোটি টকা কেন্দ্ৰৰ পৰা লাভ কৰাৰ আশা কৰিছে। বিত্ত বিভাগৰ এক শীৰ্ষ সূত্ৰই প্ৰকাশ কৰে যে চলিত বিত্তীয় বৰ্ষত কেন্দ্ৰৰ পৰা যিমান পৰিমাণৰ উন্নয়নমূলক আঁচনিৰ ধন লাভ কৰাৰ আশা কৰা হৈছিল তাতকৈ অধিক পৰিমাণৰ ধন এইবাৰ লাভ কৰাৰ আশা কৰা হৈছে। উল্লেখযোগ্য যে ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাজেট প্ৰস্তুতৰ সময়ত কেন্দ্ৰৰ পৰা ১৩,০১১ কোটি টকা লাভ কৰাৰ আশা কৰি বিত্ত বিভাগে পৰিকল্পনা প্ৰস্তুত কৰিছিল বাজেট প্ৰস্তুতৰ সময়ত যিমান পৰিমাণৰ ধন লাভ কৰাৰ আশা কৰা হয় সেই ধন যে ৰাজ্যখনে প্ৰকৃততে কেন্দ্ৰৰ পৰা লাভ নকৰে সেয়া চলিত বিত্তীয় বৰ্ষত ৰাজ্যখনে কেন্দ্ৰৰ পৰা লাভ কৰা উন্নয়নমূলক আঁচনিৰ পুঁজিয়েই প্ৰমাণ কৰিছে। মন কৰিব লগীয়া যে ২০১৭-১৮ বিত্তীয় বৰ্ষত ৰাজ্যখনে কেন্দ্ৰৰ পৰা বিভিন্ন উন্নয়নমূলক আঁচনিৰ অধীনত ১৩,০১১ কোটি ৪৫ লাখ টকা লাভ কৰাৰ আশা কৰিছিল যদিও বিত্তীয় বৰ্ষটো অন্ত পৰিবলৈ মাজত এমাহৰো কম সময় বাকী থকা অৱস্থাত আশা কৰা ধনৰ ৬০ শতাংশ ধনো লাভ কৰা নাই ৰাজ্যখনে। বিভিন্ন বিভাগলৈ বাজেটৰ পূৰ্বেই পুঁজি আৱন্টনৰ ক্ষেত্ৰত বিত্ত বিভাগে যিমান পৰিমাণৰ ধন আবন্টন দিছিল ইয়াৰ ভিতৰত বহু বিভাগে এতিয়াও ৫০-৬০ শতাংশ ধন লাভ কৰিবলৈ বাকী আছে। ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাবে যিমান পৰিমাণৰ ধন কেন্দ্ৰৰ পৰা লাভ কৰাৰ আশা কৰি বিভাগলৈ পুঁজি আবন্টন প্ৰায় চূড়ান্ত কৰিছে যদিও ৰাজ্যখনে প্ৰকৃততে কিমান পৰিমাণৰ ধন অহা বিত্তীয় বৰ্ষটোত লাভ কৰে সেয়া লক্ষণীয় হ'ব। উল্লেখযোগ্য যে কেন্দ্ৰৰ পৰা এক নিৰ্দিষ্ট পৰিমাণৰ ধন লাভ কৰাৰ আশা কৰিয়েই ৰাজ্য চৰকাৰে ৰাজ্যিক বাজেট প্ৰস্তুত কৰে যদিও আশা কৰা ধনৰ ১০০ শতংশ লাভ নকৰে ৰাজ্যখনে। ইয়াৰ ফলত বহু উন্নয়নমূলক আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰী বিভাগসমূহ সমস্যাৰ সন্মুখীন হৈ অহাৰ লগতে বহু আঁচনিৰ কামেই আৰম্ভ কৰিব নোৱাৰে বিভাগসমূহে।

মাননীয় উপাধ্যক্ষ মহোদয় বাতৰিটো অতি গুৰুত্বপূৰ্ণ। বিচৰা মতে উন্নয়নমূলক কাম যে হোৱা নাই এই কথাটো আমি সকলোৰে নিশ্চয় উপলব্ধি কৰিছো। প্ৰায়বোৰ বিভাগতে মাজতে গড়কাপ্তানী বিভাগত কাম কাজ আমাৰ দ্ৰুত গতিত আগবাঢ়িছিল কিন্তু তাতো এতিয়া কামকাজ

বিলাক লেহেম হৈ পৰিছে। শিক্ষা, স্বাস্থ্য সকলো বিভাগতে দেখা গৈছে যে কামকাজ বিলাক যি ধৰণে হ'ব লাগিছিল সেই ধৰণে হোৱা নাই। গতিকে তাৰ ৬০ শতাংশ ধনো পোৱা নাই অৰ্থাৎ কেন্দ্ৰৰ পৰা ধন নোপোৱাৰ কাৰণে হৈছে নে প্ৰকৃততে কি হৈছে এই বাতৰিটোত উল্লেখ কৰা কথাটো সচা, সত্য নে অসত্য এই গোটেই বিষয়টোৰ ওপৰত মই মাননীয় বিভাগীয় মন্ত্ৰী তেখেত উপস্থিত নাই তেখেতৰ হৈ নিশ্চয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব বা তেখেতে দৃষ্টি আনিব গতিকে গোটেই কথাটোৰ ওপৰত এটা বাখ্যা দিবলৈ মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো।

**মাননী উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য ডাঙৰীয়া শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াই এই বিষয়টো এটা প্ৰশ্ন হিচাপত আনিছিল আগতে, মই উত্তৰ দিছো ইতিমধ্যে, পুনৰ তেখেতে বিষয়টো উত্থাপন কৰিছে গতিকে মই চৰকাৰ তৰফৰ পৰা এইখিনি কথা স্পষ্ট কৰি দিব বিচাৰিছো। এই কথাখিনি আগতে স্পষ্ট কৰি দিছিলো কিন্তু আনিছে যিহেতু আকৌ স্পষ্ট কৰি দিব বিচাৰিছো।

অসমীয়া দৈনিক জনমভূমি কাকতৰ ইং ৫-২-১৮ তাৰিখে প্ৰকাশিত "বিচৰা মতে হোৱা নাই উন্নয়নৰ কাম চলিত বিত্তীয় বৰ্ষত বৰ্ত্তমানলৈ ৬০ শতাংশ ধনো কেন্দ্ৰৰ পৰা পোৱা নাই অসমে আগন্তুক বৰ্ষত অধিক পুঁজি পোৱাৰ আশা" শীৰ্ষক বাতৰি সন্দৰ্ভত মাননীয় বিধায়ক শ্ৰী পবিন্দ্ৰ ডেকা দেৱে উত্থাপন কৰা অসম বিধান সভাৰ বিধি নং ৩০১ অধীনত কৰা জাননী সন্দৰ্ভত হ'ব লগা ইং ১২-০২-২০১৮ তাৰিখৰ আলোচনাৰ বাবে এটি চমুটোকা আমি আগবঢ়াইছো।

পূৰ্বে প্ৰচলিত নিয়ম অনুসৰি পৰিকল্পনা আয়োগে প্ৰতিবছৰে ৰাজ্যৰ পৰিকল্পনা শিতানত কিমান ধন ধাৰ্য্য কৰা হৈছে ৰাজ্যসমূহক অৱগত কৰে। ২০১৪-১৫ বৰ্ষত ভাৰত চৰকাৰে পৰিকল্পনা আয়োগ ভংগ কৰি নীতি আয়োগ গঠন কৰে আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ পৰিকল্পনা শিতানত ধাৰ্য্য কৰা ধনৰ পৰিমাণ ৰাজ্যসমূহক অৱগত কৰা প্ৰক্ৰিয়াটোৰ বিলোপ সাধন কৰা হয়। তাৰোপৰি, কেন্দ্ৰীয় চৰকাৰৰ দৰে অসম চৰকাৰেও ২০১৭-১৮ বিত্তীয় বৰ্ষৰ পৰা পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত শিতানৰ বিলুপ্তি সাধন কৰি অকল ৰাজহ আৰু মূলধন শিতানতহে ধন ধাৰ্য্য কৰে।

প্ৰকাশ থাকে যে, ২০১৭ আৰু ২০১৮ বৰ্ষত কেন্দ্ৰৰ পৃষ্টপোষকতাত আঁচনিৰ অধীনত বিত্ত বিভাগে বিভিন্ন উন্নয়ণমুলক আচঁনি ৰূপায়ণৰ বাবে ১৩,০১১কোটি টকা আৰু ২০১৮-১৯ বৰ্ষত ১৩,৭০৪ কোটি টকা সংশ্লিষ্ট বিভাগ সমূহক আবণ্টন দিয়ে। এই আবণ্টনৰ অধীনত উপাধ্যক্ষ ডাঙৰীয়া,২০১৭ আৰু ২০১৮ বৰ্ষত ১৩,০১১কোটি টকা আৰু ২০১৮-১৯ বৰ্ষত ১৩,৭০৪ কোটি টকা। আগত ১৩,০১১কোটি টকা আৰু এতিয়া ১৩,৭০৪ কোটি টকা আবণ্টন দিয়া হয়। এই আবণ্টনৰ অধীনত বিগত বৰ্ষৰ ব্যয় নোহোৱা ধনৰ পৰিমাণো অন্তৰ্ভুক্ত কৰা হয়। কিয়নো বিত্তীয় বৰ্ষৰ শেষৰ ফালে অৰ্থ্যাৎ মাৰ্চ মাহত কেন্দ্ৰই মোকলাই দিয়া ধনৰাশি পৰ্য্যাপ্ত সময়ৰ নাটনিৰ বাবে ব্যয় কৰিব নোৱাৰিলে। পৰৱৰ্তী বিত্তীয় বৰ্ষত ব্যয় কৰা হয়। এই পৰ্য্যন্ত উক্ত আঁচনিৰ অধীনত ২০১৭ আৰু ২০১৮ বিত্তীয় বৰ্ষত মুঠ আবণ্টিত ধনৰ বিপৰীতে কেন্দ্ৰ চৰকাৰৰ পৰা সৰ্বমুঠ প্ৰায় ৮৩০,৮১২ কোটি টকা পোৱা হয়। এই ধন ২০১৭ আৰু ২০১৮বিত্তীয় বৰ্ষত আবণ্টিত ধনৰ প্ৰায় ৬৪ শতাংশ। এই পৰ্য্যন্ত চৰকাৰে চলিত বিত্তীয় বৰ্ষত বিভিন্ন শিতানত কেন্দ্ৰ চৰকাৰৰ পৰা লাভ কৰা মুঠ ধনৰ এটি খতিয়ান দাঙি ধৰা হ'ল।এইটো কেন্দ্ৰীয় কৰৰ অংশ,Share in Central Taxes কোটি হিচাপত কোৱা হৈছে।

Share in Central Taxes 15,976.09 Crore.Centrally Sponsored Scheme

8089.85 crore Grants from Finance Commission 1233.20crore other transferred grants 1639.53 crore,IGST 1138,45 crore. গতিকে সৰ্বমুঠ সেইটো হৈছে 28077.12 crore উৎসসমূহ ২০১৭ আৰু ২০১৮ বিত্তীয় বৰ্ষত সমাপ্ত হোৱা নাই। মহাগাণনিক অসমৰ তথ্য উপলব্ধ নহয়। ওপৰোক্ত তথ্য ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ ক্ৰেডিট মেমৰ পৰা লোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা বিগত বৰ্ষত লাভ কৰা ধনৰ সমহাৰত অহা দুটা মাহত লাভ কৰিলে ৰাজ্যখনে অতিৰিক্ত আনুমানিক দহ হেজাৰ কোটি টকা লাভ কৰিলে বছৰটোত সৰ্বমুঠ প্ৰায় ৩৮ হেজাৰ কোটি টকা লাভ কৰিবলৈ সক্ষম হ'ব। এই ধন বিগত বৰ্ষৰ তুলনাত প্ৰায় ১৭ শতাংশ অধিক হ'ব।

সেয়েহে উপৰোক্ত বাতৰিত প্ৰকাশ কৰাৰ দৰে ২০১৭ আৰু ২০১৮ বিত্তীয় বৰ্ষত এই পৰ্য্যন্ত চৰকাৰে মুঠ আবণ্টিত ধনৰ ৬০ শতংশও লাভ কৰা নাই বুলি প্ৰকাশিত বাতৰিটো বিভ্ৰান্তিমুলক আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ধন্যবাদ উপাধ্যক্ষ মহোদয়।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া শ্ৰী দেৱব্ৰত শইকীয়া, আপোনাৰ নটিছৰ ভিতৰতে আছিলে 'বিশ্ব বিনিয়োগলৈ হাতবাউল' আপুনি বিষয়টো উত্থাপন কৰক।

**শ্ৰী দেৱব্ৰত শইকীয়া,নাজিৰা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ৭ ফেব্ৰুৱাৰী তাৰিখৰ 'সাদিন' কাকতত প্ৰকাশিত এটা বাতৰিৰ বিষয়ে উত্থাপন কৰিবলৈ ৩০১ ত সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। বাতৰিটো যথেষ্ঠ দীঘলীয়া। মই খুব চমুকৈ দুটামান পেৰাগ্ৰাফ পঢ়িম "বিশ্ববিনিয়োগলৈ হাতবাউল " ৰাজহুৱা উদ্যোগৰ সম্পত্তি নিলাম। পানীৰ দৰত ৯ টা নিগমৰ কোটিটকীয়া যন্ত্ৰ পাতি পুজিপতিক গতাবলৈ সাজু চৰকাৰ । এক লাখ কোটি টকা বিনিয়োগৰ আশ্বাসেৰে অনুষ্ঠিত হৈ গ'ল বিশ্ব বিনিয়োগ সন্মিলন । "এডভাণ্টেজ আছামৰ " লক্ষ্যৰে অনুষ্ঠিত এই সন্মিলনত ভাগ ললে দেশৰ আগশাৰীৰ উদ্যোগপতিৰ লগতে বিদেশী প্ৰতিষ্ঠানেও। অসমত উদ্যোগ স্থাপনৰ উদ্দেশ্যে ইতিমধ্যে ৰাজ্যচৰকাৰে গুৱাহাটীৰ পৰা টিহুলৈ এক বৃহৎ পৰিসৰৰ ঔদ্যোগিক কৰিডৰৰ স্থাপন কৰিছে। কিন্তু ইয়াৰ লগে-লগে একেখন অসমতে দেখা গৈছে "এডভাণ্টেজ আছামৰ " বিপৰীত দৃশ্য। অসমলৈ ঔদ্যোগিক বিপ্লৱ আনিব বিচৰা চৰকাৰখনে শেহতীয়াকৈ নিলামত বিক্ৰী কৰি দিবলৈ ওলাইছে ৰাজহুৱা খণ্ডৰ ৯ টা উদ্যোগৰ সকলো অস্থাবৰ সম্পত্তি। সৰ্বানন্দ সোনোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে এই ৯ টা কৈ ৰাজহুৱা প্ৰতিষ্ঠান বা নিগমৰ হেজাৰ কোটি টকীয়া সম্পত্তি বিক্ৰী কৰাৰ সিদ্ধান্ত লৈ অসম ঔদ্যোগিক বিকাশ নিগমৰ জৰিয়তে ইতিমধ্যে নিবিদা জাৰি কৰি সম্পত্তি বিক্ৰীৰ প্ৰস্তুতি সম্পন্ন কৰি তুলিছে। এনে কাৰ্য্য বিশেষ তাৎপৰ্যৰূপে বহন কৰিছে এই কাৰণেই যে, "এডভাণ্টেজ আছামৰ " নামত ৰাজ্যত ঔদ্যোগিক খণ্ডৰ পৰিবৰ্তন আনিব খোজা একেখন ৰাজ্যচৰকাৰে ৰাজ্যৰ ৯ টা কৈ ৰাজহুৱা উদ্যোগৰ পুনৰুজ্জীৱিত কৰাৰ পৰিবৰ্তে হেজাৰ কোটি টকীয়া সম্পত্তি কাৰ স্বাৰ্থত বিক্ৰী কৰি দিবলৈ ওলাইছে। উল্লেখযোগ্য যে, বঙ্গাইগাওঁ জিলাৰ বিজনীস্থিত অসম ৰাজ্যিক বস্ত্ৰ নিগম লিমিটেড, কৰিমগঞ্জ জিলাৰ বাতাবাৰিস্থিত কাছাৰ ছুগাৰ মিল লিমিটেড, গুৱাহাটীৰ আছাম এগ্ৰ ইণ্ডাচট্ৰিচ্ ডেভেলপমেণ্ট কো: লিমিটেড,নগাওঁ জিলাৰ ধিং স্থিত ইণ্ডাচট্ৰিয়েল পেপাৰ লিমিটেড,জাগিৰোডস্থিত আছাম স্পান মিল লিমিটেড, নগাওঁ জিলাৰ আছাম ষ্টেট ওৱেভিং এণ্ড মেনুফেকচাৰিং কো: লিমিটেড,নলবাৰী জিলাৰ টিহু আছাম ছিনটেক্স লিমিটেড, বামুনীমৈদামৰ আছাম কণ্ডাক্টৰচ্ এণ্ড টিউব লিমিটেড আৰু নগাওঁ জিলাৰ বিহডুবিস্থিত আছাম পাৱাৰ লুম ডেভেলপমেণ্ট কো: লিমিটেড নামৰ উদ্যোগ কেইটা হ'ল ৰাজ্যৰ ৰাজহুৱা প্ৰতিষ্ঠানৰ অন্যতম উদ্যোগ। ইতিমধ্যে বন্ধ হৈ পৰা এই ৯ টা উদ্যোগক ৰাজ্য চৰকাৰে পুনৰুজ্জীৱিত

কৰি কৰ্মচাৰী সকলৰ কৰ্মসংস্থাপন দিয়াৰ পৰিবৰ্তে সম্পত্তি নিলাম কৰি চৰকাৰে ৰাজহুৱা উদ্যোগ কেইটা চিৰদিনলৈ বন্ধ কৰি দিব বিচাৰিছে। শেষ পেৰাগ্ৰাফটো পঢ়ি দিছো যে, ২০১৪-১৫ বৰ্ষৰ পৰা উত্তৰ পূৰ ঔদ্যোগিক আৰু বিনিয়োগ উদগনি নীতি বন্ধ কৰি ৰাখিছে কেন্দ্ৰীয় চৰকাৰে। এই সন্দৰ্ভত মুখ্য মন্ত্ৰীয়ে দেশৰ প্ৰধান মন্ত্ৰী আৰু বিত্ত মন্ত্ৰীক বাৰম্বাৰ অনুৰোধ জনোৱাৰ পিছতো আজি পৰ্য্যন্ত মুকলি কৰি দিয়া নাই এই নীতি। তেনে এক প্ৰেক্ষাপটতে কেৱল ৰাজ্যিক ঔদ্যোগিক নীতেকে আধাৰস্বৰূপে লৈ ৰাজ্য চৰকাৰে ঔদ্যোগিক বিকাশৰ অৰ্থে বিশ্ব বিনিয়োগ সন্মিলন অনুষ্ঠিত কৰিলে। দেশ বিদেশৰ ৩৫০০ গৰাকী বিনিয়োগ কাৰী অংশগ্ৰহণ কৰা এই সন্মিলন কিমানদুৰ সফল হয় সময়েহে কব। ইফালে ৰাজ্যখনৰ নগাওঁ আৰু কাছাৰ কাগজ কলৰ পুনৰুজ্জীৱিত কৰাৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰক অনুৰোধ কৰি থকাৰ পিছতো আজি ডেৰ বছৰে কে ন্দ্ৰীয় চৰকাৰে প্ৰতিশ্ৰুতি ৰক্ষা কৰা নাই। কেন্দ্ৰই সেই উদ্দেশ্যে ৯৫ কোটি টকাৰ এক পেকেজ ঘোষণা কৰিও ধন মুকলি কৰি নিদিয়াটো অন্য এক ৰহস্য হৈ পৰিছে। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত কেন্দ্ৰত চৰকাৰ গঠন কৰাৰ পিছত প্ৰথমবাৰৰ বাবে উত্তৰ পূৰত ভৰি দি উত্তৰ পূৰক ঈষাণ কোণৰ ৰূপত তুলনা কৰি ঔদ্যোগিক বিকাশৰ অন্য এক পৰিমণ্ডল ৰূপে স্থাপন কৰিব বুলি ঘোষণা কৰিছে আৰু এই ঘোষণাৰ কেইদিনমান পিছতে দিল্লীয়ে উত্তৰ পূৰ ঔদ্যোগিক বিনিয়োগ নীতি বন্ধ ঘোষণা কৰিছিল। প্ৰচুৰ অৰ্থ ব্যয়ৰ চমকেৰে কোটি কোটি টকাৰ আতিথ্যেৰে উদ্যোগপতি, ভি ভি আই পিক বিনিয়োগৰ বাবে বুজাবুজিৰ চুক্তি সম্পন্ন কৰা চৰকাৰে ৰাজ্যৰ উদ্যোগক উন্নয়ণ কৰাত বিফল যদি হয়, তেন্তে নিজৰ ওঠ কাটি ৰঙচুৰা হাঁহি মাৰাৰ দৰে হবগৈ। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এই সন্মিলনখন যিখন আয়োজন কৰা হ'ল গুজৰাটৰ নিচিনাকৈ কৰা হৈছিল। প্ৰকৃততে উদ্যোগপতি সকলে আহিব বিচাৰে তেতিয়া যেতিয়া ইনফ্ৰাক্সট্ৰাকচাৰ থাকে ,ৰাস্তা,বিজুলী, পানী বা বজাৰ বা বজাৰৰ চাহিদা আৰু নিয়োগৰ পৰা হ'ব পৰা লাভ আৰু শ্ৰমিকৰ সুচলতা আৰু এটা পৰিবেশ এই সকলোখিনি। কিন্তু এই ক্ষেত্ৰত আমি অসমে কিমানখিনি নিজকে আগুৱাই নিব পাৰিম সেই কথাটো প্ৰশ্ন উঠিছে। যিহেতু অসমত যিসমূহ উদ্যোগ আছিলে তাৰে বহু কেইটা উদ্যোগ অচলাৱস্থাত আছে। এইসমূহ বিক্ৰী নকৰি আমি পি পি পি মুডত এইখিনি চলাব পাৰিলো হয় আৰু বাহিৰৰ উদ্যোগপতি সকলক অসমৰ ঔদ্যোগিক পৰিবেশটো সজাই পৰাই দেখুৱাব পাৰিলো হয় নেকি, সেইটো এটা প্ৰশ্ন। দ্বিতীয়তে যিখিনি ইণ্ডাচট্ৰিৰ ইয়াত কথা কোৱা গ'ল এই "এডভাণ্টেজ আছামৰ " Manufacturing industry is the best root of development , কিন্তু Service industry বহুখিনি industryআহি চুক্তি কৰিছেহি। ৰিলাইঞ্চে যিখিনি ৫০০০ কোটি টকাৰ কথা কৈছে, তেখেত সকলে ইয়াত বোধকৰো টাৱাৰ বহুৱাব,টেলিকমৰ কাউন্টাৰ আৰু অফিচ খুলিব এইটোত বিনিয়োগ হয় নে নহয় নাজানো কিন্তু টাটা কোম্পানীয়ে যিটো হস্পিটেল খুলিব সেইটো নিশ্চয় ভাল কথা। ইয়াৰে ৩০ হাজাৰ কোটি টকা বোধকৰো Oil ছেক্টৰৰ পৰা আহিব। পূৰ্বতেও এনেকুৱা ধৰণৰ Oil ৰ বিনিয়োগ চলি থাকে। Assam Renewal Project , ONGC য়ে ৭০০০ কোটি টকা , এবাৰ তিনি হাজাৰ কোটি টকা আৰু তেনেকৈ Oil ইণ্ডিয়া ও বিভিন্ন ধৰণৰ Renewal Project চলাই থাকে। গতিকে এইখিনি "এডভাণ্টেজ" নকৈও সাধাৰণভাৱে কৰিব পৰা গ'লহেঁতেন। যি কি নহওঁক যিখন সভা হৈ গ'ল এই সভাত যি সকল লোকে বক্তৃতা দিলে তেখেতসকলে কিন্তু এছিয়ানৰ কথা নকলে। একমাত্ৰ ডমেষ্টিক ঔদ্যোগিকখিনিৰ কথাই কলে আৰু ডমেষ্টিক ঔদ্যোগিকখিনি যদি হয়, আমি সুখী হম। কিন্তু তাৰ লগতে যিখিনি পুৰণা উদ্যোগ বন্ধ কৰা নৰ্থ ইষ্ট ইণ্ডাচটৰিয়েল প্ৰলিচি যিখন সময়ত আছিল সেইখিনি সময়ত বিশেষ কিছুমান সুবিধা থকাৰ বাবে প্ৰায় দহ হেজাৰ

কোটিতকৈও অধিক টকা বিনিয়োগ হৈছিল। কিন্তু এতিয়া এই পলিচিখনত যিখিনি সুবিধা ,সেই সুবিধাখিনি নথকা অৱস্থাত কেনেকৈ চৰকাৰে এই এম ও ই খিনিক সফল কৰি তুলিব সেইটো প্ৰশ্নবোধক চিন হৈ আহিছে। মই ভাৱো এই ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিব আৰু সমাধান দিব।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় দূৰ্গা ভূমিজ ডাঙৰীয়া।

**শ্ৰী দূৰ্গা ভূমিজ, ডুমডুমাঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আচলতে Advantage Assam ত TATA কে ধৰি অন্যান্য বিনিয়োগকাৰী সকলৰ লগত যিখন চুক্তি কৰিছে, সেই বিষয়ে আমাৰ ক'ব লগীয়া নাই। TATAই অসমত কেন্সাৰ হস্পিতেল বনাব, আমি এই পদক্ষেপক ধন্যবাদ জনাইছো। কিন্তু TATAই যে চাহ বাগিচা বিলাক বিক্ৰী কৰি চাহ শ্ৰমিক সকলক একেবাৰে অন্ধকাৰত ঠেলি দিব সেই কথাটো হ'ব নোৱাৰে। TATA ৰ চাহ বাগিচাবোৰত আচলতে শ্ৰমিকৰো অংশীদাৰ আছে। যদি তেওঁলোকে বিক্ৰী কৰে, এই অংশীদাৰবোৰ যাতে হেৰাই নাযায়, শ্ৰমিক সকলেও যাতে তেওঁলোকে অংশীদাৰৰ টকাখিনি পায়। আচলতে, চৰকাৰক নজনোৱাকৈ বা চৰকাৰৰ অনুমতি নোলোৱাকৈ বহু কোম্পানী বোৰে অসমৰ মাটিত যি বাগিচা বিক্ৰী কৰে সেই নীতিটো বন্ধ কৰিব লাগে। এইখিনিকে মই ক'ব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিৰোধী দলপতি আৰু মাননীয় সদস্য দূৰ্গা ভূমিজ ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে, এই কথাটোৰ সম্পৰ্কত চৰকাৰৰ বক্তব্য এনে ধৰণৰ যে যি কেইটা একেবাৰে বন্ধ হৈ যোৱা Mill ৰ কথা কোৱা হৈছে যেনে, নোৱাপাৰা, বৈতাবাৰী এই Mill বোৰ সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত গঠন হোৱা চৰকাৰৰ দিনত এইবোৰ বন্ধ হোৱা নাই। কিন্তু দুৰ্ভাগ্যৰ বিষয় হৈছে যে এইবোৰ কথা সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই শুনিব লগা হৈছে। যাৰ দিনত বন্ধ হৈ পৰিছিল তেওঁলোকৰ পৰাই শুনিব লগা হৈছে। এইটোৱেই আটাইতকৈ দুখৰ কথা। কিন্তু, উপায় নাই, এইটোৱেই যে গণতান্ত্ৰিক ব্যৱস্থা। গণতান্ত্ৰিক ব্যৱস্থাত এইবোৰ থাকিবই। কিন্তু আমি গোটেই কথাবোৰ ভালকৈ চাব লাগিব। আজি Advantage Assam শীৰ্ষক এটা Global Summit অসমে প্ৰথম বাৰৰ বাবে আয়োজন কৰিছে আৰু এইটো আমাৰ প্ৰত্যেকটো দলৰ বাবে এক গৌৰৱৰ বিষয় হ'ব লাগে। ইমান ডাঙৰ risk এটা লোৱাৰ বাবে আমি প্ৰত্যেকে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ভূয়সী প্ৰশংসা কৰিব লাগে। ২৩ খন দেশৰ প্ৰতিনিধি, যেনে মুকেশ আম্বানি, দিলীপ চাংঘৰী, TATA কোম্পানীৰ chairman চন্দ্ৰশেখৰ আৰু বিশ্বৰ বিভিন্ন বৰেণ্য উদ্যোগপতি সকলৰ বক্তব্য অসম ভূমিত ৰখাৰ বাবে আমি সকলোৱে মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিব লাগে। এইটোৱেই আমাৰ প্ৰথম effort, আৰু এই effort টো লোৱাৰ কাৰণ হৈছে যে বিগত দিনত উদ্যোগীকৰণৰ কথাত আমি যিমান গুৰুত্ব দিব লাগে সিমান গুৰুত্ব নিদিলো উদ্যোগীকৰণৰ কথাত গুৰুত্ব নিদিয়াৰ বাবেই আজি registered হিচাপে আমাৰ নিবনুৱাৰ সংখ্যা ১৯ লাখ আৰু unregistered হিচাপে যদি চোৱা যায়, ইয়াৰ সংখ্যা ২২ লাখলৈকে আছে। আজি Noida, Bangalore, Gurgaon আদি বিভিন্ন ঠাইত ৩০০০-৪০০০ টকাত অসমৰ ল'ৰা-ছোৱালীয়ে সাধাৰণ চাকৰি কৰি আছে। গতিকে আমাৰ ল'ৰা-ছোৱালীক বেলেগ ঠাইত কাম কৰিবলৈ পঠিয়াব লগা ব্যৱস্থাটো কোনে কৰিলে? সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰৰ কাৰ্যকাল মাত্ৰ ২ বছৰ সময়হে হৈছে। ২ বছৰততো ২২ লাখ নিবনুৱাৰ সৃষ্টি হোৱা নাই। গতিকে এই ব্যৱস্থাটো কোনে কৰিলে? ই এক ধাৰাবাহিক প্ৰক্ৰিয়া। আমি এই প্ৰক্ৰিয়াটোৰ লগত নিজকে involve কৰি যেতিয়া বক্তব্য ৰাখো,

তেতিয়া আমি percentage হিচাপে বক্তব্য দিব লাগিব। যেনে, ১৯৫২ চনৰ পৰা ২০১৬ চনলৈকে কাৰ চৰকাৰ আছিল, সেই চৰকাৰৰ কামৰ দোষৰ ভাগ আৰু ২ বছৰৰ সৰ্বানন্দ সোণোৱাল চৰকাৰৰ দোষৰ ভাগ যদি percentage হিচাপে ভাগ কৰি লওঁ তেতিয়া আমি দেখিবলৈ পাম যে আমি আজিও এই গোটেই বিষয়বোৰ ৰাজনীতিকৰণৰ উৰ্ধত আনিব পৰা নাই। কিন্তু অনাটো উচিত, কিয়নো এই ২২ লাখ নিবনুৱা ল'ৰা-ছোৱালী যাতে Noida, Bangalore আৰু Gurgaon নিচিনা ঠাইত গৈ নিজৰ মাক-দেউতাকক এৰি যাতে ৩-৪ হাজাৰ টকাত Security Guard ৰ চাকৰি কৰিব লগীয়া নহয়, ইয়াতেই যাতে তেওঁলোকে দুবেলা-দুমুঠি খাব পাৰে, তাৰ স্বাৰ্থত ৰাজনীতিৰ উৰ্ধত আহি আমি সকলোৱে স্পষ্ট ভাৱে কাম কৰাটো উচিত হ'ব। এই কথাকে মই সকলোকে অনুৰোধ কৰিম। আজি আমি ইমান risk লৈ Global Summit এখন পাতিবলৈ লৈছো, এই Global Summit খনক আজি ইমান ভাল response দিয়াৰ বাবে আমি ১ তাৰিখলৈ registration খোলা ৰাখিছিলো। কিন্তু ২৬ তাৰিখেই ৪৯০০ৰ registration হৈ গ'ল। নহ'লে ১০,০০০ তকৈ বেছি বিনিয়োগকাৰী ইয়াত আহিলহেতেঁন। মই মাননীয় বিৰোধী দলপতি আৰু তেখেতৰ দলৰ সদস্য সকলক জনাওঁ যে প্ৰথমবাৰৰ বাবে ২০০৩ চনত যেতিয়া নৰেন্দ্ৰ মোডী ডাঙৰীয়া গুজৰাটৰ মুখ্য মন্ত্ৰী আছিল, তেতিয়া 'Vibrant Gujarat' নামৰ Global Summit হৈছিল। গুজৰাটৰ নিচিনা ইমান উন্নত ৰাজ্যত ৮ বাৰকৈ Global Summit হৈছিল। যিখন গুজৰাটৰ মূল মানুহ, মুকেশ আম্বানি, য'ত আম্বানিৰ নিচিনা উদ্যোগপতি থাকে, ভাৰত বৰ্ষৰ হীৰাৰ বজাৰ, textile বজাৰ, 'Amul' ৰ নিচিনা বিখ্যাত Food Processing Market আছে, তাৰ পিছতো তাত আজি ৮ বাৰকৈ 'Vibrant Gujarat' বুলি বিশ্ব
বিনিয়োগ সন্মিলন বিচাৰিছে যাতে গুজৰাটত আজিৰ দিনত নিবনুৱা সমস্যা সমাধান কৰিব পাৰে লগতে গুজৰাট ৰাজ্যখনত আৰু অধিক উন্নয়ন হয়। অধ্যক্ষ মহোদয়, তাতোকৈ ডাঙৰ কথাটো হ'ল, যোৱা বছৰ আমাৰ ঝাৰখণ্ডেও Global Summit কৰিছিল আৰু তাৰ পিছত এইবাৰ উত্তৰ প্ৰদেশেও Global Summit কৰিবলৈ লৈছে। এই ৰাজ্যকেইখন ইমান উন্নত হোৱাৰ স্বত্বেও এওঁলোকে Global Summit কৰিবলৈ লৈছে। ইতিমধ্যে West Bengal ও কৰিব লৈছে য'ত সকলো উদ্যোগ আছে। আগতে আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ সম্পৰ্ক কলিকতাৰ লগত আছিল, তাৰ পৰাই সকলোখিনি বস্তু আহিছিল। West Bengal ৰ নিচিনা ঠাইত ইমান উদ্যোগ থকা স্বত্বেও বংগৰ মমতা বেনাৰ্জীয়ে Global Summit পাতিবলৈ লৈছে। মধ্যপ্ৰদেশেও Global Summit পাতিবলৈ লৈছে। ১৯৯৭ ত যেতিয়া মই কৃষি মন্ত্ৰী হিচাপে মধ্য প্ৰদেশলৈ গৈছিলো, তেতিয়া মই Indore ৰ উদ্যোগিক উন্নয়ন দেখি আচৰিত হৈছিলো আৰু আজি সেইখন মধ্য প্ৰদেশে Global Summit পাতিবলৈ লৈছে। সকলোতকৈ ডাঙৰ কথা হ'ল, উদ্যোগিক capital হিচাপে যদি ক'ব লাগে, তেতিয়া হ'লে মহাৰাষ্ট্ৰক ক'ব লাগিব। মহাৰাষ্ট্ৰত সকলো উদ্যোগেই আছে আৰু উদ্যোগিক ভাৱে চহকী হোৱাৰ স্বত্বেও আজি মহাৰাষ্ট্ৰই Global Summit পাতিছে। গতিকে বিশ্বত যদি গোটেই ৰাজ্যই আগবাঢ়ি যায়, তেনেহ'লে আমাৰ অসম খন কিয় ৰৈ থাকিব? আমিওতো আগবাঢ়ি যাব লাগিব। গতিকে আমি আগবাঢ়ি যাবলৈ হ'লে পদক্ষেপ ল'ব লাগিব। আজি মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ তেখেতে আজি এক বৃহৎ পদক্ষেপ লৈছে। লগতে, এই যে, 'মেকুৰীৰ ডিঙিত কোনে টিলিঙা আৰিব' বুলি যিটো প্ৰশ্ন আছে তাৰ উত্তৰত তেওঁ কৈছে যে, যিহেতু কোনোৱেই আঁৰি নিদিয়ে, সেইকাৰণে মইয়ে আঁৰি দিম। তাৰ বাবে মুখ্য মন্ত্ৰী ডাঙৰীয়াক আমি ধন্যবাদ জ্ঞাপন কৰিব লাগে। আপোনালোকে

আজি কৈছে যে এনেধৰণৰ Global Summit ত তৈলখণ্ডত আগতে হৈছিল আৰু এতিয়াও হৈছে, গতিকে তৈলখণ্ডত কিমান টকাৰ হৈছিল, কি হৈছিল সেইটো ময়ো জানো, আপোনালোকেও জানে কিন্তু বিৰোধী হিচাপে আপোনালোকে দুই-চাৰি আষাৰ কথা ক'ব লাগিব নহ'লে মানুহে বেয়া পাব। আপোনালোকে কৈ থাকক কিন্তু কামৰ ক্ষেত্ৰত সকলোৱে সহযোগিতা কৰক। কিন্তু কামৰ ক্ষেত্ৰত সকলোৱে সহযোগ কৰক। মুখ্যমন্ত্ৰী ডাঙৰীয়াক আপোনালোকে সহযোগ কৰক। আজি Leader of the oposition এ কৈছে Asian দেশ সমূহৰ কথা। যিবিলাক বিনিয়োগকাৰী আহিল তেওঁলোকে কোৱা নাই। বিনিয়োগকাৰীক প্ৰধানমন্ত্ৰীৰ মিটিঙত চব বিনিয়োগকাৰীয়ে এটা নিদিষ্ট সময় তেওঁলোকক দিছে আৰু সেই সময়ৰ ভিতৰত ক'ব। সেই সময়ৰ ভিতৰত তেওঁ গোটেই এজেণ্ডা টানি আনিব নোৱাৰে। কিন্তু আপোনালোকক মই এটা কথা ভালকৈ জনাওঁ যে Asian আৰু BBN Country ৰ ছয়জন মন্ত্ৰী হাতত ধৰি লাইন হৈ ফটো তুলি প্ৰমাণ কৰি দিলে যে Asian Country ৰ যিখন বজাৰ মই আপোনালোকৰ বাবে মুকলি কৰি দিছো। This is the only virgin market in the world as on today আৰু যেতিয়া Asian আৰু BBN Country ৰ ছয়জন মন্ত্ৰীয়ে তাত বক্তব্য ৰাখিছে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেই সভাত সভাপতিত্ব কৰিছে আৰু সেইদিনা Asian আৰু BBN Country ৰ সকলো মন্ত্ৰীয়ে কৈছে যে আপোনালোকৰ প্ৰচেষ্টাক আমি শলাগ লৈছো। আমাৰ এই মাৰকেটখন সকলোৰে কাৰণে মুকলি আছে। আজি গোটেই পৃথিৱীৰ দৃষ্টি এটায়েই আছে যে এই 800 million population সচাঁ এই Asian আৰু BBN Country ত আজি সকলো দেশতেই ঘৰুৱা উদ্যোগ লাহে লাহে surplus ত গৈছে। পৃথিৱীৰ অন্যান্য দেশতো surplus ত গৈছেই even India domestic market টো আজি কিছু বস্তু surplus ত যাব। surplus ত যোৱা বস্তুখিনি ক'ত বিক্ৰী কৰিব। বিক্ৰী কৰিবলৈ এখন বজাৰ লাগিব। বজাৰ লাগিলে আছে এই Asian market খন আৰু এইখন এইকাৰণেই লাগিব যে Assam is the only state who is sharing 4800 km. of Asian and BBN country's boundary and this is the advantage of Assam. সেইদিনা বাংলাদেশৰ Industry Minister আহিছে। তেওঁ ধুনীয়াকৈ কৈছে যে আমাৰ ১৫ কোটি population আছে। কিন্তু আমাৰ মাৰকেট আপোনালোকৰ বাবে খোলা আছে। এইটো দুৰ্ভাগ্যৰ কথা যে স্বাধীনতাৰ আগতে আমাৰ per capita income সকলো ফালে ওপৰত আছিল কিন্তু স্বাধীনতাৰ পিছত তললৈ গৈ গৈ আজি একদম তললৈকে আহিল। কাৰণ এছিয়াৰ ভিতৰত প্ৰথম আৰু পৃথিৱীৰ ভিতৰত দ্বিতীয় ৰিফাইনেৰী ১৯০১ চনত ডিগবৈত হৈছিল। Hidro carbon sector. ইয়াত চাহ উদ্যোগ, কয়লা উদ্যোগ আছিল আৰু এই চাহ উদ্যোগ আৰু কয়লা বৰাক আৰু ব্ৰহ্মপুত্ৰৰ মাজেদি গৈ Chittagong Port ৰ পৰা সাগৰ পাৰ কৰি গোটেই বিশ্বত আমি বেপাৰ কৰিছিলো। গতিকে অধ্যক্ষ ডাঙৰীয়া, স্বাধীনতাৰ পিছত আমাৰ ইনকাম কিয় কমি গ'ল? তেতিয়াৰ পূৰ্বৰ পাকিস্থানৰ লগত আমাৰ সম্পৰ্ক বেয়া হ'ল। Chittagong Port ৰ লৈকে আমাৰ access বন্ধ হৈ গ'ল, জলপথ বন্ধ হৈ গ'ল। গতিকে অধ্যক্ষ ডাঙৰীয়া, আজি আপুনি শুনি সুখী হব যে বৰ্তমান মোদী ডাঙৰীয়াৰ চৰকাৰত আজি এইবিলাক protocol চুক্তি হৈছে। বাংলাদেশে আমাক Chittagong Port ৰ access দিছে আৰু যিদিনা আমি Chittagong Port টো পাই যাম তেতিয়া আমি সাগৰ পাম আৰু আকৌ আমি বৃটিছে যেনেকৈ বিশ্বত বজাৰ কৰিছিল তেনেকৈ আমি জলপথৰে সুবিধা লাভ কৰিব পাৰিম আৰু ধুবুৰী জিলা পাৰ হোৱাৰ পিছত যিখিনি বাংলাদেশ পাৰ আছে, আকৌ বৰাকৰ

পৰা যিখিনি পাৰ বাংলাদেশত আছে তাৰবাবে dredging ৰ কাৰণে ২৫০ কোটি টকা বাংলাদেশ চৰকাৰক ভাৰত চৰকাৰে দিছে যাতে এইখিনি dredging কৰি দিয়া হয়। ব্ৰহ্মপুত্ৰ আৰু বৰাকত ইতিমধ্যে dredging ৰ  কাম আৰম্ভ হৈছে। চাৰিখন dredger এ দিনে নিশাই তাত কাম কৰি আছে আৰু মে, জুন মাহৰ ভিতৰত বৰাকৰ dredging সম্পূৰ্ণ হৈ যাব। গতিকে আজি এই যিটো ব্যৱস্থা কৰা হৈছে এই ব্যৱস্থা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই লৈছে।  আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ব্যৱস্থাটো   লোৱাৰ কাৰণে আন্তঃগাঠনিৰ সৃষ্টি হৈছে। আজি National High Way ৰ আন্তঃগাঠনিৰ কামৰ বাবে ২ লাখ ৬০ হাজাৰ কোটি টকা দিয়া হৈছে। ছয়খনকৈ আকৌ নতুন দলং হ'ব। ব্ৰহ্মপুত্ৰ দলং, ৰিফাইনেৰী ৰ বা বে আমি আন্দোলন কৰিছিলো আৰু সকলোতকৈ ডাঙৰ কথাটো হৈছে যে Air connectivity ৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই ব্যৱস্থা লৈছে যে গুৱাহাটী air port ত নতুন টাৰমিনেল হ'ব আৰু কলিকতা air port ৰ নিচিনাকৈ এই air port টোৰ কাম এতিয়া আৰম্ভ কৰিব। তাৰ কাৰণে ১২৪৩ কোটি টকা ইতিমধ্যে ভাৰত চৰকাৰে মোকলাই দি suposipalan company নামৰ কোম্পানী এটাক কাম কৰিবলৈ তেওঁলোকে টেণ্ডাৰ এৱাৰ্ড কৰিছে। গতিকে এইটো এটা বিশ্বমানদণ্ডৰ air port মুখ্যমন্ত্ৰী ডাঙৰীয়াই MEA ৰ লগত টেকআপ কৰিছে যে regional connectivity ৰ যিটো RCS policy আছে সেই পলিচীৰ জৰিয়তে South East Asia ৰ দেশ সমূহৰ যিখিনি ৰাজধানী এই ৰাজধানীখিনিক সামৰি ল'ব লাগে আৰু ধুবুৰীৰ ৰূপশ্ৰী air port আমি আৰম্ভ কৰিম। এইটো মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰটেষ্টাত হৈছে। লিডু air port ৰ ষ্টেট বিলাক উন্নত কৰিবৰ বাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে ব্যৱস্থা লৈছে। Civil aviation ৰ লগত লগ হৈ  । গতিকে আমি regional air connectivity টো বঢ়াই দিম। Fix priceত যাতে মানুহ যাব পাৰে। গতিকে অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আজি আমাৰ চৰকাৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যি ব্যৱস্থা লৈছে ই ৰাজ্যখনত এটা উদ্যোগিক বাতাবৰণৰ সৃষ্টি কৰিবৰ কাৰণে ৰাজ্যখনত সকলোৰে সহায় কৰিব লাগিব। আমাৰ Leader of Opposition ডাঙৰীয়াই কৈছে যে যিবিলাক মিল বা উদ্যোগ আছিল চৰকাৰী খণ্ডত সেই উদ্যোগ বিলাক এতিয়া বন্ধ হৈ গৈছে। আজিৰ দিনটোত বন্ধ হোৱা নাই। সেই উদ্যোগবিলাক আমি নিলামত দিব বিচৰা নাই। কিন্তু এটা কথা আপোনালোকক জনাই থওঁ যে আমাৰ  নোৱাপাৰা বৈটামাৰা, টিহু চিনটেক্স, জাৰজাৰকুছি , নলবাৰী, Apple Fabrics ৰঙিয়া, চিনটেক্স জাগীৰোড, এই মিল বিলাক যে বন্ধ হৈ গ'ল। আজি Apple Fabrics টো টুকটাককৈ চলি আছে। কিন্তু বাকীবিলাক কিয় বন্ধ হৈ গ'ল। সেই বিলাক সোনোৱাল ডাঙৰীয়াৰ চৰকাৰৰ নেতৃত্বত বন্ধ হৈ যোৱা নাই। সেই মিল বন্ধ এই কাৰণতেই হ'ল যে আগতে বঙাইগাওঁ ৰিফাইনেৰী এটা unit ত viscose produce কৰিছিল। কিন্তু হঠাৎ তেওঁলোকৰ viscose production  বন্ধ হৈ গ'ল আৰু এই ইউনিটৰ টো বঙাইগাওঁ ৰিফাইনেৰীত চাটদাউন হৈ গ'ল। বঙাইগাওঁ ৰিফাইনেৰীত এই ইউনিটটো চাটদাউন হোৱাৰ পিছত একেদিনাই নোৱাপাৰা, বেটামাৰী, টিহু চিনটেক্স, জাৰজাৰকুছি আৰু জাগীৰোড চিনটেক্স বন্ধ হৈ গৈছে। কাৰণ viscose ৰে সূতা তৈয়াৰ কৰি Apple Fabrics ত কাপোৰ বনোৱা হয়। গতিকে অধ্যক্ষ ডাঙৰীয়া, বঙাইগাওঁ ৰিফাইনেৰীত এটা উদ্যোগ চাটডাউন হোৱাৰ লগে লগে এই মিল সমূহ বন্ধ হৈ গৈছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, বিৰোধী দলপতিয়ে কোৱাৰ দৰে যদি গুজৰাটৰ পৰা viscose আনি সূতা তৈয়াৰ কৰি এই উদোগ কেইটা আৰম্ভ কৰো তাৰপৰা যি কাপোৰ আমি তৈয়াৰ কৰো তেন্তে এটা চাৰ্টত যদি একহাজাৰ টকা পৰে সেই একে ধৰণৰ চাৰ্ট এটা বাহিৰৰ পৰা অহা ৪০০ টকাত পোৱা যায়। গতিকে এইটো ভিজিৱল নহয়। সেয়ে অধ্যক্ষ ডাঙৰীয়া, মই আপোনাক

জনাওঁ যে এইবিলাক পুনৰ নিলামত দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই। এইবিলাক land bank লৈ অনাৰ ব্যৱস্থা কৰা হৈছে আৰু অধ্যক্ষ ডাঙৰীয়া, বিৰোধী দলপতিয়ে শুনি ভাল পাব যে বৈটামাৰীত আমি এটা APL ৰ নতুন ইউনিট large scale ত কৰিব লৈছো। তাৰ বাহিৰেও আমি বাকীখিনি land bank ত আনিব লৈছো আৰু land bank ৰ জৰিয়তে আমি উদ্যোগ স্থাপনৰ ব্যৱস্থা কৰিম। অধ্যক্ষ ডাঙৰীয়া, মই ইয়াত তেখেতৰ যি দুটা বিবৃতি আছিল তাত মই দুষাৰ কৈ শেষ কৰিম। এটা হ'ল যে অসম চৰকাৰে Asian Development bank ৰ আৰ্থিক সাহাৰ্য্যৰে এটা হ'ল যে অসম চৰকাৰে Asian Development Bankৰ আৰ্থিক সাহাৰ্য্যৰে Assam Governance and Public Resource Management Programme মোৰ অধীনত প্ৰথম পৰ্য্যায়ত মুঠ ১৩ টা ৰাজহুৱা উদ্যোগ সামৰি লোৱা হয়। আপোনালোকে হিচাপ কৰি যাব। এই আঁচনিৰ মুখ্য কাৰ্য্যাৱলী হ'ল অক্ষম ৰাজহুৱা উদ্যোগসমূহ, যিটো মাননীয় বিৰোধী দলৰ দলপতিয়ে কৈছে। ৰাজহুৱা উদ্যোগসমূহ বন্ধ কৰি ঋণমুক্ত কৰা। মই কৈ আছো শুনি যাওঁক। বন্ধ কৰি ঋণমুক্ত কৰা আৰু তাৰ পাছত সম্পত্তিখি নি সঠিকভাৱে ব্যৱহাৰ কৰা। আঁচনিখন সূচাৰুৰূপে ৰূপায়ণ কৰিবলৈ। এতিয়া শুনিব, এইটো আটাইতকৈ ইমপোৰটে ণ্ট। যিটো আপোনালোকৰ বিৰাট প্ৰয়োজন। এই আঁচনিখিনি ঋণমুক্ত কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Address to me.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** এইটো আটাইতকৈ ইমম্পৰটেণ্ট। এই আধা লাইন, শুনিব। ইয়াৰ সম্পত্তিসমূহ ঋণমুক্ত কৰি সম্পত্তিসমূহ ভালকৈ ব্যৱহাৰ কৰা। তাৰ পিছত লাইনটো আপোনালোকৰ কাৰণে ইম্পৰটেণ্ট। এই আঁচনি সূচাৰুৰূপে ৰূপায়ণ কৰিবৰ বাবে ১৯ জুলাই, ২০০৮চনত শ্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া সেইদিনাত অসমৰ মুখ্যমন্ত্ৰী নাছিল নহয় কোন বা আছিল আপোনালোকে জানিব। ২০০৮ চনত অসম চৰকাৰে ৰাজহুৱা উদ্যোগ বি ভাগৰ জ্যেষ্ঠ সচিবক অধ্যক্ষ হিচাপে লৈ এখন চাৰিজনীয়া সদস্য কমিটি Task Force গঠন কৰিলে। ২০০৮ চনত নহয়, আপোনালোকে যিটো কথা আনিছে শুনক, আপোনালোকৰ দিনত ২০০৮ চনত এইবিলাক নিলামৰ ব্যৱস্থা কৰিছিল।. পাছলৈ মুখ্য সচিবক অধ্যক্ষ হিচাপে লৈ Task Force গঠন কৰিলে, ১ জুলাই ২০০৯চনত। ২০০৯ চনত আকৌ আপোনালোকে কৰিলে এইবিলাক। কিন্তু আমাৰ চৰকাৰৰ দিনত আমি কি সিদ্ধান্ত লৈছো যে, এইবিলাক মাটি আছে, মাটিবিলাক আমি লেণ্ড বেঙ্কৈ আনিম। এইটো মই ইতিমধ্যে ক'লো। যিটো আমাৰ বৈটামাৰী। বৈতামাৰী তে এ পি এল এটা কৰিমেই। ঠিক তেনেকৈ নোৱাপাৰাটো কৰিম । গতিকে এইবিলাক আমি কৰিম। আপোনালোকক এই কথাবিলাক একেবাৰে স্পষ্টভাৱে জনালো। এই মাটি বিলাকত যিবিলাক মিল আপোনালোকে বন্ধ কৰি তাত তলা লগাই দিলে, ইয়াৰ তলা খুলিম আৰু তাতে বেলেগ মিল আমি কৰিম। এইটো কথা মই আপোনালোকক একেবাৰে স্পষ্টভাৱে জনালো। গতিকে অধ্যক্ষ ডাঙৰীয়া, এইখিনি কথা মই আচলতে বিৰোধী দলপতি কোৱাৰ বাবে মই দীঘলীয়াকৈ ক'লো। নহ'লে মই চুটিকৈ ক'লোহেঁতেন।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Thank you,

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, এইখিনি কথা মই ক'লো আৰু মাননীয় বিৰোধী দলপতিয়ে যিটো কথা কৈছে যে, চাৰ্ভিচ চেক্টৰত আমাৰ বেছি আহিছে। সেইটো সত্য নহয়। চাৰ্ভিচ চে ক্টৰত হোটেল আৰু হাস্পতাল কিন্তু Production center আজি Patanjali Production Center,আজি Dabur Production center, Britania Production Center, আজি I T C Production, Havel Production . আজি তেখেতে

কৈছে যে, Production কম হৈছে। Havel Production. ঠিক তেনে ধৰণে Surfarma Producetion.

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা) ঃ** কেইটামান কোম্পানী অলৰেডি তেওঁলোকে বেংকক দিবলগা আছে। পৰিশোধৰ কাৰণে N P A ত ব্যক্তিগত কোম্পানীয়ে মেম'ৰেণ্ডামত দি চাইন কৰি থৈ গৈছে। তেওঁলোকে জানো উদ্যোগ স্থাপন কৰিব পাৰিলে ? প্ৰথম কথা। দ্বিতীয় কথা আপুনি যিখিনি কথা ক'লে, ভিচকচৰ কথা। যেতিয়া আমি বি চি পি এল কৰিছিলো, তেতিয়া আমাৰ আছিল কথা প্লাষ্টিক পাৰ্কখন কৰি ১ লাখ কৰ্মসংস্থাপন। যোৱা সময়চোৱাত আপোনালোকেও দুবাৰ ইতিমধ্যে সুযোগ পাইছে। সেইখিনি কথা ক'লেও ভাল পায়। মই যিটো কৈছো, ৰিয়েল ইষ্টেটৰ ইতিমধ্যে চলি থকা আমাৰ এজন সন্মানীয় বিধায়কৰো ৰিয়েল ইষ্টেটৰ বিজনেচ আছে। তেখেতসকলেও নতুনকৈ চাইন কৰিছে। যিবিলাক হৈ থকা অন গোয়িং প্ৰজেক্ট আৰু ঠিক তেনেকৈ অন্যান্য কেইটামান আছে। যিকেইটা চিমেণ্ট ইনডাষ্ট্ৰিত বোধকৰো ৫০০ কোটি টকাৰ ওপৰতকৈ নালাগে।

**माननीয় অধ্যক্ষ ঃ** ঠিক আছে। এইখিনি ডিটেইল্‌চ আৰু নালাগে। কাৰণ ৩০১ ।

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা) ঃ** এনেকুৱা ধৰণৰ কথাখিনি মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** পাটোৱাৰী ডাঙৰীয়া, আজি Governor ৰ Speech ৰ ওপৰত মোৰ উত্তৰ আছে।.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, চিমেণ্ট কোম্পেনীক ৫০০ কোটি টকা নলগা নহয়। কাৰণ ডালমিয়া কোম্পেনীয়ে ইয়াত ১০০০ কোটি টকাতকৈ অধিক তেওঁলোকে ইনভেষ্ট কৰিছে। তেনেকৈ ষ্টাৰ চিমেণ্টে ১০০০ কোটি টকাতকৈ অধিক তেওঁলোকে ইয়াতে ইনভেষ্ট কৰিছে। গতিকে ৫০০ কোটিতকৈ বেছি নলগা নহয়। গতিকে তেওঁলোকে যি এম ও ইউ কৰিছে, তেওঁলোকে তাতকৈ লাৰ্জ স্কেলত কৰিব। সেই কাৰণে এই পইচা ২০০০ কোটিলৈ দেখুৱাইছে। সেইটো অসত্য কথা নহয় আৰু আপুনি এটা কথা কৈছিল যে প্লাষ্টিক পাৰ্কৰ ক্ষেত্ৰত যিটো ব্যৱস্তা আমি ইতিমধ্যে সকলো ইনফ্ৰাষ্ট্ৰাকচাৰ ৰেডি কৰিলো আৰু বি চি জি এল এ আজি আমাৰ গেছৰ ক্ষেত্ৰত বি চি পি এল য়ে অপটিয়াম লেভেলত গেছ দিব পৰা নাই। গতিকে গেছটো দিব নোৱাৰাৰ কাৰণে তেওঁলোকে অপটিয়াম লেভেলৰ প্ৰডাকশ্যনলৈ যাব পৰা নাই। এতিয়া বি চি পি এল বা গেছ দিব লাগে, অইল ইণ্ডিয়াই গেছ দিব লাগে। 5 Matricton /qb cmd,ONGC য়ে দিব লাগে 1cmd.গতিকে তেওঁলোকে গেছটো অপটিয়াম লেভেলত দিব নোৱাৰাৰ কাৰণে অসুবিধা হৈছে। কাৰণ চাহ বাগিছাত গেছ দিব লাগে, চাৰিটা ৰিফাইনেৰীত গেছ দিব লাগে। আমাৰ গেছৰ প্ৰডাকশ্যন কম আছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, প্লাষ্টিক উদ্যোগৰ ক্ষেত্ৰতো বিভিন্ন উদ্যোগপতি ইতিমধ্যে আহি ইয়াতে বিনিয়োগৰ কথা কৈছে। আমি কিছু এলোটমেণ্ট কৰিছো। খালী অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা কওঁ অসমৰ আটাইতকৈ ডাঙৰ সমস্যা হ'ল গেছৰ সমস্যাটো আৰু সেই গেছৰ সমস্যাটো কিন্তু কোনোদিন কোনেও নাভাবিলে। এডাল পাইপ লাইন অসমৰ পৰা বাৰাউনিলৈকে আছিল। সেই বাৰাউনিলৈকে যোৱা যিডাল পাইপ লাইন, আগতে অসমৰ পৰা তেল বাৰাউনিলৈকে গৈ তেল শোধন কৰিছিল। আৰু এতিয়া সেই পাইপ লাইনেদি বাহিৰৰ পৰা তেল অসমলৈ আহে। নুমলীগড় ৰিফাইনেৰীত আমি অলপ তেল দি আছো। আৰু ডিগবৈ ৰিফাইনেৰীটো শোধন ক্ষমতা Point 6 Milion Ton গতিকে তাত আমি তেল দিব পাৰিছো আৰু এতিয়া নাইন মিলিয়ন টনলৈকে যেতিয়া নুমলিগড় ৰিফাইনেৰী আগবাঢ়িব ইণ্ডিয়ান অইল কৰপোৰেশ্যনৰ কাৰণে মই নিজেও প্ৰেজেণ্ট আছো ভূৱনেশ্বৰত। গতিকে নুমলিগড় ৰিফাইনেৰী এটা স্পেচিয়েল পাইপ লাইন।

পাৰা দ্বিপৰ পৰা নুমলিগড়লৈকে অনাৰ ব্যৱস্থা কৰিছে আৰু বঙাইগাওঁৰ ৰিফাইনেৰীৰ শোধন ক্ষমতা আমি বঢ়াবৰ কাৰণে ইতিমধ্যে ভাৰত চৰকাৰক কৈছো।

**মাননীয় অধ্যক্ষ ঃ** Please Conclude.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** কিন্তু অধ্যক্ষ ডাঙৰীয়া, এই পাইপ লাইন থকাৰ কাৰণেহে ৰিফাইনেৰী চলি আছে। গেছ নাই কিন্তু। এই কাৰণেই অধ্যক্ষ ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰীক মই ধন্যবাদ দিছো যে, অসমত For the first time, national gos grid ৰ পৰা এডাল গেছ পাইপ লাইন এইবাৰ অসমলৈ আহিব, যাৰ খৰচ হব চাৰি হাজাৰ কোটি টকা আৰু সেইটো এইবাৰ ধমেন্দ্ৰ প্ৰধানে এইটো ঘোষণা কৰিছে। গতিকে সেইটোৱে অসমৰ আচলতে উন্নতিৰ মুল ৰেখা, এই গেছ পাইপ লাইনডাল। গতিকে এইটো প্ৰথম বাৰৰ বাবে কৰিছে। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াক এইটো কথাৰ কাৰণে ধন্যবাদ দিছো।

**মাননীয় অধ্যক্ষ ঃ থেংক ইউ।**

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, বেলেগ ইচ্ছ্যু।

**মাননীয় অধ্যক্ষ ঃ** Please Please Under Rule 301. মহোদয় ইমান দীঘল Description নহয়।

**শ্ৰী আবুল কালাম ৰচিদ আলম ঃ** সাংবাদিক সকলে আমাৰ বিধান সভা চৌহদ ত্যাগ কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** Please, সেইটো আমাৰ ইয়াৰ বিষয় নহয়। মই জানো । মই নিজে স্পিকাৰ হিচাপে জানো। বিধান সভাৰ চিকিউৰিটিটো মোৰ কাৰণে কনচাৰ্ণ। Please, Please আমি কাকো কলৈকো পঠোৱা নাই। এডাল যদি অকনমান ৰেখা এডাল মাৰি দেখুৱাই দিওঁ, সেইটো তেওঁলোকে মানি লোৱাটো উচিত। মই চাম পিছত। মোকতো কোৱা নাই, মোক কব পাৰে কিবা প্ৰব্লেম হ'লে। আমাৰ ইয়াত আমি সকলো কথা লক্ষ্য কৰি কাম কৰিম। Thank you. ইয়াৰ পাছতেUnder Rule 55, I now allow the Hon'ble Minister, Agriculture, to give a statement on a matter of very importent public importance.

**শ্ৰী অতুল বৰা ,(মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য যোজনাৰ অধীনত ট্ৰেক্টৰ বিতৰণ প্ৰক্ৰিয়াত দুৰ্নীতি হোৱা বুলি বিভিন্ন জনে অভিযোগ অনাৰ লগতে আমাৰ বিৰোধী দলপৰি সন্মানীয় শ্ৰী দেৱব্ৰত শইকীয়াৰ এখন সংবাদ মেলত দুৰ্নীতি হোৱা বুলি অভিযোগ উত্থাপন কৰাৰ পাছত বিভিন্ন সংগঠনে, সংবাদ মাধ্যমে তাকে আছিলালৈ বিভিন্ন বাতৰি পৰিবেশন কৰা আমি প্ৰত্যক্ষ কৰিছো আৰু আমাৰ সতীৰ্থ সকলেও এই আঁচনিটো কি পৰ্য্যায়ত আছে, কেতিয়া ট্ৰেক্টৰ বিতৰণ কৰিছিল এই সম্পৰ্কে আমাৰ পৰা জানিব বিচাৰিছিল, কিন্তু অহা বুধবাৰে যিহেতু শিৱৰাত্ৰি, সেইদিনাও বন্ধ। সেইদিনা মোৰ প্ৰশ্ন থাকে আৰু বহুত পিছলৈ যাবগৈ আৰু মই অনুভৱ কৰিছো যে এই কথাখিনি আমি খুৱ সোনকালে অসমৰ জনসাধাৰণৰ জ্ঞাতাৰ্থে আৰু বিশেষকৈ আমাৰ যিসকল ৰাইজৰ প্ৰতিনিধি আছে, সেই সকলক স্পষ্ট কৰি দিয়াটো ভাল। মাননীয় অধ্যক্ষ মহোদয়, এই কথা আমি সকলোৰে অৱগত যে অসম চৰকাৰে ৰাজ্যখনৰ কৃষকৰ আয় ২০২২ চনৰ ভিতৰত দুগুণ বৃদ্ধি কৰাৰ লক্ষ্য আগত ৰাখি মুখ্যমন্ত্ৰী 'সমগ্ৰ গ্ৰাম্য উন্নয়নৰ যোজনা' নামেৰে এখন অভিলাষী আঁচনি ৰূপায়ণৰ কাম হাতত লৈছে। অসমৰ মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ মানস পুত্ৰৰূপ এই যোজনাৰ অধীনত অসমৰ প্ৰতিখন ৰাজহ গাঁৱৰ একোটাকৈ হিতাধিকাৰী কৃষক গোটক ৰাজসাহাৰ্য্যৰ জৰিয়তে একোখনকৈ ট্ৰেক্টৰ দিয়াৰ বাবে আঁচনি গ্ৰহণ কৰা হৈছে। এই যোজনাই অসমৰ কৃষিভিত্তিক অৰ্থনীতিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আমি দৃঢ়তাৰে ক'ব

পাৰো। আঁচনিখনৰ লক্ষ্য, উদ্দেশ্য আৰু এই ক্ষেত্ৰত সবিশেষ আমি সময়ে সময়ে সংবাদ মাধ্যম যোগে ৰাইজক অৱগত কৰি আহিছো আৰু এই ক্ষেত্ৰত কৃষক ৰাইজৰ বিপুল সঁহাৰিও লাভ কৰিছো। আৰু মই এটা চেচনত এই কথাটো স্পষ্ট ভাবে কৈছিলো যে স্বচ্ছতাৰ খাতিৰত আমি কিমানখিনি কৰিছো আৰু কৃষকক আমি choice কৰিবলৈ আমি সুবিধা দিছো। মাননীয় মুখ্যমন্ত্ৰীয়ে বাৰম্বাৰ এই কথাটো ৰাজ্যক উদ্দেশ্যি দোহাৰি আহিছে আৰু কৈছে যে এই স্কীমটো এটা সৰ্ববৃহৎ স্কীম। এইটো ভালকৈ কৰিব লাগিব। কাৰণ দেশখনৰ ভিতৰতে এনেকুৱা ডাঙৰ স্কীম। হয়টো পূৰ্বতে কোনেও লোৱা নাছিল। এইটো প্ৰথম স্কীম। কৃষিক্ষেত্ৰতখনত অসমত আমুল পৰিবৰ্তন আনিবৰ কাৰণে আঁচনিখনৰ সম্পৰ্কত সংবাদ মাধ্যম যোগে কিছুমান প্ৰশ্নৰ অৱতাৰণা কৰা হৈছে। সেই বোৰ এনেধৰণৰ ---ক) Govt. E Market বা Gem পোৰ্টেলত উল্লেখিত মুল্য কম থকা স্বত্ত্বেও চৰকাৰে Farmers' Portel ৰ নিৰ্দ্ধাৰিত মুল্য অনুসৰণ কৰিছে কিয়?

খ) অধিক মুল্যত ট্ৰেক্টৰ ক্ৰয়ৰ ব্যৱস্থা কৰি দূৰ্নীতিক প্ৰশ্ৰয় দিছে।

গ) Company Law Board ৰ দ্বাৰা নিষেধ Companyৰ এটা নিৰ্দিষ্ট প্ৰতিষ্ঠানক ক্ৰয় ব্যৱস্থা লৈ আনি অগ্ৰাধিকাৰ দিছে আৰু

ঘ) Institutional Dealer নিয়োগৰ সৰ্ন্দভত সন্দেহ প্ৰকাশ কৰা আমি প্ৰত্যক্ষ কৰিছো। এই সন্দৰ্ভত মই সন্মানীয় সদনত সবিশেষ ব্যাখ্যা দাঙি ধৰাৰ আগেয়ে এই কথা স্পষ্টকৈ ক'ব বিচাৰো যে, আমাৰ চৰকাৰে মাননীয় সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত সমগ্ৰ প্ৰশাসন ব্যৱস্থাত স্বচ্ছতাৰ নীতি অৱলম্বন কৰি অহাৰ লগতে কোনো ধৰণৰ দূৰ্নীতিক প্ৰশ্ৰয় নিদিয়াৰ বাবে সংকল্প গ্ৰহণ কৰি জনসাধাৰণক আস্থাত লৈ ৰাজ্যখনৰ শাসনৰ দায়িত্ব গ্ৰহণ কৰিছে। মোৰ পৰৱৰ্তী ব্যাখ্যাই এই কথা স্পষ্ট কৰিব যে, যে আমি আমাৰএই স্থিতিত এতিয়াও অটল আছো আৰু ভৱিষ্যতলৈও থাকিম।

Gem পোৰ্টেল হল চৰকাৰে ক্ৰয় কৰা সামগ্ৰীৰ ক্ষেত্ৰত পূৰ্বৰ DGS&D (Directorate General of Supplies and Dioposal) ব্যৱস্থাৰ পৰিৱৰ্তিত Digital ৰূপ হ'ল বৰ্তমানৰ Gemপোৰ্টেল। কিন্তু মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ণ যোজনাৰ নীতি অনুসৰি ৰাজ সাহাৰ্য্যৰ জৰিয়তে নিৰ্ধাৰিত মুল্যত নিজৰ পচন্দৰ ট্ৰেক্টৰ ক্ৰয় কৰিব কৃষককেহে। তেনে স্থলত এগৰাকী কৃষক বা কৃষকগোটে ব্যক্তিগত ভাৱে জেম পোৰ্টেলৰ পৰা ট্ৰেক্টৰ ক্ৰয় কৰাটো সম্ভৱ নহয়। চৰকাৰৰ ওৱেবচাইটত উক্ত যোজনাৰ নীতি নিৰ্দেশনা স্পষ্টকৈ প্ৰকাশ কৰা হৈছে। যিহেতু জেম পোৰ্টেল অকল চৰকাৰী ক্ৰয় ব্যৱস্থাৰ সৈতেহে জড়িত এটা ব্যৱস্থা, তেনে ক্ষেত্ৰত কোনো ব্যক্তিগত কৃষক বা কৃষক গোটে কেনেদৰে জেমপোৰ্টেল ব্যৱস্থাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ণ যোজনাৰ অধীনত ট্ৰেক্টৰ ক্ৰয় কৰিব পাৰে সেয়া আমাৰ বোধগম্য নহ'ল। কাৰণ মই আগতে উল্লেখ কৰাৰ দৰে এই যোজনাৰ অধীনত চৰকাৰে ট্ৰেক্টৰ ক্ৰয় কৰাৰ পৰিৱৰ্ত্তে কৃষক-গোটেহে ট্ৰেক্টৰ ক্ৰয় কৰিব, চৰকাৰে নকৰে।

দ্বিতীয়তে মই সন্মানীয় সদনক জনাব বিচাৰো যে, Farmers portal ভাৰত চৰকাৰৰ কৃষি মন্ত্ৰালয়ৰ দ্বাৰা স্বীকৃত এটা বৈধ ৱেব চাইট, যিটো কৃষিখণ্ডত ব্যৱহৃত সকলো ধৰণৰ যন্ত্ৰ, সা- সঁজুলি বা অন্যান্য কৃষি সামগ্ৰীৰ তথ্য লাভ কৰাৰ এটা Single Window ব্যৱস্থা। এই ব্যৱস্থাটোৰ জৰিয়তে বিভিন্ন প্ৰতিষ্ঠানে প্ৰস্তুত কৰা কৃষি সঁজুলি আৰু কৃষি সামগ্ৰীৰ মূল্য অন্যান্য তথ্যৰ সৈতে উল্লেখ কৰা হয় যাতে কৃষকে নিজে বিচাৰ কৰি কোনো সামগ্ৰী ক্ৰয় কৰাৰ বাবে নিৰ্বাচন কৰিব পাৰে।

মুখ্য মন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ণ যোজনাৰ অধীনত ট্ৰেক্টৰ বিতৰণ আঁচনিখনত কৃষকৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য

ৰাখি Farmers portal ভাৰতত উল্লেখ কৰা মুল্যৰ তুলনাত কম। উল্লেখযোগ্য যে, ট্ৰেক্টৰ আৰু ইয়াৰ ৫ বিধ আনুষংগিক সঁজুলিৰ উপৰিও কৃষক ৰাইজৰ সুবিধা হোৱকৈ ৪ বিধ অইতৰিক্ত সেৱা, যেনে, যতনৰ বাবে প্ৰাথমিক প্ৰশিক্ষণ, কৃষক-গোটক নিজৰ সুবিধা অনুসৰি যথাস্থানত ট্ৰেক্টৰ ডেলিভাৰী দিয়া, ট্ৰেক্টৰৰ পঞ্জীয়ন আৰু এবছৰৰ বাবে বীমাৰ ধন সন্নিবিষ্ট কৰা।

ট্ৰেক্টৰ ক্ৰয়ৰ ক্ষেত্ৰত নিবিদা প্ৰক্ৰিয়াৰ জৰিয়তে স্থিৰ কৰা মূল্যৰ তুলনাত মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ক্ৰয় কৰিবলৈ বিচৰা ট্ৰেক্টৰৰ মূল্য নিৰ্দ্ধাৰণ কৰা প্ৰক্ৰিয়াটোত ট্ৰেক্টৰৰ মুল্য বেছি হোৱা বুলি ধৰি লৈ এই বিষয়টো চৰ্চা কৰা মোৰ দৃষ্টিগোচৰ হৈছে। এই সংক্ৰান্তত মই কব বিচাৰো যে, FoE আৰু টেণ্ডাৰ বা নিবিদা আহ্বান কৰি স্থিৰ কৰা মুল্য সদায়েই ভিন ভিন সময়ত ভিন ভিন হৈ থাকে। টেণ্ডাৰ প্ৰক্ৰিয়াত সাধাৰণতে আটাইতকৈ কম মুল্যৰ সামগ্ৰীটো বিচাৰ্য হয় কিন্তু ইয়াৰ গুণগত মানৰ ওপৰত তেনেধৰণে গুৰুত্ব দিয়া দেখা নাযায়। সেয়েহে চেণ্ডাৰ প্ৰক্ৰিয়াত কৃষকৰ নিজস্ব পচন্দ বুলি কোনো কথা নাথাকে কিন্তু এই যোজনাৰ ক্ষেত্ৰত কৃষকৰ নিজস্ব পচন্দক অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিয়া হৈছে।

অসমত এটা দশকৰো অধিক কাল FoE প্ৰথা চলি আহিছে। বিগত সময়ত কংগ্ৰেছ চৰকাৰৰ শাসন কালটো বিভিন্ন বিভাগে এই দুয়োটা প্ৰথাকেই মানি আহিছে আৰু কৃষি বিভাগেও FoE প্ৰথা চলি আহিছে। বিগত সময়ত কংগ্ৰেছ চৰকাৰৰ শাসন কালতো বিভিন্ন বিভাগে এই দুয়োটা প্ৰথাকেই মানি আহিছে আৰু কৃষি বিভাগেও FoE প্ৰথাক অনুসৰণ কৰিছিল। মই কংগ্ৰেছ দলৰ মাননীয় সদস্য সকলক অনুৰোধ জনাও যাতে তেওঁলোকে তেওঁলোকৰ চৰকাৰৰ শাসন কালত হোৱা বিভিন্ন ক্ৰয়ৰ ক্ষেত্ৰত হোৱা মুল্যৰ পাৰ্থক্যৰ বিষয়টো অধ্যয়ন কৰে। মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ণ যোজনাৰ অধীনত ট্ৰেক্টৰ বিতৰণ আঁচনিখন ৰূপায়ণ কৰিবলৈ লোৱাৰ প্ৰাক্-মুহুৰ্তত অসম চৰকাৰৰ অন্য এক বিভাগে নিবিদা পদ্ধতিৰে নিৰূপণ কৰা ট্ৰেক্টৰৰ মুল্য কম বুলি জ্ঞাত হোৱাত কৃষি বিভাগে বিষয়টো উৰ্দ্ধতম কৰ্তৃপক্ষক অৱগত কৰে আৰু কোম্পানী সমুহক এনে মূল্যৰ বিসংগতিৰ কাৰণ দৰ্শোৱাৰ বাবে জাননী জাৰি কৰে। এইটো আনে দেখুৱাই দিব লগা হোৱা নাই । আমি আঁচনি লৈছিলো গতিকে আমিয়েই এইটো দেখুৱাই দিছো আৰু মাননীয় মুখ্য মন্ত্ৰীয়ে কৈছে যিহেতু ভাল দৰে হব লাগিব, খেতিয়কৰ স্বাৰ্থ পুৰণ হব লাগিব, কৃষি ক্ষেত্ৰ খনলৈ এটা আমুল পৰিবৰ্ত্তন আহিব লাগিব। কিন্তু কোম্পানী সমুহে দাখিল কৰা কৈফিয়তত সন্তুস্ত নহয়। কৃষিবিভাগে চি এম এচ জি ইউ ওৱাই ৰ মেগা মিশ্যন চোচাইটিক বিষয়টো অৱগত কৰোৱাৰ লগকে কৃষক গোটৰ দ্বাৰা ট্ৰেক্টৰ ক্ৰয় কৰা প্ৰক্ৰিয়াটো তাৎক্ষণিক ভাবে স্থগিত ৰাখে। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে, এই যোজনাখন ৰূপায়ণৰ ক্ষেত্ৰত কৃষি বিভাগে সম্পূৰ্ন সত্যতা আৰু স্বচ্ছতাৰে আগবাঢ়িছে আৰু কৃষকৰ স্বাৰ্থক সুৰক্ষা দি এনে পদক্ষেপ গ্ৰহণ কৰিছে। পৰৱৰ্ত্তী সময়ত মেগা মিশ্যন চ'চাইটিৰ গৱৰ্নিং কাউঞ্চিলে এই বিষয়টো পৰ্য্যালোচনা কৰি এটা সমাধান সূত্ৰ নিৰ্ণয় কৰাৰ বাবে এখন ৫ জনীয়া সমিতি গঠন কৰি দিয়ে। এই ৫ জনীয়া সমিতিখনে দাখিল কৰা প্ৰতিবেদনৰ আধাৰত কৃষকে যাতে মান বিশিষ্ট ট্ৰেক্টৰ প্ৰকৃত মুল্যত ক্ৰয় কৰিব পাৰে, সেই কথাটো পুনৰ নিশ্চিতকৰনৰ বাবে চৰকাৰে এটা নতুন পদ্ধতি নিৰ্ণয় কৰিছে মই সেই খিনি কম। এই প্ৰসংগতে মই আমাৰ চৰকাৰে কেনেদৰে হিতাধিকাৰী কৃষক গোটে স্বাধীন ভাবে সিদ্ধান্ত লৈ ভালৰো ভাল ট্ৰেক্টৰখন যাতে উচিত মুল্যত ক্ৰয় কৰিব পাৰে তাৰ বাবে আমি কি ব্যৱস্থা লৈছিলো সেই বিষয়ে কিছু কথা উল্লেখ কৰিব বিচাৰিছো। মুখ্য মন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ নীতি নিৰ্দেশনা অনুসৰি হিতাধিকাৰী কৃষক গোটে যাতে নিজৰ পচন্দ অনুসৰি ট্ৰেক্টৰখন ক্ৰয় কৰিব পাৰে, তাৰ বাবে নিৰ্বাচিত ট্ৰেক্টৰ নিৰ্মাতা প্ৰতিস্থান সমুহক অসমৰ জিলা

সমূহত তেওঁলোকৰ নিজৰ নিজৰ ট্ৰেক্টৰৰ মডেল সমুহ প্ৰৰ্দশন কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। ইয়াৰ ফলত হিতাধিকাৰী কৃষক গোট সমুহে ট্ৰেক্টৰ নিৰ্মাতা প্ৰতিস্থান সমুহৰ ট্ৰেক্টৰৰ বিভিন্ন মডেল সমূহৰ কাৰ্য্যক্ষমতাৰ বিষয়ে সম্যক ভাবে জানি লৈ নিজ পচন্দ অনুসৰি ক্ৰয় কৰিবলৈ বিচৰা ট্ৰেক্টৰখনৰ নাম আৰু মডেলৰ বিষয়ে জিলা উপায়ুক্তৰ নেতৃত্বত গঠিত সমিতিৰ ওচৰত চূড়ান্ত ভাবে জনাব পাৰিছে। কৃষক হিতাধিকাৰী গোটক নিজৰ পচন্দ অনুসৰি কৃষি যন্ত্ৰ-পাতি ক্ৰয় কৰিবলৈ এনে সুবিধা আগেয়ে দিয়া হৈছিল বুলি মই নাভাবো। ইয়াৰ উপৰিও নিজৰ পচন্দৰ ট্ৰেক্টৰখন ক্ৰয় কৰাৰ ক্ষেত্ৰত ট্ৰেক্টৰ কোম্পানীৰ সৈতে হিতাধিকাৰী কৃষক গোটে নিজস্ব ভাবে দৰ-দাম কৰিব পৰাৰ ক্ষমতাও নীতি-নিৰ্দেশনাত উল্লেখ কৰা আছে। বহু কৃষক গোটে এই সুবিধা গ্ৰহন কৰাৰ বিষয়ে মই জ্ঞাত। যোৱা তিনিটা বছৰত কৃষক সকলে নিজাকৈ কিনিব বিচৰা ট্ৰেক্টৰৰ ক্ষেত্ৰত যেনেদৰে বিভিন্ন কোম্পানীৰ লগত যোগাযোগ কৰি ট্ৰেক্টৰ ক্ৰয়ৰ ব্যৱস্থা কৰিছিল, ঠিক তেনেধৰণে এই বাৰো এইযোজনাৰ অধীনত কৃষকে নিজৰ পচন্দৰ ট্ৰেক্টৰখনৰ বিষয়ে কোম্পানী সমূহৰ পৰা জানি লৈহে ক্ৰয়ৰ ক্ষেত্ৰত নিজৰ সিদ্ধান্ত চূড়ান্ত কৰিব পাৰিছে। ইয়াৰ দ্বাৰা এই কথা প্ৰমানিত হয় যে ট্ৰেক্টৰৰ বেগু নিৰ্বাচনৰ ক্ষেত্ৰত কৃষক গোটক বাহিৰৰ কোনো প্ৰভাৱে প্ৰভাৱান্বিত কৰিব পৰা নাই । মই পুনৰ কব বিচাৰো যে এই যোজনাৰ অধীনত চৰকাৰে কোনো ট্ৰেক্টৰ ক্ৰয় নকৰে। ক্ৰয় কৰিব কৃষককেহে- সেয়া তেওঁলোকৰ নিজৰ পচন্দৰ ভিত্তিত আৰু তাকো চূড়ান্ত পয্যায়ত ট্ৰেক্টৰ কোম্পানী সমূহৰ সৈতে কথা-বতৰা পাতি নিজে লোৱা সিদ্ধান্তৰ ভিত্তিত। আৰু এটা কথা তেওঁলোকে আনিছিলে যে এটা কোম্পানীৰ কথা উল্লেখ কৰিছিলে যে কোম্পানী ল বোৰ্ডৰ দ্বাৰা নিষেধ কৰা এটা নিৰ্দিষ্ট প্ৰতিস্থানক ক্ৰয় কৰিবলৈ আমি অগ্ৰাধিকাৰ দিছো। company law Board এ corporate insolvency Resolution process আৰোপ কৰা এটা নিৰ্দিষ্ট কোম্পানীক অগ্ৰাধিকাৰ দিয়া অভিযোগ সন্দৰ্ভত জনাও যে ,আমাৰ চৰকাৰে এই proceedingsৰ সম্পৰ্কত অৱগত হোৱাৰ লগে লগে সংশ্লিষ্ট কোম্পানীটোলৈ এই বিষয়ে নিজৰ স্থিতি জনাবলৈ এখন জাননী জাৰি কৰিছিল আৰু ইয়াৰ উত্তৰত এই কোম্পানীটোৱে তেওঁলোকৰ ওপৰত আৰোপ কৰা insolvency proceedings তেওঁলোকৰ অনুকুলে নিস্পত্তি হোৱা বুলি আমাৰ চৰকাৰক সংশ্লিষ্ট কাগজ-পাতি জমা দিছে । এই সম্পৰ্কত চৰকাৰৰ ফালৰ পৰা কোনো জাননী নিদিয়ালৈকে কোনো কৃষক গোটে উক্ত কোম্পানীটোৰ ট্ৰেক্টৰ পছন্দ কৰিলেও সেই ক্ষেত্ৰত আগ নাবাঢ়িবলৈ আমাৰ জিলাৰ কৃষিবিষয়া সকলক নিৰ্দ্দেশ দিয়া হৈছিল। কিন্তু পৰৱৰ্ত্তী সময়ত কোম্পানীটোৰ পৰা এই সম্পৰ্কীয় যাৱতীয় নথি-পত্ৰ লাভ কৰাৰ পিছত বৰ্তমান ক্ৰয় প্ৰক্ৰিয়াটোত অংশ গ্ৰহণ কৰাৰ বাবে তেওঁলোকক অনুমতি প্ৰদান কৰা হৈছে

উক্ত কোম্পানীটোক চৰকাৰে পৃষ্ঠপোষকতা কৰা বুলি যি অভিযোগ অনা হৈছে, সেইয়া সম্পূৰ্ণ ভিত্তিহীন। তথ্যৰ পৰা জানিব পৰা গৈছে যে হিতাধিকাৰীৰ কৃষকগোট সমূহে পছন্দ কৰা মুঠ ৮,৮২৮ ট্ৰেক্টৰৰ ভিতৰত মাত্ৰ ৫৯ টা হিতাধিকাৰী কৃষক গোটেহে এই কোম্পানীটোৰ ট্ৰেক্টৰ পছন্দ কৰিছে। তেনে স্থলত চৰকাৰে উক্ত ট্ৰেক্টৰ নিৰ্মাণ কাৰী কোম্পানীটোক পৃষ্ঠপোষকতা কৰা বুলি অনা অভিযোগ হাস্যকৰ।

উক্ত যোজনাৰ অধীনত ট্ৰেক্টৰ বিতৰণ প্ৰক্ৰিয়াটোত এতিয়ালৈকে এটা টকাও খৰচ নকৰা বা কোনো কোম্পানীক ট্ৰেক্টৰ যোগানৰ এটা নিৰ্দ্দেশ নিদিয়া স্বত্বেও এই বিষয়টোত দুৰ্নীতি হোৱা বুলি ভিত্তীহীন অভিযোগেৰে সৰ্বসাধাৰণ ৰাইজক বিভ্ৰান্ত কৰাৰ আঁৰত কি ৰহস্য লুকাই আছে, সেয়া আমি বুজিব পৰা নাই। Institutional জিলাৰ সম্পৰ্কতো আমাক দুই এটা নিউজ কৰিছিল।

Institutional জিলাত দিব কোৰা হৈছিল। ট্ৰেক্টৰ বিতৰণ প্ৰক্ৰিয়াটো Institutional জিলাৰ সম্পৰ্কে অভিযোগ দিয়া হৈছিল। গতিকে মাননীয় সদনক জনাব বিচাৰিছো যোজনাৰ নিৰ্দ্দেশনা পত্ৰত ট্ৰেক্টৰ বিতৰণ প্ৰক্ৰিয়াটোত ট্ৰেক্টৰৰ উপৰিও পাঁচবিধ আনুসংগিক সা-সঁজুলি বিতৰণ কৰাৰ পৰিপ্ৰেক্ষিতত এই সামগ্ৰীসমূহ একত্ৰিত কৰি হিতাধিকাৰীৰ গোটত বিতৰণ কৰাটো স্থিৰ কৰা হৈছিল আৰু এই সা-সঁজুলি সমূহ উৎপাদন প্ৰতিষ্ঠানৰ পৰা সংগ্ৰহ কৰি ট্ৰেক্টৰ কোম্পানীসমূহে হিতাধিকাৰীৰ পছন্দ অনুসৰি নিৰ্দ্দিষ্ট স্থানত সু-শৃঙ্খলিত ভাৱে প্ৰদান কৰাৰ স্বাৰ্থত আৰু এই ক্ষেত্ৰত হিতাধিকাৰীৰ গোটসমূহ যাতে কোনোধৰণৰ আশুকালৰ সন্মুখীন নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি ট্ৰেক্টৰ কোম্পানী সমূহৰ পৰা পোৱা লিখিত আৱেদন বিবেচনা কৰি কনষ্টিটুশ্যনেল জিলা নিৰ্ধাৰণ কৰা হৈছে। এই ক্ষেত্ৰত যোজনাৰ নিৰ্দ্দেশিকা পত্ৰত কোনো ধৰণৰ বাধ্যবাধকতা আৰোপ কৰা হোৱা নাছিল। আঁচনিখনৰ সু-শৃঙ্খল ৰূপায়ণ আৰু কৃষকে সন্মুখীন হ'ব পৰা সম্ভাব্য বেমেজালিৰ প্ৰতি লক্ষ্য ৰাখি আমি এই আমি অনুমতি প্ৰদান কৰিছিলো। আমি অবৈধ হস্তক্ষেপ বা ব্যক্তিগত স্বাৰ্থ পূৰণৰ কথা আচলতে নাহে। গতিকে এইটোৰ পৰা এই কথা স্পষ্ট হৈছে - it is a totally baseless allegation. মাননীয় অধ্যক্ষ ডাঙৰীয়া প্ৰকৃততে কংগ্ৰেছ চৰকাৰ চৰম হতাশাগ্ৰস্ততাত ভুগিছে। যোৰ ১৫ বছৰে তেওঁলো্ক সূতা-কম্বলৰ বাহিৰে ..........(সদনত হুলস্থূলৰ সৃষ্টিৰ বাবে শুনা নগল)।

শেষত মই অসম বিধান সভাৰ সকলো মাননীয় সদস্যক অনুৰোধ জনাইছো যাতে ২০২২ চনৰ ভিতৰত কৃষকৰ আয় দুগুণ বৃদ্ধি কৰাৰ লক্ষ্য আগত ৰাখি ৰূপায়ণ কৰিবলৈ লোৱা মাননীয় মুখ্যমন্ত্ৰীৰ এই অভিলাষী আচনি খন ৰূপায়ণৰ ক্ষেত্ৰত দল মত নিৰ্বিশেষে একগোট হৈ চৰকাৰক সহযোগতাৰ হাত আগবঢ়ায় । এইখিনি কৈ মোৰ বক্তব্য সামৰিলো।

....... সদনত গণ্ডগোলৰ সৃষ্টি হয় ........

**মাননীয় অধ্যক্ষ ঃ** Statement only. No more discussion please. Under Rule 55, no question shall be asked at the time of the Statement is made. Stateament has already made. Only the written statement আপুনিrecord ত দিব বাকী কথাখিনি সদন বহুদিন চলিব, you can bring the things in other day by different notice, but not today. Thank you . এতিয়া ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত বিতৰ্ক হৈছিল মাননীয় মুখ্যমন্ত্ৰীৰ উত্তৰ দিয়াৰ দিন আজি ধাৰ্য্য কৰা হৈছিল BAC meeting ত হোৱা সিদ্ধান্ত মৰ্মে, কিন্তু যোৱা শুক্ৰবাৰে চক্ৰধৰ গগৈৰ বক্তব্য আধৰুৱা হৈ আছিল, মই তেওঁৰ বক্তব্য আৰম্ভ কৰি শেষ কৰিবলৈ কৈছো তাৰ পাছত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বক্তব্য ৰাখিব ।

**শ্ৰী চক্ৰধৰ গগৈ, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত আমাৰ ৰাজ্যপাল মহোদয়ৰ ভাষণৰ সমৰ্থনত আমাৰ মাননীয় সদস্য দেৱানন্দ হাজৰিকা দেৱে অনা সমৰ্থন সূচক প্ৰস্তাৱৰ মই সমৰ্থন কৰি যোৱা ৯-২-২০১৮ তাৰিখে বক্তব্য ৰাখিছিলো আৰু সময়ৰ অভাৱত অকণ সময় ক'বলৈ পালো। আৰু আজি পুনৰ বক্তব্য ৰাখিব দিয়াৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, আমি সিদিনা বিৰোধীয়ে যি হিউ এণ্ড ক্ৰাইৰ পৰিৱেশ এটা সৃষ্টি কৰিলে কৰিলে সেইটো আমাৰ কাৰণে দুৰ্ভ্যগ্য জনক বুলি আখ্যা দিছো। তাত তেখেত সকলে এটা সংশোধনী আনিছিল গোটেই ভাষণটোৰ ওপৰত। সেই সংশোধনীটোত এটা কথা দেখিলো যে তেখেত সকলে সংশোধনীটোত আমাৰ অসম চৰকাৰৰ কোনো কাৰ্য্যসূচীত সংশোধনী আনিব পৰা

নাই। কিন্তু অনাহূত ভাৱে মাননীয় প্ৰধান মন্ত্ৰী গৰাকীক তেখেতসকলে আলোচনাৰ মজিয়ালৈ টানি আনিছে। সংশোধনীৰ নামত থেখেত সকলে প্ৰধান মন্ত্ৰী গৰাকীক টানি আনি কৈছে যে মাননীয় প্ৰধান মন্ত্ৰীৰ আমাৰ অসমৰ প্ৰতি কোনো সদিচ্ছা নাই। মই সিদিনা উল্লেখ কৰিছিলো তেখেত সকল বিৰোধীদল হিচাপে সেই সময়ৰ শাসকীয় দল। তেখেত সকলৰো এজন প্ৰধান মন্ত্ৰী আছিল। সেইজন প্ৰধান মন্ত্ৰীয়ে অসমৰ পৰা ৰাজ্য সভালৈ সাংসদ হিচাপে গৈ প্ৰধান মন্ত্ৰীত্ব লৈছিল। আৰু সেই গৰাকী প্ৰধান মন্ত্ৰীৰ দিনত কিমান সদিচ্ছা দেখুৱালে তাৰ এটা হিচাপ দিলে ভাল আছিল। তেনেকুৱা হিচাপ তেওঁলোকে প্ৰদৰ্শন কৰিব পৰা নাই। কেৱল মাত্ৰ ৰাজনৈতিক স্বাৰ্থত সমালোচনাৰ নামত Criticism for the shake of Criticism.তেওঁলোকেমাত্ৰ আমাক Criticism কৰি আছে। তেওঁলোকে কিয় দেশৰ প্ৰধানমন্ত্ৰীগৰাকীক বাচি ল'লে ই কথাটো আমাৰ বন্ধু মহলৰ মাজত আলোচনা হৈছে। তেতিয়া বন্ধুমহলে কথাখিনি কৈছে যে ইয়াৰ অন্তৰালৰ মূল কথাটো হৈছে - আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে তেওঁলোকৰ মানুহে অসমৰ ৰাইজক এটা পথভ্ৰষ্ট কৰিবৰ কাৰণে দেশৰ প্ৰধানমন্ত্ৰীগৰাকীক ইয়ালৈ টানি আনিছে। কিন্তু তেখেতসকলে জনা ভাল ২০১৯ টো বাদ দিয়ক, আৰু পাঁচ বছৰটো ভাৰতবৰ্ষত কংগ্ৰেছ শাসনলৈ অহাটো সম্ভৱ নহ'ব। এইটো পাহৰি যোৱা উচিত। কাৰণ ইতিমধ্যে ভাৰতবৰ্ষৰ জনতাই এই বিৰোধী শিবিৰটো উৎখাত কৰিছে আৰু আপোনালোকক ইতিমধ্যে ত্যাগ কৰিবলৈ আৰম্ভ কৰিছে। গতিকে এই সম্পৰ্কত মাননীয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত যি চৰকাৰ চলিছে, সেই চৰকাৰখনে আন্তৰিকতাৰে কাম কৰি গৈছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ সদিচ্ছা আছে কাৰণে আজি মোৰ সমষ্টিত বগীবিল নামৰ এখন দলং বনাই আছে। আপোনালোক সকলোৱে জানে। দলংখনৰ বাবে বগীবিল সদায়েই পৰিচিত। এই ব্ৰহ্মপুত্ৰৰ সাত কিলোমিটাৰ মথাউৰি স্বাধীনতাৰ সত্তৰ বছৰ পিছতো কংগ্ৰেছ বা কোনো বিৰোধীপক্ষৰ চৰকাৰে নিৰ্মাণ কৰিব নোৱাৰিলে। কিন্তু আজি মাননীয় প্ৰধানমন্ত্ৰী দেৱৰ সহযোগ-আশীৰ্বাদত মাননীয় ৰে'ল মন্ত্ৰী ৰাজেন গোঁহাই দেৱৰ আশীৰ্বাদত, মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল দেৱৰ সহযোগত আজি আমি তিনি কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰিবলৈ সক্ষম হৈছো। ওঠৰ কোটি টকা আমাৰ চৰকাৰে অনুমোদন দিছে। আজি সাত কিলোমিটাৰ মথাউৰিৰ ঠাইত তিনি কিলোমিটাৰ মথাউৰি নিৰ্মাণ হ'ব। এই বিষয়টো বিৰোধী পক্ষক জনালো। ইয়াৰ উপৰিও আমাৰ সমষ্টিত বিভিন্ন ধৰণৰ বানপানীজনিত সমস্যা আছে। আজি চেঁচা কলসুৱা ৰিং বান্ধ স্বাধীনতাৰ সত্তৰ বছৰে নিৰ্মাণ কৰা হ'লে মোৰ লৰুৱা মৌজাৰ ৫২ গাঁৱৰ ৰাইজে সুখে-শান্তিৰে বসবাস কৰিব পাৰিলেহেতেন। আজি সত্তৰ বছৰে আপোনালোকে কোনো ৰিং বান্ধ নিৰ্মাণ কৰিব নোৱাৰিলে, কোনো নদীৰ মথাউৰি নিৰ্মাণ কৰিব নোৱাৰিলে। যাৰ কাৰণে প্ৰত্যেক বছৰতে বানপানী হয়। প্ৰত্যেক বছৰে সেই লৰুৱা মৌজাৰ ৰাইজে চকুপানী টুকিবলগীয়া হয়। কিন্তু আজি মই আপোনালোকক গৌৰৱেৰে কৈছো, আমাৰ মাননীয় মুখ্যমন্ত্ৰী দেৱৰ আশীৰ্বাদত, মাননীয় জলসম্পদ মন্ত্ৰী কেশৱ মহন্তদেৱৰ সহযোগত তাত ৰিং বান্ধ নিৰ্মাণ কৰাৰ বাবে প্ৰপোজেল দিছো আৰু তেখেতসকলে সন্মতি প্ৰদান কৰিছে। এনেধৰণে আমি কিছু কাম কৰিবলৈ সক্ষম হৈছো। যিবিলাক আপোনালোকে সত্তৰ বছৰে কৰি দেখুৱাবলৈ সক্ষম নহ'ল। মাননীয় অধ্যক্ষ মহোদয়, আজি বিৰোধীয়ে আমাক দুৰ্নীতিৰ কথা কৈ আছে যোৱা ভাষণৰ বিতৰ্কতো বহুত সদস্যৰ বক্তব্য আমি শুনিছিলো। আজিৰ বক্তব্যতো শুনি আছো। তেখেতসকলে দুৰ্নীতিৰ কথা কৈ আছে। এই সময়ত মোৰ চৈয়দ আলিমৰ চায়েৰী এটা মনলৈ আহিছে। মই আপোনালোকক মাটি শুনাইছো — ওমৰ ভৰ গলিত ওহি গলটি কৰটা ৰহা ভুল পোহৰেতে থী আইনা চা কৰটি ৰহা। আপোনালোকে এতিয়া আইনা চাফ কৰি লাভ নাই।

আপোনালোকৰ মুখবোৰ চাফা কৰক। এতিয়া আপোনালোকৰ মুখত ধূলি পৰি আছে, গতিকে বিৰোধীয়ে এতিয়া নিজৰ মুখ চাফা কৰক আৰু নিজৰ সংশোধনী কৰক। আমাক গালি দি থাকি লাভ নহ'ব। আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিমান স্বচ্ছতাৰে চৰকাৰখন চলাবৰ কাৰণে আগবাঢ়ি গৈছে সেইক্ষেত্ৰত আমাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ আশীৰ্বাদ আছে। তেখেতৰ সেই মহান উক্তি'না মে খাউঙ্গা না কিচিকো খানে ডুংগা'। এই উক্তিৰে কাম কৰিছো আৰু এই আদৰ্শৰে আমাৰ চৰকাৰে কাম কৰিছে। গতিকে কেৱল গালি দিব লাগে কাৰণে গালি দি থাকিব। জোৰ কৈ কথাখিনি ক'লে মিছা কথাখিনি সচাঁ হৈ নাযায়। এই মহূৰ্ত্তত আমি মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক আমাৰ চৰকাৰখনৰ সবল নেতৃত্বৰ বাবে পুনৰ বাৰ ধন্যবাদ জনাইছো। আজি আমাৰ চৰকাৰে স্বচ্ছতাৰে কাম কৰাৰ কাৰণে যোগ্যজনে ভোগ কৰাৰ অধিকাৰ পাইছে। আপোনালোকৰ দিনত, আপোনালোকৰ ১৫ বছৰীয়া চৰকাৰৰ সময়ত আমি দেখিলো গাঁৱৰ মানুহৰ ওপৰত যি অন্যায় কৰা হ'ল, দুখীয়া দৰিদ্ৰ মানুহৰ ওপৰত যিধৰণে অন্যায় কৰা হ'ল, যোগ্যজনে ভোগ কৰাৰ অধিকাৰ নাপালে। দুখীয়া জনে পেটৰ ভাত নাপালে। যাৰ ঘৰ নাই, সি ঘৰ পোৱাৰ যোগ্য নহ'ল। যাৰ ঘৰ আছিল, সেই মানুহক ঘৰ দিয়া হৈছে। গতিকে এই কথা বিলাক অসমৰ ৰাইজে মনত ৰাখিছে আৰু এই কথাবিলাক আমি সদায় মনত ৰাখিম। আমি সমতাৰ ভিত্তিত সকলোৰে লগত মিলি সকলোৰে লগত কাম কৰিবলৈ প্ৰয়াস কৰিছো আৰু সেইকাৰণে আমাৰ দিনত কোনো আঁচনি প্ৰদান কৰোতে ৰাজনীতি কৰণ কৰা নাই। আমি কংগ্ৰেছ, AGP, BJPকৰণ কৰা নাই। আমি যোগ্য আৰু যিজন আটাইতকৈ দুখীয়া তেওঁক দিবলৈ পঞ্চায়তক নিৰ্দ্দেশ দিছো আৰু Block Officer সকলক কৈছো যে যোগ্যতাৰ ভিত্তিত দিয়ক। দলমতৰ ভিত্তিৰ কথা নাই। মোৰ দল মানে মোৰ AGP, BJP দল হ'লেই যে অযোগ্যজনক দিম সেইটো কথা নহয়। গতিকে আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই সঠিক বাট দেখুৱাইছে আৰু আমি সেই বাটেৰে আগুৱাই যাম। এইটো কাৰণেই আজি আমাৰ সমাজত সামাজিক যিটো ন্যায় ব্যৱস্থা সেই সামাজিক ন্যায় ব্যৱস্থাটো ধৰি ৰাখিবলৈ সক্ষম হৈছো আৰু সামাজিক ন্যায়ৰ যোগেদি আমাৰ আগন্তুক দিনত আমাৰ অসমত সুস্থ-সবল, জাতি-গোষ্ঠীৰ ওপৰত, সমন্বয়ৰ ওপৰত গঠিত সমাজ নিৰ্মাণ কৰিবলৈ সক্ষম হ'ম। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই সদায় Good Governance ৰ কথা কৈছে, যিটো আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ও কৈছে। Good Governance, ভাল প্ৰশাসন আমি কেনেকৈ নিৰ্মাণ কৰিম। ইয়াৰ আটাইতকৈ ডাঙৰ কথাটো হৈছে স্বচ্ছতা। স্বচ্ছতাৰ যোগেদি এটা ভাল Governance দিয়াটো সক্ষম হয়। Good Governance ৰ ক্ষেত্ৰত আমাৰ চৰকাৰে সদায় আগভাগ লৈ আহিছে আৰু মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ এটা উদ্ধৃতি দাঙি ধৰিব বিচাৰিছো। মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কৈছিল, While transparency reduces corruption, good governence goes beyond transparency in achiving openness. Openness means involving the stake holder in decision making process. Transparency is the right to information while openness is the right to participation.আৰু এই কথাটোকে সৰোগত কৰি অহা ৫,৬,৭ তাৰিখে আমাৰ শিক্ষা বিভাগৰ লগত আলোচনা কৰিবৰ কাৰণে বিভিন্ন শিক্ষা সমন্ধীয় Teacher Association স্কুলৰ বিভাগ আৰু যিবিলাক সংগঠন আছে, সেই সংগঠন বিলাকৰ ষ্টেক হ'ল্ডাৰ বিলাকক লৈ এটা আলোচনা কৰিবৰ কাৰণে আমাৰ চৰকাৰে প্ৰয়াস কৰিছে। এই আলোচনাত নিশ্চয় আপোনালোকো থাকিব। কি আলোচনা হ'ব, কি সিদ্ধান্ত হ'ব, আপোনালোকে নিশ্চয় গম পাব। সেইকাৰণে এইবোৰ হৈছে আমাৰ চৰকাৰৰ openess. মুকলিকৈ সকলো মানুহে অংশগ্ৰহণ কৰাটো

আমাৰ চৰকাৰে নিশ্চয় বিচাৰিছে আৰু আন এটা আঁচনিৰ বিষয়ত আমাৰ চৰকাৰে ৰাইজৰ লগত আলোচনা কৰিব। সেই বিষয়টো হৈছে যে Sustainable Development Goal অৰ্থাৎ বহনক্ষম বিশ্ব। আমি কেনেকৈ ৰক্ষা কৰিব পাৰিম। কৰিব পাৰিম। এই বিষয়টোৰ ওপৰত ৰাজহুৱা ভাৱে সকলো সদস্যক লৈ আলোচনা কৰিবৰ কাৰণেও আমাৰ চৰকাৰে এটা আলোচনা ৰাখিছে। এই আলোচনাতো আপোনালোকে নিশ্চয় ভাগ ল'ব পাৰিব। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ উপৰিও আমাৰ চৰকাৰে ইতিমধ্যে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনি আছে। ইয়াৰ উপৰিও আমাৰ চৰকাৰে ইতিমধ্যে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ আঁচনি আছে, অসম চৰকাৰৰ আঁচনি আছে আৰু এই গোটেইবোৰ আঁচনি গ্ৰহণ কৰাত আমি উপনিষদীয় এটা বৈদিক সিদ্ধান্ত অৱলম্বন কৰি আহিছো। আমাৰ চৰকাৰে বৈদিক সিদ্ধান্তটো সদায় আমাৰ এটা আদৰ্শ হিচাপে প্ৰতিষ্ঠিত কৰি কাম কৰিবৰ কাৰণে যত্ন কৰিছে আৰু সেই বৈদিক সিদ্ধান্ত আমি 'সৰ্বেঃ বদন্তু সুখীনহঃ, সৰ্বেঃ সন্তু নিৰাময়ীঃ, সৰ্বে ভদ্ৰাণিঃ পশ্যন্তুঃ মাঃ কশ্চিৎ দুখঃ ভাৰম্ ভৱেৎ।' ইয়াৰ অৰ্থ হৈছে সকলোৰে মঙ্গল কামনা কৰা। সকলো নিৰোগী থাকক। সকলোৱে সুখী হৈ থাকক। এই আন্তৰিকতাৰে আমাৰ চৰকাৰে কাম কৰি গৈছে। গতিকে ইয়াত কোনো বৈষম্য ৰখা হোৱা নাই। কাহানিও কোনো দলমতৰ ভিত্তিত, জাতপাতৰ ভিত্তিত, ধৰ্মৰ ভিত্তিত আমি কাহানিও ৰাজনীতি কৰি আমাৰ উন্নয়ণৰ কামত হাত দিয়া নাই। গতিকে আমি মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো যে তেখেতে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য বিকাশ যোজনাৰ যোগেদি গাঁৱৰ হাজাৰ হাজাৰ খাটি খোৱা শ্ৰমিকক, কৃষকক মৰ্য্যদা সহকাৰে জীয়াই থাকিবৰ কাৰণে, বিভিন্ন সাহাৰ্য্য প্ৰদান কৰিবৰ কাৰণে আগবাঢ়ি গৈছে। আজি কিছু সময় আগতে হোৱা আলোচনাত যি ট্ৰেক্টৰ বিতৰণৰ কথা কৈছে, আমাৰ সমষ্টিতো প্ৰায় ২৫০খন ৰাজহ গাঁও আছে আৰু এই ২৫০খন গাঁৱত আমি ট্ৰেক্টৰ প্ৰদান কৰিম আৰু এই বছৰতে প্ৰায় ১০০ খনতকৈ অধিক গোটে আমাক ট্ৰেক্টৰ বিচাৰি আবেদন কৰিছে আৰু আমি দিবৰ কাৰণে নিৰ্বাচন কৰিছো ।এই ক্ষেত্ৰত সহজোৰে মই কৈছো আমাৰ বিধায়ক মন্ত্ৰীৰ ফালৰ পৰা কোনো হেঁচা প্ৰয়োগ কৰা নাই। যিয়ে যি ইচ্ছা সেইমতে ট্ৰেক্টৰ লবলৈ সক্ষম হৈছে আৰু সেইমতে আগবাঢ়ি গৈছে। এইক্ষেত্ৰত বিৰোধীয়ে যি দুৰ্নীতিৰ অভিযোগ আনিছে সেই অভিযোগ কাহানিও সত্য নহয়। মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ একান্ত ইচ্ছাৰ কাৰণে আজি অসমত বহুত কাম হ'ল। আজি ঢলা শদিয়া দলং মুকলি কৰিব পৰা হ'ল। আপোনালোকৰ দিনত ঢলা শদিয়াৰ কাম সম্পূৰ্ণ নহ'ল। আপোনালোকে ঢলা শদিয়াৰ খুঁটি পুতি এৰি দিলে। আপোনালোকে সম্পূৰ্ণ কৰিব নোৱাৰিলে। যোৱা তিনিটা বছৰত আমাৰ প্ৰধান মন্ত্ৰী গৰাকীয়ে দেখুৱাই দিলে "হাম সিৰ্ফ বাত কে আদমী নেহী হ্যায়, কাম কে লোগ হ্যায় "। আমি কামৰ মানুহ বুলি প্ৰমাণ কৰি দেখুৱালো আৰু সেই কাৰণে আজি ঢলা শদিয়াৰ দলং হ'ল আৰু কিছুদিনৰ পিছত আপোনালোকে দেখিবলৈ পাব বগীবিল দলং সম্পূৰ্ণ হোৱা। ২০১৮ চনত হয়তো বগীবিলৰ দলং মুকলি কৰিব আৰু বগীবিলৰ দলং মুকলি হোৱাৰ লগে লগে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰ আৰু দক্ষিণ পাৰৰ এটা বিৰাট সমন্বয় ঘটিব। আৰু এতিয়া যিধৰণৰ সমন্বয় আছে, তাতকৈ অধিক সমন্বয়ৰ মাজেদি অসমীয়া সমাজখন আগবাঢ়ি যাব। গতিকে এই ক্ষেত্ৰত আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ শলাগ ল'বই লাগিব। আজি প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ কাৰণে অসমত এইমচ হ'বলৈ গৈ আছে। প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ কাৰণে অসমত পি এম জি এচ ওৱাইৰ অধীনত হাজাৰ হাজাৰ ৰাস্তা নিৰ্মাণ হৈছে। মোৰ মৰাণ সমষ্টিতো ৪৮ টা ৰাস্তা নিৰ্মাণ কৰিবৰ কাৰণে মই এইবাৰ অনুমোদন পাইছো। কিন্তু এই ৪৮ টা ৰাস্তাৰ ৩০ টাও কংগ্ৰেছৰ শাসন কালত তেওঁলোকে বনাই দেখুৱাব নোৱাৰিলে। কিন্তু তেখেত সকলে আমাক সমালোচনা কৰে। এইধৰণে আমাৰ চৰকাৰে

আগবাঢ়ি গৈ আছে আৰু এই যে বিৰোধীয়ে আমাৰ সদিচ্ছা নোহোৱাৰ কথা কৈ থাকে এইবিলাক অৰ্থহীন আৰু যুক্তিহীন বুলি মই ভাৱো। মাননীয় অধ্যক্ষ মহোদয়, আজি শিক্ষাৰ ক্ষেত্ৰতো আমি শিক্ষা মন্ত্ৰী গৰাকীৰ যথেষ্ট শলাগ ল'ব লাগিব। তেখেতে যথেষ্ট আন্তৰিকতাৰে কাম কৰিছে. শিক্ষক, ছাত্ৰ-ছাত্ৰী তথা দুখীয়া পিতৃ-মাতৃ সকলক সকাহ দিবৰ কাৰণে। তাৰ ভিতৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলক বিনা মূলীয়া নামভৰ্ত্তি কৰোৱা, পৰীক্ষাৰ মাছুল বিনামূলীয়া কৰোৱা, তদুপৰি ভাল নম্বৰলৈ যিসকল ছাত্ৰীয়েপাছ কৰিছে, তাৰে ১০০০ গৰাকীক ইতিমধ্যে স্কুটি প্ৰদান কৰিছে। প্ৰথম বিভাগ পোৱাসকলক ইতিমধ্যে লেপ্‌টপ প্ৰদান কৰিছে আৰু বিভিন্ন ধৰণৰ দুখীয়া কৃষক-শ্ৰমিকক সুবিধা প্ৰদান কৰিছে। গতিকে এই আটাইবোৰ কামৰ বাবে মই শিক্ষা মন্ত্ৰীৰ শলাগ লৈছো। সেইদিনা মই ইয়াত সদনৰ ভাষণ বিতৰ্কত এজন সদস্যৰ পৰা শুনিলো যে চাহ জনজাতি সকলে হেনো এই চৰকাৰৰ দিনত সফলতা লাভ কৰিবলৈ সক্ষম হোৱা নাই। চাহ জনগোষ্ঠীৰ কাৰণে আমাৰ চৰকাৰে একো কাম কৰা নাই। প্ৰথমে মই আপোনালোকে আপোনালোকৰ চৰকাৰৰ দিনত ১৫ বছৰত কিমান কাম কৰিলে তাৰ হিচাপ দিয়ক। তাৰ পিছত আমি হিচাপ দিম আমাৰ চৰকাৰে কিমান কাম কৰিলে। আমাৰ চৰকাৰৰ দিনত অসমৰ সকলো জিলাৰ লগতে মোৰ সমষ্টিতো তিনিখনকৈ MMU(Mobile Medical Unit) দিয়া হৈছে । ৩খন ভ্ৰম্যমান গাড়ী আছে য'ত ডাক্তৰ আছে, নাৰ্চ আছে আৰু য'ত বিভিন্ন পৰীক্ষা যেনে থু-খেকাৰ, শৌচ-প্ৰস্ৰাৱ আদি বিনামূলীয়াকৈ কৰিব পাৰি। মোৰ মৰাণ সমষ্টিৰ যি সমূহ বাগানত চিকিৎসালয় নাই, সেইবোৰ বাগানত তেওঁলোকে ঘূৰি ফুৰে আৰু শ্ৰমিক সকলে দেওবাৰ আৰু যেতিয়া তেওঁলোকৰ বন্ধ থাকে তাতে তেওঁলোকে বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰে। এইবোৰ আমাৰ চৰকাৰে কৰা সেৱা নহয় নেকি? কিন্তু আপোনালোকে এইবোৰ নেদেখে। ইয়াৰ উপৰিও আমাৰ বাগিছাৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে গোটেই অসমত কেইবাখনো মডেল স্কুল কৰিবৰ কাৰণে চৰকাৰে আঁচনি গ্ৰহণ কৰিছে। মোৰ মৰাণ সমষ্টিতো দুখনমান স্কুল গঠন কৰিব। আৰু এই স্কুল সমূহ মডেল স্কুল হিচাপে গঠন কৰা হ'ব য'ত দুখীয়া কৃষক-শ্ৰমিকৰ ল'ৰা-ছোৱালীৰ পঢ়াৰ ব্যৱস্থা কৰিব, তেওঁলোকে যি পঢ়াৰ সুবিধা পোৱা নাছিল সেই সুবিধা তেওঁলোকে গ্ৰহণ কৰিব পাৰিব। মাননীয় অধ্যক্ষ মহোদয়, এনেধৰনে খোৱা পানীৰ ব্যৱস্থা কৰিবৰ কাৰণেও আমাৰ জনস্বাস্থ্য কাৰিকৰী যিটো বিভাগ আছে, এই বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীৰিহণ দৈমাৰী ডাঙৰীয়া উপস্থিত আছে সদনত তেখেতে ইতিমধ্যে বিভিন্ন ব্যৱস্থা হাতত লৈছে। মই মোৰ নিজৰ মৰাণ সমষ্টিৰ কথাকে কৈ আছো। মোৰ সমষ্টিৰ দুখন চাহ বাগিছাত দুটা নতুন খোৱা পানী যোগান আঁচনি ব্যৱস্থা কৰিবৰ কাৰণে আমাক ইতিমধ্যে প্ৰস্তাৱ দিছে। ইতিমধ্যে মাটিৰ বাবে তেওঁলোকে বাগিছাৰ পৰা এন ও চি লৈছে। গতিকে এইবিলাক উন্নতি নহয় নেকি? ইয়াৰ ওপৰিও আমাৰ চৰকাৰে এখন অভিলাষী আঁচনি গ্ৰহণ কৰিছে । যিবিলাক বাগিছাৰ শ্ৰমিক আছে, বিশেষকৈ বাগিছাৰ মহিলা শ্ৰমিক যিসকল আছে নিজৰ দৰিদ্ৰতাৰ কাৰণে , আৰ্থিক দৈন্যতাৰ কাৰনে তেওঁলোকে গৰ্ভত সন্তান ধাৰণ কৰাৰ পিচতো পাত ছিঙিবলৈ যাব লগা হয়। আনকি সন্তান জন্ম হ'বলৈ হয়তো এক - ডেৰমাহ আছে তেনে অৱস্থাতো তেওঁলোকে পাত ছিঙিবলৈ যাবলৈ বাধ্য হয়। কিন্তু আজি আমাৰ চৰকাৰে এখন আঁচনি প্ৰৱৰ্ত্তন কৰিবলৈ গৈ আছে। হয়তো এই বিধান সভা অধিবেশনৰ পিচতে এই আঁচনি ঘোষণা কৰিব। এই আঁচনি আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই আপোনালোকক জনাব। এই আঁচনিখন হ'ল যে, গৰ্ভৱতী মহিলাবিলাকক সন্তান জন্ম হোৱাৰ ৪ মাহৰ আগৰ পৰা প্ৰতি মাহে ৩ হাজাৰকৈ মুঠ ১২ হাজাৰ টকা দিবৰ কাৰনে ইতিমধ্যে আমাৰ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। গতিকে এইবিলাক উন্নয়ণৰ নমুনা হয়নে নহয়? এইবিলাক তেওঁলোকৰ প্ৰতি আমাৰ চৰকাৰখনৰ দায়বদ্ধতা হয়নে

নহয় আপোনালোকে নিজে এবাৰ ভাবিব। শ্ৰমিকৰ মজুৰী বৃদ্ধিৰ ক্ষেত্ৰতো আমাৰ চৰকাৰে কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰিছে। গতিকে চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ ক্ষেত্ৰত বিভিন্ন পক্ষ তাত জড়িত হৈ থাকে। এচ ই এম এ জডিত্ হৈ থাকে, চৰকাৰ জড়িত হৈ থাকে, শ্ৰমিক ইউনিয়নৰ হৈ এচ এম ই এচ জড়িত হৈ থাকে, বাগানৰ মালিক পক্ষ জড়িত হৈ থাকে। গতিকে গোটেইকেইটা পক্ষৰ সন্মতিতহে শ্ৰমিকৰ মজুৰী নিৰ্ণয় কৰাটো সম্ভৱ। কিন্তু এইক্ষেত্ৰত আমাৰ চৰকাৰে আগভাগ লৈ কাম কৰিছে। গতিকে এই কথাবিলাক আপোনালোকে দেখিও নেদেখাৰ ভাও জুৰা কাৰণে আমি অলপ হতাশ হৈছো। আৰু এটা কথা আপোনালোকক ক'ব লাগিব যে যি কেইগৰাকী সদস্যই ভাবি আছে যে, আমাৰ চৰকাৰে একোৱে কৰা নাই, আমাৰ চৰকাৰে শ্ৰমিকসকলক কেৱল টকা পইচা দি উন্নয়ণৰ কাম সাধিব খোজা নাই, আমাৰ চৰকাৰে এই পিছ পৰি থকা চাহ জনগোষ্ঠীয় ৰাইজক বৌদ্ধিক আৰু শৈক্ষিক দিশত উন্নতিৰ কাৰনেও বহু কাম ইতিমধ্যে আৰম্ভ কৰি আগবঢ়াই লৈ গৈছে। বৌদ্ধিক দিশত আজি কিছু দিনৰ আগতে , দুই- তিনি মাহ আগত ডিব্ৰুগড়ত মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ উপস্থিতিত শ্ৰমিক কল্যাণ দিৱস পালন কৰা হৈছে। সন্তোষ কুমাৰ তপ্প' এগৰাকী বিশিষ্ঠ চাহ শ্ৰমিক যিগৰাকী ব্যাক্তিয়ে স্বাধীনতাৰ যুজঁত আগভাগ লৈছিল, যিগৰাকীয়ে গোটেই জীৱন কেৱল চাহ জনগোষ্ঠীৰ মঙ্গলৰ বাবে কাম কৰি গ'ল। সেই গৰাকী মানুহক কোনেও চিনি নাপালে, কোনো কংগ্ৰেছীয়ে কাহানিও উদ্ধাৰ কৰিব নোৱাৰিলে। কিন্তু আমাৰ চৰকাৰৰ ডেৰ বছৰৰ ভিতৰত তেখেতক উদ্ধাৰ কৰি আনি তেখেতৰ জন্ম দিনটো শ্ৰমিক কল্যাণ দিবস হিচাপে পালন কৰিবলৈ সিদ্ধান্ত ঘোষণা কৰিলে। গতিকে এইবিলাক হৈছে আমাৰ চৰকাৰৰ উন্নয়ণৰ নমুনা, চাহ জনগোষ্ঠীয় ৰাইজৰ কাৰনে আমাৰ চৰকাৰে দায়বদ্ধতাৰে কাম কৰিব। মই দীঘলীয়া নকৰো, কেৱল মাত্ৰ আপোনালোকৰ আগত উল্লেখ কৰিব বিচৰিছো। আমাৰ কৃষকসকলৰ বাবে আমাৰ ভূমি আৰু ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াক আমি ধন্যবাদ জ্ঞাপন কৰিছো। আজি হাজাৰ হাজাৰ বছৰ বাদ পৰি থকা অসমৰ খিলঞ্জীয়া বহু ভূমি পুত্ৰ কিন্তু আজিও ভূমিহীন হৈ আছে। যাৰ মাটি দখল কৰি তাত বাস কৰি আছে কিন্তু কোনো ম্যাদী পট্টা নাই। সেই কাৰণে তেওঁলোকক পট্টা দিবলৈ আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। আজি এগৰাকী সন্মানীয় সদস্যই উল্লেখ কৰিছে যে ভূমিৰ পট্টা খিলঞ্জীয়াক দিয়া নাই। মই মোৰ সমষ্টিৰ কথাই কৈছো যে, মোৰ মৰাণ সমষ্টিত আজি ডেৰটা বছৰত ৮০০ মানুহক পট্টা এলটমেন্ট দিয়াত এই বছৰ আমি সক্ষম হৈছো। আজি দুমাহ আগতে আমি ৮০০ মানুহ এলটমেন্ট দিছো। মই ২০০৮ -২০০৯-২০১০-২০১১-২০১২-২০১৩-২০১৪ চনলৈকে ফাইল মই চাইন কৰিব লগা হৈছে। মোৰ স্বাক্ষৰত আজি মাটি প্ৰদান কৰিব লগা হৈছে। এই ব্যৱস্থা কৰিলে আপোনালোকে আপোনালোকে ক'ত মাটি দিলে? গতিকে এনেকুৱা ধৰণৰ ভুল কথাৰে সদনক বিপথে পৰিচালনা কৰিব বিচৰাটো আপোনালোকৰ কাৰনে লজ্জাৰ কথা বুলি মই বিশ্বাস কৰো। গতিকে মাননীয় অধ্যক্ষ মহোদয় মই এই ৰংটোৰ কাৰনে মই বৰ ভয় লাগে সেই কাৰণে মই লুকুৱাই ৰাখিছিলো। আজি সদনৰ বাহিৰে ভিতৰে এই ৰংটো লৈ বৰ উত্তাল হৈ থাকে। বহু আলোচনা -বিলোচনা হৈছে। সেই দিনা বিৰোধীয়ে আমাৰ এই ৰংটোৰ কাৰণে চাহ নোখোৱাকৈ গুছি গ'ল। মই আচৰিত হ'লো যে এই ৰংটোত কি আছে? এই ৰংটোক বোলে গেৰুৱা বুলি কয়। কিন্তু এই ৰংটোক লৈ আজি বিৰোধী সংকিত। তেওঁলোকে পাহৰি যোৱা অনুচিত যে, আমাৰ দেশৰ ৰাষ্ট্ৰীয় পতাকাৰ ওপৰত থকা ৰংটো গেৰুৱা ৰং। আপোনালোকে মন কৰিব আপোনালোকৰ নিজৰ দলৰ পতাকাতো এই গেৰুৱা ৰংটো আছে। কিন্তু আপোনালোকে এই ৰংটো দেখি বেয়া পায়। মই বহুজনৰে লগত কথা পাতিলো, এজনে মোক সঠিক উত্তৰ দিয়া

যেন লাগিল। তেখেতে ক'লে এই ৰংটো বোলে আৰ এচ এচৰ পতাকাৰ ৰঙ। সেই কাৰনে তেওঁলোকে বেয়া পায়। আৰ এচ এচৰ ৰং কাৰনে আমি এই ৰঙটো প্ৰত্যাখান কৰিম নেকি? এইটো কেনেকুৰা কথা, যিটো ৰং আমাৰ ৰাষ্ট্ৰীয় পতাকাত আছে আৰু সেইটো এটা সংগঠনে লোৱা বাবে আমি তাক প্ৰত্যাখান কৰিম এই কথাটোত কিবা যুক্তি আছেনে বিৰোধীসকল । আপোনালোকক মই সুধিম , এনেকুৰাধৰনৰ যুক্তিহীন কথাবিলাকত আপোনালোকে লাগি থকাতকৈ সকলোৱে মাজত সমন্বয়ৰ ভাবেৰে এখন সুন্দৰ চৰকাৰ চলাবলৈ আপোনালোকে এটা পৰিবেশ নিৰ্মান কৰি দিয়ক। কেৱল সমালোচনাৰ নামত সমালোচনা কৰাতকৈ দেশ আৰু জাতিৰ নামত আপোনালোকে আমাৰ লগত আহক, আমাৰ মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াক সহায় কৰক, আমাৰ চৰকাৰক সহায় কৰক। আমি একেলগে আগুৱাই যাওঁ , ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ.. অনাৰেৱল চীফ মিনিষ্টাৰ।

**শ্ৰীসৰ্ব্বানন্দ সোনোৱাল, মূখমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৱা ৬ ফেব্ৰুৱাৰী তাৰিখে মাননীয় ৰাজ্যপাল মহোদয়ে, আগবঢ়োৱা ভাষণৰ ওপৰত সদনতসন্মানীয় বিধায়ক সকলে for the motion against the motion এই বিতৰ্কত অংশ গ্ৰহণ কৰিলে। মই মাননীয় বিধায়ক, শ্ৰীদেবানন্দ হাজৰিকা, শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানী, শ্ৰীবৃন্দাৱন গোস্বামী, শ্ৰীহাফিজ বছিৰ আহমেদ, শ্ৰীমহেশ্বৰ বড়ো , শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্যী, শ্ৰীৰেকিবুদ্দিন আহমেদ, শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা , শ্ৰীমামুন ইমাদাদুল হক চৌধুৰী, ডঃ ৰণোজ পেগু, শ্ৰীদূৰ্গা ভূমিজ, শ্ৰীকমল সিং নাজাৰী , শ্ৰীৰূপক শৰ্মা, শ্ৰীভূৱন পেগু, শ্ৰীকমলাখ্য দে পুৰকায়স্থ, শ্ৰীমতী সুমন হৰিপ্ৰিয়া, শ্ৰীঋতুপৰ্ণ বৰুৱা, শ্ৰীগুৰুজ্যোতি দাস , শ্ৰীআমিনুল ইছলাম , শ্ৰীমিহিৰ কান্তি সোম, শ্ৰীৰূপজ্যোতি কুৰ্মী, শ্ৰীৰমা কান্ত দেউৰী আৰু শ্ৰীচক্ৰধৰ গগৈ, মই আপোনালোক সকলোটিলৈ ধন্যবাদ জ্ঞাপন কৰিছো। ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণ বিতৰ্কত অংশ গ্ৰহণ কৰাৰ বাবে আৰু আজি আপোনালোকৰ অংশ গ্ৰহণে ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ গুৰুত্ব বৃদ্ধি কৰিলে। বিভিন্ন দিশ আপোনালোকে সুক্ষ্মভাৱে পৰ্য্যালোচনা কৰিলে। চৰকাৰখনৰ দৃষ্টিভঙ্গী সন্দৰ্ভত আপোনালোকৰ ক'বলগীয়াখিনি মুক্ত মনে ব্যক্ত কৰিলে, সেইটো হৈছে গণতন্ত্ৰৰ পৰম্পৰাৰ আটাইতকৈ উল্লেখযোগ্য পৰম্পৰাৰ মুল্যবোধ। আৰু আমি গণতন্ত্ৰৰ শক্তি এনেধৰণে বৃদ্ধি কৰি যাব লাগিব। গণতন্ত্ৰৰ অৰ্থটো হৈছে people's participation. আৰু আপোনাকে জনপ্ৰতিনিধি হিচাপে আজি এই পৱিত্ৰ সদনত মুক্তমনে ৰাইজৰ কথা ব্যক্ত কৰি আজি সদনৰ মৰ্য্যদা বৃদ্ধি কৰিছে। তাৰ বাবে মই আপোনালোকক ধন্যবাদ জনাইছো। আমি সকলোৱে একেলগে মিলি এই পৱিত্ৰ সদনত অসমৰ বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ -ভৈয়ামত বসবাস কৰা ৩ কোটি ৩০ লাখ মানুহৰ বাবে কাম কৰিবলৈ আহিছো। আমাৰ লক্ষ্য এটাই যে অসমৰ সৰ্ব্বাংগিন উন্নয়নৰ বাবে নিষ্ঠাৰে কাম কৰা, সততাৰে কাম কৰা। গতিকে সেই লক্ষ্যত উপনীত হ'বৰ বাবে আমি সকলোৱে দায়িত্ব সহকাৰে, দায়বদ্ধতাৰে কাম কৰিবই লাগিব। আৰু জনসাধাৰণে আমাৰ পৰা সেইখিনিয়ে আশা কৰে। গতিকে মই বিশ্বাস ৰাখিছো, সেই শক্তিশালী গণতান্ত্ৰিক মুল্যবোধৰ অনুভুতিৰে আপোনালোকে আগন্তুক দিনত দৃঢ়তাৰে কাম কৰি যাব। এইখন চৰকাৰে দায়িত্ব লোৱা দিনৰে পৰা ৰাইজক আশ্বাসত লৈ সকলোৱে সৰ্ব্বাংগীন উন্নয়নৰ বাবে কাম কৰি আহিছো। আমি এনে কোনো সিদ্ধান্ত লোৱা নাই, য'ত বৈষম্য থাকিব পাৰে। There is no discrimination in our decision আমি শাসক বিৰোধী সকলো বিধায়কক সম-মৰ্য্যদা প্ৰদান কৰিছো। আৰু সেই বাবে হয়তো আপোনালোকে দেখিছে বিধায়ক পুঁজিৰ ক্ষেত্ৰতো কোনো ধৰণৰ শাসক দল হিচাপে বিৰোধী বিধায়কৰ প্ৰতি আমি কৃপণালী কৰা নাই। গতিকে এইবিলাকে হৈছে গণতন্ত্ৰৰ আটাইতকৈ গুৰুত্বপূৰ্ণ,

লক্ষণীয় আৰু আদৰ্শগত সিদ্ধান্ত। গতিকে আমি সেই আদৰ্শ এই কাৰণে প্ৰতিষ্ঠা কৰিব বিচাৰিছো যে এইখন অসমত উঠি অহা চামটোৱে আমালৈ চাই আছে। আমি যেনেধৰণে কাম কৰো সেই কামকে তেখেতসকলে আগন্তুক দিনত অনুসৰণ কৰিব। এইবিলাক পৰম্পৰা মূল্যবোধ এই কাৰণে প্ৰতিষ্ঠা কৰিছো, আমি যদি সংকীৰ্ণতাৰ পূজাৰী হলো হৈ এনেধৰণৰ মহৎ চিন্তাৰ অধিকাৰী কেতিয়াও হব নোৱাৰিলো হয়। গতিকে এই বাবে আপোলোকে সদায় এইটো কথা মনত ৰাখিব এইখন চৰকাৰে স্বচ্ছতাৰে কাম কৰাৰ বাবে প্ৰতিজ্ঞা বদ্ধ হৈছে। এইটো সস্তীয়া ৰাজনীতি কৰিবলৈ নহয়। কাৰণ উঠি অহা চামটোক ভাল মানুহ হিচাপে গঢ় দিব লাগিব। আৰু এই প্ৰতিযোগিতাৰ পৃথিৱীত অসমক শ্ৰেষ্ঠ ৰাজ্য হিচাপে যদি গঢ় দিব লগা হয় তেতিয়াহলে ভৱিষ্যতৰ প্ৰজন্মক এতিয়াৰ পৰা ভাল শিক্ষা প্ৰদান কৰিব লাগিব। কামে কাজে তেখেত সকলক উল্লেখযোগ্য দৃষ্টান্ত দাঙি ধৰিব লাগিব। গতিকে সেই বাবে এই কথা বিলাক আমি অত্যন্ত সতৰ্কতাৰে আগবাঢ়িছো। আমাৰ অসমৰ প্ৰথম মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ grouping ৰ ৰাজ্যখনক উদ্ধাৰ কৰি, আমাৰ জাতি মাটি ভেটি অধিক সুদৃঢ় কৰি তুলিছে। ঠিক তেনেধৰণে ৰাজ্যখনৰ সকলো সৰু বৰ জাতি জনগোষ্ঠীক লগত লৈ এখন সমৃদ্ধিশালী অসম নিৰ্মাণৰ বাবে এক বুনিয়াদ ৰচনা কৰিছিল। আমি সেই আৰ্দশৰে আগবাঢ়িছো। স্বৰ্গদেউ চাউলুঙ চুকাফাৰ আৰ্দশৰে এইখন অসমত সকলো জাতি গোষ্ঠীক আমি আঁকোৱালি লৈছো। সি সংখ্যাত সৰু হব পাৰে, কিন্তু অসমৰ বুকত যেনে বৰাকত, ব্ৰহ্মপুত্ৰত এনেধৰণৰ বহু জনগোষ্ঠী আছে। তেখেতসকলৰ পৰ্য্যাপ্ত পৰিমাণৰ জনসংখ্যা নথকাৰ বাবে তেখেতসকলে পঞ্চায়তৰ সভাপতি বা প্ৰতিনিধি হোৱাৰ পৰা বঞ্চিত হৈ আছে। সেই সকল জনগোষ্ঠীক কথা আমি ভাবিব লাগিব। সবকা সাথ সবকা বিকাশ এই নীতিক যদি আমি কৰ্মপন্থাত মূল্যাংকন কৰিব লগীয়া হয় আটাইতকৈ পিছ পৰা জনগোষ্ঠীক আমি সন্মুখলৈ আনিব লাগিব। আৰু সন্মুখলৈ অনাৰ বাবে আমি তেখেতসকলৰ বাবে আঁচনি প্ৰস্তুত কৰিব লাগিব। গতিকে আপোনালোকে দেখিছে এইখন চৰকাৰে দায়িত্ব লোৱাৰ লগে লগে বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ, ভৈয়মাৰ ৭০ টা জনগোষ্ঠীৰ সৰু বৰক লৈ আমি দুদিনীয়া সমাৰোহ পাতিছো। তাত আমি সকলোকে মুক্ত মনে তেখেতসকলৰ মনৰ দুখ-বেদনা ব্যক্ত কৰিবলৈ আহ্বান জনাইছিলো। মই নিজে বহি আছিলো আৰু মাননীয় সতীৰ্থ মন্ত্ৰী, বিধায়কসকলো আছিল তাতে। আমি সকলোৱে শ্ৰদ্ধাৰে তেখেতসকলক বক্তব্য শুনিছিলো। হৃদয়ৰ আৰ্তনাদ আমি উপলব্ধি কৰিবলৈ চেষ্টা কৰিছো। এই বাবে সবকা সাথ সবকা বিকাশ এই শব্দ কেইটাক যদি সঠিক ভাৱে মুল্যাংকন কৰিব লগা হয়, তেতিয়া হ'লে সকলোৰে কথা শুনিব লাগিব ধৈৰ্য্য সহকাৰে। আৰু সকলোৰে কথা শুনি তেনেধৰণে আমি আঁচনি প্ৰস্তুত কৰিব লাগিব, তেনেধৰণে ৰাষ্টা পদুলী নিৰ্মাণ কৰিব লাগিব। কোনোবা এটা জনগোষ্ঠীৰ যদি সংখ্যাত কম তেনেহ'লে তেখেতসকলৰ প্ৰতিবাদ এই গণতন্ত্ৰতবা এইখন পৃথিৱীত শক্তিশালী সেই জনগোষ্ঠীটোক যদি আমি ৰাষ্টা পদুলী, দলং নানাধৰণৰ সা-সুবিধাৰ পৰা বঞ্চিত কৰো তেতিয়াহলে অন্যায় কৰা হ'ব। গতিকে এই বাবে সেই পৰ্য্যায়লৈকে আমি গোটেই বিষয়টো উদ্ভাৱন কৰিবলৈ চেষ্টা কৰিছো। তেতিয়া inclusive society গঢ় দিয়াতো সম্ভৱ। সেই কথাটো মই দৃঢ়তাৰে বিশ্বাস কৰো, কাৰণ এই সুযোগ আজি মুখ্যমন্ত্ৰী হিচাপে মই থিয় হৈ বা Leader of the House হিচাপে আজি মই থিয় হৈ আপোনালোকৰ সন্মুখত যি কথা কেইটা কৈছে। অসমৰ ৰাইজে এই কথা বিলাক শুনি আছে। এইকণ যি সুযোগ প্ৰদান কৰিছে অসমৰ ৩ কোটি ৩০ লাখ মানুহে, এই কথাটো মই গভীৰভাৱে শ্ৰদ্ধাসহকাৰে উপলব্ধি কৰিব লাগিব। মোৰ নিজৰ বাবে নহয় মই যি কথা কম ৩ কোটি ৩০ লাখ মানুহক উদ্দেশ্য কৰি কম। আৰু তেখেতসকলৰ স্বাৰ্থত কম। সেইবাবে মই বিৰোধী দলৰ বিধায়ক সকলোকো আহ্বান জনাইছো

আমি এতিয়া ইতিবাচক দৃষ্টিভংগীৰে চিন্তা কৰাৰ সময় হ'ল। এগৰাকী মহান ব্যক্তিয়ে কৈছিল যে আমি যদি ইতিবাচক চিন্তা চৰ্চাৰ গৰাকী হওঁ, আমি সুস্থ আৰু সৰল। নেতিবাচক চিন্তা চৰ্চাৰ গৰাকী হৈছে বিকলাংগ সকল। তেখেতসকলে একো কৰিব নোৱাৰে। গতিকে আমি সকলোৰে সেই positive mindset develop কৰিব লাগিব। ভৱিষ্যৎৰ প্ৰজন্মৰ বাবে। তেখেতসকলক ভাল চিন্তা কি, ভাল কাম কি, ভাল পৰিৱেশ কি এই তিনিটা শব্দৰ মুল্যাংকন কৰি দেখুৱাব লাগিব। আৰু তেখেতসকলে তেতিয়া বুজি পাব আজি স্কুলত পঢ়া ছাত্ৰ-ছাত্ৰীসকলে, কলেজত পঢ়া ছাত্ৰ-ছাত্ৰীসকলে, বিশ্ববিদ্যালয়ত পঢ়া ছাত্ৰ-ছাত্ৰীসকলে, জনপ্ৰতিনিধি সকলক চাই থাকে । কোনে কি কাম কৰে, কোনে কি কথা কয়। আৰু আজি কালি মেডিয়া ইমান শক্তিশালী - ইলেক্টনিক মেডিয়া, প্ৰিন্ট মেডিয়া, ফেচবুক, টুইটাৰ ইত্যাদিৰ যোগেদি এতিয়া আৰু কোনো কথা লুকাই নাথাকে। সেই বাবে আজি ইয়াত বহুত কথাই আলোচনা হৈছে, কেলেংকাৰীৰ কথাৰ বাবে আপোনালোকে শংকা প্ৰকাশ কৰিছে , শংকিত হব নালাগে। মই এইকথাটো আপোনালোকক খুব আন্তৰিকতাৰে আৰু সততাৰে কৈছো যে এইখন চৰকাৰে কেতিয়াও দূনীতিৰ ওচৰত মুৰ নোদোঁৱায়। বেয়া কামৰ ওচৰত মুৰ নোদোঁৱায়। এই কথা স্পষ্ট। আৰু আমি যদি মুৰ দোঁৱাব লগীয়া হয় আমাৰ সৰ্বস্ব শেষ হৈ যাব। আমি কেতিয়াও সৰ্বস্ত শেষ হৈ যোৱাতো নিবিচাৰো। কাৰণ আমাৰ সৰ্বস্ত মানে বৃহত্তম অসমীয়া জাতিৰ ভাৱমূৰ্ত্তি, মৰ্য্যদা আৰু মুল্যবোধ বিনষ্ট হব। আৰু সেই কাম কৰিবলৈ এই পবিত্ৰ সদনত আমি প্ৰৱেশ কৰা নাই। গতিকে এই কথাটো আপোনালোকেও উপলব্ধি কৰিব। আজি আমাৰ চৰকাৰখনৰ প্ৰায় ২২ মাহ হ'বৰ হ'ল। ২, ৩ মাহ আছে দুবছৰ সম্পূৰ্ণ কৰিবলৈ। এইকেইটা দিনত মই দেখিছো অসমৰ ৰাইজে আমাক সৰ্বস্ব দিছে, চৰকাৰখন গঠন হোৱাৰ পিছৰে পৰা এতিয়ালৈকে এৰা দিয়া নাই। আমি দেখিছো অসমৰ ৰাইজে প্ৰতিটো কাৰ্য্যসূচীত আন্তৰিকতাৰে, স্বতঃফূৰ্ত ভাৱে সহায়যোগিতা আগবঢাইছে। মই নমামি ব্ৰহ্মপুত্ৰ, নমামি বৰাক এই দুয়োটা নতুন কাৰ্য্যসূচী দেখিলো মই ভাৱো ৰাইজে কেনেদৰে ল'ব বা কিন্তু ৰাইজক যেতিয়া আন্তৰিকতাৰে প্ৰাৰ্থনা জনালো, মই অভিভুত হ'লো। বৰাকতে হওঁক, ব্ৰহ্মপুত্ৰতে হওঁক। হিন্দু, মছুলমান, খ্ৰীষ্টান, বৌদ্ধ, জৈন সকলোৰে একাকাৰ হৈ গ'ল। কিমান সুন্দৰ মানৱীয় এটা চিন্তা ধাৰাৰ নিদৰ্শন। অসমৰ বুকুত এইবিলাক কথাই ভৱিষ্যৎ অসমখন গঢ় দিয়াত সহায় কৰিব। ঐক্যবদ্ধভাৱে কাম কৰাত উৎসাহ প্ৰদান কৰিব। আৰু এই পৰিৱেশটো দৰকাৰ। যেতিয়ালৈকে এই পৰিৱেশ ৰচনা নহয়, তেতিয়া অসমলৈ পৰিবৰ্তন কেনেকৈ আহিব। পৰিবৰ্তন মানে ৰাষ্টা পদুলী দলঙৰ পৰিবৰ্তন নহয়, মানুহৰ চিন্তা চৰ্চাৰ পৰিবৰ্তন, এজনে আন এজনক আঁকোৱালি লোৱাৰ পৰিবৰ্তন। গতিকে সেই মুল্যবোধৰ পৰিবৰ্তন বিলাকে এতিয়া নতুন চামটোৰ মাজত ইতিবাচক চিন্তা চৰ্চাৰ জোৱাৰ সৃষ্টি কৰিছে। বৰাক উপত্যাকলৈ গলো, কৰিমগঞ্জ, হাইলাকাণ্ডি, শিলচৰ বৰাক দুয়ো দাঁতিত লক্ষ লক্ষ জনতা। মই অভিভূত হ'লে। আমাৰ কেইবাগৰাকীও এ আই ইউ ডি এফৰ সাংসদো আছিল, বিধায়ক আছিল, বি জে পি, কংগ্ৰেছ আদি সকলো একাকাৰ হৈ গ'ল। গতিকে এনে ধৰণৰ আমি কাম কৰিব লাগিব। আপোনালোকে কয়লা কেলেংকাৰীৰ কথা কৈছে, Agriculture ৰ কথা কৈছে, শুনক মই আপোনালোকক পূৰ্বতেও কৈছো, এইবিলাক কেৱল মই বিধান সভাত ভাল লগাবলৈ কোৱা নাই। আমি অসমৰ ৰাইজৰ বাবে committed । মই বাৰে বাৰে এই কথাটো গভীৰভাৱে চিন্তা কৰো । আজি যদি মোৰ কিবা এটা ভুল হয় ৩ কোটি ৩০ লাখ মানুহৰ ক্ষতিগ্ৰষ্ট হব। সেই পাপ কৰিবলৈ মই ইয়ালৈ অহা নাই আৰু এই কাম নকৰো মই। গতিকে এই বাবে আজিৰ তাৰিখত Advantage Assam, কাৰ বাবে এই কাৰ্য্যসূচী লোৱা হৈছে। আজিৰ তাৰিখত কাৰ বাবে এড্ভান্টেজ আসাম কাৰ্য্যসূচী লোৱা হৈছে?

আমি অসমৰ বাহিৰলৈ গলৈ তাত যেতিয়া অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ কথা বিভিন্ন ধৰণে আলাপ-আলোচনা হয়, তেতিয়া কয়, আপকা উহা ক্যা হ্যে? ল এণ্ড অ'ৰ্ডাৰ, আতঙ্কবাদী, ভুক হাটাও, আপোনালোকৰ তাতটো একোৱেই নাই। অধ্যক্ষ ডাঙৰীয়া, এটা বিশেষ ধ্যান ধাৰণাৰে সম্পূৰ্ণৰূপে গোটেই অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিচ্ছবিখন ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত উপস্থাপন কৰা হৈছিল। কিন্তু এই ধ্যান ধাৰণাৰ আমি পৰিবৰ্তন কৰিব লাগিব। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ এই শক্তি আছে, যি শক্তিক, আজি আন্তৰিকতাৰে, শ্ৰদ্ধা সহকাৰে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আৱিস্কাৰ কৰিছে আৰু তেখেতে কৈছে আমাক ভাৰতবৰ্ষৰ অষ্ঠ লক্ষ্মী বুলি। কিহৰ কাৰণে কৈছে? তেখেতৰ সদ্ইচ্ছা আছে, আন্তৰিকতা আছে, সেইবাবেই কৈছে। সঁচাকৈৱে আমি অষ্ঠ লক্ষ্মী। আজি অসমৰ বুকুত যিমান সম্পদ আৰু সম্ভাৱনা আছে এই সম্পদ আৰু সম্ভাৱনাৰ বিকাশ ঘটাবলৈ হ'লে আমি আধুনিক ধ্যান ধাৰণাৰে আগবাঢ়িব লাগিব। বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্বাৰা ভৱিষ্যত প্ৰজন্মক মৰ্য্যদা সহকাৰে সংস্থাপিত কৰাৰ নিমিত্তে আমি এই পদক্ষেপ ল'ব লাগিব। গতিকে সেইবাবেই আমি দেশ-বিদেশৰ ¿ÂòÈûþáßÁ±ÏüßÁßÁÕ±Lá æÃ±Èù±¼Õ±ËÂ±ò±Èù±ËßÁÕ±ýÃÁAssam is a fertile land for investment. Most fertile land in the country. Before 1950, the Per Capita Income of the State was far higher than the National average. That was the strength of our economy before 1950. যদি সেই যোগ্যতা তেতিয়াই আছে, এতিয়া সেই যোগ্যতা কিয় শেষ হ'ব। সেই যোগ্যতা মজুদ আছে, কেৱল ইয়াক আধুনিক ধ্যান ধাৰণাৰে ইতিবাচক দৃষ্টিভঙ্গীৰে এটা নতুন আঁচনিৰ দ্বাৰা এই কামখিনি আগুৱাই নিবলৈ আমি এটা শক্তিশালী পদক্ষেপ ল'ব লাগিব। এই যুক্তিৰে আমি দুদিনীয়া কাৰ্য্যসূচীৰে বিনিয়োগ সন্মিলন আয়োজন কৰিলো। বিনিয়োগ সন্মিলনখনলৈ আমাৰ সতীৰ্থ মন্ত্ৰীসকলে বিভিন্ন দেশলৈ গৈ অসমৰ ৰাইজৰ হৈ বিনিয়োগকাৰীক আমন্ত্ৰণ জনালে আৰু আমাৰ আমন্ত্ৰণ ৰক্ষা কৰি America, Canada, U.K., Germany, Czech Republic, South Korea, Japan আৰু ASEAN দহখন ৰাষ্ট্ৰ, বি.বি.এন ৰাষ্ট্ৰসমূহে এই সন্মিলনত আন্তৰিকতাৰে অংশগ্ৰহণ কৰিলে। পৃথিৱীৰ ১২১টা প্ৰতিষ্ঠিত কোম্পানীয়ে ইয়াত অংশগ্ৰহণ কৰিলে আৰু তেখেতসকলে স্পষ্টভাৱে ব্যক্ত কৰিলে যে, আগন্তুক দিনত অসমত বিভিন্ন খণ্ডত বিনিয়োগ কৰিবলৈ প্ৰস্তুত। প্ৰায় উনাযি হাজাৰ কোটি টকাৰ বিনিয়োগৰ বাবে তেখেতসকলে প্ৰতিশ্ৰুতি প্ৰদান কৰিলে মেম'ৰেণ্ডাম অফ আণ্ডাৰষ্টেন্দিঙৰ জৰিয়তে। এইটো এটা সুবৰ্ণ সুযোগ, উঠি অহা প্ৰজন্মৰ বাবে। কাৰণ যিটো ধ্যান ধাৰণাৰ মাজত এই সমাজখনক ৰখা হৈছিল, সেই ধ্যান ধাৰণাৰ পৰা এই ইন্ভেষ্টৰচ চামিটৰ দ্বাৰা ৰাইজে মুক্তি পাইছে। ৰাইজে উন্নয়নৰ এটা নতুন পোহৰ পাবলৈ সক্ষম হৈছে, গতিকে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এই গোটেই কাৰ্য্যসূচী লোৱাৰ ক্ষেত্ৰত আৰম্ভনিৰ পৰাই যেনে ধৰণে আমাক উদ্গনি দি আহিছে, সহযোগিতা আগবঢ়াইছে, প্ৰতি গৰাকী কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰীয়ে আমাক যি ধৰণে সহযোগিতা আগবঢ়াই আহিছে , সেই কথা আপোনালোক সকলোৱে দেখিছে। গতিকে মই ভাবো যে আমি শাসক-বিৰোধী একাকাৰ হৈ এড্ভান্টেজ আমি ল'ব লাগে। Advantage Assam is not for the investor. It is for us. গতিকে মই ভাবো এই এড্ভানন্টেজ ল'বলৈ আপোনালোক সকলোৱে প্ৰস্তুত হওক। We will have to work like a Team Assam. এই কথা মই পূৰ্বতেও কৈছে। এতিয়া আমি একেলগে কাম কৰিবই লাগিব। আপোনালোকে এই দায়িত্বৰ পৰা সাৰি যাব নোৱাৰিব - মই আপোনালোককো লৈছো লগত। বিৰোধী বুলি বিধান সভাৰ মজিয়াত গণতান্ত্ৰিক ভাবে আপোনালোকে বিৰোধীদলৰ ভূমিকা পালন কৰিব, সেইটো আমাৰ

সকলোৰে কাম্য। কিন্তু লগতে সমাজখনৰ প্ৰতি, ৰাজ্যখনৰ প্ৰতি, যিটো আপোনালোকৰ দায়িত্ব আছে, সেই দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত আপোনালোকো অংশীদাৰ হ'ব লাগিব - এই চৰকাৰৰ। নহলে ৰাইজে আপোনালোকক প্ৰশ্ন কৰিব, কিয় আপোনালোক আঁতৰি আছে? আপোনালোকে উন্নয়ন ভাল নাপায় নেকি? কাৰণ এতিয়া উন্নয়নৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যসমূহৰ ভিতৰত প্ৰতিযোগিতা আৰম্ভ হৈছে, কোনে কেনে ধৰণে প্ৰথম স্থান দখল কৰিব পাৰে। বিভিন্ন ক্ষেত্ৰত, কৃষি খণ্ডত হওঁক, শক্তি ক্ষেত্ৰত হওক, প্ৰযুক্তিৰ ক্ষেত্ৰতেই হওক বিভিন্ন খণ্ডত আমি আমাৰ যোগ্যতা দক্ষতাক প্ৰতিষ্ঠা কৰিব লাগিব। সেইবাবেই আমি ৰাজ্য চৰকাৰখনে উন্নয়নৰ ক্ষেত্ৰৰ ক্ষিপ্ৰতাৰে আগবাঢ়িবলৈ যেতিয়া মত বিনিময় কৰিলো, আমাক বিনিয়োগকাৰী সকলে কলে, আপোনালোকৰ প'লিচি আছেনে, প'লিচি নাথাকিলে আমি কেনেকৈ ইনভেষ্ট কৰিব যাম? সেইবাবেই আমি আজি Sugar Policy, IT Policy, Biotechnology Policy, Sports Policy, Solar Energy Policy, Textile Policy, Tourism Policy আৰু Film Policy আমি ল'বলৈ গৈ আছো। এই প'লিচি বিলাক আমি এই কাৰণে লৈ গৈ আছে, কাৰণ ইনভেষ্টৰ মাতিবলগা হ'লে আমাৰ হাতত বিভিন্ন বিভাগত চৰকাৰৰ নীতি থাকিব লাগিব। সেই নীতিৰ আধাৰতে আমি আগন্তুক দিনত যৌথ ভাবে এই কামত আত্মনিয়োগ কৰিব লাগিব। এই দৃষ্টিভঙ্গীৰে Ease of Doing Business কাৰণ অসমৰ বুকুত ইনভেষ্টমেন্ট কৰাৰ পৰিবেশ আছেনে নাই, ইয়াত চৰকাৰী কাম-কাজত বহুত বেছি Bottlenecks আছে নেকি? Hurdles আছে নেকি? সেই কথাবোৰ বিনিয়োগকাৰী সকলে প্ৰশ্ন কৰে। সেইবাবেই অসমত খুব সহজেই যাতে চৰকাৰী কাম-কাজবোৰ হৈ উঠিব পাৰে তাৰ বাবে আমি Single Window System ৰ জৰিয়তে Ease of Doing Businessৰ ক্ষেত্ৰত যি প্ৰভাৱশালী পদক্ষেপ ল'লো তাৰ বাবে আজি ভাৰতবৰ্ষৰ বুকুত আমাৰ তৃতীয় স্থান আছে। গতিকে এই কথাবিলাক দেখি আজি বিনিয়োগকাৰীসকল উৎসাহিত হৈছে। ন'হলে মাটিৰ নামত এবছৰ ঘুৰাব, পাৱাৰৰ নামত এবছৰ ঘুৰাব, তাৰ পিছত হতাশগ্ৰস্ত হৈ বিনিয়োগকাৰী সকলে অসম ত্যাগ কৰে। বিনিয়োগকাৰী সকলক এইখন ৰাজ্যত বিনিয়োগ কৰাৰ বাবে environment তৈয়াৰ কৰিব লাগিব, Social Environment তৈয়াৰ কৰিব লাগিব, Economic Environment তৈয়াৰ কৰিব লাগিব। এই Environment তৈয়াৰ নকৰিলে কোনো বিনিয়োগকাৰী নাহে। তেখেতসকলৰ লেণ্ডিঙৰ বাবে এইখিনি কাম, কেৱল আমিয়েই নহয়, বিশ্বৰ যিকোনো ৰাষ্ট্ৰই যেতিয়া বিনিয়োগকাৰীসকলে বিনিয়োগ কৰিবলৈ যায় সেই পৰিবেশটো আগতেই তেখেতসকলে প্ৰস্তুত কৰে।' সেইবাবেই যোৱা ডেৰ বছৰত আমাৰ চৰকাৰখনে দায়বদ্ধতাৰে এই পৰিবেশ নিৰ্মাণ কৰাৰ বাবে আজি বিনিয়োগকাৰীসকলে স্বতঃস্ফুৰ্তভাৱে প্ৰায় পয়ত্ৰিশখন জেটৰে নিজা খৰছত আহি আমাৰ এই সন্মিলনত অংশগ্ৰহণ কৰিছে আৰু স্পষ্টভাবে বিনিয়োগ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। গতিকে মই ভাবো যে এই সুযোগটো আমি ল'ব লাগে, এইটো আমাৰ কাৰণে সুবৰ্ণ সুযোগ। আটাইটকৈ ডাঙৰ কথা 'Act East Policy' আপোনালোকে জানে আমাৰ অসমৰে প্ৰতিনিধি, প্ৰাক্তন প্ৰধান মন্ত্ৰী ডঃ মনমোহন সিং ডাঙৰীয়াই সেইসময়ত ক'লে যে আমি Look East policy টোক অগ্ৰাধিকাৰ দিম। Look East Policy টোৰ ক্ষেত্ৰত আপোনালোকে অধ্যয়ন কৰিছে যদি জানিব পাৰিছে তাত কি কি Provision আছে, এই কথাটো Define হোৱা নাই। গতিকে সেইবাবে মাননীয় মোডী ডাঙৰীয়াই কলে - নহয়, Look East নহয়, Act East অৰ্থাৎ Act must be converted into action. কেৱল Policy হিচাপে থাকিলে নহ'ব, ইয়াক কাৰ্য্যকৰী ৰূপ দিব লাগিব আৰু কাৰ্য্যকৰী ৰূপ দিবৰ বাবে ৰ'ড মেপ

প্ৰস্তুত কৰিব লাগিব। গতিকে সেইবাবেই তেখেতে আহি Act East Policy কৰিলে যাৰ দ্বাৰা কেৱল অসম নহয় সমগ্ৰ উত্তৰ-পূবাঞ্চলৰ ৰাজ্যসমূহক এটা সুবৰ্ণ সুযোগ প্ৰদান কৰিলে। তোমালোকক Act East Policyৰ যোগেদি ASEAN Countriesৰ দহখন ৰাষ্ট্ৰৰ সৈতে বাণিজ্যিক সম্পৰ্ক গঢ় দিয়াৰ নিমিত্তে আমি তোমালোকক এক সুযোগ প্ৰদান কৰিছো। ইয়াৰ বাবে communication and connectivity এই চেক্টৰটোক অগ্ৰাধিকাৰ দি আজিৰ তাৰিখত Road Communication, Rail Communication, Air Communication, Water Communication and High Speed Internet Connectivity এই পাঁচটা চেক্টৰত গুৰুত্ব প্ৰদান কৰাৰ কাৰণে আজি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহলৈ এটা সুবৰ্ণ সুযোগ আহিছে Now we can connect South-East Asia by way of communication and connectivity. আৰু আপোনালোকে জানি সুখী হ'ব, আমাৰ চৰকাৰে এই গোটেই বিষয়টো আগুৱাই নিবৰ বাবে যোৱা দিনবিলাকত যিধৰণে ভাৰত চৰকাৰৰ সৈতে মিলি পদক্ষেপ ললো ইয়াৰ ফলশ্ৰুতিত আজি বাংলাদেশৰ হাইকমিচন কাৰ্য্যালয় বহিল গুৱাহাটীত। ভূটানৰ Consulate ইয়াত প্ৰতিষ্ঠা কৰিব । আমি ভাৰত চৰকাৰ বৈদেশিক মন্ত্ৰালয়ক অনুৰোধ জনাইছো, তেখেতসকলৰ যোগেদি আমি ASEAN Countries বিলাকক মুকলিকৈ আহ্বান জনাইছো যে আপোনালোকৰ Consulate গুৱাহাটীত প্ৰতিষ্ঠা কৰক। এই Consulate সমূহ ইয়াত প্ৰতিষ্ঠা কৰাৰ লগে লগে আমাৰ ASEAN Countriesত যিমান সংখ্যক জনসাধাৰণ আছে তাৰে বাষষ্ঠি কোটিৰ বাংলাদেশত যোল্ল কোটি, আমাৰ চাৰে চাৰি কোটিAll together 800 million population. This is a huge market for any kind of producer. গতিকে সেইবাবেই আমাৰ উৎপাদিত সামগ্ৰী এই চুবুৰীয়া ৰাষ্ট্ৰসমূহত বিক্ৰী কৰিবলৈ পৰিবেশ নিৰ্মাণ কৰিব পাৰিলেহে আগন্তুক দিনত আমি কৃষি খণ্ড আৰু বিভিন্ন খণ্ডত লাভান্বিত হ'ম। আমাৰ লক্ষ্য হৈছে অসমৰ খেতিয়ক ৰাইজ উৎপাদনৰ ক্ষেত্ৰত যাতে স্বাৱলম্বী হ'ব পাৰে। আমাৰ লক্ষ্য হৈছে যি মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰী আছে যিসকলে ইয়াত মৰ্য্যদা সহকাৰে কৰ্ম সংস্থাপন নোপোৱাৰ বাবে, সুযোগ নোপোৱাৰ বাবে আজি ভাৰতবৰ্ষৰ বিভিন্ন উন্নত ৰাজ্য আৰু বিদেশলৈ ঢাপলি মেলে সেই মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে যেতিয়া আমাৰ সমাজ ত্যাগ কৰি বিদেশলৈ ঢাপলি মেলে, তেতিয়া আমাৰ মাজত এটা বিৰাট শূন্যতাৰ সৃষ্টি হয়। তেখেতসকল লৈ আগন্তুক দিনত যাতে আমি চুবুৰীয়া ৰাষ্ট্ৰ সমূহৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰো ইয়াৰ বাবে গুৱাহাটীক State Capital Region ৰ নামেৰে ইয়াৰ সিমা এলেকা বৃদ্ধি কৰা হৈছে আৰু Twin Tower, কাৰণ এহ Twin Tower এ আগন্তুক দিনক উঠি অহা প্ৰজন্মক আত্ম বিশ্বাস যোগাই তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ৬৫ মহলীয়া দুটা ঘৰ নিৰ্মাণ কৰাৰ বাবে আমি ইতিমধ্যে NBCC ৰ সৈতে চুক্তি স্বাক্ষৰিত কৰিছো। লক্ষ্য এটায়ে যে উঠি অহা চামটোৰ মাজত আত্ম বিশ্বাস যোগাই তুলিব লাগিব যে, আমি ও অসমৰ ৰাইজে যে কৰিব পাৰো এই ভাৱনা শক্তি যদি জাগ্ৰিত কৰি তুলিব লগীয়া হয়, তেতিয়া হলে পৰিৱেশ নিৰ্মাণ কৰিব লাগিব। পৰিৱেশ নেদেখালৈকে নতুন চামটো Convince নহয়। নহলে তেখেত সকলে বাহিৰলৈ গুচি যাব, কোনাবাই ইউৰোপ যাব কোনোবা আমেৰিকা যাব এনে ধৰণে গৈয়ে আছে, আমাৰ মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰী সকলৰ বহুত গৈ আছে বাহিৰলৈ ফলত কি হৈছে, আমাৰ সাংঘাতিক ধৰণে এটা Intellectual Vacum Develop হৈছে। যাতে সেই অৱস্থাটো অসমৰ নহয়, ইয়াৰ প্ৰতি লক্ষ্য ৰাখি আমি এই পৰিৱেশ বিলাক নিৰ্মাণ কৰিছো। আমাৰ দৃঢ় বিশ্বাস কিছুদিনৰ আগতে পৰম শ্ৰদ্ধাৰ ভূটানৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই গুৱাহাটীত থকা অৱস্থাতে তেখেতে

ঘোষণা কৰি গ'ল যে তেখেত সকলৰ Airline গুৱাহাটীৰ পৰা চিংগাপুৰলৈ আৰম্ভ কৰিব। গতিকে মই ভাৱো যে এই পদক্ষেপ বিলাক যেতিয়া আন্তৰিকতাৰে লোৱা হয তেতিয়া ইয়াৰ সুফল বিলাক লাহে লাহে আহিব ধৰে। আমি ও যোৱা দিন বিলাকত এইবোৰ সুফল পালো আৰু বাংলাদেশ চৰকাৰৰ পৰা মন্ত্ৰী সকল আহি আমাৰ ইয়াত সভাত স্পষ্ট ভাৱে তেখেত সকলে কৈ গ'ল যে বিভিন্ন Sector ত Invest কৰিবলৈ তেখেত সকল আগ্ৰহী। বাংলাদেশৰ লগত আমাৰ সম্পৰ্কটো এই বাবে উন্নত কৰিব লাগিব প্ৰধানকৈ যাতায়ত ব্যৱস্থাৰ বাবে, Internet Connectivity ৰ বাবে। যাতায়ত ব্যৱস্থা সুচল হোৱাৰ লগে লগে আমাৰ উৎপাদিত সামগ্ৰী বিলাকGlobal Market ত আমি বিক্ৰী কৰিব পাৰিম। যিটো কাম ইংৰাজৰ সময়ত হৈছিল, গতিকে মই ভাবো যে অসমৰ ভৰিষ্যত প্ৰজন্মৰ বাবে এইটো এটা সুবৰ্ণ সুযোগ, আমি ইয়াত এনেকুৱা ধৰণৰ পৰিৱেশ নিৰ্মাণ কৰিব লাগিব। নহলে আমি বিধায়ক হোৱাৰ বা মুখ্যমন্ত্ৰী হোৱাৰ কি অৰ্থ আছে, আমাৰ কাৰ্য্যকাল শেষ হ'ব আৰু অসমৰ সেই একেই চালুকীয়া অৱস্থা হব আৰু অসম এই অৱস্থাত থকাটো আমি নিবিচাৰো। অসমে উল্লেখযোগ্য ভাৱে ভাৰতৰ বুকুত স্থান পাওঁক আৰু সেই পৰ্য্যায়লৈ আমি অসমক নিবই লাগিব, আপুনি মই সকলোয়ে সমান্তৰাল ভাৱে প্ৰতিজ্ঞা বদ্ধ, দায়াবদ্ধ। নহলে আমাৰ কি অৱদান থাকিব, ইতিহাসে আমাক সম্পূৰ্ণ ৰূপে পাহৰি যাব। গতিকে ইতিহাসৰ বুকুত সোণালী আখৰৰ অধ্যায় যদি আমি লিপিবদ্ধ কৰিব পাৰো এইটো কেৱল আমাৰ বাবে নহয়, ভৰিষ্যত প্ৰজন্মৰ বাবে লেখিবলগীয়া হয় তেতিয়া হলে নিশ্চত ভাৱে এনে ধৰণৰ পদক্ষেপ লব লাগিব আৰু আমি গোটেই শাসণ ব্যৱস্থাটো, এই গোটেই পৰিৱেশটো Business Friendly কৰিবৰ কাৰণে আমাৰ এটা শক্তিশালী কৰ্মসংস্কৃতি তৈয়াৰ কৰিবৰ বাবে আৰু গোটেই আমাৰ পৰিক্ৰমাটো স্বচ্ছতাৰ ওপৰত ভিত্তি কৰি আমি গঢ় দিব ওলাইছো গতিকে এইবাবে দুৰ্নীতিৰ বিৰুদ্ধে নিৰন্তৰ অভিযান চলিছে। এইখন চৰকাৰে দায়িত্ব লোৱাৰ দিনৰে পৰা ৪টা বিষয়ৰ ওপৰত বিশেষ ভাৱে গুৰুত্ব দি আহিছে, সেইবোৰ হ'ল দুৰ্নীতিমুক্ত অসম, প্ৰদূষণ মুক্ত অসম, সন্ত্ৰাসবাদ মুক্ত অসম আৰু বিদেশী মুক্ত অসম আৰু এই ৪টা বিষয়তে আমি দৃঢ়তাৰে আত্ম নিয়োগ কৰি আহিছো। গতিকে মই ভাবো এই ক্ষেত্ৰত অসমৰ ৰাইজে যিখিনি সহযোগীতা আগবঢ়াইছে তাৰ বাবে অসমৰ ৰাইজলৈ মই অন্তৰৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু তেখেত সকলে নিশ্চত ভাৱে আগন্তুক দিনত সহায়-সহযোগ আগবঢ়াই যাব। কাৰণ তেখেত সকলে যেনে ধৰণে গোটেই বিষয়টো আন্তৰিকতাৰে লৈছে, মোৰ বিশ্বাস যে আগন্তুক দিনত আমি নিশ্চত ভাৱে পৰিবৰ্তন আনিব পাৰিম। কেৱল আপোনালোকক অনুৰোধ জনাইছো, শইকীয়া ডাঙৰীয়া আপোনাৰ সতীৰ্থ সকলক আহ্বান জনাইছো, বিৰোধীৰ আসনত বহিলেও আপোনালোকে মনত ৰাখিব যে যিকেইটা কাম চৰকাৰে জনসাধৰণৰ বৃহত্বৰ স্বাৰ্থত আন্তৰিকতাৰে কৰি আছে, সেই কামত আপোনালোকে চেঁচা পানী ঢালিবলৈ চেষ্টা নকৰিব। কাৰণ এইবাবে আপোনালোকক কৈছো, যে এতিয়া মই আগৰ কথা বিলাক তুলনা মূলক ভাৱে বেছি ব্যাখ্যা দাঙি ধৰিব নিবিচাৰো। আপোনালোকে বহুত কথায়ে কৈছে, দুৰ্নীতিৰ Chapter টো আপোনালোকে নুখুলিব কাৰণ দুৰ্নীতিৰ Chapter টো খুলিলে ইতিহাস গাব লাগিব আৰু বহুত কথা কব লাগিব I have so many figures but I want to build up the relationship, I Want to build up the Team Assam, With your support, the blessing of the people of Assam. সেই বাবে দুৰ্নীতিৰ Chapter টো আপোনালোকে আমাৰ ওপৰত এৰি দিয়ক, কাৰণ আমি এই দুৰ্নীতি নিৰ্মুল কৰা যাত্ৰাত আমি অৱতীৰ্ণ হৈছো আৰু ইয়াৰ পুলি-পোশালি আমি উভালি পেলাই দিম। Keep faith in us কাৰণ আজি অসমৰ বুকুত এটা শক্তিশালী যুৱ

শক্তিৰ বাবে পৰিৱেশ নিৰ্মাণ হৈছে, যুৱ বন্ধু সকলে আজি মই দেখিছো ক্ৰীয়াৰ ক্ষেত্ৰত অলপতে গুৱাহাটীত কেইবাখনো আন্ত ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ খেল সফলতাৰে অনুষ্ঠিত হৈছে। World women boxing championship, World youth boxing championship তাৰ পিছত FIFA under 17 আৰু তাৰ পিছত Badminton premier league এই গোটেইবোৰ খেলত আমি দেখিছো যে আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ৰ যি বিলাক Olympian Asian medalist তেখেত সকলে অংশ গ্ৰহণ কৰি আমাৰ উঠি অহা চামটোক ভাবি ব নোৱাৰোকৈ উৎসাতি কৰি গল আৰু গুৱাহাটী মহানগৰীত গুৱাহাটীৰ ৰাইজে আন্তৰিকতাৰে এই Sports event বিলাক সফল কৰাৰ বাবে দিনে-নিশাই যিমান কষ্ট কৰিলে তাৰ বাবে মই গুৱাহাটীৰ ৰাইজক আন্তৰিকতাৰে শ্ৰদ্ধা জনাইছো। আজি যাৰ বাবে FIFA ৰ তৰফৰ পৰা আমাক চাৰ্টিফিকেট প্ৰদান কৰা হৈছে। আইওৱাৰ তৰফৰ পৰা চাৰ্টিফিকেট প্ৰদান কৰা হৈছে আৰু অলপতে হকীটো উল্লেখযোগ্য সফলতা অৰ্জন কৰিছে অসমৰ যুৱক-যুৱতী সকলে। প্ৰথম বাৰৰ বাবে Under 19 ত আমাৰ পুৰুষৰ দলটোৱে ৰাষ্ট্ৰীয় Champion হিচাপে খিতাপ দখল কৰিবলৈ সক্ষম হৈছে আৰু দ্বিতীয়তে, মহিলা দলটোয়ে ও আজি ভাৰত বৰ্ষত ৰাষ্ট্ৰীয় Champion হিচাপে খিতাপ দখল কৰিবলৈ সক্ষম হৈছে, এই উল্লেখ যোগ্য সফলতাৰ অন্তৰালত অসমৰ ৰাইজৰ সহযোগীতা আছে। গতিকে মই ভাৱো যে এইখন চৰকাৰক ৰাইজে ইতিমধ্যে আন্তৰিক তাৰে লৈছে। এইখন চৰকাৰৰ বিৰোধীতা কৰি লাভ নাই, কাৰণ মই আন্তৰিকতাৰে কাম কৰি আছে, মই জানো যে I am working day and night with my colleague গতিকে এইবাবে আপোনালোকে বিশ্বাস ৰাখক আমাৰ চৰকাৰৰ ২বছৰ হবলৈ আৰু ২মাহ বাকী আছে। গতিকে আগন্তুক দিনত মই যিমানখিনি কাৰ্য্যসূচী ঘোষণা কৰিছো, তাৰ প্ৰতিটো কাৰ্য্যসূচী আমি নিষ্ঠাৰে পালন কৰিম আমাৰ বিদেশী মুক্ত অসমৰ ক্ষেত্ৰত, NRC ৰ ক্ষেত্ৰত সন্দেহ প্ৰকাশ নকৰিব। NRC ৰ ক্ষেত্ৰত মই আপোনালোকক অনুৰোধ জনাইছো যে অনাহকত সহজ-সৰল চৰ অঞ্চলত বসবাস কৰা বা বৰাক ভেলী এ হওঁক বা ব্ৰহ্মপুত্ৰ ভেলী হওঁক বান বিধস্ত, ক্ষতিগ্ৰস্থ ৰাইজক আপোনালোকে অনাহকত ভয় নোখোৱাব, বিভ্ৰান্তিকৰ বিবৃতি নিদিব, আমি চৰকাৰখন আছো। ইয়াত কোনো মানুহক আমি অকলশৰীয়া নকৰো, সকলোকে সন্মান সহকাৰে মৰ্য্যদা প্ৰদান কৰি জীয়াই থকাৰ স্বাৰ্থত আজি আমি অসমৰ বুকুত নিৰাপত্তা প্ৰদান কৰাৰ ক্ষেত্ৰত যি বলিষ্ঠ পদক্ষেপ লৈছো এই কথা আপোনালোকে স্বীকাৰ কৰা উচিত। কাৰণ মই নিজেই দক্ষিণ শালমাৰা, মানকাছাৰ তিনিবাৰ কিয় গৈছো আপোনালোকে কথা বিলাক উপলব্ধি কৰক, আগতে আপোনালোকে গৈছিল নে নাই মই নেজানো, মই তুলনামূলক বক্তব্যৰ নিদিওঁ। স্বাধীনতা দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি মই ধাপলি মেলিছো দক্ষিণ শালমৰা মানকাছাৰৰ বানবিধস্ত, ক্ষতিগ্ৰস্থ ৰাইজৰ ওচৰলৈ, ৰাইজে মোক কি কৈছে জানেনে "আপুনি একো নিদিলেও হব, আপুনি যে আহিলে এনে মুহুৰ্তত কোনো মুখ্যমন্ত্ৰীয়ে নাহে" এইবোৰ দেখুবালৈ নহয়, এইবোৰ হৈছে আন্তৰিকতা। দুখীয়া মানুহৰ মৰ্ম বেদনা উপলব্ধি কৰা মানবীয় অনুভূতি মোৰ আছে। মই বানপানীৰ সময়ত কাজিৰঙালৈ যেতিয়া গৈছিলো তাত যেতিয়া পানীৰ মাজত গড়, বনৰীয়া ম'হ, হাতী আৰু হৰিণাই একেলগে আছিল, আঠুলৈকে তাত পানী আছে, চাৰিওফালে পানী, খাবলৈ ঘাঁহ এদালো নাই, মই তাৰে ডাইৰেক্টৰক সুধিলো এই বন্যপ্ৰাণী বিলাক এনেকৈ থাকিব নেকি, তেতিয়া তেওঁ কলে যে এনেকৈ থাকিব ৩/৪ দিন একো নোখোৱাকৈ থাকিব। মই ভাবিলো এইটো হব নোৱাৰে আমিটো বানপানীত ৰাইজক Relief দিছো গতিকে সেই জীৱ-জন্তু বোৰক ও Relief দিব লাগিব। লগে লগে সেই নিশাই ঘাঁহৰ যোগান ধৰা হল, আৰু এটা মই গড় দেখিলো সি একেবাৰে

দুৰ্বল হৈ আছে, চিকিৎসা নাপালে হয়তো মৃত্যু মুখত পৰিব। Veterinary Doctor চাৰিঘন্টাৰ পিছত পঠিয়াই দিয়া হৈছে আৰু Treatment কৰা হৈছে। ভাৰতবৰ্ষৰ বুকুত এইয়ে প্ৰথম ঘটনা। গতিকে এইবিলাক কাম এই কাৰণে কৰা হৈছে যে এই খন চৰকাৰ, This Government with a difference, this Government believe in values. গতিকে আগন্তুক দিনত আমি এই দৃষ্টিভঙ্গীৰে চৰকাৰ খন আগুৱাই নিম। সকলো চেক্টৰতে আমাৰ বিভাগীয় মন্ত্ৰী সকলে সফলতাৰে কাৰ্য নিৰ্বাহ কৰিছে। Health sector, Education sector, ৰাজহ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত হওঁক, industry হওঁক, লেবাৰ বিভাগ হওঁক P & R D, Agriculture department, Water Resources, Sericulture and in every Sector and every Minister is performing well. সকলোৱে honestly কাম কৰি আছে। মাননীয় বিধায়ক সকলেও নিষ্ঠাৰে কাম কৰি আছে। গতিকে মই ভাৰো আগন্তুক দিনত চৰকাৰৰ তৰফৰ পৰা যি বিলাক আঁচনি আমি হাতত লৈছো এই আঁচনিবোৰ সফল ৰূপ দিয়াৰ ক্ষেত্ৰত আপোনালোকে সহায় আগবঢ়াব মাননীয় বিধায়ক সকলেও প্ৰদূষণ মুক্ত অসম নিৰ্মাণ প্ৰক্ৰিয়াত উল্লেখযোগ্য ভূমিকা পালন কৰক। কাৰণ জৈৱ বৈচিত্ৰৰে ভৰা এইখন অসমৰ সৌন্দৰ্য্য আৰু গৰীমা ৰক্ষা কৰিব লগা হলে আমি সকলোৱে বৃক্ষ ৰোপন যাত্ৰাত আত্মনিয়োগ কৰিব লাগিব। কাৰণ আমাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো এইটোৱে যে অসমলৈ বাহিৰৰ পৰা মানুহ আহে ইয়াৰ প্ৰাকৃতিক দৃশ্য চাবলৈ। পৰ্বত-পাহাৰ, ভৈয়াম, খাল-বিল, জান-জুৰি, নদ-নদী আৰু বাৰেৰহনীয়া সাংস্কৃতিৰে চহকী আমাৰ ৰাজ্য। জৈৱ বৈচিত্ৰতাৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ বাসস্থান অসম, গতিকে এইখন অসমৰ সৌন্দৰ্য্য ৰক্ষা কৰিব লগা হ'লে আমি প্ৰাকৃতিক দৃশ্যটো সকলো সময়তে সংৰক্ষণ কৰিব লাগিব। গছ-গছনি, পশু-পক্ষী, জীৱ-জন্তু আৰু মানৱ সমাজ এই তিনিখন সমাজৰ লগত সামঞ্জস্য ৰাখি আমি পৰস্পৰে পৰস্পৰৰ প্ৰতি শ্ৰদ্ধা ভক্তি ৰাখি এই অসমৰ সৌন্দৰ্য্য জীয়াই ৰাখিব লাগিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱ, মাধৱদেৱ আৰু আজানফকিৰৰ সমন্বয়ৰ আদৰ্শৰে এইখন অসমক আগুৱাই নিব লাগিব। গতিকে মই ভাৰো যে এই কামত আপোনালোকে দায়িত্ব ল'ব লাগিব। মই আগন্তুক দিনত নিশ্চিত ভাৱে খুৱ আনন্দ পাম যেতিয়া মাননীয় বিধায়ক সকলে নিজ নিজ সমষ্টিত ১০ কোটি গছ ৰোৱা লক্ষ্য যিটো আমি প্ৰতি বছৰে থিৰাং কৰিছো কাৰণ ভবিষ্যতৰ প্ৰজন্মক সু-স্বাস্থ্যৰ অধিকাৰী কৰি তুলিবলৈ হ'লে ইয়াৰ বায়ু মণ্ডল বিশুদ্ধ হৈ থাকিব লাগিব। আপোনালোকে জানিবলৈ পায় সুখী হ'ব যে পূৰ্বতে বন বিভাগৰ ইমানখিনি অভিজ্ঞতা নাছিল আমাৰ বন মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানীয়ে বহুত কষ্ট স্বীকাৰ কৰি কাম কৰি আছে, আমাৰ জনস্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই বহুত কাম কৰি আছে, গতিকে তেখেত সকলৰ পূৰ্বতে এইটোৰ ধ্যান ধাৰণা নাছিল কিমান সংখ্যক গছ ৰুব পাৰি। নাৰ্চাৰী কৰাৰ ব্যৱস্থা নাছিল। কিন্তু যেতিয়া আমি যোৱা ৫ জুলাই তাৰিখে ঘোষণা কৰিলো তেতিয়াৰ পৰা বন বিভাগে ৮ কোটি জোপা গছ নাৰ্চ্চাৰী কৰাৰ ক্ষেত্ৰত যোগ্যতা অৰ্জন কৰিছে বুলি জনাইছে। তেখেত সকলৰ সামৰ্থ আছে গতিকে মাননীয় বিধায়ক সকলেও যদি আগভাগ লয় তেতিয়াহলে এইখন অসম আমি ভবাৰ দৰে প্ৰদুষণ মুক্ত অসম, সুন্দৰ অসম হিচাপে জীয়াই ৰাখিব পাৰিম। কাৰণ জৈৱ বৈচিত্ৰতা জীয়াই ৰাখিবলৈ হলে আমি ফল-ফুল ঔষধি এই তিনি প্ৰজাতি গছ ৰুব লাগিব। ফল মূলৰ গছ থাকিলেহে আমাৰ বিভিন্ন পশু- পক্ষী বিলাক জীয়াই থকা সম্ভৱ হ'ব। ফুল গছ ৰোৱাৰ লগে লগে আমাৰ এটা সুন্দৰ দৃশ্যৰ সৃষ্টি হ'ব আৰু ঔষধি গছ এতিয়া পতঞ্জলি, ডাবৰ এইবোৰ প্ৰতিষ্ঠানে ইতিমধ্যে production আৰম্ভ কৰিছে, তেখেত সকলক raw মেটেৰিয়েল্চ লাগে। raw মেটেৰিয়েল্চ তেখেত সকলক যোগান ধৰিব লগা হ'লে আমাৰ

খেতিয়ক ৰাইজে যদি বিশেষ ভাৱে এই ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰে ভৱিষ্যতৰ দিনত উপাৰ্জনৰ ক্ষেত্ৰত স্বাৱলম্বী হ'ব। আমাৰ গ্ৰাম্য অঞ্চলৰ সৌন্দৰ্য্য বৃদ্ধি পাব, সেইবাবে মই অসমৰ প্ৰতিখন শিক্ষানুষ্ঠানত ফল ফুল ঔষধি গছ ৰোপন কৰাৰ ক্ষেত্ৰত মাননীয় বিধায়ক সকলে বিশেষ ভূমিকা পালন কৰাটো বিচাৰো। কাৰণ এই কাম চৰকাৰৰ কাৰ্য্যসূচী হৈ থাকিলে সফল নহয়। আপোনালোকে জানেই আমাৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই স্বচ্ছ ভাৰত অভিযান এই কাৰ্যসূচীটো চৰকাৰী কাৰ্য্যসূচী আছিল কিন্তু, ভাৰতবৰ্ষৰ ১২৫ কোটি জনগনক যেতিয়া আহ্বান জনালে, যে আপোনালোক সকলোৱে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰক আৰু আপোনালোকৰ তত্বাবধানত এই কাৰ্য্যসূচী সফল ৰূপ দিয়ক। আজি কাৰ্য্যসূচী এটা গণআন্দোলনলৈ ৰূপান্তৰ ঘটিল। গতিকে অসমৰ বুকুতো আমি বৃক্ষ ৰোপন যাত্ৰাটো গনআন্দোলনলৰ যাত্ৰা হিচাপে আগবঢ়াই দিব পাৰো যদিহে আমাৰ মাননীয় বিধায়ক সকলে, আমি দৃঢ়তাৰে এই ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ লওঁ। গতিকে মই বিশ্বাস ৰাখিছোঁ মাননীয় বিধায়ক সকলে এই ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰিব। আইন শৃংখলাৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ ফালৰ পৰা তৎপৰতাৰে যিকোনো ধৰণৰ অশান্তি সৃষ্টি হোৱাৰ লগে লগে সেই স্থানত পুলিচ গৈ উপস্থিত হয় আৰু আমাৰ আৰক্ষী বাহিনীয়ে দক্ষতাৰে এই কাম জনসাধৰণৰ স্বাৰ্থত কৰি আহিছে। গতিকে আপোনালোকে আজিৰ তাৰিখত দেখিছে যিমানবিলাক কিডনেপিং কেচ হৈছে, ক্ষেত্ৰতো উদ্ধাৰ অভিযানৰ ক্ষেত্ৰত আৰক্ষীয়ে তৎপৰতাৰে, যি দক্ষতাৰে কাম সম্পূৰ্ণ কৰিছে তাৰ বাবে মই আৰক্ষী সকলক ধন্যবাদ জনাইছো। সমগ্ৰ অসমতে আজিৰ তাৰিখত কোনোবা যদি কিবা কাৰণত মৃত্যু মূখত পৰে লগে লগে Ex-gratia ২৪ ঘন্টাৰ ভিতৰতে দিয়াৰ ব্যৱস্থা কৰা হৈছে। সেই ব্যৱস্থা আগতে নাছিল, বানপানীত মৃত্যু হওঁক বা electrocute হৈ মৃত্যু হওঁক বা বিভিন্ন ধৰণে মৃত্যু হওঁক সেই মৃত্যু বৰণ কৰা লোক সকলৰ পৰিয়ালক লগে লগে Ex-gratia দিয়াৰ যিটো ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ল এইটোৱে প্ৰমাণ কৰিছে যে আমাৰ চৰকাৰ খনে সু- শাসনত বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। কিন্তু জনসাধৰণক ৰিলিফ দিয়াৰ বাবে, জনসাধৰণক সকলো কথাতে শান্তি প্ৰদান কৰাৰ বাবেহে চৰকাৰ খনে দায়িত্ব বহন কৰিব লাগে। গতিকে মই বিশ্বাস ৰাখিছো যে আপোনালোকে আগন্তুক দিনত এই কাম কাজ সমূহটো সহায় সহযোগীতা আগবঢ়াব। এটা কথা আপোনালোকে কৈছে যে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ অসমৰ প্ৰতি সদিচ্ছা নাই। এই কথাটো আহে কেনেকৈ? যি গৰাকী প্ৰধান মন্ত্ৰীয়ে অসমৰ বানপানী, গড়া খহনীয়া সমস্যাৰ স্থায়ী সমধানৰ বাবে নীতি আয়োগৰ ভাইচ চেয়াৰমেন্ট ৰাজীৱ কুমাৰক লৈ এখন কমিটি গঠন কৰিলে, তেখেতে অসমত আহি ৪ ঘন্টা ৩০ মিনিট সময় বানপানী, খহনীয়াৰ বুজ লৈ। ইয়াৰ পূৰ্বতে কোনো প্ৰধান মন্ত্ৰীয়ে ৪ ঘন্টা ৩০ মিনিট সময় অসমৰ কাৰণে দিয়া নাছিল। কেৱল শুনানি লোৱাই নহয় তেওঁ লগে লগে থিৰাং কৰিলে যে এই সমস্যা কেৱল অসমে সমাধান কৰিব নোৱাৰে। প্ৰত্যেকখন নদীয়ে পাহাৰৰ পৰা নিগৰি আহিছে, অৰুণাচল, নাগালেণ্ড, মিজোৰাম, মণিপুৰ, মেঘালয়, চিকিম আদিৰ পৰা সেই বাবে থিৰাং কৰিলে যে চুবুৰীয়া ৰাজ্য সমূহৰ প্ৰতিনিধিক লৈ এখন স্থায়ী কমিটি নিৰ্মাণ কৰিব যি খন কমিটিয়ে আগন্তুক দিনত গোটেই বিষয়টোৰ ক্ষেত্ৰত তেখেত সকলে research কৰিব আৰু research কৰি চৰকাৰক এটা detailed প্ৰজেক্ট ৰিপোৰ্ট দিব আৰু যি প্ৰজেক্ট ৰিপোৰ্টৰ আধাৰত ভবিষ্যত দিনত কেন্দ্ৰীয় চৰকাৰে বানপানী,খহনীয়া সমস্যাটোৰ স্থায়ী সমাধানৰ পথ উলিয়াব। ইয়াৰ বাবে এশ কোটি টকাও অনুমোদন দিছে। গতিকে তেনে এজন প্ৰধান মন্ত্ৰীৰ যদি অসমৰ প্ৰতি সদিচ্ছা নাই বুলি কয়, ইয়াৰ উপৰিও অসমৰ আমাৰ জাতীয় কৃষ্টি-সংস্কৃতিৰ স্বাভিমানৰ প্ৰতীক গামোছা খন যদি আজি কোনোবাই branding কৰিছে ভাৰতবৰ্ষৰ

বুকুত, তেখেত হৈছে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই। ইনটাৰনেশ্যনেল International Yoga day Lucknow ত তেখেতে গামোচা খন লৈ যোগা কৰিলে। ইয়াৰ উপৰিও সদ্য সমাপ্ত ২৬ জানুৱাৰী তাৰিখে গণৰাজ্য দিৱসত নতুন দিল্লীত যেতিয়া দহ গৰাকী Myanmar, Thailand, Combodia, Philippines, Laos, Vietnam, Singapore, Malaysia, Brunei আৰু এখন আদি দহ খন ৰাষ্ট্ৰৰ মুৰব্বী সকলক যেতিয়া আমন্ত্ৰণ জনোৱা হৈছিল, মোক ও সন্ধিয়া নৈশ ভোজত আমন্ত্ৰণ জনোৱা হৈছিল। আমন্ত্ৰণ জনোৱা দিনা খন মাননীয় Sushma Swaraj মন্ত্ৰী ডাঙৰীয়ানীয়ে মোক ফোন কৰি ক'লে যে সৰ্বানন্দ মুজে গামোচা চাহিয়ে, ২০ গামোচা চাহিয়ে, কিউকি এচিয়ান কি জো ভি promos আয়ে হে সবকো স্বাগত কৰনা হোগা দেশবাসীয়োকা তৰফ্‌সে। এইটো এটা কিমান ডাঙৰ সন্মান। এই সন্মাটো প্ৰদান কৰাৰ ক্ষেত্ৰত মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই যি উদ্দ্যোগ লৈছে সেই উদ্দ্যোগ লোৱাৰ পিছতো আপোনালোকে কব নেকি যে তেখেতৰ অসমৰ প্ৰতি সদিচ্ছা নাই? অসমীয়া হিচাপে মই এইখিনি কৰিব পৰা নাই। ৰাষ্ট্ৰীয় পৰ্য্যায়ত মই গামোছাখন promote কৰিব পৰা নাই। কিন্তু মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এই সদিচ্ছা , আন্তৰিকতা, শ্ৰদ্ধা আৰু ভক্তি অসমৰ ৰাইজৰ প্ৰতি প্ৰদৰ্শন কৰিছে কামে কাজে। আপোনালোকে দেখিছে যে, ২০০৩ চনৰ পৰা Oil Royalty ৰ টকা পইচাবিলাক বন্ধ হৈ আছে। তেতিয়া বোধহয় মনমোহন সিং ডাঙৰীয়া ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছিল। অত বছৰে এই বিষয়বিলাকৰ ক্ষেত্ৰত অসম চৰকাৰৰ তৰফৰ পৰা প্ৰতিবেদন দিয়া হৈছিল। কিন্তু গুৰুত্ব দিয়া নাছিল কেন্দ্ৰীয় চৰকাৰে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়া ক্ষমতালৈ অহাৰ পাছতে আমাৰ কাৰণে প্ৰায় আঠ হেজাৰ কোটি টকা মোকলাই দিয়ে। তাৰে ৩৫০০ কোটি টকা ইতিমধ্যে আমালৈ প্ৰেৰণ কৰিলে। গতিকে অসমৰ ৰাইজৰ স্বাৰ্থত এনেধৰণৰ ঐতিহাসিক সিদ্ধান্ত লোৱাৰ পাছত আপোনালোকে ক'বনে যে অসমৰ ৰাইজৰ প্ৰতি তেখেতৰ সদিচ্ছা নাই? আৰু A for Assam এই বাক্যশাৰী কোৱা প্ৰথম গৰাকী প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া। A for Assam এই কথাষাৰ কৈ আজি আমাৰ বাবে লক্ষ্য স্থিৰ কৰিছে, আপোনালোকে প্ৰথম স্থৰত থাকিব লাগিব ভাৰতবৰ্ষৰ বুকুত। ইমান খিনি কথা জনাৰ পিছত আপোনালোকে সদিচ্ছা নাই বুলি যেতিয়া ইয়াত উল্লেখ কৰিছে , গতিকে মই ভাৱো আপোনালোকে নিজেই চিন্তা কৰা উচিত, যিগৰাকী মহান ব্যক্তিয়ে অসমৰ স্বাভিমানক এনেদৰে মৰ্য্যাদা দিছে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত,সেইগৰাকী ব্যক্তিক যদি আপোনালোকে Discourage কৰে,তেনেহলে অসমৰ হৈ কোনে চিন্তা কৰিব? গতিকে মই ভাৱো যে, এই কথাষাৰ আপোনালোকে দ্বিতীয়বাৰ চিন্তা কৰা উচিত, এনেধৰণৰ বক্তব্য দিয়াৰ প্ৰাক মুহুৰ্তত। আজিৰ তাৰিখত ৰাস্তা পদুলিয়েই হওঁক, আমাৰ গ্ৰাম্যাঞ্চলৰ ক্ষেত্ৰতে বা কাম -কাজৰ ক্ষেত্ৰতে হওঁক প্ৰতিক্ষেত্ৰতে আমাৰ মাত্ৰা আপোনালোকতকৈ বহু ওপৰত। মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই Comparative statement দিব খোজা নাই, আমাৰ বিভাগীয় মন্ত্ৰী সকলে এই ক্ষেত্ৰত যথেষ্টখিনি গুৰুত্বপূৰ্ণ বক্তব্য আপোনালোকৰ আগত দাঙি ধৰিছে, বিবৃতিও দিছে চৰকাৰখনৰ হৈ। মই কেৱল মূল কথা কেইটা ক'ব বিচাৰিছো। বিদেশীমুক্ত অসমৰ স্বাৰ্থত এন আৰ চি এতিয়া প্ৰথম পৰ্য্যায়ত। তাৰ draft ৰুলত ইতিমধ্যে ১ কোটি ৭০ লাখ মানুহ সন্নিবিষ্ট কৰা হ'ল। বাকীখিনি যি কাম বাকী আছে এই ক্ষেত্ৰত আপোনালোকে যেন সকলোৰে সহযোগীতা আগবঢ়ায়। ইয়াত আপোনালোকে বিভ্ৰান্তিকৰ বিবৃতি নিদিব। মানুহক অনাহকত ভয় নুখুৱাব। কাৰণ এইখন চৰকাৰ আছে, আমি দায়িত্ব লৈছো অসমৰ ৰাইজৰ। আমি যেতিয়ালৈকে থাকো তেতিয়ালৈকে আমি কোনো মানুহক ইয়াত অকলশৰীয়া নকৰো। গতিকে পিছৰ পৰ্যায়ৰ কামবোৰো

যাতে সুন্দৰভাৱে হৈ যায়, তাৰ কাৰণে আমি চেষ্টা কৰিছো, কাৰণ অসম চুক্তিৰ প্ৰতি আমি দায়বদ্ধ, আমি প্ৰতিজ্ঞাবদ্ধ। এই ক্ষেত্ৰত আমাৰ চৰকাৰে দৃঢ়ভাবে যিখিনি পদক্ষেপ লৈছে। আজি অসম আন্দোলনৰ বীৰ শ্বহীদ সকলৰ প্ৰতি আমি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। তেওঁলোকৰ পৰিয়ালবৰ্গলৈ আমি যৎপৰোনাস্তি কিবা এটা ন্যূনতম আৰ্থিক সাহাৰ্য্য আগবঢ়াইছো। শ্বহীদ স্মাৰক স্থায়ীভাৱে , সুন্দৰভাৱে নিৰ্মাণ কৰি তেখেত সকলৰ উল্লেখযোগ্য অ ৱদান চিৰস্মৰণীয় কৰি তুলিবৰ বাবে গুৱাহাটীৰ বুকুত ১০০ বিঘা মাটি ইতিমধ্যে আমি লৈছোঁ। গতিকে মই ভাৱো যে, এই ক্ষেত্ৰত আমাৰ যিখিনি দৃঢ়তা, আৰু দায়বদ্ধতা, তাৰ ওপৰত আপোনালোকে কোনো ধৰণৰ সন্দেহ প্ৰকাশ নকৰিব। কাৰণ আমি যি কথা নিৰ্বাচনৰ সময়ত কৈছিলো এই কথাবিলাক আমি দৃঢ়তাৰে পালন কৰি যাম । আপোনালোকৰ বক্তব্যত গঠনমূলক কথাও কৈছে, সেইটো আমি আন্তৰিকতাৰে গ্ৰহণ কৰিছোঁ কাৰণ আমাৰ বিৰোধী সকলে আমাৰ কাম-কাজবোৰৰ ওপৰত চোকা দৃষ্টি ৰাখক আৰু কিবা এটা ত্ৰুটিপূৰ্ণ হ'লে আপোনালোকে আঙুলিয়াই দিব। খুব আন্তৰিকতাৰে আমি এইটো গ্ৰহণ কৰিম। কাৰণ বিৰোধীৰ ভুমিকা সেইটোৱেই, দায়িত্ব আৰু দায়বদ্ধতা। The role of opposition is responsibility & responsiveness. এই দুটা দিশত আপোনালোকে প্ৰতিনিধিত্ব কৰিবই লাগিব। তাৰ কাৰণে সংবিধানে আপোনালোকৰ ওপৰত দায়িত্ব ন্যস্ত কৰিছে। সেইবাবে এই ক্ষেত্ৰত মইও সজাগ আৰু সচেতন মুখ্যমন্ত্ৰী হিচাপে বিৰোধীয়ে কিবা এটা ক'লেও মই দলিয়াই নিদিওঁ। সংবাদ মাধ্যমত প্ৰকাশ পোৱা প্ৰতিটো বাতৰি মই পঢ়ো আৰু বাতৰি বিলাকত মোক যেতিয়া সমালোচনা কৰে তেনেধৰণৰ এজন ব্যক্তিক মই আনকি ফোন কৰি কৈছো যে আপুনি মোৰ বিষয়ে লিখিছে মই ভাল পাইছো আৰু কাঢ়া লিখক। তেওঁ সুধিছে কিয় ? মই এই কাৰণেই কৈছো যে, ভয় আৰু ভক্তি। মই প্ৰথম দিনটোতে কৈছোঁ। ভয় ভাৱটো থাকিব লাগিব Rular মনত। এইটো কাম কৰিলে মোৰ বিপদ হব, সমাজখমেন মোক অৱজ্ঞা কৰিব। ভয় মানেই শৃঙ্খলাবদ্ধতা আৰু ভক্তি ভাৱটো থাকিবই লাগিব। তেতিয়াহে আপুনি ৰাইজৰ আস্থাভাজন হ'ব পাৰিব। গতিকে এই দুটা কথা আমি প্ৰতিজন জন প্ৰতিনিধিয়ে মুল্যাংকন কৰিবই লাগিব আৰু এই কথা মই মুল্যাংকন কৰো। সেইকাৰণে মই যি কোনো কামত কেতিয়াও প্ৰাধান্য নিদিওঁ। মোৰ সতীৰ্থ সকলে মোক এই ক্ষেত্ৰত যিমান দৃঢ়তাৰে সহযোগ কৰিছে তাৰ বাবে আপোনালোকক মই ধন্যবাদ জনাইছোঁ। যেতিয়া আমাৰ বিধান সভাৰ মিটিং হয়, প্ৰতিগৰাকী বিধায়কে এই ক্ষেত্ৰত মোক উৎসাহিত কৰে। Go ahead we are always with you. This is the sprit of democracy.This is the sprit of commitment to the people of Assam. গতিকে মই ভাৱো যে, বিৰোধী সকলে আগন্তুক দিনত এই কথাবোৰ মনত ৰাখিব। কাৰণ আজি ভাৰতবৰ্ষৰ বুকুত বিশেষকৈ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আমাক কেইটামান কথাত গুৰুত্ব প্ৰদৰ্শণ কৰিবলৈ আহ্বান জনাইছে। Perform, Reform & Transform.এই কেইটা হৈছে মূল মন্ত্ৰ।Perform মানে হৈছে আপুনি মই Perform কৰিবই লাগিব। এইটো একবিংশ শতিকা । প্ৰতিযোগীতাৰ পৃথিবীত Perform নকৰিলে We will all be removed. We will all be ignored. সেই কথা আমি সকলোৱে মনত ৰখা উচিত। Perform ৰ যোগেদি আমি Reformation আনিব লাগিব আৰুReformation আনি Transform কৰিব লাগিব। সেইবাবে আজিৰ তাৰিখত পৰিবৰ্তনৰ যি বাতাবৰণ এইটো গোটেই অসমত গঢ় লৈ উঠিছে। মই যেতিয়া কলেজ বিশ্ববিদ্যালয়লৈ যাওঁ, ছাত্ৰ-ছাত্ৰী সকলৰ লগত যেতিয়া বাৰ্তালাপ কৰো তেওঁলোকৰ বক্তব্যত এইবিলাক কথা ওলাই পৰে। তেওঁলোকে কয়, তেওঁলোকক কাম কৰাৰ ভাল সুযোগ দিব

লাগিব। আমাক সোধে, আপোনালোকে নতুন নতুন কি কি আচঁনি লৈছে? আমাৰ কোনটো sector ত ভৱিষ্যৎ কেনেকুৱা? প্ৰশ্নৰ আকাৰত তেওঁলোকে আমাৰ সন্মুখত দাঙি ধৰে। শুনি ভাল লাগে। Young,Bright,Energetic Student Community আজিৰ তাৰিখত পৰিবৰ্তনৰ দিশত তেওঁলোক আগ্ৰহী। তেখেত সকল পুৰণা কথাবিলাকক লৈ ব্যস্ত নহয়। গতিকে কোনোবাই যদি সস্তীয়া ৰাজনীতিৰ পথাৰত অৱতীৰ্ণ হ'ব বিচাৰে He will be totally ignored by the people of Assam. এই কথা আমি সকলোৱে মনত ৰখা উচিত। আমি এতিয়া Vibrant Assam. অৰ্থাৎ আমাৰ যিটো উজ্বলতা ইয়াক বৃদ্ধি কৰিব লাগিব। জিলিকাব লুইতৰে পাৰ। গতিকে বৰাক, ব্ৰহ্মপুত্ৰ এই দুইটাৰে পাৰ জিলিকাব লাগিব। আমি এই ১২৬ জন বিধায়কে কঠোৰ পৰিশ্ৰমৰ দ্বাৰা এই নতুন চামটোক উদ্বুদ্ধ কৰিব লাগিব। আপোনালোকে জানে যে আজিৰ তাৰিখত সকলো কথাই পোহৰলৈ আহে। পূৰ্বতেও মই কৈছিলো যে, We all are living in glass houses. বিৰোধীয়ে হওঁক বা শাসকীয়ই হওঁক সকলোৱে নিজৰ নিজৰ বিধান সভা সমষ্টিটোত কাম কৰিছো নে নাই ৰাইজে কিন্তু খবৰ ৰাখিছে। গতিকে ৰাইজক আপোনালোকে সকলো সময়তে আস্থাত লৈ কামখিনি আগুৱাব লাগিব। চৰকাৰী প্ৰতিখন আচঁনি যদি উন্নত মানদণ্ডৰে ৰূপায়ণ কৰিব লগা হয় ৰাইজক লগত লৈয়ে আগবাঢ়িব লাগিব। আজি গাওঁ সভা বিলাকৰ লগত প্ৰায় ২২ হাজাৰ Ward সভা হ'ল। এই চৰকাৰৰ কাৰ্য্যকালত গনতন্ত্ৰক তৃনমূল পৰ্য্যায়লৈ কঢ়িয়াই নিয়াৰ ক্ষেত্ৰত আমি যিখিনি সফলতা অৰ্জন কৰিছো ,মই ইয়াৰ বাবে আমাৰ গ্ৰামোন্নয়ণৰ ফালৰ পৰা যিখিনি উদ্যোগ লৈছে তাৰ বাবে মই ধন্যবাদ জনাইছোঁ। ২২ হাজাৰ Ward সভা অসমৰ বুকুত অনুষ্ঠিত হ'ল ।অলপতে Ward সভাৰ ৰিভিউ মিটিঙত প্ৰায় তিনি হাজাৰ লৈকে জনতাৰ উপস্থিতি দেখিলো তাৰ ভিতৰত প্ৰায় আশী শতাংশই মহিলা আৰু এই Ward সভাতে তেখেতসকলে থিৰাং কৰিছে Ward টোত কি কি লাগিব। পঞ্চায়তৰ পৰা যিখিনি আচঁনি আহিছে সেই আচঁনি সমূহক তাত কেনেধৰণে অগ্ৰাধিকাৰ দিব? ৰাস্তা দিব, খোৱাপানী দিব, বিজুলী দিব এইবিলাক তৃণমূল পৰ্য্যায়তে সিদ্ধান্ত হোৱা বাবে প্ৰকৃতাৰ্থত গণতন্ত্ৰক তৃণমূল পৰ্য্যায়লৈ লৈ যোৱাত সফল হৈছোঁ। এইটো এইখন চৰকাৰৰ আটাইতকৈ ডাঙৰ সফলতা ।

**মাননীয় অধ্যক্ষঃ** আমি সদনৰ অনুমতি সাপেক্ষে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বক্তব্যৰ বাবে সদনৰ সময় ১৫ মিনিট বঢ়াই দিছো।

**মাননীয় মুখ্যমন্ত্ৰীঃ** মই ভাৱো আজি প্ৰতি গৰাকী বিধায়কৰ বাবে এক উল্লেখযোগ্য দিন। ২২ হাজাৰ ৱাৰ্ড সভা আৰু এই ৱাৰ্ড সভাত আজি কালি সিদ্ধান্ত হয়। ইয়াত গণতান্ত্ৰিক ভাৱে গোটেই বিষয়বোৰৰ আলোচনা হয়। কোনোৱে তাত সিদ্ধান্ত জাপি দিব নোৱাৰে। স্বতঃস্ফুৰ্তভাৱে জনতাৰ হৃদয়ৰ পৰা সেই আৰ্তনাদ ভাহি আহে যে আমাক এইটো ৱাৰ্ডত ৰাস্তা লাগিব, আমাক এইটো ৱাৰ্ডত পানী লাগিব, বিজুলী লাগিব, গতিকে এই সিদ্ধান্ত ল'ব পৰা শক্তিতো পূৰ্বতে প্ৰদান কৰা হোৱা নাছিল। কিন্তু আমাৰ চৰকাৰখনে এই শক্তিটো জনসাধাৰণৰ হাতত তুলি দিলে। আপোনালোকৰ সময়ত 'ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ' বুলি যি এটা যাত্ৰা আৰম্ভ কৰিছিল, সেই যাত্ৰাটোত মই দেখিলো যে আপোনালোকে সফলতা অৰ্জন কৰিব নোৱাৰিলে। কিন্তু এইবাৰ আমি দেখিছো ৱাৰ্ড সভাবোৰত ৰাইজৰ উল্লেখযোগ্য অংশগ্ৰহণে গাওঁ অঞ্চলত তৃণমূল পৰ্যায়ত আজি গণতন্ত্ৰক উৎসাহিত কৰিছে। আজি গাঁৱৰ মানুহে উপলব্ধি কৰিছে যে হয়, এইখন স্বাধীন দেশৰ নাগৰিক হিচাপে আমাৰ বক্তব্যৰো স্থান, মৰ্যাদা, গুৰুত্ব আৰু গ্ৰহণযোগ্যতা আছে। So, this is the beauty and value of Indian democracy. গতিকে, মই ভাৱো যে এই কথাষাৰৰ পৰা আপোনালোক

সকলোৱে লাভান্বিত হ'ব। এতিয়া সেইবাবে যোৱা দিনবোৰত আমি গ্ৰাম্য অঞ্চলৰ বাবে যিমান বোৰ আঁচনি হাতত ল'লো, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বাজেটত হাজাৰ হাজাৰ কোটি টকা ধাৰ্য কৰা হ'ল, টকাবোৰ পঠিয়াইও দিয়া হ'ল কিন্তু ইয়াক কাৰ্যকৰী ৰূপ দিয়া নহ'ল। ৰূপায়ণত যথেষ্ট ত্ৰুটি থকাৰ কাৰণে আৰু money flow হওঁতে আত্মসাৎ কৰাৰ যি এটা ব্যৱস্থাৰ প্ৰৱৰ্তন হ'ল, তাৰ ফলত গ্ৰাম্য অঞ্চলৰ ৰাইজ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হ'ব লগীয়া হ'ল। গতিকে আগন্তুক দিনত যাতে এই কাম নহয়, তাৰ বাবে আমি প্ৰতিগৰাকী বিধায়কে এই ক্ষেত্ৰত সজাগ আৰু সচেতন হৈ গ্ৰাম্য অঞ্চলৰ ৰাইজৰ সৈতে মিলি বিভিন্ন আঁচনিক আমি সফলৰূপ দিব লাগিব। মই ভাৱো, সি সকল বিধায়কে এই ক্ষেত্ৰত উল্লেখযোগ্য সফলতা অৰ্জন কৰিব, এইখন বিধান সভাৰ মজিয়াতে পৰম শ্ৰদ্ধাৰ অধ্যক্ষ ডাঙৰীয়াই তেখেত সকলক সন্মানিত কৰা উচিত। কাৰণ আমি গ্ৰাম্য অঞ্চলৰ ৰাইজক আৰ্থিক ভাৱে, সামাজিক ভাৱে, সাংস্কৃতিক ভাৱে, শৈক্ষিক ভাৱে সকলো দিশতে শক্তিশালী কৰাৰ নিমিত্তে আমি এই পবিত্ৰ সদনলৈ আহিছো। গতিকে তেখেত সকলক যদি শক্তিশালী কৰাৰ যাত্ৰাত আমি উল্লেখযোগ্য বৰঙনি আগবঢ়াব পাৰো, মই ভাৱো, আমাৰ বিধায়ক সকলৰ কাৰ্যকালত এইটোৱেই আটাইতকৈ উল্লেখযোগ্য সফলতা। মই এই ক্ষেত্ৰত আগন্তুক দিনত বিশেষ ভাৱে দায়িত্ব সহকাৰে আপোনালোকক দায়িত্ব পালন কৰাৰ বাবে আহ্বান জনাইছো। চাহ-বাগিচাৰ সম্পৰ্কত আপোনালোকৰ মাজতে কোনোৱে কৈছিল যে আমি তাত একো কৰা নাই। কিন্তু চাহ-বাগিচাততো বহুত কাম কৰা হৈছে। ৮০ খন Mobile Medical Unit Van আমি তালৈ প্ৰেৰণ কৰিছো। পূৰ্বতে এইবোৰ নাছিল। চাহ-বাগিচাৰ ৰাইজক মই পূৰ্বতেও ধন্যবাদ দিছো আৰু আজিও ধন্যবাদ দিম যে demonetization ৰ ক্ষেত্ৰত যেতিয়া গোটেই ভাৰতবৰ্ষত এটা চিন্তা হৈছিল যে কি হ'ব! account খুলিব পৰা যাব নে নাই। কাৰণ তেখেত সকলৰ মাজত cash পইচাৰেহে লেন-দেন হৈছিল। বেংকৰ যোগেৰে কেতিয়াও টকাৰ লেন-দেন হোৱা নাছিল। Bank account ও নাছিল আৰু বেংকৰ সৈতে তেখেতসকলৰ কোনো সম্বন্ধও নাছিল। স্বাধীনতাৰ পিছৰে পৰা যোৱা ৭০ বছৰে বিত্তীয় ব্যৱস্থাটোৰ সৈতে এই খাতি খোৱা শ্ৰমিক সকল কেতিয়াও জড়িত হোৱা নাই। কিন্তু মোডী ডাঙৰীয়াই বিত্তীয় ব্যৱস্থাটোৰ পৰা দেখিলে যে যদিহে ভাৰতবৰ্ষৰ সৰহ-সংখ্যক খাতি খোৱা শ্ৰমিক, দুখীয়া, নিছলা আৰু দৰিদ্ৰ সীমা ৰেখাৰ তলত অৱস্থান কৰা লোক সকল সম্পূৰ্ণ ৰূপে আঁতৰি থাকে তেতিয়া হ'লে ভাৰতবৰ্ষৰ অৰ্থনৈতিক বুনিয়াদ কেতিয়াও শক্তিশালী হ'ব নোৱাৰে। সেই যুক্তিতে 'জন-ধন যোজনা' আৰম্ভ কৰিলে। ফলত, 'জন-ধন যোজনা'ৰ পৰা ২১ কোটি মানুহে bank account খুলিলে আৰু ৬৮ কোটি টকা বেংকত জমা হ'ল। সেইখিনি দুখীয়াৰ ধন। গতিকে দুখীয়া মানুহেও যে ভাৰতবৰ্ষৰ অৰ্থনৈতিক বুনিয়াদ গঢ় দিয়াৰ ক্ষেত্ৰত কিমান উল্লেখযোগ্য অৱদান আগবঢ়াব পাৰে, সেই কথাই ইয়াৰ প্ৰমাণ । পৰৱৰ্তী সময়ত, demonetization ৰ ক্ষেত্ৰত যেতিয়া account ৰ কথা আহিল, সেই সময়ত আমাৰ অসমতো প্ৰায় ১০ লক্ষ চাহ শ্ৰমিক আছিল তেখেত সকলৰ যাৰ account নাছিল। আমি তেখেত সকলক তেতিয়া আহ্বান জনাইছিলো যে আপোনালোকে account খোলক। এই পৰিস্থিতিত মইও ভিতৰি ভিতৰি ভয় খাই আছিলো যে কি হ'ব। কিন্তু শুনি আচৰিত পাব যে, পৰম শ্ৰদ্ধাৰ চাহ-শ্ৰমিক ৰাইজে সিদ্ধান্ত ল'লে যে আমি এই Digital India ৰ সময়ত digital লেন-দেনৰ যোগেৰে আমি আমাৰ জীৱন শক্তিশালীৰূপে গঢ় দিয়া উচিত আৰু উঠি অহা প্ৰজন্মক এই ক্ষেত্ৰত উৎসাহিত কৰা উচিত। সেই যুক্তিৰে ৭ লাখ bank account তেওঁলোকে খুলিলে, যাৰ বাবে আমি ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কৃতজ্ঞতা চিন স্বৰূপে তেখেতসকলক প্ৰথম কিস্তি হিচাপে ২৫০০ টকা প্ৰতি গৰাকী

ব্যক্তিক ইতিমধ্যে মুকলি কৰি দিয়া হৈছে আৰু তেওঁলোক কোৱা হৈছিল যে এই লেন-দেন যদি আপোনালোকে নিয়মীয়াকৈ ৰাখে তেনেহ'লে আৰু ২৫০০ টকাকৈ আমি আপোনালোকক আগবঢ়াম। গতিকে, মই ভাৱো যে চাহ-শ্ৰমিক ৰাইজ এতিয়া সজাগ আৰু সচেতন হৈছে, উঠি অহা চামটো শিক্ষিত হৈছে। আগন্তুক দিনত যাতে চাহ-শ্ৰমিক ৰাইজক আমি মৰ্য্যাদা সহকাৰে তেখেতসকলৰ পুত্ৰ-কন্যা সংস্থাপিত কৰিব পাৰো তাৰ কাৰণে বিভিন্ন ধৰণৰ আঁচনি হাতত লৈছো। চাহ-শ্ৰমিক ৰাইজৰ মাজত থকা প্ৰতিভাসম্পন্ন খেলুৱৈ সকলক আগবঢ়াই আনিব লগা হ'লে তেখেতসকলৰ talent বোৰ discover কৰিবলৈ হ'লে আমি নিশ্চিত ভাৱে এটা উচিত পৰিকল্পনাৰ মাধ্যমেৰে, কামত আগবাঢ়িব লাগিব। সেই যুক্তিতে আমি যোৱা বছৰৰ পৰা "CM Cup", Inter-State Garden ত আৰম্ভ কৰিলো। তাৰ ফলত যোৱা বছৰ প্ৰায় ৪০০ খন garden এ এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল আৰু আগন্তুক দিনত চাহ-বাগিচাৰ যি সকল যুৱ- বন্ধুৱে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব, আমি ভাৱো যে ই ইতিমধ্যে এটা জাগৰণৰ সৃষ্টি কৰিছে। আজি তেখেতসকলে ACS/IAS দিয়াৰ ক্ষেত্ৰত তেওঁলোকৰ প্ৰশিক্ষণৰ বাবে চৰকাৰৰ তৰফৰ পৰা coaching ৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰোপৰিও, আমি গৰ্ভৱতী মহিলা সকলক ১২ হাজাৰ টকাকৈ দিয়াৰ এটা সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। এইখিনি কাম পূৰ্বতে আপোনালোকৰ তৰফৰ পৰা হোৱা নাছিল বাবে আমি সেইবোৰ কাম এতিয়া কৰিছো। সদায় private sector ক অৱহেলা কৰা হৈছিল আনকি চৰকাৰৰ তৰফৰ পৰা অত্যন্ত স্পৰ্শকাতৰ বিষয় বোৰৰ ক্ষেত্ৰতো সম্বোধন কৰা হোৱা নাছিল। কিন্তু, এইখন চৰকাৰে দায়িত্ব লোৱা দিনৰে পৰা চাহ-শ্ৰমিক ৰাইজৰ উন্নয়নৰ বাবে বিভিন্ন ধৰণৰ উল্লেখযোগ্য পদক্ষেপ হাতত লৈছে। মই বিশ্বাস ৰাখিছো যে আপোনালোক সকলোৰে সহযোগীতা থাকিলে আমি নিশ্চিত ভাৱে আৰু অধিক কাৰ্যসূচী হাতত ল'ব পাৰিম। সন্তোষ কুমাৰ তপ্ন, পূৰ্বতে তেখেতক কেতিয়াও স্মৰণ কৰা হোৱা নাছিল কিন্তু পোন প্ৰথম বাৰৰ বাবে তেখেতৰ স্মৃতিত আমি 'শ্ৰমিক কল্যাণ দিৱস' ডিব্ৰুগড়ত উদ্‌যাপন কৰিছিলো আৰু এইটো এটা উল্লেখযোগ্য সফলতা আছিল। এই কাৰ্যসূচীত সমগ্ৰ অসমৰ চাহ-শ্ৰমিক ৰাইজে অংশগ্ৰহণ কৰিছিল। এই ক্ষেত্ৰত আপোনালোকৰ এক সময়ৰ সতীৰ্থ ও প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী পৱন সিং ঘাটোৱাৰ ডাঙৰীয়া আৰু শ্ৰী দিলেশ্বৰ তাঁতী ডাঙৰীয়াই আমাক উৎসাহিত কৰিছিল আৰু তেখেতসকলে একে মুখে স্বীকাৰ কৰিছিল যে চাহ-শ্ৰমিক ৰাইজৰ বাবে চৰকাৰে লোৱা এই পদক্ষেপ অত্যন্ত উল্লেখযোগ্য। আগন্তুক দিনত তেখেত সকলে সকলো ধৰণৰ সহযোগীতা আগবঢ়োৱাৰ কথাও আমাক জনাইছে। গতিকে মই ভাৱো যে, এইখন চৰকাৰে যিমান স্বচ্ছতাৰে প্ৰতিটো জনগোষ্ঠীৰ উন্নয়নৰ বাবে যিবোৰ পদক্ষেপ লৈছে, সেই প্ৰতিটো পদক্ষেপতে আমি ৰাইজৰ সমৰ্থন বুটলিবলৈ সক্ষম হৈছো। আজি অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীক একাকাৰ কৰাৰ নিমিত্তে আপোনালোকে দেখিছেই যে বিভিন্ন ধৰণৰ কাৰ্য-সূচী হাতত লোৱা হৈছে। বীৰ চিলাৰায়, বীৰ লাচিত, সতি সাধনী এনে ধৰণৰ যিমান সংখ্যক প্ৰবাদ পুৰুষ আছে, বীৰ চামুণ্ডাৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰাৰ পৰা আৰম্ভ কৰি বিভন্ন ক্ষেত্ৰত আমি জনগোষ্ঠী সমূহক আন্তৰিকতাৰে সহযোগ আগবঢ়াইছো। কাৰণ এই যে 'Sabka Sath Sabka Bikash ' কথাষাৰত যদি আমি বাস্তৱায়িত কৰিব লগা হয় তেনেহ'লে আমাৰ চৰকাৰে তেখেতসকলক space দিব লাগিব। অতদিনে চৰকাৰে space দিয়া নাছিল। তেখেত সকলক দূৰে দূৰে ৰখা হৈছিল। কেতিয়াবা কোনোবা এটা সময়ত বিবৃতি এটা দিয়ে আৰু সেইটোতে চৰকাৰে দায়িত্ব শেষ বুলি ভাৱে। কিন্তু, আমি এইটো কাম কৰা নাই, আমি তেখেতসকলৰ লগত কথা পাতিছোঁ, বহিছোঁ, খাইছোঁ আৰু তেখেতসকলে আগবঢ়োৱা ধৰণে তেখেতসকলৰ মনৰ কথাবোৰ

বুটলি আনি আমি বিভিন্ন ধৰণৰ পৰিকল্পনা হাতত লৈছো। ৰাঘৰ মৰাণৰ পৰা আৰম্ভ কৰি বিভিন্ন গৰাকী ব্যক্তি যেনে, শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱ গোস্বামীৰ নামত আমি বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে বিভিন্ন ধৰণৰ কাৰ্য-সূচী, উজনি-নামনি, বৰাক- ব্ৰহ্মপুত্ৰৰ কাম, স্বামী বিবেকানন্দৰ স্মৃতিত আমি এটা International Youth Centre বৰাকত প্ৰতিষ্ঠা কৰিবলৈ গৈ আছো আৰু বৰাক উপত্যকাত আমি বিশেষকৈ বৰাক উপত্যকাক গুৰুত্বপূৰ্ণ অঞ্চল বুলি চৰকাৰ সমূহে বিবেচনা কৰা নাছিল। সেইকাৰণে বৰাকৰ ৰাইজে ভাৱিছিল যে আমাক সদায় কলনি হিচাপে ট্ৰিট কৰে। বৰাকলৈ যি পইচা যায় আত্মসাৎ কৰা হৈছিল। বৰাকৰ মানুহে ৰাস্তাও নাপায়। কিন্তু আঁচনি বিলাকত লিখা থাকে যে ৰাস্তা, পদুলি, দলং ইত্যাদি। কিন্তু বাস্তৱত তেওঁলোকে কেতিয়াও ভাল ৰাস্তাত খোজ কাঢ়িব পৰা নাছিল। এইবাৰ যাওঁতে মোক শিলচৰৰ ৰাইজে কৈছে যে আপোনালোকৰ চৰকাৰ আহি কিন্তু বহুত কাম কৰিলে। আমাক দিল্লীৰ পৰা বিভিন্ন গৰাকী বিশিষ্ট ব্যক্তিয়ে এচ এম এচৰ জৰিয়তে মোক ধন্যবাদ জনাইছে যে আপোনালোকেই প্ৰথম চৰকাৰ যিয়ে বৰাকক ইমান আন্তৰিকতাৰে গ্ৰহণ কৰিছে। এতিয়া আমি Mini Secretariat তাত প্ৰতিষ্ঠা কৰিম। যাতে বৰাকৰ ৰাইজে ইয়ালৈ আহিব নালাগে। কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি গোটেই অঞ্চল সমূহৰ যাতে সমান্তৰালভাৱে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৈতে গতি কৰিব পাৰে আৰু তিনিখন পাহাৰীয়া জিলা। আজি উমৰাংচুত আমি অসমৰ আটাইতকৈ যিটো উল্লেখযোগ্য Institute হ'বলৈ গৈ আছে ACS Training Centre । যেনেদৰে Mussoorie ত IAS Training Centre যিটো সৰ্বভাৰতীয় ঠিক তেনেদৰে ACS Training Centre টো আমি উমৰাংচুত প্ৰতিষ্ঠা কৰিম। তিনিখন জিলাত আমি investment Committee ৰ যোগেদি বিভিন্ন বিনিয়োগকাৰী সকলক আমি কৈছো যে এই তিনিখন জিলাত আদা, হালধী, ৰবৰ, কমলা, আনাৰস ইত্যাদি হয়। গতিকে এতিয়া Food Processing Sector ত কেইবাগৰাকী বিনিয়োগকাৰীয়ে ইতিমধ্যে তাত উদ্যোগ প্ৰতিষ্ঠাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। গতিকে আমি ৩৩ খন জিলাত সমমৰ্য্যদা দিয়াৰ বাবে আমি আগ্ৰহী আৰু সেই দৃষ্টিভংগীৰে আমি পদক্ষেপ বিলাক লৈ আছো। দক্ষিণ শালমাৰা, মানকাছাৰ এই অঞ্চল আটাইতকৈ অৱহেলিত নতুন জিলা। কিন্তু মই তাত ইতিমধ্যে helipad নিৰ্মাণৰ বাবে টকা পইচাৰ অনুমোদন জনাইছো। গতিকে যাতায়াত ব্যৱস্থা যেতিয়ালৈকে শক্তিশালী নহয়, আপোনালোকে জানে যে ধুবুৰীৰ ফুলবাৰী এইখন বোধহয় ভাৰতবৰ্ষৰ আটাইতকৈ longest bridge হ'ব ১৮ কিঃমিঃ। গাডকাৰী ডাঙৰীয়াই কিছুদিন আগতে শ্ৰীবদৰুদ্দিন ডাঙৰীয়াক জনায় দিছে যে অলপতে ইয়াৰ কাম আৰম্ভ হ'ব। কাৰণ ইয়াৰ ডি পি আৰৰ কাম সম্পূৰ্ণ হৈছে আৰু এতিয়া ইয়াৰ টেণ্ডাৰ প্ৰক্ৰিয়ালৈ যাব। গতিকে আজি মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই অসম তথা উত্তৰ পূৰ্বাঞ্চলক অগ্ৰাধিকাৰ দিয়াৰ বাবে গুৰুত্ব দিছে। আগতে ভাৱক যে আন্দোলন নহ'লে ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নহয়, বৰাকৰ ওপৰত দলং নহয়। আজি বৰাকত তিনিখন নতুন দলং পাব। ব্ৰহ্মপুত্ৰৰ ওপৰত পাঁচখন নতুন দলং হ'ব। গতিকে এই উল্লেখযোগ্য সিদ্ধান্ত বিলাক আজি অসমৰ ৰাইজে আন্দোলন নকৰাকৈ মোদী ডাঙৰীয়াৰ আন্তৰিকতা, সদিচ্ছা থকাৰ কাৰণে স্বতঃস্ফূৰ্ত ভাৱে তেখেতৰ বিভাগীয় মন্ত্ৰী সকলক নিৰ্দ্দেশ দিছে যে ' you go and implement the different schemes in the state of Assam for their speedy growth' গতিকে এই কথাবিলাক আপোনালোকে উপলব্ধি কৰক আৰু এই কথা বিলাকত আপোনালোকে সহযোগিতা আগবঢ়াব লাগিব। সদৌ শেষত মই অধ্যক্ষ ডাঙৰীয়া সামৰিব বিচাৰিছো। কিন্তু সামৰণীৰ প্ৰাকমূহুৰ্ত্তত আমাৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই অলপতে আমাৰ investment summit ত আমি এই কথাটো সাধাৰণতে আমাৰ বক্তব্য বিলাকত প্ৰকাশ

নাপাইছিল। অসমৰ যিমান বিলাক শাসক, বিৰোধী নেতা আছে জেষ্ঠ্য , কনিষ্ঠ নেতাৰ বক্তব্যত এই কথা বিলাক মই শুনা নাছিলো। তেখেতে সিদিনাখন আহি investment summit ত কি ক'লে ঃ " **অগ্নি যুগৰ ফিৰিঙতি মই নতুন অসম গঢ়িম**

**সৰ্বহাৰাৰ সৰ্ব্বোচ্চ পুনৰ ফিৰাই আনিম"।**

এই কথাষাৰে আমাক ইমান উৎসাহিত কৰিছে যে মই ভাৱো যে আপোনালোককো উৎসাহিত কৰিছে। আপোনালোক সকলো অসমীয়াৰ সন্তান গতিকে এই কথাষাৰি আমি মূল্যাংকন কৰিব লাগিব। ইয়াকে আমাৰ স্বাভিমান প্ৰতীক হিচাবে লৈ নতুন অসম গঢ় দিয়াৰ যাত্ৰাত আগবাঢ়িব লাগিব। গতিকে মই আপোনালোক সকলোৰে সহযোগিতা বিচাৰিছো। ' Let us work together' কিন্তু এটা কথা মই পুনৰ কওঁ যে এইখন চৰকাৰে প্ৰত্যেকটো পদক্ষেপ লওঁতে আমি অসমৰ ৰাইজৰ লগত আলাপ আলোচনা কৰি লৈছো আৰু আমি লোৱা যিবিলাক কাৰ্য্যসূচী তাৰ লক্ষ্যটোৱে হৈছে অসমৰ খেতিয়ক, শ্ৰমিক, বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষী, ধৰ্মৱালম্বী লোকক সমমৰ্য্যদা প্ৰদান কৰা আৰু তেওঁলোকৰ সম উন্নয়নৰ বাবে কাম কৰা। সেইবাবে মই আগন্তুক দিনত চৰকাৰৰ কাৰ্য্যসূচীত আপোনালোক সকলোৱে সহযোগিতা আগবঢ়াব বুলি আহ্বান জনায় আমাৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ বক্তব্যক সদনৰ মজিয়াত সৰ্বসন্মত ভাৱে গৃহিত কৰাৰ বাবে আবেদন জনাই মই মোৰ বক্তব্যৰ সামৰনি মাৰিছো। নমস্কাৰ।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Thank you very much. আমাৰ হাতত আৰু দুই মিনিট সময় আছে। মই এতিয়া শ্ৰী দেবানন্দ হাজৰিকাৰ প্ৰস্তাৱক তেওঁ আৰু Right of reflect নকৰো বুলি কৈছে। সময়ৰ কথা আছে আৰু দুটা সংশোধনী প্ৰস্তাৱ আছে। প্ৰথমে শ্ৰী হাফিজ ৰছিৰ আহমেদ ডাঙৰীয়া। মই আপোনাক সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবৰ বাবে অনুৰোধ জনাইছো।

**শ্ৰী হাফিজ ৰছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় মুখ্যমন্ত্ৰী দেৱে তেখেতৰ বক্তব্যত সকলোবোৰ কথাই স্পষ্ট কৰিছে। মই এটা কথাকৈ সামৰনি মাৰিম। উন্নয়নৰ কাৰণে মই মোৰ বক্তব্যটো কৈছিলো। এই কথাষাৰ Social Harmony, Communal Harmony অত্যন্ত প্ৰয়োজনীয়। 'Basic back bond for Development' কিন্তু সম্প্ৰতি কিছুদিনৰ পৰা কিছু দায়িত্বশীল ব্যক্তি, জনপ্ৰতিনিধিয়ে আমাৰ Communal Harmony তথা Social Harmony বিঘ্নিত কৰাৰ অৰ্থে কিছু ধৰণৰ দায়িত্বহীন বক্তব্য টি ভি বা বিভিন্ন ঠাইত দিয়া পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত মই অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যি দলৰ, যি মতৰ, যি ঠাইৰ বা যি ঠাইৰ মানুহেই নহওঁক কিয় আমাৰ অসমৰ তেখেতে বক্তব্যত কৈছে শংকৰদেৱ, মাধৱদেৱ, আজান ফকিৰৰ সংহতিৰ দেশ। এই সংহতি যাতে বিঘ্নিত নহয় তেনে ব্যক্তিৰ বিৰুদ্ধে কঠোৰ শাস্তি ল'ব বুলি আশা ৰাখি আমি আমাৰ যি ধন্যবাদ সূচক প্ৰস্তাৱৰ বিৰুদ্ধে যি আমাৰ প্ৰস্তাৱ আনিছিলো আমি উঠাই লৈছো।

মাননীয় অধ্যক্ষ ঃ মই দুই তিনিমিনিট মান লম আৰু এই প্ৰক্ৰিয়াটোৰ কাৰণে। শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া আপোনাৰ প্ৰস্তাৱটো।

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি বক্তব্য আগবঢ়ালে তেখেতে বহুখিনি কথা কৈছে, বহুখিনি কোৱাও নাই। বহুখিনি আঁচনি পূৰ্বৰ পৰা আছিলে। তেখেতে এতিয়াৰ চৰকাৰৰ বুলি কৈছে। এইখিনি ভৱিষ্যতে আমি নিশ্চয় পাতিব পাৰিম। জনগোষ্ঠীৰ SC status টোৰ বিষয়েও সমস্যাটা উল্লেখ হোৱা নাই । যিহেতু খুব জৰুৰী আছিল। Autonomous Council সমূহৰ fund release হোৱা নাই আৰু যোৱা সময়চোৱাত NRC বিষয়টো

লৈ যেনেধৰণে আমি আশা কৰিছিলো তাত আমাৰ কিছু আশা পুৰণ হোৱা নাই। মুখ্যমন্ত্ৰী মহোদয়ে যিহেতু এই গোটেইখিনি কথা লগত লৈ চলিম বুলি কৈছে, বৰাক উপত্যকাৰ কথাও কৈছে। আৰু শেহতীয়াকৈ ‘ জিলিকাব লুইতৰে পাৰ ’ এইটো উদ্ধৃতি দিলে। কিন্তু যোৱা দুদিনমানৰ যি এটা পৰিবেশ গুৱাহাটী বিশ্ববিদ্যালয়ত হ’ল এই গোটেইখিনি যাতে আৰু নহয় তাৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ে দৃষ্টি দিব বুলি মই আশা কৰিছো আৰু মুখ্যমন্ত্ৰী মহোদয়ে যিহেতু সকলোকে লৈ চলাৰ কথা কৈছে, দুবছৰো হোৱা নাই চৰকাৰৰ সময় নিশ্চয় আছে। মই ভাৱো যিখিনি হোৱা নাই সেইখিনিৰ বাবে তেখেতে যত্ন লব বুলি মই আশা কৰি আমাৰ সংশোধনী উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you very much. মই মূল প্ৰস্তাৱটো এতিয়া উৎথাপন কৰিম। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা খুব ভাল পৰামৰ্শ দিছিল। আমি ইতিমধ্যে এইটো গ্ৰহণ কৰিছো। আপোনাক জনাবলৈ পাই ভাল পাইছো যে আমি এই বছৰ শ্ৰেষ্ঠ বিধায়কৰ বঁটা দিম। সাত এপ্ৰিল তাৰিখে হ’ব। তাৰ কাৰণে আমি এখন কমিটি গঠন কৰিছো। আপোনালোকক জনোৱা নাই। তেওঁলোকে নিৰপেক্ষ ভাৱে গোটেইখিনি judge কৰিব। অকল ইয়াৰ performence আৰু নিজৰ সমষ্টিৰো performence গোটেইখিনি চাব। মই এতিয়া মাননীয় সদস্য শ্ৰী দেবানন্দ হাজৰিকা ডাঙৰীয়া দেৰৰ মহামান্য ৰাজ্যপালৰ ভাষনৰ ওপৰত উৎথাপন কৰা মূল প্ৰস্তাৱলৈ আহিব খুজিছো আৰু এটা কথা মই যেনেকৈ best Legislator ৰ লগতে best reporter of the Assembly আমি সংবাদ মাধ্যমত আৰু এটা বঁটা দিয়াৰ কথা ভাৱিছো। এই কথাটো থাকি গৈছে ক’বলৈ। এজন best Legislator and best reporter of the Assembly। এতিয়া মূল প্ৰস্তাৱটো হৈছে এই অধিবেশনত মিলিত হোৱা অসম বিধান সভাৰ সদস্য- সদস্যা সকলে ৬ ফেব্ৰুৱাৰী ২০১৮ তাৰিখে ৰাজ্যপালে সদনত আগবঢ়োৱা ভাষনৰ বাবে তেখেতৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰে। যিসকল এই প্ৰস্তাৱৰ সপক্ষে আছে কওঁক হয় আৰু যিসকল বিপক্ষে আছে কওঁক নহয়।

মই ভাৱো হয় সপক্ষে, হয় সপক্ষে ,হয় সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ’ল আৰু প্ৰস্তাৱটো সদনত গৃহিত হ’ল বুলি ঘোষনা কৰিছো।

**এতিয়া সদন কাইলৈ পুৱা ৯.৩০ বজালৈকে স্থগিত ৰখা হৈছে।**